● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দেওবৰীয়া দৈনিক

# অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

জীৱনৰ দুঃসাহসিক অভিজ্ঞতা হৈছে শিকা। জীৱনৰ উদ্দেশ্য হৈছে উন্নতি কৰা। জীৱনৰ চৰিত্ৰ হৈছে সলনি হোৱা।

উইলিয়াম আৰ্থাৰ ৱাৰ্ড
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৫ ২০২৪ত নৰেন্দ্ৰ মোদীৰ লগত ফেৰ
১৫ জিম্বাব'ৱেৰ বিৰুদ্ধে শৃংখলা দখল ভাৰতৰ
৪ 'একবাৰ বিদায় দে মা ঘুৰে আসি'

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১১তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ৪ ভাদ ১৪২৯ ভাস্কৰাব্দ ২১ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 21 August 2022 মূল্য ঃ ৯.০০ টকা

# আছু-সাহিত্য সভাক কটাক্ষ মুখ্যমন্ত্ৰী শৰ্মাৰ

## ■ গণিত-বিজ্ঞানৰ ইংৰাজীত পাঠদানৰ প্ৰসংগ ■ অবিবাহিত-৬০ বছৰীয়াৰ কথাত নহয়, ছাত্ৰ-অভিভাৱকৰ মতেহে সিদ্ধান্ত




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** ৰাজ্যৰ চৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞানৰ ইংৰাজীত পাঠদানৰ সিদ্ধান্তক কেন্দ্ৰ কৰি ৰাজ্যজুৰি অব্যাহত থকা বিতৰ্ক আৰু এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ বিভিন্ন দল-সংগঠনে দাবী জনাই অহাৰ সময়তে এই সম্পৰ্কত আজি প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে শিক্ষাৰ লগত কোনো সম্পৰ্ক নথকা লোকৰ মতে নহয়, শিক্ষাৰ্থী আৰু অভিভাৱকৰ মতেহে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব। জনতা ভৱনত আজি এক সংবাদমেলত তেওঁ কয়, 'চৰকাৰে শিক্ষাৰ ১০ পৃষ্ঠাত চাওক

## প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পষেকীয়া কলম**

### (১) দেশপ্ৰেম



**দেশপ্ৰেম,** মাত্ৰাধিক দেশপ্ৰেম আৰু বীৰপূজাৰ মাজত পাৰ্থক্য আছে। ভাৰতৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসত জাতীয় পতাকাৰ তিনিদিনীয়া উত্তোলন, তাকে লৈ বিভিন্ন মাধ্যমত চৰ্বিতচৰ্বণ আদিত বিদ্বৎ মহল দেশপ্ৰেমৰ মাত্ৰাধিক্য (জিংগোইজম) হ'ল নেকি বুলি শংকিত হৈছে। ব্যক্তিক ভালপোৱাৰ যেনেকৈ সীমা নাথাকে ব্যক্তিসমূহৰ বিমূৰ্ত প্ৰতীক ৰাষ্ট্ৰকো হয়তো চৰ্তহীনভাৱে ১০ পৃষ্ঠাত চাওক

## পাঁচ কোটি ব্যয় কৰি নিৰ্বাচন খেলা বিধায়কে নিজে পঢ়া স্কুলত এখন ফেন দিব নোৱাৰে

**■ অনুদান বিচাৰি শিক্ষামন্ত্ৰীৰ পত্ৰৰ প্ৰসংগত প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰীৰ ■ ডাঃ পেগুৱে লিখা চিঠিত গণ্ডগোল আছে**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** 'পুঁজিৰ অভাৱ', বিদ্যালয়লৈ অনুদান বিচাৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধায়কসকলক প্ৰদান কৰা পত্ৰক লৈ ব্যাপক চৰ্চা অব্যাহত থকাৰ সময়তে আজি এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে পত্ৰখনত বিষয়টো স্পষ্টৰূপত উল্লেখ কৰিব নোৱাৰা বাবেই বিতৰ্কৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰীয়ে কয়, 'বিদ্যাঞ্জলি ৰণোজ পেগুৰ আঁচনি নহয়। মন্ত্ৰী পেগুৱে চিঠিখন লিখিছে, কিন্তু চিঠিখনৰ প্ৰথম শাৰীটো যিদৰে লিখিব লাগিছিল নিলিখা বাবে অলপ গণ্ডগোল হৈছে। তেওঁ লিখিব লাগিছিল যে আমি পৰ্যাপ্ত কৰাৰ পাছত যিখিনি বাকী থাকে আপোনালোকে দিব বা দিয়ক, যিদৰে অংগনৱাড়ীৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে।' অসমীয়া মানুহে বিদ্যালয়সমূহলৈ অনুদান জন্মলগ্নৰে পৰা দি ১০ পৃষ্ঠাত চাওক

## সংগ-প্ৰসংগ

**■ দয়ানন্দ পাঠক**

### অসম বন্ধু ডাঃ কৰুণাসাগৰ দাস



**ডাঃ** কৰুণাসাগৰ দাসক নজনা কোনো সচেতন বা বুদ্ধিদীপ্ত লোক অসমত নাই বুলিলেও চলে। তেওঁ স্থায়ীভাৱে আছিল ইংলণ্ডত। পাছত তেওঁৰ বাসস্থান লণ্ডন মহানগৰ। তেওঁৰ পুৰণি ঘৰ হ'ল হাজোৰ দমদমাত। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা দমদমাতেই। পাছলৈ তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এমবিবিএছ ডিগ্ৰী লাভ। তাৰ পাছত অসমত দুই-চাৰিটা টুকুৰা-টুকুৰ কাম কৰি তেওঁ ইংলণ্ডৰ চিকিৎসা সেৱাত ১০ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত পুখুৰীত উদ্ধাৰ হ'ল মাতৃ-কন্যাৰ মৃতদেহ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ঘৰৰ কাষতে থকা এটা পুখুৰীত মাতৃ-কন্যাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই আজি ৰহস্যৰ সৃষ্টি কৰিছে ডিব্ৰুগড়ৰ লাহোৱালত। লাহোৱালৰ ১০ পৃষ্ঠাত চাওক



*চিলিণ্ডাৰ বিস্ফোৰণ ঘটি সংঘটিত হ'ল বিধ্বংসী অগ্নিকাণ্ড, মহানগৰীত।*

## ডিব্ৰু নৈত দুই বন্ধুৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**
**ডুমডুমা, ২০ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ গুইজানৰ কলীয়াপানীঘাটত আজি গা ধুবলৈ যাওঁতে দুজনকৈ যুৱকৰ সলিল সমাধি ঘটে। তিনিচুকীয়াৰ বৰগুৰিৰ পোণা গোহাঁইৰ পুত্ৰ ঋষভ গোহাঁই (১৯) আৰু ৰঙাগড়া পথৰ ৰূপক কলিতাৰ পুত্ৰ ১০ পৃষ্ঠাত চাওক

## বাংলাদেশৰ জেহাদীক আশ্ৰয়-সহযোগিতাৰ অভিযোগত ইমামসহ দুজনক গ্ৰেপ্তাৰ

### গোৱালপাৰাত আৰক্ষীৰ অভিযান

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/মাটিয়া, ২০ আগষ্ট ঃ** বাংলাদেশৰ জেহাদী সংগঠন আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰ লগত জড়িত থকাৰ সন্দেহত গোৱালপাৰা এজন ইমাম তথা মাদ্ৰাছাৰ শিক্ষকসহ দুজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আটকাধীন লোক দুজন হৈছে ক্ৰমে মৰনৈ আৰক্ষী থানাৰ অধীনৰ ডাকাইদলৰ ১০ পৃষ্ঠাত চাওক

**■ ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ বন্দৰ ■ ম'বাইল হাৰ্বাৰ ক্ৰেন 'ইণ্ডিয়ান প'ৰ্টছ গ্ৰ'বেল চাবাহাৰ ফ্ৰী ট্ৰেড জ'ন'লৈ হস্তান্তৰ**

## ইৰানৰ চাবাহাৰ বন্দৰ পৰিদৰ্শন কৰি বুজ ল'লে মন্ত্ৰী সোণোৱালে

**■ নিউজ ব্যুৰ'**
**চাবাহাৰ, ২০ আগষ্ট ঃ** চৰকাৰী ভ্ৰমণসূচীৰে ইতিমধ্যে ইৰানত উপস্থিত হোৱা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চাবাহাৰ শ্বাহিদ বেহেস্তী বন্দৰ পৰিদৰ্শন কৰি উন্নয়নৰ অগ্ৰগতি পৰ্যালোচনা কৰে। চাবাহাৰ বন্দৰৰ সুযোগ-সম্ভাৱনাক ত্বৰান্বিত কৰাৰ বাবে সোণোৱালে ছটা ১০ পৃষ্ঠাত চাওক








# ধূপধৰাৰ মালাংকোণাত অবৈধ কাঠ ফলা মিলসহ চোৰাং কাঠ জব্দ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ২০ আগষ্ট ঃ** চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে ৰংজুলি বন বিভাগৰ ধাৰাবাহিক অভিযান অব্যাহত আছে। আজিও ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ধূপধৰাৰ মালাংকোণা গাঁৱত এটা অবৈধ কাঠ ফলা মিল উৎখাত কৰাৰ লগতে বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয় বন বিভাগে। এক বিশেষ সূত্ৰৰ পমখেদি ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ বন বিষয়া শৰৎ দাসৰ নেতৃত্বত বনকৰ্মীৰ দলে চলোৱা অভিযানত অবৈধ কাঠ ফলা মিল উচ্ছেদ কৰিবলৈ সক্ষম হোৱাৰ লগতে উদ্ধাৰ কৰিবলৈ সক্ষম হয় বৃহৎ পৰিমাণৰ শাল গছৰ কুণ্ডা। পাছত জব্দকৃত শাল গছৰ কুণ্ডা আৰু কাঠ ফলা মিলৰ যন্ত্ৰ-পাতিসমূহ ধূপধৰা কাঠ ভঁৰাললৈ লৈ আনে। ৰংজুলিৰ বনাঞ্চলিক বিষয়া দাসে প্ৰকাশ কৰা অনুসৰি, অবৈধ কাঠ ফলা মিলৰ মালিকসকলৰ বিৰুদ্ধে বন বিভাগে গোচৰ ৰুজু কৰিব। ধাৰাবাহিক অভিযানত বন বিভাগে জব্দ কৰা অবৈধ কাঠ ফলা মিলৰ গৰাকীৰ বিৰুদ্ধে ইতিমধ্যে গোচৰ দিয়া হৈছে বুলিও বন বিষয়াজনে জানিবলৈ দিয়ে। উল্লেখ্য যে ৰংজুলি বনাঞ্চলৰ অন্তৰ্গত বিভিন্ন অঞ্চলত বন বিভাগে শেহতীয়াভাৱে চলোৱা ধাৰাবাহিক অভিযানত বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হৈছে।

**বিজ্ঞাপনৰ বিশেষ ৰেহাই**

মাত্ৰ দুশ টকাত
■ শোক বাৰ্তা

মাত্ৰ পাঁচশ টকাত
■ কৃতিত্ব বাৰ্তা

মাত্ৰ তিনিশ টকাত
পাত্ৰ-পাত্ৰীৰ বিজ্ঞাপন

বিজ্ঞাপন বিভাগ
দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ
ফোন ঃ ৯৮৬৪৮৯৭১৭৫
৯৮৬৪৬২০০৬৫
ই-মেইল ঃ
agradoot@gmail.com

**পদ খালী**

Direct Posting গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা Free দৰমহা ৩০,০০০/- টকালৈকে।
**Perfect Jobsite**
**Dispur**
**9864020419,**
**8011007148**

**জ্যোতিষী**

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ Guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
**(M) 8099336044.**

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

## শিলচৰত বানাক্ৰান্তক সাহায্য প্ৰদান মন্ত্ৰী জয়ন্ত মল্লৰ

**শিলচৰ, ২০ আগষ্ট ঃ** অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি শিলচৰৰ গান্ধী ভৱনত বানাক্ৰান্তক এককালীন আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰে। লগতে অৰুণোদয় প্ৰকল্পৰো জৰীপৰ কাম আৰম্ভ কৰে। এই উদ্দেশ্য অনুষ্ঠিত সভাত মন্ত্ৰীজনে কয় যে বানপানীত ঘৰ-দুৱাৰ হেৰুওৱা ৮১,৫৪৪টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। আনহাতে, এই অনুষ্ঠানত মণিপুৰত ভূমিস্খলনত নিহত হোৱা লক্ষীপুৰ গোটৰ ছাহজাহান লস্কৰৰ পত্নী মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা দুই লাখ টকাৰ চেক প্ৰদান কৰা হয়। আনহাতে, অৰুণোদয় আঁচনিৰ মাননী অহা অক্টোবৰৰ পৰা এহেজাৰৰ পৰা ১২৫০ টকা লৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি কয়। অনুষ্ঠানত সাংসদ ৰাজদ্বীপ ৰয়, বিধায়ক কৌশিক ৰয়, দীপায়ন চক্ৰৱৰ্তী আৰু মিহিৰকান্ত সোম উপস্থিত থাকে।

**REQUIRED**

Required Yoga Teacher 1) Yoga Instructor, 2) Assistant Yoga 10th, 12 Male/Female M: 6205441326

**PUBLIC NOTICE**

I, Srabani Deb, W/o Kandarpa Kalita, R/o Mahendra Upapath, Kahilipara, Guwahati-781019 do declare vide an affidavit before the Notary, Kamrup (M) at Guwahati that in the birth certificate of my daughter Rishika Kalita, my name was recorded Wrongly as Srabani Kalita. I declare that Srabani Deb and Srabani Kalita is the one and same person having single identity i.e. myself.

## কচুৱাত দুই ড্ৰাগছ ব্যৱসায়ী আটক

**অগ্ৰদূত বাৰ্তা**

**কচুৱা, ২০ আগষ্ট ঃ** কচুৱা আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীয়ে যোৱা নিশা যুটীয়া অভিযান চলাই দুজন ড্ৰাগছ ব্যৱসায়ীক আটক কৰে। ধৃত ড্ৰাগছ ব্যৱসায়ী দুজন ক্ৰমে এক নম্বৰ কচুৱাৰ সঞ্জু আহমেদ আৰু আলিটাঙনি গাঁৱৰ ফাৰুক আহমেদ। তেওঁলোকৰ জিম্মাৰ পৰা সাতটা কণ্টেইনাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়. উল্লেখ্য যে অঞ্চলটোত ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিলেও সৰবৰাহ বন্ধ হোৱা নাই।

## ধুবুৰীৰ নামঘৰত জন্মাষ্টমী উদ্‌যাপন
# ‘হৰি নামৰে মুখৰিত ধুবুৰীৰ নামঘৰ

**ধুবুৰী, ২০ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰীতো ঐতিহাসিক ধুবুৰী নামঘৰত উলহ-মালহেৰে জন্মাষ্টমী উদ্‌যাপন কৰে। সেই উপলক্ষে ধুবুৰীৰ নামঘৰ হৰি নাম ধ্বনিৰে চৌপাশ মুখৰিত হৈ পৰে। প্ৰতি বছৰৰ দৰে এইবাৰো বিভিন্ন কাৰ্যসূচীৰে আই মাতৃসকলে শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী ধুবুৰীৰ নামঘৰত পালন কৰে। বিগত দুটা বছৰে ক’ভিড পৰিস্থিতিৰ বাবে অনুষ্টুপীয়াকৈ শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদ্‌যাপন কৰিছিল যদিও এইবাৰ উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ পাই আই-মাতৃসকলে নিজকে সুখী অনুভৱ কৰিছে। নিশা এক বজালৈ অষ্টমী তিথি থকালৈকে নাম-প্ৰসংগ চলি থাকে। জন্মাষ্টমীৰ দিনা ধুবুৰীৰ ভক্তপ্ৰাণ ৰাইজে ধুবুৰী নামঘৰত আহি নাম-প্ৰসংগত অংশগ্ৰহণ কৰে।

**SHORT E-TENDER NOTICE FOR SALE OF TIMBER LOTS UNDER SONITPUR WEST DIVISION, TEZPUR**

This is for general information to all concerned that under the provision made in Assam Sale of Forest Produce Coupes and Mahal Rules, 1977 (Amendment Rule, 2000) the timber lots lying under various Forest depot/ Ranges under Sonitpur West Division, Tezpur are intended to be sold by e-tender. The interested tenderers will participate through the web portal www.assamforestonline.in.

The details of eligibility criteria, experience, tender schedule and other terms & conditions are available in the tender documents which to be purchased and download by the bidders from the above portal from 23-08-2022 (9:30 AM).

Sd/-
DIVISIONAL FOREST OFFICER SONITPUR WEST DIVISION::TEZPUR

Janasanyog/C/8485/22

**STATE INSTITUTE OF PANCHAYAT & RURAL DEVELOPMENT, ASSAM**
(APEX CENTRE FOR RESEARCH AND TRAINING IN RURAL DEVELOPMENT)
Under Deptt. of Panchayat & Rural Development, Govt. of Assam
G.S. Road, Khanapara, Guwahati-781022

No.SIPRD-68/2022/53


UPLOADING OF QUESTION BOOKLETS & ANSWER KEYS THERETO OF THE WRITTEN EXAMINATION HELD ON 20.08.2022 FOR RECRUITMENT OF CONTRACTUAL FACULTY MEMBERS.

Candidates who appeared in the Written Examinations held on 20.08.2022 for recruitment in the above posts are hereby informed that the Question Booklets and Answer Keys thereto will be uploaded in the website **https://admitportal.in**. Candidates who appeared in the above Written Examination may check the Questions and Answer Keys and if any discrepancy is found, the same may be pointed out and the same may be sent by email to **mail.aimguwahati@gmail.com** latest by 24th August, 2022. No queries would be entertained after **24th August,2022** regarding Questions and Answer Keys.

Director,
SIPRD, Assam.

Janasanyog/D/11103/22

## শব্দ-বেহু ঃ ২১ আগষ্ট ২০২২




**পথালিয়ে ঃ**

১। সৰু ল’ৰা-ছোৱালী বা ৰোগীৰ পেলাব লগীয়া মল-মূত্ৰ (৩)
৩। আঁৰি মাছৰ পোৱালি (৩)
৫। ৰাশিচক্ৰৰ দ্বাদশ ৰাশি, জলেশয়, মৎস (২)
৭। বিষয়া সকলৰ কাম-কাজ তদাৰক কৰা আৰু যাৱতীয় নিৰ্দেশনা আদি দিয়াৰ দায়িত্বত থকা উচ্চ পৰ্য্যায়ৰ চৰকাৰী কৰ্মচাৰী (৩)
৮। পৰিমাণ,জোখ (২)
১০।আঞ্চা, স্বৰৰ সহায় নোহোৱাকৈ ফুটাই মাতিব নোৱাৰা আখৰ (৩)
১১। ভাল কামৰ স্বীকৃতি স্বৰূপে দিয়া ধন বা বস্তু (২)
১২। পদমৰ্য্যাদা, মান-সন্মান আদিত নিম্ন স্তৰৰ, কনিষ্ঠ, কম বয়সৰ (২)
১৪। পাণ্ডু ৰজাৰ কনিষ্ঠা পত্নী আৰু নকুল-সহদেৱৰ মাতৃ (২)
১৫। জ্ঞান,চেতনা, বিদ্যা (২)
১৬। মুকলি কৰ, ধৰ্মীয় কাৰ্য্যত ব্যৱহৃত এবিধ অসমীয়া বাদ্য (২)
১৭। কঠীয়া, পৰৱৰ্তী খেতিৰ বাবে সাঁচি থোৱা গুটি, সন্তান (২)
১৯। কথাছবিৰ ফিল্মৰ একোটা নুৰিওৱা অংশ (২)
২১। গলধন, ডিঙিৰ পিছ অংশ (২)
২২। প্ৰভুত্ব খটুওৱা কাৰ্য্য, ৰজাৰ শাসন কাল (৩)
২৪। থৈলা, মৰাপাটৰ জৰীৰে তৈয়াৰী জোলোঙা (২)
২৬। ব্যৱসায়ৰ বাবে চৰকাৰৰ অনুমতি প্ৰাপ্ত ঠাই, ঘৰ-বাৰীৰ একাংশ (৩)
২৭। এবিধ বগা, গোটাসজীয়া বাকলি নথকা মাছ (২)
২৯। ৰাৱণৰ নগৰ (৩)
৩০। নানান, বিবিধ (৩)

**থিয়কৈ ঃ**

১। বৰ মণ্ডহাল আৰু গা-গধুৰ লোক, অতি শকত-আৱত (৩)
২। খ্যাতনামা, জনাজাত (২)
৩। ডিঙি, কণ্ঠ বা মাত, টেঁটু (২)
৪। নাঙঠ, উলংগ (৩)
৬। নতুনকৈ উদ্ভাৱিত, যিটো পুৰণি নহয় (২)
৭। এটা সন্তান জন্মাৰ পৰা আন এটাৰ জন্মলৈ মাজৰ সময়খিনি (৩)
৯। ভয়, মনৰ অস্থিৰতা (২)
১১। যি বশ মানিছে, পোহ মনা (৩)
১৩। মুখ মচা উদ্দেশ্যত হাতত লৈ ফুৰা সৰু কাপোৰ (৩)
১৫। ব’হাগ বিহুত ডেকা ল’ৰাই দল বান্ধি ঢোল-তাল আদি বাদ্য লৈ গীত গাই ফুৰা অনুষ্ঠান (৩)
১৬। গৰাকীক জৰিমনা ভৰাবলৈ গৰু-ম’হ আটক কৰি ৰাখিব পৰাকৈ বেৰা থকা আহল-বহল ঠাই (৩)
১৮। লখিমী-ঘৰ, ধান থোৱা ঘৰ (৩)
২০। ৰামৰ এজন পুত্ৰ, ভগ্নাংশৰ এটা অংক (২)
২১। আঘাত প্ৰাপ্ত, জখম, ঘূণীয়া (৩)
২৩। গাৰ ছাল, চামৰা (২)
২৫। চাটুকাৰ, স্বাৰ্থৰ বাবে আনক মিছা প্ৰশংসা কৰি ভালৰি লগাওঁতা, তোষামোদকাৰী (৩)
২৬। শকত-ডাঙৰ, অকামিলা (২)
২৮।খেতি কৰা কাৰ্য্য (২)

**উত্তৰ অহা সংখ্যাত**

**২০ আগষ্ট ২০২২ সংখ্যাৰ উত্তৰ ঃঃ**
**পথালিয়ে ঃ** ১। লিকচৌ ৩। চোৱাব ৫। খাদ ৭। হচং ৮। গলি ১০। হাকিম ১১। হেতা ১২। কঠা ১৪। কুচ ১৫। চোম ১৬। খেৰ ১৭। খাতা ১৯। লদা ২১। বীৰা ২২। নৰ্তকী ২৪। হক ২৬। খালাচ ২৭। টকা ২৯। লকেট ৩০। চটাই
**থিয়কৈ ঃ** ১ । লিংগ ২। চৌখা ৩। চোং ৪। বক্ষিতা ৬। দহা ৭। হমকা ৯। লিক ১১। হেৰেম ১৩। ঠাকুৰ ১৫। চোতাল ১৬। খেচেৰা ১৮। বিনচ ২০। দাহ ২১। বীজল ২৩। কীট ২৫। কৰাই ২৬। খাট ২৮। কাচ

## সৰবৰহী মহিলা ইলা কটকী বৰুৱাৰ মৃত্যু

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ২০ আগষ্ট ঃ** তেজপুৰৰ মিছন চাৰিআলি নিবাসী সৰবৰহী, সংস্কৃতিবান মহিলা ইলা কটকী বৰুৱা (৭৬)ৰ যোৱা ১৬ আগষ্টৰ নিশা মৃত্যু হয়। ১৯৭০ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা বৰুৱাই সমাজ কল্যাণ বিভাগৰ অধীনত অংগনৱাড়ী কেন্দ্ৰৰ প্ৰশিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰিছিল। তেওঁ অসম লেখিকা সংস্থা, তেজপুৰ জ্যেষ্ঠ নাগৰিক সংস্থা, অসম সাহিত্য সভা আদিৰ লগত জড়িত থকাৰ উপৰি সকলো কামতে আগৰণুৱা আছিল। অৱসৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অতুল চন্দ্ৰ বৰুৱাৰ পত্নী বৰুৱাই মৃত্যুৰ সময়ত স্বামীৰ লগতে দুই পুত্ৰ-কন্যাক এৰি যায়।

## পুৰণিগুদামৰ তেলিয়াগাঁৱত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২০ আগষ্ট ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ চাৰিপথযুক্ত ঘাইপথৰ সমীপৰ কলং নদীৰ পাৰত আজি এজন অচিনাক্ত লোকৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হয়। তথ্য মতে, পুৰণিগুদামৰ তেলিয়াগাঁও অঞ্চলৰ চাৰিপথযুক্ত ঘাইপথৰ সমীপৰ কলং নদীৰ পাৰত আজি পুৱা স্থানীয় লোকে এটা অচিনাক্ত অৰ্ধগলিত অৱস্থাত এটা মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত পুৰণিগুদাম আৰক্ষী চকী আৰু চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ হাফপেণ্ট আৰু টিছাৰ্ট পৰিহিত প্ৰায় ৪০ বছৰীয়া এজন পুৰুষৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, আজি পুৱা আৰক্ষীয়ে উদ্ধাৰ কৰা অৰ্ধগলিত অচিনাক্ত লোকজনৰ মৃতদেহটো বৰ্তমানলৈকে চিনাক্ত হোৱা নাই বুলি আৰক্ষীয়ে জানিবলৈ দিয়াৰ লগতে উক্ত লোকজন মানসিক বিকাৰগ্ৰস্ত লোক হ’ব পাৰে বুলি স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে যদিও আৰক্ষীয়ে উক্ত ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৪ ভাদ ৰবিবাৰ ২১ আগষ্ট

**সূৰ্যোদয় ঃ** ঘঃ ৫।০।২৪, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫১।১৬। **তিথি ঃ** কৃষ্ণা দশমী, দং ৫৭।৪৪।৫৭ শেষ ৰাঘঃ ৪।৬।২৩। **নক্ষত্ৰ ঃ** ৰোহনী, দং ৪।৪৩।৪০ প্ৰাতঘঃ ৬।৫৩।৫২। **যোগ ঃ** হৰ্যন, দং ৫০।৫৩।১৫ ৰাঘঃ ১।২১।৪২। **কৰণ ঃ** বনিজ। **জন্মত ঃ** বৃষৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ সাপৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি বিংশোত্তৰী চন্দ্ৰৰ দশা, প্ৰাতঘঃ ৬।৫৩।৫২ যোৱাত দেৱগণ কুকুৰৰ অস্থি, বিংশোত্তৰী মংগলৰ দশা, ৰাঘঃ ৮।৩।৫৬ যোৱাত মিথুনৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ। **আদ্যঋতু হ’লে ঃ** সাত দিনীয়া পতিহিতা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনীঃ** উত্তৰত,শেষ ৰাঘঃ ৪।৬।২৩ যোৱাত অগ্নিকোনত । **যাত্ৰা ঃ** শুভ অমৃতযোগ উত্তৰ নাই, ঘঃ ৪।২২।২ যোৱাত নাই, বষ্টিভদ্ৰা দোষ শেষ ৰাঘঃ ৪।৬।২৩ যোৱাত, নাই পাপযোগ দোষ। **শুভকৰ্ম ঃ** জাতকৰ্ম, নামকৰণ, নতুন কাপোৰ লোৱা, ৰত্নাদিধাৰণ, আৰোগ্যস্থান গ্ৰহপূজা শান্তিস্বস্ত্যয়ন, হালযাত্ৰা, গুটিসিঁচা, ঋণদান, ঋণগ্ৰহণ, ক্ৰয়-বিক্ৰয়, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** কলমৌ, শেষ ৰাঘঃ ৪।৬।২৩ যোৱাত উৰহী খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** পৰিৱেশ অস্থিৰ হ’ব পাৰে, নতুন সংযোগ পাব পাৰে। খৰচ বৃদ্ধি, বস্তু লাভৰ যোগ, ভ্ৰমণ শুভ, শুভ ৰং আকাশী নীলা, শুভ সংখ্যা ২।
**বৃষ ঃ** খৰচ বৃদ্ধি, শুভ কৰ্মৰ যোগ। শৰীৰ মাধ্যম। খৰচ বৃদ্ধি কৰ্মক্ষেত্ৰৰ কিছু জটিলটা সন্মুখীন হ’ব পাৰে। শুভ ৰং বেঙুনীয়া, শুভ সংখ্যা ৫।
**মিথুন ঃ** মাতৃৰ শুভ, শৰীৰৰ মাধ্যম, সন্মান বৃদ্ধি, কৰ্মক্ষেত্ৰত শুভ, আয় বৃদ্ধি শুভ ৰং মেৰুণ, শুভ সংখ্যা ৮।
**কৰ্কট ঃ** মনৰ দৃঢ়তা বৃদ্ধি, কৰ্ম ব্যস্ততা বৃদ্ধি, শত্ৰু পৰা সাৱধান, শিৱ মন্দিৰত পূজা কৰক। দুখীয়াক বস্ত্ৰ দান কৰক, শুভ ৰং মুগা, শুভ সংখ্যা ৪।
**সিংহ ঃ** কৰ্মত মাধ্যম, নিজা সম্পদৰ ওপৰত নজৰ ৰাখক, বন্ধুৰ পৰা সৰ্তক হওক। ভ্ৰমণত কষ্ট। পাৰিবাৰীক বুজাবুজিৰ অভাৱ শুভ ৰং ৰঙা, শুভ সংখ্যা ৬।
**কন্যা ঃ** নিজৰ স্থিতি অটুট ৰাখিব, কৰ্মত মাধ্যম, শৰীৰ যত্ন লওক। বন্ধুৰ পৰা উৎসাহ পাব, ভ্ৰমণত কষ্ট, শুভ ৰং পাতল নীলা। শুভ সংখ্যা ৩।
**তুলা ঃ** কৰ্মত শুভ, ধৈৰ্যৰ সুফল, বিদ্যাত শুভ, ভ্ৰমণত শুভ, বিদ্যাত প্ৰতি যত্ন লওক। শুভ ৰং বগা, শুভ সংখ্যা ১।
**বৃশ্চিক ঃ** পদোন্নতিৰ যুগ, ধনৰ লালসা বৃদ্ধি, পিছবেলা যানবাহনৰ পৰা সাধাৰণ হওক, অৰ্থ নাশ হ’ব পাৰে। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৯।
**ধনু ঃ** কৃতিত্ব লাভৰ যুগ, শিল্পী, বিজ্ঞানী, ৰাজনৈতিকবিদ সন্মান বৃদ্ধি, বিদ্যা-বুদ্ধিৰ শুভ, শুভ ৰং মাখন, শুভ সংখ্যা ৪।
**মকৰ ঃ** আশা কৰা মতে সুফল পাব, আনে অতিষ্ঠ কৰিব পাৰে। ভ্ৰমণত শুভ, ধৰ্মগুৰু দৰ্শনে আনন্দিত কৰিব। ধনৰ চিন্তা বৃদ্ধি, শুভ ৰং বগা, শুভ সংখ্যা ৫।
**কুম্ভ ঃ** ধন আগমনৰ যুগ, শত্ৰু নাশ, জ্ঞানী লোকৰ পৰা উৎসাহ পাব, কৰ্মস্থান মাধ্যম, বিদ্যাত শুভ। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৮।
**মীন ঃ** অৰ্থ লাভ, ভ্ৰমণত শুভ, সময় অপচয় নকৰিব। মানসিক স্থিতি দুৰ্বল, সম্পদ লাভ। শুভ ৰং মুগা, শুভ সংখ্যা ২।

No RERA/ASSAM/Esstt/2020/30/22

**Notice inviting quotation**

Sealed quotations affixing court fee stamps of Rs. 8.25 are invited from the authorized registered farms for supply of following articles to the office of the Real Estate Regulatory Authority, Assam.

The quotation will be received up to 300 PM of 08/09/2022 ,in the office of the Real Estate Regulatory Authority, Assam, Jawaharnagar , Khanapara , Guwahati -22 and will be opened on the same date at 3.30 PM in presence of quotationers or their authorized representatives.

Terms and conditions, form of quotation along with Technical specification may be obtained from the office of the Real Estate Regulatory Authority, Assam on any working day w.e.f -20/08/202

| Sl No | Name of item | Quantity |
|---|---|---|
| 1. | Desk top computer set | 2(two) set |
| 2. | Printer | 2(two) no |
| 3. | Scanner | 1(one) no |

Secretary
Real Estate Regulatory Authority
Assam

Janasanyog/CF/1842/22

Quotation No:WRN/9080/01

**NOTICE INVITING QUOTATION**

Sealed quotations affixing court fee stamp of Rs 8.25 are invited from reputed firms & authorized vendors for various works under Western Range, Nagshankar, The vendors must possess valid GST registration & PAN card. The quotation should be submitted at the O/o The Range Forest Officer, Western Range, Nagshankar (Kusumtola) before 3:00 PM of 03/09/2022 & will be open on the same day at 3:30 PM in presence of the interested bidders or their authorized representatives. If on that day ie 03.09.2022 the office remains closed for any circumstances, the quotation will be received on the next working day until the same time & satme venue.

| Sl No | Name of works | Quantity | Remarks |
|---|---|---|---|
| I | Construction of latrine & Bathroom | 1 no | Detail of work can be collected from office |
| II | Construction of Harbed Wire fencing | 210m | 4 wired barbed fence with from Angle Post. |
| III | Shifting Range Office | L/S | DLS & carrying charges by Bolero Pick-Up Van |

**TERMS & CONDITIONS:**
1. The rates should be furnished against cost of Labour/unit, transportation charges & all other essentials equipments when & if required. Incomplete & late submissions of quotations are liable to be rejected.
2. The undersigned on behalf of the department has the right to cancel/reject the quotation without assigning any reason during the period of contract or tendering shape.
3. The rates shall be valid for three (3) months.
4. No advance payment will be made for the work.
5. The vendor/Firm will be responsible for completion of the works after the satisfaction of the DDO concerned.
6. Payment will be made on submission of the bills (in triplicates) after the satisfactory completion of the work assigned, at approved rates.
7. Detail terms & conditions of the said work can be obtained from this Office during office hours until 02.09.2022

**Sd/**
**Forest Range Officer**
**Western Range, Nagsankar**
**(Biswanath Wildlife Division)**

Janasanyog/C/8506/22

**Request for Proposal (RFP)**

**RFP No AASC (T) 41/2022-23/14**

**The Assam Administrative Staff College, under Administrative Reforms, Training, Pension & Public Grievances Department, Government of Assam, invites Request for Proposals (RFP) under the two bid system (Technical Bid and Financial Bid) from National Level reputed Coaching Institutes for ‘Selection of a Coaching Institute for Imparting Class Room Coaching at Assam Administrative Staff College, Khanapara, Guwahati – 22 to the aspirants of Central Civil Service (IAS and Allied Services) for CCE Examination, 2023 conducted by UPSC’.**

The interested Bidders may submit the RFP by providing the required information as per the prescribed format, which may be downloaded from the website of Assam Administrative Staff College i.e. www.aasc.assam.gov.in. The duly filled Proposal, along with necessary documents must reach the office of the Director of Training, Assam Administrative Staff College (AASC), Khanapara, Guwahati-22, Assam **on or before 13th September 2022 (upto 11.00 AM)**. The RFP can be sent through registered post or speed post or directly delivered by hand. The envelop must be clearly subscripted as **Proposal for ‘Selection of a Coaching Institute for Imparting Class Room Coaching at Assam Administrative Staff College, Khanapara, Guwahati – 22 to the aspirants of Central Civil Service (IAS and Allied Services) for CCE Examination, 2023 conducted by UPSC’.**

AASC reserves the right to cancel this RFP at any stage without assigning any reason thereof.

The detailed instructions for Bidders are given in this RFP, which may be downloaded free of cost from the official website of AASC i.e. www.aasc.assam.gov.in or may be collected from this office during office hours i.e. 9.30 AM to 5.00 PM.

The Bidders should deposit an amount Rs 500.00 in the form of Demand Draft in favour of Director of Training, Assam Administrative Staff College, payable at Guwahati (which is non-refundable) during the time of Proposal submission.

**Schedule of Event**

| Sl no | Events | Date | Time |
|---|---|---|---|
| 1 | Last date for posting of queries (in written mode/ electronic mode only) | 30th August 2022 | 11.00 AM |
| 2 | Pre-Bid Meeting at AASC | 7th September 2022 | 12.00 PM |
| 3 | Last Date for Bid submission | 13th September 2022 | 11.00 AM |
| 4 | Technical Bid opening at AASC | 13th September 2022 | 1.00 PM |
| 5 | Financial Bid opening at AASC | To be declared later | |
| 6 | Award of contract | Within 15 days of Financial Bid opening | |

1) If any date specified falls on a holiday, then the next working day or any other day as fixed by the Director of Training, AASC will be considered for the submission and opening of the Bids.

2) The Schedule indicated above is tentative and the Director of Training, AASC may change any or the entire schedule after intimation to the Bidders.

Director of Training
Assam Administrative Staff College,
Khanapara, Guwahati-22

Janasanyog/C/8523/22

দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ২১ আগষ্ট, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## শিক্ষামন্ত্ৰীয়ে কেন্দ্ৰৰ পৰা বিত্তীয় সাহায্য বিচৰা কাৰ্যৰ স্পষ্টীকৰণ বিত্তমন্ত্ৰীৰ

### ৰাজ্য চৰকাৰৰ হাতত প্ৰয়োজনীয় ধন আছে ঃ মন্ত্ৰী অজন্তা নেওগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২০ আগষ্ট ঃ** 'ৰাজ্য চৰকাৰৰ হাতত প্ৰয়োজনীয় ধন আছে। পূৰ্বতকৈ কৰ অধিক সংগ্ৰহ হৈছে আৰু আগতকৈ চৰকাৰে ব্যয় অধিককৈহে কৰিছে।' এই মন্তব্য ৰাজ্য চৰকাৰৰ বিত্ত তথা সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগৰ। *আঠ পৃষ্ঠাত চাওক*

## ডিগবৈত অইল ফিল্ডত অঘটন

## অইল ইণ্ডিয়া তৈলকূপৰ গাঁতত পৰি হাতী পোৱালি আবদ্ধ



**ডিগবৈ, ২০ আগষ্ট ঃ** ডিগবৈ অইল ফিল্ডত অঘটন। আপাৰ দিহিং বনাঞ্চলৰ অন্তঃভাগত থকা অইল ফিল্ডৰ এটা গাঁতত পৰি আবদ্ধ এটা হাতী পোৱালি। অইল ইণ্ডিয়াই তেল খনন কৰিবলৈ ব্যৱহাৰ কৰাৰ পাছত এৰি থৈ যোৱা এটা দ' গাঁতত পৰে হাতী পোৱালিটো। সচৰাচৰ বন্যহস্তীৰ এটা বৃহৎ জাক অইল ফিল্ডৰ আশে-পাশে বিচৰণ কৰি থকা প্ৰায়ে প্ৰত্যক্ষ কৰা হয়। অনুমান কৰা অনুসৰি উক্ত হাতী জাকটোৰ মাজৰে আছিল হাতী পোৱালিটো। বাতৰি লিখা পৰলৈকে ডিগবৈ বন বিভাগে উদ্ধাৰ অভিযান চলাই আছে। উল্লেখ্য যে বনাঞ্চলখনত অইল ইণ্ডিয়াই তেল খনন কৰা সময়ত এনে সৰু সৰু গাঁত খান্দি লয়। কিন্তু কাম শেষ হোৱাৰ পাছত গাঁতবোৰ অইলে পুতি নেপেলায়। বন্য প্ৰাণী গাঁতত পৰি মৃত্যু হোৱাৰ সম্ভাৱনা থকাৰ বাবেই গাঁতবোৰ পুতিবলৈ বন বিভাগে অইলক বাৰম্বাৰ আহ্বান জনাই আহিছে। কিন্তু অইলে বিষয়টো একেবাৰে গুৰুত্ব নিদিয়াৰ ফলত আজি এই অঘটন সংঘটিত হয়।

# অৱসান ঘটিব ৰহমৰীয়াৰ গৰাখহনীয়া সমস্যাৰ

## যোৱাবাটত দুৰ্ঘটনাত মৃত্যু মটৰ চাইকেল আৰোহীৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২০ আগষ্ট ঃ** যোৱাবাটৰ ১৩ মাইলত আজি প্ৰায় ১১.৩০ বজাত সংঘটিত হোৱা এক শোকাবহ পথ দুৰ্ঘটনাত এজন মটৰ চাইকেল আৰোহীৰ মৃত্যু হয়। তথ্য মতে, গুৱাহাটী অভিমুখী এএছ-০১ এফএ-৫৭১০ নম্বৰৰ মটৰ চাইকেল আৰোহীজনক পাছফালৰ পৰা একেদিশে গৈ থকা ট্ৰাক এখনে মহটিয়াই, নিয়ে। ফলত মটৰ চাইকেল আৰোহীজনৰ থিতাতে মৃত্যু হয়। মৃত লোকজন নগাঁও জিলাৰ আমনিৰ পংকজ বিশ্বকৰ্মা (৩৪) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনা সংঘটিত কৰিয়েই ঘটনাস্থলীৰ পৰা ট্ৰাকখনে পলায়ন কৰে। ইতিমধ্যে যোৱাবাট আৰক্ষীয়ে নিহত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰিছে।



*মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী চৰাইদেউ কংগ্ৰেছৰ, শনিবাৰে।*

## ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াৰ বান-গৰাখহনীয়া ৰোধৰ বাবে দুখন আঁচনিৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

### পুনৰ উৎপাদন হ'ব ২০০৭ৰ পৰা গৰাখহনীয়া প্ৰতিৰোধৰ দাবীত বন্ধ হৈ থকা ৰহমৰীয়া খাগৰিজান তৈলক্ষেত্ৰত

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**ডিব্ৰুগড়/চাবুৱা/ৰাজগড়, ২০ আগষ্ট ঃ** 'ৰহমৰীয়াৰ গৰাখহনীয়া সমস্যা এটা জ্বলন্ত সমস্যা আছিল। সেই সমস্যাৰ ৮০ শতাংশ সমাধা হোৱা বুলি ৰাইজে আমাক জনাইছে। বাকী ২০ শতাংশ কাম সম্পূৰ্ণ কৰিবৰ বাবে জলসম্পদ বিভাগক নিৰ্দেশ দিয়া হৈছে। উক্ত কামৰ বাবে ১৬/১৭ কোটি টকাৰ প্ৰয়োজন হ'ব।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি ডিব্ৰুগড় জিলাৰ ৰহমহীয়াত অইল ইণ্ডিয়াৰ এটা দীৰ্ঘদিনে বন্ধ হৈ থকা তৈল খাদ পুনৰ সক্ৰিয় কৰি মুখ্যমন্ত্ৰীয়ে ৰহমৰীয়াৰ দীৰ্ঘকালৰ বান আৰু গৰাখহনীয়া সমস্যা সমাধানৰ বাবে দুখন আঁচনিৰ আধাৰশিলা স্থাপন কৰি লগতে কয় যে অহা নৱেম্বৰৰ পৰা কাম আৰম্ভ কৰি এবছৰতে শেষ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয়, '১৯৫০ৰ বৰভূঁইকঁপৰ পৰা ৰহমৰীয়াৰ এক বৃহৎ অঞ্চল অৰ্থাৎ বগৰীতলীয়াৰ পৰা কচুৰনিলৈ ৯.১ কিলোমিটাৰ পৰ্যন্ত হোৱা *আঠ পৃষ্ঠাত চাওক*

## হিন্দী ভাষাৰ প্ৰশ্নকাকত আঁতৰোৱাৰ দাবীৰে ৰাজ্যপালক সাক্ষাৎ তৃণমূল কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ আগষ্ট ঃ** কাইলৈৰ পৰা ৰাজ্যত আৰম্ভ হ'বলগীয়া তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাত হিন্দী ভাষাত প্ৰশ্নকাকত প্ৰৱৰ্তনৰ তীব্ৰ বিৰোধিতা কৰিছে অসম তৃণমূল কংগ্ৰেছে। তৎকালে নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকতৰ পৰা হিন্দী ভাষাৰ প্ৰশ্ন আঁতৰাবলৈ দাবী উত্থাপন কৰি অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ নেতৃত্বত এটা সঁজাতী দলে আজি ৰাজ্যপালক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰে। তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতিজনে ৰাজ্যপালক এই স্মাৰকপত্ৰখন প্ৰদান কৰি সাংবাদিকৰ আগত কয় যে অসমত নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে ৰাজ্য চৰকাৰে হিন্দী ভাষাত প্ৰশ্নকাকত প্ৰৱৰ্তন কৰিবলৈ গ্ৰহণ কৰা সিদ্ধান্তই *আঠ পৃষ্ঠাত চাওক*

## বানত ক্ষতিগ্ৰস্ত দুই লাখ চাৰি হেজাৰ গৃহলৈ ১১৯ কোটিৰ সাহায্য মুকলি

### 'অৰুণোদয় মাহ' মুকলি কৰি মুখ্যমন্ত্ৰীৰ ঘোষণা ঃ নতুনকৈ অন্তৰ্ভুক্ত হ'ব ছলাখ হিতাধিকাৰী ঃ ঘৰে ঘৰে গৈ এনচিচি-নেহৰু যুৱ কেন্দ্ৰ আদিৰ সদস্যই কৰিব পুনৰীক্ষণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ আগষ্ট ঃ** ৰাজ্যৰ শেহতীয়া দুটাকৈ বানত সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱা গৃহৰ পৰিয়ালসমূহলৈ দুৰ্যোগ ব্যৱস্থাপনা আইনৰ অধীনত আজি ক্ষতিপূৰণ মুকলি কৰি দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। জনতা ভৱনত আয়োজিত এক অনুষ্ঠানৰ মাজেৰে মুখ্যমন্ত্ৰীয়ে এই ক্ষতিপূৰণ মুকলি কৰি সম্বোধন কৰা এক সংবাদমেলৰ জৰিয়তে কয় যে দুৰ্যোগ ব্যৱস্থাপনা, জিলা প্ৰশাসন আৰু মন্ত্ৰীসকলে সকলো দিশ পৰিদৰ্শন কৰি দাখিল কৰা প্ৰতিবেদনৰ শেষত ৰাজ্যৰ শেহতীয়া বানত সৰ্বমুঠ ২,০৪,৩৪৮টা বাসগৃহ সম্পূৰ্ণ আৰু আংশিকভাৱে ক্ষতি হোৱাৰ তথ্য পোহৰলৈ আহে। এই বাসগৃহসমূহৰ ক্ষতিপূৰণ হিচাপে আজি ১১৯ কোটি ১০ লাখ টকা মোকলাই দিয়া হৈছে আৰু আজি ১২-৩০ বজাত সংশ্লিষ্ট জিলাৰ ভুক্তভোগী পৰিয়ালসমূহৰ একাউণ্টলৈ হস্তান্তৰ হ'ব আৰু প্ৰতিখন জিলাত মন্ত্ৰীসকলে এই ক্ষতিপূৰণ প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰি শেহতীয়া বানৰ তথ্য সদৰী কৰি কয়, 'ৰাজ্যৰ শেহতীয়া দুটাকৈ বান আৰু ভূমিস্খলনত ৩৪ খন *আঠ পৃষ্ঠাত চাওক*

## জুৰীয়া আৰক্ষীৰ-চিআৰপিএফৰ যৌথ অভিযানত আটক চাৰি ড্ৰাগ্‌ছ সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া ২০ আগষ্ট ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত খৰঙী গাঁও ৰিজাৰ্ভত আজি বিয়লি জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়ো আৰু কাতিমাৰীস্থিত ৩৪ নম্বৰ চিআৰপিএফে যৌথভাৱে ড্ৰাগ্‌ছৰ বিৰুদ্ধে চলোৱা অভিযানত আটক হয় চাৰিজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীন্ধৃত সৰবৰাহকাৰী কেইজনৰ পৰা ৩০টাকৈ ড্ৰাগ্‌ছ (হেৰ'ইন) ভৰ্তি কন্টেইনাৰ জব্দ কৰে অভিযানকাৰী দলে। ড্ৰাগ্‌ছখিনিৰ ওজন ৪.২২ গ্ৰাম বুলি আৰক্ষীয়ে জনাইছে। উল্লেখ্য যে খৰঙী গাঁৱৰ ৰিজাৰ্ভত জনবসতি পাতলীয়া হোৱা হেতুকে ড্ৰাগ্‌ছ সৰবৰাহৰ বাবে বাছি লৈছিল এই ঠাই। ধৃত সৰবৰাহকাৰী কেইজন জহিৰুল ইছলাম, আব্দুল হামিদ, ৰাব্বুল ইছলাম আৰু আনাৰুল ইছলাম বুলি আৰক্ষীয়ে সদৰী কৰিছে। আৰক্ষীয়ে সৰবৰাহকাৰীকেইজনে ব্যৱহাৰ কৰা দুখন মটৰ চাইকেল আৰু চাৰিটা ম'বাইল ফোনো জব্দ কৰে।

## জুৰীয়া আদৰ্শ বিদ্যালয়ৰ বিদ্যুৎ সংযোগ কৰ্তন

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২০ আগষ্ট ঃ** ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে শৈক্ষিক ক্ষেত্ৰখনৰ উন্নয়নৰ বাবে জনসাধাৰণৰ পৰা আৰ্থিক সাহায্য বিচৰাক কেন্দ্ৰ কৰি সৰ্বত্ৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিত্তমন্ত্ৰীকে ধৰি একাধিক মন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ পুঁজি পৰ্যাপ্ত আছে বুলি দাবী কৰিবলৈ বাধ্য হৈছে। অৱশ্যে শিক্ষামন্ত্ৰীৰ মন্তব্যৰ যথাৰ্থতা *আঠ পৃষ্ঠাত চাওক*

## নলবাৰীত বান ক্ষতিগ্ৰস্তক সাহায্য বিতৰণ

## 'অৰুণোদয় মাহ'ৰ আৰম্ভ শক্তি মন্ত্ৰী নন্দিতা গৰ্লোছাৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ আগষ্ট ঃ** নলবাৰী নাট্য মন্দিৰত আজি বান ক্ষতিগ্ৰস্ত পৰিয়ালৰ পুনৰ সংস্থাপনৰ উদ্দেশ্যে সাহায্য বিতৰণ আৰু অৰুণোদয় মাহৰ আৰম্ভণি কৰে অসম চৰকাৰৰ শক্তি মন্ত্ৰী নন্দিতা গাৰ্লোছাই। উল্লেখ্য যে চলিত বৰ্ষৰ মে'ৰ পৰা জুনলৈ নলবাৰী জিলাৰ ৪১৪ খন *আঠ পৃষ্ঠাত চাওক*

## বান সাহায্য বিতৰণ অনুষ্ঠানত মন্ত্ৰী বৰা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২০ আগষ্ট ঃ** নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত বানপানীত ক্ষতিগ্ৰস্তসকলক আৰ্থিক সাহায্য প্ৰদান আৰু অৰুণোদয় মাহৰ এক অভিলাষী আঁচনিৰ আৰম্ভ কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসমৰ কৃষি মন্ত্ৰী অতুল বৰাই কয়, *আঠ পৃষ্ঠাত চাওক*



## বামুণীমৈদামৰ ছেবাৰ কাৰ্যালয় চৌহদত ১৪৪ ধাৰা জাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ২০ আগষ্ট ঃ** নিযুক্তি পৰীক্ষা পৰিচালনাৰ অভিকেন্দ্ৰ হোৱাৰ হেতু অভেদ্য নিৰাপত্তা বেষ্টনীলৈ ৰূপান্তৰ কৰা হ'ল ছেবাৰ মুখ্য কাৰ্যালয়। পূৰ্ব অনুমতি অবিহনে ছেবাৰ কাৰ্যালয়ত কাৰ্যতঃ প্ৰৱেশ কৰিব নোৱাৰিব সৰ্বসাধাৰণ ৰাইজে। উল্লেখ্য যে কাইলৈ অনুষ্ঠিত হ'বলগীয়া ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ লিখিত পৰীক্ষাৰ উত্তৰবহী নিৰীক্ষণ, পুনৰীক্ষণ কৰাকে ধৰি সকলো কাম-কাজ বামুণীমৈদামত থকা অসম মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবাৰ কাৰ্যালয়ত সমাপন কৰা হ'ব। ৰাজ্যৰ ২৫ খন জিলাত পৰৱৰ্তী তিনিদিন ধৰি অনুষ্ঠিত হ'বলগীয়া *আঠ পৃষ্ঠাত চাওক*



দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৪ ভাদ ১৪২৯ ভাস্কৰাব্দ ২১ আগষ্ট ২০২২



## অৱদান



অসম তথা উত্তৰ-পূবৰ মানুহ তথা সমাজক দিল্লীয়ে উপেক্ষা কৰি অহা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। অসম তথা উত্তৰ-পূবৰ লোকসকলক সদায় বৈষম্যমূলক দৃষ্টিৰে চোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আনকি উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলক দেশৰ ৰাজধানী তথা অন্যান্য মহানগৰবিলাকত অপমানজনক ব্যৱহাৰ কৰা আৰু শাৰীৰিক-মানসিক আতিশয্য চলোৱাৰ বিভিন্ন ঘটনা সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। অসম তথা উত্তৰ-পূবৰ লোকসকলক ভাৰতীয় মূলসুঁতিত আঁকোৱালি ল'ব নোৱৰাৰ বাবেই এনে ধৰণৰ বৈষম্যমূলক আচৰণ দেখিবলৈ পোৱা বুলি বহুতেই ক'ব খোজে। সেয়ে উত্তৰ-পূববাসীয়ে অঞ্চলটোৰ সমাজ-সংস্কৃতি-ঐতিহ্য-পৰম্পৰাৰ বিষয়ে বিদ্যালয়ৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাৰ বাবে দাবী জনাইছে। সমাজ বিজ্ঞান আৰু বুৰঞ্জীৰ কিতাপত অসম তথা উত্তৰ-পূবৰ বিষয়ে দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সঠিক জ্ঞান লাভ কৰিব পৰাকৈ অন্তৰ্ভুক্ত কৰিলে উত্তৰ-পূবৰ লোকসকলৰ বিষয়ে থকা ভুল দৃষ্টিভংগী বা ভ্ৰান্ত ধাৰণা দূৰ হ'ব। কেৱল উত্তৰ-পূবৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৃথক হোষ্টেল নিৰ্মাণ কৰি আৰু নিৰাপত্তাৰ নামত কিছুসংখ্যক আৰক্ষীক দায়িত্ব দি সমস্যাৰ সমাধান কৰিব পৰা নাযাব। দেশৰ জনসাধাৰণৰ, বিশেষকৈ নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলক উত্তৰ-পূবৰ সমাজ-সংস্কৃতি তথা ইতিহাসৰ বিষয়ে জনোৱাটো অত্যাৱশ্যকীয়। এই ক্ষেত্ৰত অসম চৰকাৰেই আগভাগ লৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসম চৰকাৰে স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তিত আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন কৰি যোৱা ১৭ আগষ্টত বিধানসভাত এক বিশেষ অধিৱেশন অনুষ্ঠিত কৰিছিল আৰু সেই অধিৱেশনতেই দেশৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদানৰ বিষয়ে, বিশেষকৈ অসমৰ স্বাধীনতা যুঁজাৰু বীৰ-বীৰাংগনাসকলৰ আৰু ছহিদসকলৰ বিষয়ে দেশবাসীক অৱগত কৰাৰ উদ্দেশ্যে প্ৰচাৰৰ বাবে ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অসমৰ স্বাধীনতা যুঁজাৰু তথা ছহিদসকল উপেক্ষিত হৈ আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰাটো তাৎপৰ্যপূৰ্ণ। দেশৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান কোনোগুণেই কম নহয়; বৰঞ্চ বহু ক্ষেত্ৰত অসমে আগস্থান পোৱা উচিত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত গোমধৰ কোঁৱৰে ইংৰাজৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহৰ সূচনা কৰাৰ বিষয়ে গুৰুত্ব সহকাৰে দাঙি ধৰে। পিয়লি ফুকন আৰু জীউৰাম বৰুৱাক ১৯৩০ত ফাঁচি দিয়া হৈছিল আৰু অসমত প্ৰথম ইংৰাজৰ বিৰুদ্ধে কৃষক বিদ্ৰোহ হৈছিল। ফুলগুৰি ধেৱাত ইংৰাজৰ বিৰুদ্ধে যি কৃষক বিদ্ৰোহ হৈছিল, সেই বীৰত্বপূৰ্ণ-গৌৰৱময়-ইতিহাস ভাৰতবাসীৰ আজিও অৱগত নহয়। ভাৰতবাসীয়ে ক্ষুদিৰাম, বীৰ্চা মুণ্ডা, ভগৎ সিং আদিকহে চিনি পায়; কিন্তু গোমধৰ কোঁৱৰ, মণিৰাম দেৱান, পিয়লি ফুকন, কনকলতা বৰুৱা, কুশল কোঁৱৰ আদিক চিনি নাপায়। ভাৰত চৰকাৰে স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰিছে, ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা অভিযান চলাইছে; কিন্তু অসম তথা উত্তৰ-পূবৰ স্বাধীনতা যুঁজাৰু আৰু ছহিদসকলৰ বিষয়ে প্ৰচাৰৰ ব্যৱস্থা কৰাৰ কথা নাভাবিলে। অসমৰ বীৰ-বীৰাংগনা তথা ছহিদসকল আজিও ইতিহাসৰ আন্ধাৰত। তেওঁলোকৰ ইতিহাস পোহৰলৈ অনাৰ বাবে সেয়ে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে। চৰকাৰে ফুলগুৰি ধেৱাৰ যি কৃষক বিদ্ৰোহ ১৮৬১তেই হৈছিল, সেই বিষয়ে চৰকাৰে প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰে। ফুলগুৰি ধেৱাৰ দৰে কৃষক বিদ্ৰোহৰ ঘটনা দেশৰ ভিতৰতে বিৰল; কিন্তু অসমৰ বাহিৰে এই গৌৰৱময় বীৰত্বপূৰ্ণ ইতিহাসৰ বিষয়ে দেশবাসীয়ে জনাৰ কোনো উপায় নাই। মণিৰাম দেৱানৰ নামত কথাছবি নিৰ্মাণ কৰা হৈছে যদিও ইয়াৰ কোনো প্ৰচাৰ আৰু প্ৰভাৱ ক'তো দেখা নাযায়। আনকি লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ বিষয়েও বহিঃৰাজ্যৰ লোকে নাজানে, যিগৰাকী লাচিতে মোগলক ১৭ বাৰ পৰাস্ত কৰিছিল আৰু অসমক পৰাধীন কৰাত মোগল ব্যৰ্থ হৈছিল। অসমৰ স্বাধীনতা যুঁজাৰু বীৰ-বীৰাংগনা তথা ছহিদসকলৰ বিষয়ে যদি ৰাজ্য চৰকাৰে প্ৰচাৰৰ ব্যৱস্থা লৈছে, তেন্তে সেয়া আদৰণীয় হ'ব। অসমবাসীয়ে চৰকাৰৰ এনে মহৎ প্ৰচেষ্টাৰ শলাগ ল'ব; কিন্তু ইয়াৰ বাবে চৰকাৰে নিৰপেক্ষ শিক্ষাবিদ, ইতিহাসবিদৰ পৰামৰ্শ আৰু সমৰ্থন-সহযোগিতা বিচাৰিব লাগিব। চৰকাৰে দলীয় ৰাজনীতিৰ উৰ্ধ্বত থাকি নিৰপেক্ষ বিশেষজ্ঞসকলৰ সহায়-সহযোগত বীৰ-বীৰাংগনা তথা ছহিদসকলৰ প্ৰচাৰৰ ব্যৱস্থা কৰা উচিত।

চৰকাৰে দেশৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদানৰ বিষয়ে ছপা মাধ্যম, বৈদ্যুতিন মাধ্যম, সামাজিক মাধ্যম আদি বিভিন্ন মাধ্যমত প্ৰচাৰৰ ব্যৱস্থা কৰিলে ৰাষ্ট্ৰীয় মূলসুঁতিৰ স'তে অসম সংযোজিত হ'ব নাইবা অধিক পৰিচিত হ'ব আৰু দেশৰ ঐক্য, সম্প্ৰীতি, সমন্বয় গঢ়ি উঠাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব। অসম তথা উত্তৰ-পূব এইবোৰ ক্ষেত্ৰত যিমান দিনলৈকে উপেক্ষিত হৈ থাকিব, সিমান দিনলৈকে ভুল বুজাবুজি, অবিশ্বাস, অনাস্থা, ভুল ধাৰণা আদি দূৰ কৰা সম্ভৱ নহ'ব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰেই আগভাগ লৈ অসমৰ গৌৰৱময় ইতিহাসৰ প্ৰচাৰৰ দায়িত্ব হাতত লোৱাটো আশাৰ কথা। কেন্দ্ৰীয় চৰকাৰে দেশৰ ঐক্য-সম্প্ৰীতিৰ নামত, বৈচিত্ৰ্যৰ মাজত ঐক্যৰ নামত কোটি কোটি টকা ব্যয় কৰি প্ৰচাৰ চলোৱা দেখা যায়। অসম তথা উত্তৰ-পূবৰ সমাজ-সংস্কৃতি-ইতিহাসৰ প্ৰচাৰৰ নামত অলপ ধন খৰচ কৰিব নোৱৰাৰ কোনো কাৰণ নাই; কিন্তু এনে প্ৰয়াসে দেশৰ শান্তি আৰু ঐক্য-সম্প্ৰীতি সুদৃঢ় কৰাত নিশ্চয় সহায় কৰিব। বিশেষকৈ নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকল উৎসাহিত হ'ব, অনুপ্ৰাণিত হ'ব। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সহযোগ-সমৰ্থনত পদক্ষেপ গ্ৰহণ কৰাটো ৰাইজে আশা কৰে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে উত্তৰ-পূবক অষ্টলক্ষ্মী আখ্যা দি এক্ট ইষ্ট নীতিৰে কাম কৰিব বিচাৰিছে। এনে এক্ট ইষ্ট নীতিৰে অসম তথা উত্তৰ-পূবৰ ইতিহাসৰ প্ৰচাৰ কৰিব পৰা যায়। চৰকাৰে কনক্লেভ অনুষ্ঠিত কৰি বহু আঁচনি ঘোষণা কৰে; কিন্তু এইবোৰ আঁচনিত ক'তো অসম তথা উত্তৰ-পূবৰ সমাজ-সংস্কৃতি-ইতিহাসৰ প্ৰচাৰৰ ব্যৱস্থাই স্থান লাভ কৰা দেখা নাযায়। সদায় অৰ্থনৈতিক, বাণিজ্যিক, ঔদ্যোগিক বিকাশৰ কথাই কৈ থকা হয়। অথচ এইবোৰ দিশত অসম তথা উত্তৰ-পূবে কিমানদূৰ অগ্ৰগতি লাভ কৰিছে, সেই হতাশাজনক ছবিখন সকলোৱে দেখিছে; কিন্তু ঐক্য-সম্প্ৰীতি-শান্তি, বিশ্বাস আৰু আস্থা আদিৰ অবিহনে আৰ্থিক, বাণিজ্যিক বিকাশ কিমানদূৰ আগবাঢ়িব? কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই বিষয়ত গুৰুত্ব সহকাৰে ব্যৱস্থা ল'ব নোৱাৰিলে পৰিৱেশ-পৰিস্থিতি উন্নত হ'ব কেনেকৈ? বিধানসভাৰ মজিয়াত মুখ্যমন্ত্ৰীয়ে সঠিক ব্যাখ্যাই আগবঢ়াইছে; কিন্তু কাৰ্যকৰী ব্যৱস্থা ৰাইজে কেতিয়া দেখিবলৈ পাব?

# ‘একবাৰ বিদায় দে মা ঘূৰে আসি’
## দেশত এতিয়া আইনৰ কিতাপৰ কোনো প্ৰয়োজন নাই

### আত্মজিজ্ঞাসা



কানাডাৰ পৰা মুস্তাফিজুৰ ৰহমান

সৰু কালতেই শুনিছিলো গানটো। এতিয়াও শুনো মাজে মাজে। ভাহি আহে কিশোৰ বিপ্লৱী ক্ষুদিৰামৰ প্ৰতি মমত্ব। স্বাধীন স্বদেশ বিচাৰিছিল এই কিশোৰ বিপ্লৱীয়ে। স্বপ্নৰ ডেউকাত ভৰ কৰি উৰিছিল কৈশোৰ উন্মাদনাত। মাত্ৰ ১৮ বছৰ বয়সত ডিঙিত পিন্ধিছিল ফাঁচিৰ মালা।

বায়েক অনুৰাধা দেৱীৰ কথাৰে ঃ ১২৯৬ৰ ১৯ আঘোণ (তিনি ডিচেম্বৰ, ১৮৮৯ খ্ৰীষ্টাব্দ) মঙলবাৰৰ সন্ধিয়া পাঁচ বজাত ক্ষুদিৰামৰ জন্ম হ'ল। সেইদিনা কি আনন্দ আমাৰ। ইয়াৰ আগতে এটাৰ পাছত এটা দুই ভাইৰ মৃত্যু হৈছে আৰু আমি বাঙালী ঘৰৰ অভিসম্পাত তিনিজনী ভনী অজৰ-অমৰ হৈ জীয়াই থাকিলো— এই লাজ ৰাখিবৰ যেন ঠাই পোৱা নাছিলো। সেয়ে সৰু ভাইটিৰ যেতিয়া জন্ম হ'ল, তেতিয়া কি আনন্দ আমাৰ। নৱজাতক ভাইটিক কিনি ল'লো মই তিনি মুঠি খুদেৰে। আমাৰ এটা সংস্কাৰ আছে, এটাৰ পাছত এটা সন্তানৰ মৃত্যু হ'লে মাকে নৱজাতকৰ ওপৰত সমস্ত লৌকিক অধিকাৰ ত্যাগ কৰি বিক্ৰী কৰাৰ ভাও জোৰে। কোনোবাই আহি কড়ি নাইবা খুদ দি কিনি নিয়ে। তিনিমুঠি খুদেৰে কিনিলো বাবে ভাইটিৰ নাম হ'ল ক্ষুদিৰাম।

দুখ কৰিছিল অনুৰাধা দেৱীয়ে। তিনিমুঠি খুদ দি কিনিছিলো। ভাবিছিলো তাক আগুৰি ধৰি ৰাখিম; কিন্তু চকুৰ অগোচৰত দেশৰ সন্তানবোৰে কেতিয়া যে তাক টানি লৈ গ'ল বুজিবই নোৱাৰিলো।

#### দুই

কৈশোৰত ভৰি দিয়াৰ আগতেই স্বদেশী আন্দোলনৰ যোদ্ধাৰ তালিকাত নাম উঠিছিল ক্ষুদিৰামৰ। গুচি গৈছিল চৰম পন্থাত। প্ৰশিক্ষণ লৈছিল অস্ত্ৰ-শস্ত্ৰ চালনাৰ। সেই সময়ত স্বদেশী আন্দোলন প্ৰৱাহিত হৈছিল তিনিটা ধাৰাত। প্ৰথম ধাৰাটো আছিল গঠনমূলক স্বদেশী। প্ৰধান উদ্দেশ্য আছিল আত্মশক্তিৰ উদ্বোধন। দ্বিতীয় ধাৰাই প্ৰাধান্য দিছিল বয়কটক। ধাৰণা কৰিছিল এই বয়কট স্বৰাজ লাভৰ বাবে প্ৰয়োজনীয় আত্মিক প্ৰস্তুতি। তৃতীয় ধাৰাত আছিল চৰমপন্থীবোৰ। ইহঁত আছিল সংখ্যাত অগণন। সিহঁতৰ বাবে স্বদেশী আন্দোলন আৰু বয়কট হৈ পৰিছিল গৌণ। মুখ্য হৈ উঠিছিল স্বৰাজ।

চৰম পন্থাৰ পথ ধৰিয়েই ক্ষুদিৰামৰ যাত্ৰা। অস্ত্ৰ ব্যৱহাৰৰ মাধ্যমত সশস্ত্ৰ পথেৰে স্বাধীনতা অনাৰ স্বপ্নবীজ ক্ষুদিৰামৰ দৰে আৰু অসংখ্য তৰুণৰ মাজত হৈছিল ৰোপণ। সশস্ত্ৰ সংগ্ৰামীবোৰক দমনত ব্ৰিটিছ চৰকাৰেও অৱলম্বন কৰিছিল চৰম পন্থা। বহু বিপ্লৱী ফাঁচিকাঠত ওলমিছিল। বহু বিপ্লৱীয়ে মৃত্যুবৰণ কৰিছিল বন্দুকৰ গুলিত। ইতিহাসে ক্ষুদিৰাম বসুৰ আত্মবলিদানক দিছে গুৰুত্ব।

স্বদেশী আন্দোলনক সন্মুখত ৰাখি সন্ত্ৰাসবাদৰ যি পথ হৈছিল উন্মোচিত তাৰ নেতৃত্ব দিছিল অৰবিন্দ ঘোষে। ১৯০৬ত জাতীয় কংগ্ৰেছৰ প্ৰাদেশিক সন্মিলনত পুলিচে বেপৰোৱা লাঠিচাৰ্জ কৰিছিল। তাৰ প্ৰতিবাদতেই আৰম্ভ হৈছিল চৰমপন্থীবোৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ। ১৯০৭ত ঢাকাৰ জিলা শাসক এলেনক হত্যাৰ চেষ্টা চলায় স্বদেশী চৰমপন্থীবোৰে। ক্ষুদিৰাম বসু আৰু তেওঁৰ সহযোগী প্ৰফুল্ল চাকীক দিয়া হৈছিল চীফ প্ৰেছিডেন্সী মেজিষ্ট্ৰেট ডগলাছ ফ'ৰ্ডক হত্যাৰ দায়িত্ব। তেওঁৰ বিৰুদ্ধে বিপ্লৱীবোৰক জেলত অত্যাচাৰ, বেত্ৰাঘাতৰ অভিযোগ আৰু ক্ষোভ আছিল। ১৯০৮ৰ ৩০ এপ্ৰিলত অভিযানত নামিছিল ক্ষুদিৰাম। দিনটো আছিল বৃহস্পতিবাৰ। ডগলাছ ফ'ৰ্ড তেতিয়া মজফফৰপুৰত। ৰাতি চাৰে আঠ বজাত ডগলাছৰ গাড়ীলৈ ক্ষুদিৰামে যি বোমা নিক্ষেপ কৰিছিল, সেয়া লক্ষ্যভেদ হয়। বোমা বিস্ফোৰিত হয় কাষৰ ঘোঁৰা গাড়ী এখনত। সেই ঘোঁৰা গাড়ীখনত আছিল দুগৰাকী ব্ৰিটিছ মহিলা। মিছ কেনেডি আৰু তেওঁৰ মাক মিছেছ কেনেডি। সেই বোমাৰ আঘাতত মিছ কেনেডিৰ মৃত্যু হয় এঘন্টা পাছত। মিছেছ কেনেডিৰ মৃত্যু হয় দুদিন পাছত। ঘোঁৰা গাড়ীৰ কোচমেন কালীৰাম আহত হয়। ধৰা পৰে ক্ষুদিৰাম। ১৩ জুনত আদালতে ক্ষুদিৰামৰ ফাঁচিৰ হুকুম দিয়ে। তাৰ দুমাহ পাছত ফাঁচিকাঠত ওলমিল ক্ষুদিৰাম।

#### তিনি

চৰম পন্থাৰ বিকাশ ঘটিছিল বংগ ভংগক কেন্দ্ৰ কৰি। বৰলাট জন লৰেন্সে ১৮৭৪ত বাংলাভাষী চিলেট কাছাৰ আৰু গোৱালপাৰা জিলাসহ অসমক এক স্বতন্ত্ৰ চীফ কমিছনাৰৰ অধীন প্ৰদেশ বুলি ঘোষণা কৰিছিল। ১৮৯৬ত প্ৰস্তাৱ কৰা হৈছিল চট্টগ্ৰাম বিভাগ ঢাকা আৰু মৈমনসিং জিলাক অসমৰ স'তে যুক্ত কৰাৰ। প্ৰবল প্ৰতিবাদত সেয়া কাৰ্যকৰ কৰিব পৰা নাছিল। ১৯০৩ত সিদ্ধান্ত হৈছিল চট্টগ্ৰাম বিভাগ ঢাকা আৰু মৈমনসিং জিলা অসম প্ৰদেশত, বাংলাত বিহাৰৰ চম্বলপুৰ আৰু গন্ধাম জিলা আৰু চোটনাগপুৰ জিলা মধ্যপ্ৰদেশযুক্ত হ'ব। ফলত বাংলাৰ জনসংখ্যা কমিব এক কোটি ন লাখ।

১৯০৪ৰ ১৭ ফেব্ৰুৱাৰীত লৰ্ড কাৰ্জনে পূৰ্ব বংগৰ পৰা অস্থায়ী ভাৰত সচিবলৈ চিঠি লিখিছিল ঃ বাঙালীবোৰে নিজকে এক মহাজাতি বুলি ভাবে আৰু এজন বাঙালীক লাট চাহাবৰ গাদীত বহুৱাব বিচাৰে। বংগ ভংগৰ প্ৰস্তাৱে সিহঁতৰ এই স্বপ্নৰ সফল ৰূপায়ণত বাধা দিব। আমি যদি সিহঁতৰ আপত্তিৰ সন্মুখত নতিস্বীকাৰ কৰো, তেনেহ'লে ভৱিষ্যতে কোনোদিনেই বাংলাক ভাগ কৰিব নোৱাৰিম। ফলত ভাৰতৰ পূব প্ৰান্তত এনে এক শক্তিয়ে মূৰ দাঙি উঠিব, যি শক্তি ভৱিষ্যতে বিপদৰ উৎস হৈ পৰিব। ব্ৰিটিছ আমোলা ৰিজলীৰ মন্তব্য ঃ আমাৰ অন্যতম প্ৰধান উদ্দেশ্য ব্ৰিটিছ ৰাজত্বৰ বিৰোধী এক সুসংহত দলক টুকুৰা টুকুৰ কৰি দুৰ্বল কৰি তোলা।

ঊনবিংশ শতিকাৰ শেষত ভাৰতবৰ্ষত ব্ৰিটিছ বিৰোধী সশস্ত্ৰ আন্দোলনৰ মূল হাতিয়াৰ আছিল পিষ্টল আৰু ৰিভলভাৰ।

**এয়াই অসম, য'ত বনৰীয়া হাতীৰ আক্ৰমণত দিনে দিনে মানুহ মৰি আছে। ঘৰ-দুৱাৰ ধ্বংস হৈ আছে। বিয়াগোম এক বনবিভাগ আছে। হাতী মৰিলে চৰকাৰ উদ্বিগ্ন হয়। মানুহ মৰিলে কোনো কাণসাৰ নাই**

তাৰ পাছত প্ৰৱেশ ঘটে বোমাৰ। বোমা কেনেকৈ তৈয়াৰ কৰিব পাৰি, সেয়া শিকিবৰ বাবে পেৰিছলৈ গৈছিল এক বিপ্লৱী হেমচন্দ্ৰ কানুনগো। ইয়াৰ আগতে কলকাতাৰ বিভূতি চক্ৰৱৰ্তীয়ে বোমা বনাবলৈ আৰম্ভ কৰিছিল যদিও এই বোমাৰ ৰেললাইন নতুবা সেতু উৰাই দিয়াৰ ক্ষমতা নাছিল। অন্য বিপ্লৱীবোৰেও বোমা বনাবলৈ আৰম্ভ কৰিছিল। সেইবোৰ বোমাই এন্ড্ৰু ফ্ৰেজাৰক আঘাত কৰিছিল। ৰক্তাক্ত কৰিছিল বৰলাট হাৰ্ডিঞ্জক।

পেৰিছত হেমচন্দ্ৰ কানুনগোৱে ফৰাচী সমাজতান্ত্ৰিক সংগঠনৰ নেতৃবৰ্গৰ স'তে যোগাযোগ কৰি বিস্ফোৰক ৰসায়ন আৰু বিস্ফোৰণ ঘটোৱাৰ কায়দা-কানুন শিকিছিল। ৰুছ সন্ত্ৰাসবাদী দলৰ বিপ্লৱী নিকোলাছ চাফ্ৰানস্কিৰ পৰাও প্ৰশিক্ষণ লৈছিল। ১৯০৮ৰ জানুৱাৰীত হেমচন্দ্ৰ উভতি আহিছিল কলকাতালৈ। হেমচন্দ্ৰ কানুনগোৰ নিৰ্মিত বোমাই নিক্ষেপ কৰিছিল ক্ষুদিৰামে। দেশৰ প্ৰতি প্ৰচণ্ড ভালপোৱাই উদ্বুদ্ধ কৰিছিল ক্ষুদিৰামক। আত্মদানৰ দৰে সাহসী পদক্ষেপত। দেশৰ বাবে কৰিছিল আত্মবলিদান মাত্ৰ ১৮ বছৰ বয়সত। যিটো বয়সত বহুতেই লিখিবলৈ আৰম্ভ কৰে প্ৰেমৰ কবিতা।

#### চাৰি

পাৰ হৈ গ'ল স্বাধীনতাৰ ৭৫ বছৰীয়া উৎসৱ। দেশৰ ঘৰে ঘৰে উৰিল জাতীয় পতাকা। তিনিদিনৰ বাবে। মাথোঁ সিমানেই। যি অহিংসাৰ বাবে গান্ধীজীয়ে প্ৰাণ দিলে, দেশত আজি সেই অহিংসাৰ কি শোচনীয় অৱস্থা। নাথুৰামে গান্ধীজীৰ দেহটো ধ্বংস কৰিছে আৰু আমি ধ্বংস কৰিছো গান্ধীজীৰ আত্মাক। কোনেও গুৰুত্ব নিদিয়ে সংবিধানক। স্বৈৰতান্ত্ৰিক অৰাজকতা নে গণতান্ত্ৰিক অৰাজকতা? সাধাৰণ মানুহৰ জীৱনত ইয়াৰ বিকল্প খুব এটা নাই আজি-কালি।

দেশৰ সুবিধাভোগীৰ মাজত আছে ৰাজনীতিবিদ নামৰ লুণ্ঠনকাৰী গোষ্ঠী। সিহঁতৰ স্বাৰ্থৰক্ষাৰ বাবেই ৰাজনীতিত সন্ত্ৰাস, স্বৈৰতন্ত্ৰ আৰু সহিংসতা। তাত গণতন্ত্ৰ, আইনৰ শাসন বা স্বচ্ছতা জবাবদিহিৰ কোনো ঠাই নাই। দেশত এতিয়া আইনৰ কিতাপৰ কোনো প্ৰয়োজন নাই।

#### পাঁচ

মাতৃভূমিৰ কথা যেতিয়া ভাবো, মুহূৰ্ততে অসংখ্য ছবি চকুৰ আগত ভাহি আহে। মুহূৰ্ত— যাৰ কোনো অৰ্থ নাই। সময়ৰ অন্তহীন সোঁতত মুহূৰ্ত নামৰ কালাণুৰ অস্তিত্ব কাৰো জনা নাই। অথচ মুহূৰ্ত অবিহনে সময় অৰ্থহীন।

জবাবদিহিহীনতাই যে সীমাহীন দুৰ্নীতিৰ জন্ম দিব পাৰে, সেয়াতো আমি হাঁড়ে হাঁড়ে গম পাইছো। লাখ লাখ মানুহ আজি মাদকাসক্ত। বহু সন্ত্ৰাসবাদী কৰ্মকাণ্ড আৰু অপৰাধৰ উৎস ইয়াতেই। মাদকৰ ব্যৱসায়, মদৰ ব্যৱসায় সবাতোকৈ ডাঙৰ দুৰ্নীতি। মদৰ বিস্তাৰ যদি বৰ্তমানৰ হাৰত চলি থাকে, তেনেহ'লে এটা সময়ত দেশৰ কিছু মানুহে টোপনিয়াই থাকিব আৰু কিছু মানুহ দেৱালত মূৰ ঠুকুৰিব। জীৱন এক অন্তহীন প্ৰক্ৰিয়া।

এয়াই অসম, য'ত বনৰীয়া হাতীৰ আক্ৰমণত দিনে দিনে মানুহ মৰি আছে। ঘৰ-দুৱাৰ ধ্বংস হৈ আছে। বিয়াগোম এক বনবিভাগ আছে। হাতী মৰিলে চৰকাৰ উদ্বিগ্ন হয়। মানুহ মৰিলে কোনো কাণসাৰ নাই।

মৃত্যু কিমান প্ৰকাৰ আৰু কি কি? এয়া এক অত্যন্ত ৰূঢ় অমানৱীয় প্ৰশ্ন। আচলতে মৃত্যুৰ কোনো প্ৰকাৰ ভেদ নাই। চব মৃত্যুৱেই বেদনাদায়ক; কিন্তু আমাৰ দেশত বহু মৃত্যু আছে সম্পূৰ্ণ অপ্ৰয়োজনীয় মৃত্যু। এনে মৃত্যুৰে আমি ইমান অভ্যস্ত হৈ গৈছো যে সেয়া যেন এক নিত্য নৈমিত্তিক সাধাৰণ ঘটনা। পথ দুৰ্ঘটনাত দেশত প্ৰতি বছৰে মৃত্যু হয় শ শ লোকৰ। এই মৃত্যুটোত আমি ইমান অভ্যস্ত হৈ গৈছো যে আমাৰ দেশত এয়া একেবাৰে গুৰুত্বহীন।

আমাৰ দেশৰ ৰাস্তা-ঘাটৰ অৱস্থা একেবাৰে শোচনীয়। ট্ৰেফিক নিয়ম-কানুনৰ কোনো চিহ্ন নাই। সুৰামত্ত চালকৰ উদ্ধণ্ডালি। পথ দুৰ্ঘটনাত সাধাৰণতে নিহত হয় দেশৰ দৰিদ্ৰ মানুহ। আমোলা-মন্ত্ৰী-ৰাজনীতিকে আলু-পিঁয়াজৰ বস্তাৰ দৰে বাছভৰ্তি পাব্লিক বাছত নুঠে। বাছে বাছে প্ৰতিযোগিতা। ইখনে সিখনক চেৰ পেলাই যোৱাৰ। ইয়াতকৈ ভয়ংকৰ কিবা আছে জানো? পথ দুৰ্ঘটনাত প্ৰতিটো মৃত্যুৱে আচলতে হত্যাকাণ্ড।

অসমৰ ৰাজধানী গুৱাহাটী। এই মহানগৰীৰ কোনো পিতা-মাতা নাই। নাই কোনো অভিভাৱক। মহানগৰীৰ দুৰ্নাম গুচাবৰ বাবে দায়িত্বও কাৰো নাই। পিতা-মাতাহীন এক অনাথ মহানগৰ গুৱাহাটী। এজাক বৰষুণ আৰু কৃত্ৰিম বানপানী। প্ৰতি বছৰে সৃষ্টি হয় নতুন ৰেকৰ্ড। প্লাৱিত হয় নতুন নতুন অঞ্চল। মৃত্যু হয় মানুহৰ। বানপানীত মৃত্যু। বিদ্যুৎস্পৰ্শ হৈ মৃত্যু। ভূমিস্খলনত মৃত্যু। কি বীভৎস। কি নিৰ্মম। কি ভয়ংকৰ। কি নিষ্ঠুৰ। বোমা ফুটে বাছত। ৰেলত। ষ্টেছনত। বজাৰত। মৃত্যু হয় নিৰীহ লোকৰ। মানুহৰ কোনো নিৰাপত্তা নাই। যিকোনো মানুহ যিকোনো সময়ত হ'ব পাৰে আক্ৰান্ত। আত্মহত্যাৰ প্ৰকোপ বাঢ়িছে। কৃষকে কৰিছে আত্মহত্যা। শিক্ষকে কৰিছে আত্মহত্যা। প্ৰেমত প্ৰতাৰিত হৈ প্ৰেমিকাই কৰিছে আত্মহত্যা। প্ৰেমত প্ৰত্যাখিত হৈ প্ৰেমিকে কৰিছে হত্যা প্ৰেমিকাক। যৌতুকৰ বলি। কেৰাচিন গাত ঢালি বোৱাৰীক দিছে জ্বলাই। কাপুৰুষ। পুত্ৰৰ হাতত মৃত্যু পিতৃৰ। ভ্ৰাতৃৰ হাতত ভ্ৰাতৃৰ। ধৰ্ষিতা কিশোৰীৰ নিথৰ দেহ পৰি থাকে পথাৰত। চৌদিশে মৃত্যুৰ কিৰিলি।

#### ছয়

ছ্যুকাফাৰ দেশৰ ছু
আছু আমছু আকাছু
এবছু আক্ৰাছু আটাছু
মন যায় মোৰ মন্ত্ৰ মাৰি
ছু মাং ছু
নাইকিয়া কৰি দিম চব কিছু।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*



# উৰুলিপুঙা তিৰী পদূলিশুঙা গিৰী

মনোজ কুমাৰ ভট্টাচাৰ্য

— হেৰা, তোমাৰ ৰন্ধা-বঢ়া হোৱাই নাই হ'বলা। যি হৈছে তাকেই দিয়া। মোৰ ভোক লাগিছে।

— উৰা, আপুনি কেঁচুৱাৰ দৰে উৎপাতখন লগাইছে কেলেই? ভোকত যেন মৰিহে যাব মানুহটো! কেনেখন কৰে দেখোন?

— পেটৰ ভোক আৰু মনৰ শোক, দুয়োটাই মই সহিব নোৱাৰো। সেইটো তুমি জানিও নজনাৰ ভাও ধৰিছা কিয়?

— পুৱাৰ জলপানত কল আৰু গুৰেৰে দৈ-চিৰা এবাটি খোৱা নাই জানো? এতিয়া আকৌ ভোক লাগিবৰ হ'লেইনে? আপুনি মানুহ নে বীৰা?

— চিৰা অকণমান খাবলৈ দিছা বাবেই মোক বীৰা বুলি ক'বানে? এইবাৰ ভাত দিলে দেখোন তুমি মোক জাততে ধৰিবাহে?

— আচলতে জাত নহয়, আপোনাৰ বংশকে ধৰিব লাগে। মই বুলিহে মাত মতা নাই। ডাং-কাটী এজনী চপাই লোৱা হ'লে আপোনাৰ গাত হাতেই দিলেহেঁতেন।

— কথাৰ মহলা এৰা। আগতে মোক ভাত দিয়া। সময়ৰ জ্ঞান বোলা বস্তুটো তোমাৰ একেবাৰেই নাইহে। দুপৰীয়াৰ ভাত আবেলি খাম নেকি? সময়মতে ভাতখিনিও দিব নোৱাৰা। কি কৰি থাকা তুমি?

— মই পুৱাৰে পৰা গালত প্ৰসাধন সানি, চুলিত কলপ লগাই ঠুম-ঠুমকৈ বহি আছো হ'বলা? আপুনি কি কৰি আছিল কওকচোন?

— অলপ সৰুকৈ ক'লেও শুনিম দিয়া। মই কলা হোৱা নাই। তুমি ডিঙিৰ সিৰ ফুলাই মৰা কিয়?

— কিয় নমৰিম? মোক এলাইবাদু বুলি ভাবিছে নেকি? ঘৰত কাম-বন একো নকৰি ৰূপচৰ্চা কৰি বহি আছো? আপুনি ঘৰে ঘৰে পৰচৰ্চা কৰি যে ঘূৰি ফুৰিছে মই নাজানো নেকি?

— কাৰ, ক'ত পৰচৰ্চা কৰা দেখিলাহে তুমি? আন্দাজতে কথা নক'বাচোন। মই মিঠা কথা কওঁ, কিন্তু মিছা নামাতো। তোমাৰ দৰে মই কুটিলো নহয় আৰু জটিলো নহয়, সেইটো মনত ৰাখিবা।

— আপুনি মোৰ আগত চাফাই গাব নালাগে। আপুনি কেনে আমাৰ চুবুৰিটোৰ সকলোৱে জানে।

— জানিবতো। মোৰ দৰে সত্যবাদী সমাজকৰ্মী এজনক কোনে নজনাকৈ থাকিবহে?

— হেৰি, আমাৰ ইয়াত বুলিহে আপুনি এৰাই বিৰিখ হৈ আছে। অন্য ঠাইত হোৱা হ'লে লতা বুলিও আপুনি চিনাকি দিব নোৱাৰিলেহেঁতেন।

— মোৰ কথা ভবাৰ আগতে নিজৰ চিন্তাটো নকৰা কিয়? মই লতা হ'লেও শান্তিৰে য'তে-ত'তে বগাই থাকিম। তুমি কৰিবা কি? আনৰ গতা খাই জীৱনটো অতিবাহিত কৰিব লাগিব।

— জনাই জানে দিয়ক কোন কেনে? আপোনাকো জানে কি সঁচৰ ধান আৰু মোকো জানে কি গছৰ পাণ।

— সঁচা কথাটো কোৱাচোন মোক?

— কি?

— তোমাক পাণ বুলি জানে নে বিহঢেঁকীয়া বুলি জানেহে, আনৰ মুখত শুনা কথাহে দেই। তুমি আকৌ মোক ভুল নুবুজিবা।

— নাই নাই, আপোনাক মই ভুল বুজিম নে? হুলক শূল বুলিলেহে ভুল কৰা হয়। আপুনি শুনা কথাটোও সঁচা আৰু মই বুজা কথাটোও নহয় মিছা।

— কোনটো কথাহে?

— আপোনাৰ দৰে বিষধৰৰ বিহ নমাবলৈ মোৰ দৰে বিহঢেঁকীয়াৰ প্ৰয়োজন আছে। সেইটো আপুনি উলাই কৰিব নোৱাৰে।

— হ'ব দিয়া। তোমাৰ সম্বৰ্ধনা পত্ৰখনৰ মোৰ দৰকাৰ নাই। তুমি ভাল বুলি ক'লেও মই ভাল হৈ নপৰো আৰু বেয়া বুলি ক'লেও মই একো বেয়া কাম নকৰো, বুজিছা?

— কি কথা কয়হে? মই আপোনাক চাৰ্টিফিকেট দিম? খুজিলেও দিব নোৱাৰো। কাৰণ, আপোনাৰ চৰিত্ৰ কেনে মই ভালদৰেই জানো। কাৰোবাক কু-চৰিত্ৰৰ চাৰ্টিফিকেট কোনোবাই দিয়ে জানো?

— তাৰ মানে তুমি নিজৰ ফটা ঢোলটোত কোবাই আছা। মোৰ চৰিত্ৰত কলংক সানি তুমি সতীত্বৰ আখৰা কৰিছা।

— আপোনাৰ যিহে মতি-গতি। মই বুলিহে আজিলৈকে নটী নোহোৱাকৈ সতী হৈ আছো।

— পতি যাৰ ভাল, তেওঁৰ সহধৰ্মিণী সতী নোহোৱাকৈ থাকিব পাৰিবনে? আচলতে মই তোমাক আলফুলে ধৰি আছো বাবেই তুমি সৰি পৰা নাই। সেইটো কথা কিন্তু মানিবই লাগিব।

— মোক পোন গজাল পাই ধামধুম হাতুৰী মাৰিছে নহয়? ময়ো চাই ল'ম আপোনাক? চেলু পালে নেলু চেপি পেলাম। ঘৰে ঘৰে চাহ-তামোলৰ জুতি লৈ ফুৰাটো আপোনাৰ তেতিয়াহে টুটি আহিব।

— হেৰা, মই ডেকা হৈ থকাটো তুমি বিচৰা নে কঁকাল বেঁকা বুঢ়া হৈ থকাটো বিচৰা সেইটো আগতে কোৱা। অৱসৰ পোৱাৰ পাছত ঘৰত সোমাই থাকিলে অকালতে বৃদ্ধ হৈ নাযাম জানো?

— আপুনি ফুৰিবলৈ যাওক মোৰ একো আপত্তি নাই। সেই বুলি যেতিয়াই-তেতিয়াই পৰৰ ঘৈণীয়েকৰ লগত আড্ডা মাৰি ফুৰিলে জানো শোভা পায়?

— সেইটোৱেই তোমাৰ সমস্যা। ঘৰৰ ওচৰৰ সদায় দেখি থকা মানুহকো তুমি আপোন বুলি মানি ল'ব নোৱাৰা। সদায় পৰ বুলিয়েই ভাবি থাকা।

— বৰ একেবাৰে বুকুৰ কুটুম দিয়ক। আপোন বুলি মই ভাবিম? এনেয়ে মৰিছো ঋষিৰ শাপত, তাতে আকৌ দিয়ে তপত ভাপত? মই আছো নে নাই? মই থাকোতে আনলৈ কিহৰ নজৰ?

— তোমাৰ ওজৰেই নগুচেহে। তুমি পুৰুষ প্ৰধান সমাজত আছা। গতিকে মোক বাধা দিব নোৱাৰা।

— পুৰুষ মাত্ৰেই মূৰুখ বুজিছে। আমাৰ সমাজখনহে পুৰুষ প্ৰধান, সংসাৰখন কিন্তু স্ত্ৰী প্ৰধান। সেই কথাটো ভালদৰে জানি থ'ব।

— হেৰা, বাদ দিয়া। কাজিয়া কৰিলেনো কাৰ কি লাভ হ'বহে? চালনীয়ে বেজীক হাঁহিলে ভাল দেখি জানো? তুমি যেনে উৰুলিপুঙা, ময়ো তেনে পদূলিশুঙা। হয়নে?

— কি?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

# ইংৰাজী মাধ্যম তথা খৰিকটীয়া আৰু বাঘৰ সাধু

**অসম** চৰকাৰে হঠাতে সিদ্ধান্ত ল'লে যে মাতৃভাষা-মাধ্যমৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞানৰ শিক্ষা ইংৰাজী মাধ্যমত দিয়া হ'ব, কাৰণটো হ'ল তেনে কৰিলে চৰকাৰৰ দ্বাৰা পৰিচালিত মাতৃভাষা-মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী আগলৈ বিশ্বৰ বিখ্যাত বিখ্যাত বিশ্ববিদ্যালয়ত পঢ়াৰ যোগ্য হ'ব। উদ্দেশ্যটো ভালেই, কিন্তু সম্পূৰ্ণৰূপে ইংৰাজী মাধ্যমত, প্ৰতিটো বিষয়তে ঘৰুৱা শিক্ষকৰ হতুৱাই পঢ়ুৱাই ৮০-৯০ শতাংশ নম্বৰ পোৱা কিমান ছাত্ৰ-ছাত্ৰীয়ে ইংলেণ্ড, আমেৰিকা বা অন্যান্য উন্নত দেশৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ যোগ্য হৈছে?

ভাৰতী দাস চৰকাৰ

চৰকাৰৰ এনে সিদ্ধান্তৰ প্ৰতিবাদ জোৰদাৰ হৈছে। হোৱাৰ কথাও, নহ'লে কৰিব কি? বেছি হুলস্থূল হোৱা দেখি সিদিনা শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ আৰম্ভণি অনুষ্ঠানত সৌ-তাহানিৰ খৰিকটীয়া আৰু বাঘৰ নীতি-শিক্ষামূলক কাহিনীটো উল্লেখ কৰি কৈছে যে আন্দোলনকাৰীসকলে বাঘ ওলোৱা বুলি মিছাকৈ হাহাঁকাৰ লগাইছে, আচলতে বাঘ ওলোৱা নাই, সেয়ে ৰাইজে ভয় কৰাৰ প্ৰয়োজন নাই। শিক্ষামন্ত্ৰীৰ যুক্তি সঁচাকৈয়ে শলাগিবলগীয়া।

কেইবছৰমান আগতে প্ৰাথমিক বিদ্যালয়ৰ শ্ৰেণীবিলাকত পৰীক্ষা নিদিয়াকৈ উত্তীৰ্ণ কৰি দিয়াৰ ব্যৱস্থা কৰিলে, যাৰ ফলস্বৰূপে চতুৰ্থ শ্ৰেণী সুখ্যাতিৰে উত্তীৰ্ণ হৈ দুহাত ওপৰলৈ তুলি সিমানতে শিক্ষা সামৰিবলগীয়া হ'ল। কৰ'নাৰ বাবে ২০২০ আৰু ২১ৰ পৰীক্ষাবিলাক কিতাপ মেলি চাই অনলাইন পৰীক্ষা দিয়াৰ ব্যৱস্থা হ'ল। যাৰ ফলত এজনে লিখা উত্তৰ-পুস্তিকা কেবাজনেও ম'বাইল টিপি পঠিয়াই দিলে। ২০২১ত পৰীক্ষা নিদিয়াকৈ উত্তীৰ্ণ হ'ল ৯৯ শতাংশ ছাত্ৰ-ছাত্ৰী। এইসকলে উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়ত নাম লগালে। জানিব পৰা গৈছে যে এইসকলৰ ভিতৰত চল্লিশ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধকৈ মাতৃভাষা লিখিব নোৱাৰে।

এতিয়া কথাটো হ'ল চৰকাৰে যিটো সিদ্ধান্ত গ্ৰহণ কৰিছে সেইটো যে সফল নহয় সেইটো নিশ্চিত, কাৰণ তৃতীয় শ্ৰেণীত ইংৰাজী ভাষাটো শিকি গণিত-বিজ্ঞান পঢ়ি গণিতজ্ঞ আৰু বিজ্ঞানী কেতিয়াও হ'ব নোৱাৰে, কাৰণ মাতৃভাষাৰ মাধ্যমত যিসকল পিতৃ-মাতৃৰ সন্তানে পঢ়ে সেইসকল পিতৃ-মাতৃয়ে সন্তানক গৃহ শিক্ষক ৰাখি পঢ়ুওৱাৰতো কথাই নাই ভালকৈ এসাঁজ খুৱাবও নোৱাৰে, অনাহাৰে বহুতো এনে অভিভাৱক আছে যিসকলে দুপৰীয়াৰ সাঁজ খাবৰ বাবেহে সন্তানক বিদ্যালয়লৈ পঠিয়ায়। তেনেস্থলত মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীত ইংৰাজী মাধ্যমৰ সফলতাক আমি অলীক কল্পনা বুলিহে ভাবো। অৱশ্যে ইয়াৰ ফলত স্কুলীয়া জীৱনতে শিক্ষা সাং কৰি সামৰণি মৰাৰ সংখ্যা বৃদ্ধি হ'ব।

এতিয়া যিসকলে বিৰোধ কৰিবলৈ ওলাই আহিছে সেইসকল সঁচাকৈয়ে মাতৃভাষা প্ৰেমী নে? লাগিলে তেওঁলোকৰ মাতৃভাষা যিয়েই নহওক কিয়? আচল প্ৰশ্নটো হ'ল বিৰোধ কৰাসকলৰ কিমানে নিজৰ সন্তানক মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাইছে? যিসকলে নিজৰ সন্তানক মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ত পঢ়িবলৈ নিদি ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাইছে, সেইসকলে চৰকাৰৰ এই নীতিৰ বিৰোধ কৰাৰ অধিকাৰ নাই। সৌ সিদিনা বৰ্তমানৰ এজন সাহিত্য-কাণ্ডাৰীয়ে এখন সাহিত্যৰ সভাত নিজৰ সন্তানক অসমীয়া মাধ্যমত পঢ়ুৱাবলৈ হাত তুলি ৰাইজক উপদেশ দিছে, কিন্তু সেই মাতৃভাষা প্ৰেমীয়ে নিজৰ সন্তানক নামী-দামী ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাই ডাঙৰ মানুহ (?) কৰিছে। মুখেৰে এটা কথা কৈ কাৰ্যত তাৰ ওলোটা কৰি থকাসকলক



কি বুলি ক'ব পাৰি ৰাইজে বিচাৰ কৰক।

আন এটা কথা হ'ল, ভালদৰে ইংৰাজী মাধ্যমত পঢ়ুৱাবলৈ মাতৃভাষা-মাধ্যমৰ চৰকাৰী বিদ্যালয়ত কিমান শিক্ষক আছে? এতিয়াও অসমৰ সহস্ৰাধিক চৰকাৰী বিদ্যালয়, মহাবিদ্যালয়ে শিক্ষকৰ অভাৱত ত্ৰাহি মধুসূদন কৰি আছে। এনে ক্ষেত্ৰত চৰকাৰৰ এনে নীতি সফল হ'ব বুলি ভবাৰ কোনো থলেই নাই।

আমাৰ শিক্ষামন্ত্ৰীয়ে কোৱা সাধুটো এদিন কাৰ্যত পৰিণত হ'ব, সেয়ে বিৰোধ কৰাসকলে বিৰোধ কৰাৰ প্ৰয়োজনেই নাই।


ভাৰতবৰ্ষই ‘আজাদী কা অমৃত মহোৎসৱ’ পালন কৰিছে। এয়া গৌৰৱৰ কথা। কিন্তু ভাৰতে ৭৫ বছৰেও স্থায়ী শিক্ষানীতি গ্ৰহণ কৰিব নোৱাৰিলে; যাৰ বাবে ভাৰতৰ শিক্ষাৰ্থীসকল পৰীক্ষাগাৰৰ ‘গিণিপিগ’ হৈয়ে থাকিবলগীয়াত পৰিছে। এই সমস্যাৰ সমাধান কেতিয়াবা হ'বনে?

**আম আদমী পাৰ্টিৰ প্ৰধান দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল বৰ্তমানলৈকে এজন নিকা ভাৱমূৰ্তি থকা সম্পন্ন ব্যক্তি হিচাপে সৰ্বভাৰতীয় ৰাজনীতিত স্থান পাই আহিছে। দিল্লী ৰাজ্যৰ বাহিৰেও যোৱা ৰাজ্য নিৰ্বাচনত পাঞ্জাৱত মেজিক দেখুৱাই পাঞ্জাবৰ শাসনভাৰ দখল কৰিছে। কে'বাখনো ৰাজ্যত খোপনি পুতি দুই-এটা নিকায়, নিগমত জয়লাভ কৰি ৰাইজৰ কাষ চাপিবলৈ সক্ষম হৈছে। দিল্লীত কে'বাটাও জনহিতকৰ কাৰ্য সম্পাদন লেখত ল'বলগীয়া**

# ২০২৪ত নৰেন্দ্ৰ মোদীৰ লগত ফেৰ

**এতিয়ালৈকে** নৰেন্দ্ৰ মোদীৰ লগত প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে বিৰোধী পক্ষৰ চাৰিখন মুখ ভাহি উঠিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জী, দ্বিতীয়তে কংগ্ৰেছৰ যুৱনেতা ৰাহুল গান্ধী, তৃতীয়তে, দিল্লীৰ আম আদমী পাৰ্টিৰ অৰবিন্দ কেজৰিৱাল আৰু শেহতীয়াকৈ এন ডি এ ত্যাগী বিহাৰৰ মুখ্যমন্ত্ৰী জেডি (ইউ)ৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ। ৰাজনৈতিক পৰ্যবেক্ষকৰ চকু বৰ্তমান নীতিশ কুমাৰৰ ওপৰত। কিয়নো যি সময়ত মহাৰাষ্ট্ৰত শিৱসেনা, এনচিপি জোট ভাঙি বিজেপিয়ে একনাথ শিণ্ডে ৰাজ্যৰ শাসনত বহুৱালে ঠিক তাৰ ওলোটা নীতিশ কুমাৰে এন ডি এৰ লগত সম্পৰ্ক ছেদ কৰি আৰ জে ডি, কংগ্ৰেছ আৰু বামপন্থীসকলৰ লগলাগি 'মহাগটবন্ধন'ৰ জৰিয়তে বিহাৰৰ মুখ্যমন্ত্ৰীৰ শাসনভাৰ চম্ভালিলে। উল্লেখ্য যে নীতিশ কুমাৰ অষ্টমবাৰ বিহাৰৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱা আটাইতকৈ বেছিদিনৰ সফল ৰাজনীতিক হিচাপে চিনাকি দিবলৈ সক্ষম হৈছে। বিহাৰৰ এসময়ৰ 'জংগলৰাজ' শাসনৰ ওৰ পেলোৱা ব্যক্তি হিচাপে সৰ্বভাৰতীয় পৰ্যায়ত নীতিশ কুমাৰৰ নাম আছে। সেই অৰ্থে বহুতৰে ধাৰণা যে নীতিশ কুমাৰ হয়তো ২০২৪ৰ সাধাৰণ নিৰ্বাচনৰ বিৰোৰ এজন সম্ভাৱনাময় প্ৰধানমন্ত্ৰী পদৰ দাবীদাৰ হ'ব পাৰে।

ৰাহুল গান্ধী যুৱপ্ৰজন্মৰ এজন উদ্যমী নেতা। কংগ্ৰেছত তেওঁ যুৱৰাজ বুলি খ্যাত। প্ৰধানমন্ত্ৰী পদ প্ৰাৰ্থীৰ তালিকাত কংগ্ৰেছত ৰাহুল গান্ধীৰ নাম সজোৰে উচ্চাৰিত এটি নাম, কিয়নো বৰ্তমান শাসক দলৰ শক্তিশালী বিৰোধী ৰাজনৈতিক দল হৈছে কংগ্ৰেছ। কংগ্ৰেছে কে'বাখনো ৰাজ্যত শাসনভাৰ চলাই আছে। কংগ্ৰেছক বাদ দি বাকী বিৰোধী দলৰ ঐক্যমঞ্চ একেবাৰে অসম্ভৱ। কংগ্ৰেছৰ প্ৰাধান্য বাকী বিৰোধী দলবোৰ স্বীকাৰ কৰিবই লাগিব।





আম আদমী পাৰ্টিৰ প্ৰধান দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল বৰ্তমানলৈকে এজন নিকা ভাৱমূৰ্তি থকা সম্পন্ন ব্যক্তি হিচাপে সৰ্বভাৰতীয় ৰাজনীতিত স্থান পাই আহিছে। দিল্লী ৰাজ্যৰ বাহিৰেও যোৱা ৰাজ্য নিৰ্বাচনত পাঞ্জাৱত মেজিক দেখুৱাই পাঞ্জাবৰ শাসনভাৰ দখল কৰিছে। কে'বাখনো ৰাজ্যত খোপনি পুতি দুই-এটা নিকায়, নিগমত জয়লাভ কৰি ৰাইজৰ কাষ চাপিবলৈ সক্ষম হৈছে। দিল্লীত কে'বাটাও জনহিতকৰ কাৰ্য সম্পাদন লেখত ল'বলগীয়া। শেহতীয়াকৈ কেজৰিৱালৰ 'মেক ইণ্ডিয়া নাম্বাৰ ৱান' মিছনৰ যোগেদি সকলোৰে বাবে বিনামূলীয়া শিক্ষা, স্বাস্থ্য সেৱা আৰু লগতে নিবনুৱাসকলৰ বাবে কৰ্মসংস্থান— এই সৰ্বভাৰতীয় মিছনৰ জৰিয়তে ২০২৪ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিছে। সৰু বৰ ১৮টা বিজেপি বিৰোধী দলৰ হিতৈষী নেতা উমৈহতীয়া প্ৰাৰ্থী হিচাপে ২০২৪ৰ প্ৰধানমন্ত্ৰীৰ পদ প্ৰাৰ্থীৰ দৌৰত দাবী দাৰ হ'ব পাৰে।

## পি পি দাস

মোদীৰ স'তে প্ৰধানমন্ত্ৰী পদৰ বাবে ২০২৪ত দৌৰত সঘনাই এটা নাম আগৰ পৰাই উচ্চাৰিত হৈ আছে। সেইটো হ'ল— পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী। তেওঁৰ সমৰ্থকসকলে সভা-সমিতিয়ে তৃণমূল কংগ্ৰেছ প্ৰধান মমতাক আগন্তুক ২০২৪ত বিৰোধী ঐক্যৰ প্ৰধানমন্ত্ৰী পদৰ পাৰ্থী হিচাপে প্ৰচাৰ চলাই আছে। কিছুমানে এনে প্ৰচাৰ চলাই আছে যে বাংলাৰ কন্যা মমতাই তাঁতীৰ শাৰী আৰু ভৰিত হাৱাই চেণ্ডেল পিন্ধি ২০২৪ৰ ১৫ আগষ্টত দিল্লীৰ লালকিল্লাত প্ৰধানমন্ত্ৰী ৰূপত ভাষণ প্ৰদান কৰিব ।

মমতাৰ শক্তি তেওঁ বৰ্তমান ভাৰতৰ একমাত্ৰ মহিলা মুখ্যমন্ত্ৰী, বাওঁপন্থী ৰাজনীতিৰ ৩৪ বছৰীয়া দুৰ্গ ভেদ কৰি ১১ বছৰ ধৰি পশ্চিমবংগৰ শাসন ভাৰ চলাই আছে। পশ্চিমবংগৰ ৪২ খন লোকসভা আসনৰ আধাৰ বেছি বৰ্তমান তৃণমূলৰ দখলত। এক সমীক্ষাৰ হিচাগত তৃণমূল ২০২৪ৰ সাধাৰণ নিৰ্বাচনত ৩৮ খন আসনত জয়ী হ'ব পাৰে। সংগ্ৰামী নেত্ৰী হিচাপে সিংগুৰ-নন্দীগ্ৰাম আন্দোলনৰ কথা উনিকিয়াব পাৰি। ৰাজনৈতিক ভিত্তি অকল পশ্চিমবংগতে সীমাবদ্ধ যদিও ২০২১ত তৃতীয়বাৰ বিধানসভাত জয়ৰ পাছত তৃণমূল যে ত্ৰিপুৰা, গোৱা আদিকে কৰি কে'বাখনো ৰাজ্যত ৰাজনৈতিক ভেটি স্থাপনত জোৰ দিছে; কিন্তু সফল হ'ব পৰা নাই। দলৰ মাজত এটাৰ পাছত এটা বিপৰ্যয়— বিশেষকৈ দুৰ্নীতিৰ আভিযোগ আৰু পৰিয়ালতান্ত্ৰিক উত্তৰসুৰী ভাৱনাত বৰ্তমান কৰ্মকৰ্তাসকলৰ মাজত এটা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তদুপৰি যোৱা ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনত প্ৰাৰ্থী বাছনি আৰু ভোটদান সম্পৰ্কত সৰ্বভাৰতীয় বিৰোধী শিবিৰত তৃণমূলৰ ভাৱমূৰ্তি ভালেখিনি হ্ৰাস পাইছে। গতিকে আগন্তুক দিনত মমতা বেনাৰ্জীক বিৰোধী শিবিৰে কোন দিশত লৈ যায় তাক সময়হে ক'ব পাৰিব।

*ফোন ঃ ৯৪৩৫৭০৩৭০৫*

# 'দৈনিক অগ্ৰদূত'ৰ প্ৰশ্ন ঃ মোৰ উত্তৰ



## ড° খৰ্গেশ্বৰ ভূঞা

**প্ৰশ্ন ঃ আপোনাৰ মতে জীৱনৰ সংজ্ঞা কি?**

মোৰ মতে জীৱনৰ সংজ্ঞা, মই প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্বৰ ক্ষেত্ৰত হ'ব পৰা উত্তৰবোৰ স্থিৰ নহয়, বৰঞ্চ সময়ৰ লগে লগে পৰিৱৰ্তনশীল। অৰ্থাৎ জীৱনকাল আগবঢ়াৰ আধাৰত এইবোৰ ধাৰণাৰো সলনি হৈ আছিল। প্ৰথমে জীৱনৰ সংজ্ঞাৰ কথাই ধৰা যাওঁক।

জীৱনৰ আৰম্ভণিতে অৰ্থাৎ সৰু কালত বিভিন্ন জ্যেষ্ঠজনৰ মুখত শুনি শুনি, লগতে ঘৰুৱা তথা সামাজিক আচাৰ-ব্যৱহাৰৰ মাধ্যমেদি জীৱন সম্পৰ্কে ধাৰণা হৈছিল যে ই হৈছে বিশ্বব্ৰহ্মাণ্ডৰ গৰাকী ঈশ্বৰৰ ইচ্ছাত সৃষ্টি হোৱা এটি সত্তা; নিৰ্দিষ্ট সময়লৈ ই ঈশ্বৰৰ নিৰ্দেশ মতেই বিভিন্ন কাম কৰি থাকি এসময়ত পৃথিৱী এৰি গুচি যায়। জীৱন ধাৰক শৰীৰটো বিনষ্ট হ'লেও আত্মা নামৰ এটি অতীন্দ্ৰিয় সত্তা সদায় থাকে, এই সত্তাই ঈশ্বৰৰ ইচ্ছা অনুসাৰে নতুন জীৱন লয় আৰু জীৱন নামৰ চক্ৰটো চলি থাকে। মুঠতে প্ৰায় যৌৱন কাললৈকে জীৱনৰ সংজ্ঞা মোৰ বাবে আছিল এয়ে যে জীৱন হৈছে ঈশ্বৰৰ দ্বাৰা সৃষ্ট আৰু তেওঁৰ দ্বাৰাই চলিত এটা যন্ত্ৰ যিটো এটা নিৰ্দিষ্ট সময়ৰ পাছত অকামিলা হৈ ভূমিত বিলীন হয়। বয়স বঢ়াৰ লগে লগে ঈশ্বৰৰ ওপৰত বিশ্বাস কমি আহিল, তথাপি ভাবিছিলো যে জীৱন ঈশ্বৰ সৃষ্ট এটা যন্ত্ৰ, কিন্তু মানুহ বা জীৱই নিজৰ জ্ঞান-বুদ্ধি অনুসাৰে পৃথিৱীত থাকি বিভিন্ন কৰ্ম কৰি যাব পাৰে আৰু জীৱনটো শেষ হোৱাৰ পাছত জীৱন কালত কৰা কৰ্মবোৰৰ ভাল-বেয়া অনুসৰি পৰজন্মত জীৱই ফলভোগ কৰিবলৈ পায়। জীৱনৰ এই সংজ্ঞা শাস্ত্ৰ আধাৰিত বুলি সহজেই বুজিব পাৰি।

বিজ্ঞানৰ বিষয়বোৰ বুজি পাবলৈ লোৱাৰ পাছত ঈশ্বৰৰ অস্তিত্বৰ ওপৰতেই সন্দেহ হ'বলৈ ধৰিলে। পৃথিৱীত জীৱন প্ৰবাহ চলাই নিবৰ বাবে কোনো ঈশ্বৰ বা তেনে ধৰণৰ সত্তাৰ প্ৰয়োজন নাই। ঈশ্বৰ নোহোৱাকৈয়ো যে জীৱনৰ সৃষ্টি, স্থিতি তথা ধ্বংস হ'ব পাৰে ইয়াৰো ধাৰণা ল'ব পাৰিলো। এই ধাৰণাকেই বিস্তৃতভাৱে প্ৰকাশ কৰিলো মোৰ 'বিশ্বব্ৰহ্মাণ্ড সৃষ্টিত ঈশ্বৰৰ প্ৰয়োজন আছেনে?' শীৰ্ষক গ্ৰন্থত। ইয়াৰ পাছত লিখি উলিয়ালো বিজ্ঞান ভিত্তিক গ্ৰন্থ 'জীৱন কি? জীৱন কিয়?' নামৰ গ্ৰন্থখন। ইয়াতে দিয়া হ'ল বিজ্ঞানৰ মতে জীৱনৰ সংজ্ঞা, যি সংজ্ঞা মই বৰ্তমানলৈকে বিশ্বাস কৰো। পৃথিৱীত জীৱৰ বৈচিত্ৰ্য, বিভিন্ন পৰিৱেশ, জীৱন চলাই নিয়াৰ বাবে লগা জীৱন সংগ্ৰাম ইত্যাদি বিভিন্ন কাৰকৰ বাবে জীৱনৰ বৈজ্ঞানিক সংজ্ঞা অৱশ্যে এটা বাক্যতে দিব নোৱাৰি। কৈ থ'ব পাৰি যে যিকোনো সংজ্ঞা যিমানেই সৰল আৰু সহজবোধ্য হয়, সিমানেই সংজ্ঞাটো জনপ্ৰিয় হয়। পিছে জীৱনৰ সংজ্ঞা বিজ্ঞানৰ আধাৰত সৰলো নহয় আৰু চমুও নহয়, সেইবাবে সৰ্বসাধাৰণে তেনে সংজ্ঞা জনপ্ৰিয় বুলি নাভাবে। বিজ্ঞানে জীৱনৰ সংজ্ঞাত তিনিটা দিশ সামৰে-জীৱ বৈজ্ঞানিক, পদাৰ্থ বিজ্ঞান আধাৰিত বা ভৌতিক আৰু ৰাসায়নিক বা বেছি শুদ্ধকৈ ক'বলৈ গ'লে বিদ্যুৎ ৰাসায়নিক। জীৱ বিজ্ঞানৰ আধাৰত ক'বলৈ হ'লে 'জীৱনে দুটা দৰকাৰী চৰ্ত পালন কৰিব লাগিব। প্ৰথমটো হৈছে সিবিলাক প্ৰক্ৰিয়াক লৈ জীৱন গঠিত হৈছে সেইবোৰ প্ৰক্ৰিয়া সচলভাৱে স্থায়ী হৈ থকাকৈ জীৱনে কাম কৰি যাব লাগিব, দ্বিতীয়তে পূৰ্বৰ সচল ব্যৱস্থাটোৰ পৰাই নতুনকৈ জীৱনৰ সৃষ্টি আৰু বিকাশ হৈ থাকিব লাগিব। জীৱ দেহৰ প্ৰক্ৰিয়াবোৰ চলি থকা আৰু নিজৰ সদৃশ নতুন প্ৰজন্ম সৃষ্টি তথা বিকাশ হৈ থকাই হৈছে জীৱন।

জীৱনৰ ৰাসায়নিক ভিত্তি মতে (১) জীৱন হৈছে কিছুমান ৰাসায়নিক বা বিদ্যুৎ ৰাসায়নিক বিক্ৰিয়াৰ সমষ্টি, (২) জীৱনৰ বিক্ৰিয়াবোৰ একমুখী বাবে এইবোৰ সাম্য অৱস্থালৈ নাহে। সাম্য অৱস্থাৰ অৰ্থ হৈছে জীৱনৰ অন্ত। জীৱনৰ ভৌতিক সংজ্ঞা বিচাৰিলে ক'ব লাগিব যে প্ৰকৃতিয়ে স্বতঃস্ফূৰ্তভাৱে শৃংখল ভংগ কৰাৰ বিপৰীতে জীৱনে নিজে নিজে শৃংখলিত হ'ব খোজে, অৰ্থাৎ জীৱনে সদায় প্ৰকৃতিৰ বিৰোধিতা কৰে। কিছুমান বিশেষ অণু-পৰমাণু বিশেষ সজ্জাত মিলিত হৈ জীৱনৰ সৃষ্টি কৰে, এই বিশেষ সজ্জাবোৰে অধিক শৃংখলাৰ জন্ম দিয়ে।

বিজ্ঞানে আগবঢ়োৱা জীৱনৰ সংজ্ঞা সূক্ষ্মভাৱে অনুধাৱন কৰো আৰু সেই সংজ্ঞাই যথাৰ্থ বুলি ভাবো। এইবোৰ সংজ্ঞাই দেখুৱায় যে জীৱন কোনো বিশেষ উদ্দেশ্য লৈ সৃষ্টি হোৱা নাছিল; বিশেষ কিছুমান পৰিঘটনাৰ যোগেদি কাকতালীয়ভাৱে 'জীৱন'ৰ সৃষ্টি হ'ল আৰু প্ৰাকৃতিক পৰিৱেশে সময় বাগৰাৰ লগে লগে জৈৱ বৈচিত্ৰ্যৰ সৃষ্টি কৰিলে। অলেখ জীৱৰ মাজতে বিশেষ পৰিৱেশৰ প্ৰভাৱত এসময়ত মানুহৰ দৰে উন্নত জীৱৰ উদ্ভৱ হ'ল যি বিশেষ ধৰণে চিন্তা কৰিব পাৰে। বিশ্বব্ৰহ্মাণ্ডৰ বিশালতা অতি বেছি; ইয়াৰ ভিতৰত পৃথিৱী, জীৱ, মানুহ আদিৰ কোনো বিশেষ গুৰুত্ব নাই। ক্ৰমবিকাশৰ যোগেদি মানুহৰ হয়তো আৰু বহুত ধনাত্মক বা ঋণাত্মক পৰিৱৰ্তন ঘটিব, পিছে সেই পৰিৱৰ্তনবোৰে বিশ্বব্ৰহ্মাণ্ডৰ পৰিক্ৰমাত সামান্যতম প্ৰভাৱো নেপেলায়। বিশ্বব্ৰহ্মাণ্ডত অকলশৰীয়া মানুহ বা আন জীৱৰ সৃষ্টি বা ধ্বংসৰ ঘটনা সামগ্ৰিকভাৱে প্ৰভাৱহীন। 'জীৱন'ৰ এই অসাৰতাক অৱশ্যে মানুহে নিজেই গুৰুত্বপূৰ্ণ কৰি পেলাব পাৰে। জীৱনৰ সংজ্ঞাৰ এটা গুৰুত্বপূৰ্ণ কথা এয়ে যে পাৰস্পৰিক সহযোগিতা অবিহনে মানৱ প্ৰজাতি ধ্বংসৰ মুখলৈ গতি কৰিব পাৰে।

**বিজ্ঞানে আগবঢ়োৱা জীৱনৰ সংজ্ঞা সূক্ষ্মভাৱে অনুধাৱন কৰো আৰু সেই সংজ্ঞাই যথাৰ্থ বুলি ভাবো। এইবোৰ সংজ্ঞাই দেখুৱায় যে জীৱন কোনো বিশেষ উদ্দেশ্য লৈ সৃষ্টি হোৱা নাছিল; বিশেষ কিছুমান পৰিঘটনাৰ যোগেদি কাকতালীয়ভাৱে 'জীৱন'ৰ সৃষ্টি হ'ল আৰু প্ৰাকৃতিক পৰিৱেশে সময় বাজৰাৰ লগে লগে জৈৱ বৈচিত্ৰ্যৰ সৃষ্টি কৰিলে। অলেখ জীৱৰ মাজতে বিশেষ পৰিৱেশৰ প্ৰভাৱত এসময়ত মানুহৰ দৰে উন্নত জীৱৰ উদ্ভৱ হ'ল যি বিশেষ ধৰণে চিন্তা কৰিব পাৰে। বিশ্ব ব্ৰহ্মাণ্ডৰ বিশালতা অতি বেছি; ইয়াৰ ভিতৰত পৃথিৱী, জীৱ, মানুহ আদিৰ কোনো বিশেষ গুৰুত্ব নাই।**

**আপুনি প্ৰভাৱান্বিত হোৱা ব্যক্তি, গ্ৰন্থ আৰু তত্ত্ব কোনটো?**

মোৰ জীৱনক প্ৰভাৱান্বিত কৰা ব্যক্তিৰ সংখ্যাও কম নহয়। এই ক্ষেত্ৰত কোনো একক ব্যক্তিক ককেসই মৰ্যাদা দিব নোৱাৰি। নক'লেও হ'ব যে কিছুমান ব্যক্তিৰ প্ৰভাৱে যেনেকৈ জীৱনক মহিমামণ্ডিত কৰিব পাৰে, আন কিছুমান মুষ্টিমেয় ব্যক্তিয়ে জীৱনক কলুষিতো কৰিব পাৰে। পাছৰবিধ ব্যক্তিৰ সান্নিধ্যলৈ মাজে মাজে আহিছো যদিও জীৱনৰ লক্ষ্য স্থিৰ হৈ থকাৰ বাবে তেনে ব্যক্তিক চিনাক্ত কৰি সাৱধানে ত্যাগ কৰিছো। ইয়াৰ বিপৰীতে জীৱনৰ সেন্দূৰীয়া আলিত আগবাঢ়ি যোৱাত সহায় কৰা ভালেমান ব্যক্তিয়ে জীৱনৰ বিভিন্ন স্তৰত ধনাত্মক প্ৰভাৱ পেলাইছে। স্থান-কাল-পৰিৱেশৰ ভিন্নতাই সেইসকলৰ মাজত অৰিহণাৰ তুলনা মোৰ বাবে অৰ্থহীন। সৰুকালতে প্ৰভাৱান্বিত কৰা ব্যক্তি গৰাকী হৈছে মোৰ মা বীণা ভূঞা। উপাৰ্জনৰ কোনো বাট নথকা অৱস্থাত সাতোটা এমা-ডিমা ল'ৰা-ছোৱালীক এৰি থৈ পিতৃ স্বৰ্গগামী হ'লে মাতৃৰ কেনে দুৰৱস্থা হয়, সেয়া আমি নিজেও অনুভৱ কৰিব নোৱাৰো পৰৱৰ্তী কালত। আনুষ্ঠানিক শিক্ষা নথকা মায়ে কেনেকৈ আটাইকেইটাকে মানুহ কৰি তুলিলে সেয়া ভাবিলে সাধুকথা যেন লাগে। মাতৃৰ কষ্ট-সহিষ্ণুতাই বোধহয় আটাইকেইটা ল'ৰা-ছোৱালীকে বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল, সেয়েহে আমাৰ সফলতাত নিজা অৰিহণাও আছিল।

শিক্ষা গ্ৰহণৰ কালত কে'বাগৰাকী নমস্য শিক্ষকে প্ৰভাৱ পেলাইছিল। কলেজ-বিশ্ববিদ্যালয়ৰ কালৰ অৰুণ বৰ্মন ছাৰ, শৈবাল কান্তি ভট্টাচাৰ্য ছাৰ আদিৰ নাম উল্লেখনীয় যিসকলৰ শিক্ষা প্ৰদানৰ পদ্ধতি পৰৱৰ্তী কালত মই অনুসৰণ কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ বাবে সকলোতকৈ স্মৰণীয় শিক্ষক হ'ল মোৰ গৱেষণাৰ প্ৰদৰ্শক নৰেন্দ্ৰ নাথ দাস ছাৰ। এওঁৰ গৱেষক ছাত্ৰৰ প্ৰতি ব্যৱহাৰ, সহায় কৰাৰ প্ৰৱণতা আদি সঁচাকৈয়ে আদৰ্শ স্থানীয়। দুৰ্ভাগ্যবশতঃ মোৰ অতি স্মৰণীয় ছাৰজনৰ লগত পৰৱৰ্তী কালত সংযোগ হেৰাই গ'ল, যাৰ বাবে দোষীময়েই।

জীৱনত বিভিন্ন লেখা আৰু সেইবোৰ লিখা লেখকসকলে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। এই প্ৰভাৱ সাধাৰণতে মানসিক তৃপ্তি লাভৰ, সকলোৰে ক্ষেত্ৰত আদৰ্শ গ্ৰহণ, অনুসৰণ আদিৰ সম্বন্ধ নাথাকিবও পাৰে। গ্ৰন্থ আৰু লেখকৰ ক্ষেত্ৰতো সময় বাগৰাৰ লগে লগে ৰুচিও সলনি হ'বলৈ ধৰিলে। পঢ়িব পৰা হোৱাৰ পাছত মহাভাৰত, ৰামায়ণৰ লগতে শাস্ত্ৰ পাঠ শুনিছিলো, কেতিয়াবা লুকাই-চুৰিকৈও শুনিব লগা হৈছিল, কাৰণ বয়সীয়াসকলৰ ধাৰণা সৰুতেই বেছিকৈ শাস্ত্ৰ শুনিলে পাছত ধ্ৰুৱ, প্ৰহ্লাদৰ দৰে ঈশ্বৰ ভক্ত হৈ সংসাৰ ত্যাগিব। অৱশ্যে তেওঁলোকে হয়তো নাজানিছিল যে এই দুজন বিষ্ণুভক্তই সংসাৰ ত্যাগ নকৰি ৰজাহে হৈছিল। শাস্ত্ৰ আৰু সাধুকথাৰ কিতাপৰ তালিকাখন যথেষ্ট দীঘল—ককথা মহাভাৰত, বুঢ়ী আইৰ সাধু, গ্ৰীচ দেশৰ সাধু, চিন্দাবাদ নাবিক, আৰব্য ৰজনী, লাটুমণি ধৰণৰ সাধু কিতাপ এসময়ত গোগ্ৰাসে গিলিছিলো। এইবোৰ গ্ৰন্থৰ লেখকসকলক লৈ অৱশ্যে বিশেষ মূৰৰ বিষ নাছিল। তাৰ পাছত আহিল প্ৰেমনাৰায়ণ দত্তৰ 'পা-ফু' চিৰিজ আৰু 'ৰহস্য চিৰিজ'ৰ কিতাপৰ ওপৰত আক্ৰমণ। বিভিন্ন উৎসৰ পৰা এইবোৰ সংগ্ৰহ কৰি তাত নিবিষ্ট হৈছিলো। পাফুৰ একৈশখন আৰু ৰহস্য চিৰিজৰ আঠখন গ্ৰন্থৰ লগতে প্ৰেমনাৰায়ণৰ আনবোৰ গ্ৰন্থও পঢ়িছিলো। ডিটেক্টিভ উপন্যাসৰ ক্ষেত্ৰত বাংলাৰ 'মোহন' চিৰিজ আৰু আন বহুতো লেখকৰ গ্ৰন্থ পঢ়িবলৈ ল'লো। এটা সময়ত আৰম্ভ হ'ল ইংৰাজী ডিটেক্টিভ আৰু থ্ৰিলাৰ উপন্যাস পঢ়াৰ-আৰ্থাৰ কনান ডয়েল, আৰ্ল ষ্টেনলি গাৰ্ডনাৰ, ৰবাৰ্ট লুছহুম, এলিষ্টিয়াৰ মেকলিন, জেমচ্ হেডলি চেজ, আৰ্থাৰ হেইলি আদি এগালমান লেখকৰ থ্ৰিলাৰ ধৰ্মী উপন্যাসে মন আচ্ছন্ন কৰি ৰাখিছিল। কনাল ডয়েলৰ চাৰ্লক হোমচৰ কাহিনী, বিশেষকৈ 'লষ্ট ৱৰ্লডচ'খনে একালত বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল বুলিব পাৰি। স্কুলীয়া কালৰ শেষ ভাগৰ পৰা কলেজ, বিশ্ববিদ্যালয়ৰ কাললৈকে অসমীয়া গল্প-উপন্যাস আৰু আন ধৰণৰ কিতাপে বিশেষভাৱে আকৰ্ষণ কৰিছিল। স্বনামধন্য লেখকসকল ড° ভৱেন্দ্ৰ নাথ শইকীয়া, চৈয়দ আব্দুল মালিক, ড° লক্ষ্মীনন্দন বৰা, কনকসেন ডেকা, সৌৰভ কুমাৰ চলিহা আদিৰ নামবিশিষ্ট তালিকাখন দীঘলীয়া কৰি নি থাকিব পাৰি। এইসকলৰ ভিতৰত প্ৰথমজনে মোৰ লেখাৰো বিশেষভাৱে প্ৰভাৱ পেলাইছিল বুলিব পাৰি। কিছুমান গ্ৰন্থই এসময়ত অত্যধিক প্ৰভাৱ পেলোৱাৰ বিপৰীতে পাছত ইয়াৰ আকৰ্ষণ কমি যায়। যেনে কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা'ক এসময়ত সৰ্বাধিক মনোৰঞ্জনকাৰী গ্ৰন্থ বুলি ভাবিলেও এমাহমানৰ আগতে কিতাপখন পুনৰ পঢ়োতে পূৰ্বৰ ৰস নাপালো। বাংলা ভাষাৰ গ্ৰন্থৰ প্ৰতি দুৰ্বলতা সৰুৰে পৰাই সৃষ্টি হৈছিল। বৰ্তমান মই হিন্দু শাস্ত্ৰবোৰ পঢ়ি তাৰ লৌকিকতা অলৌকিকতাৰ বিচাৰ কৰি ভাল পোৱা হৈছো। বৃহৎ সংখ্যক হিন্দুশাস্ত্ৰ ৫০/৬০ বছৰৰ আগতেই বাংলা ভাষালৈ অনূদিত হৈছিল। সেই শাস্ত্ৰৰ ভাণ্ডাৰ অধ্যয়নে মোৰ জ্ঞানপুষ্ট কৰিছে বুলি ভাবো। শাস্ত্ৰ ব্যাখ্যাৰ ক্ষেত্ৰত নৃসিংহ প্ৰসাদ ভাদুড়ি অনন্য। তেওঁ বৰ্তমান মোৰ অতি প্ৰিয় লেখক। বাংলা উপন্যাস গো-গ্ৰাসে গিলাৰ সময়ত আশাপূৰ্ণা দেৱী, বিমল মিত্ৰ আদি আছিল প্ৰভাৱ পেলাব পৰা লেখক মোৰ বাবে। সেইদৰে বহিৰ্জগতৰ বুদ্ধিমান প্ৰাণী তত্ত্ব আগবঢ়োৱা জাৰ্মান লেখক এৰিক ফন ফালিকেনৰ গ্ৰন্থবোৰ, লগতে তত্ত্বটোৰ প্ৰতি বৰকৈ আকৰ্ষিত হৈছিলো। বৰ্তমান কঅৱশ্যে আকৰ্ষণ কমিল তত্ত্বটোত থকা কল্পনাৰ আতিশয্যৰ বাবে।

জীৱনত মই পঢ়া গ্ৰন্থৰ সংখ্যা তেনেই কম নহয়। হিন্দী ভাষাতো কম সংখ্যা গ্ৰন্থ পঢ়িছো। বিষয়বস্তুৰ ৰুচি সলনি হৈছে, সেইদৰে প্ৰভাৱান্বিত কৰা লেখকৰ সংখ্যাও কম নহয়। লিখনি, গীত আদিৰে মহিমামণ্ডিত হৈ থকা ড° ভূপেন হাজৰিকাও মোৰ বাবে প্ৰভাৱ পেলাব পৰা ব্যক্তি।

ব্যক্তিৰ লগতে প্ৰভাৱ পেলাব পৰা তত্ত্বৰ সংখ্যাও একাধিক। 'মানুহ মানুহৰ বাবে', 'প্ৰকৃতিৰ লগত সহাৱস্থান' ধৰণৰ সাধাৰণ ভাৱধাৰাৰ লগতে বিজ্ঞান আধাৰিত বিশেষ তত্ত্বও আছে। বহিৰ্জগতৰ বুদ্ধিমান প্ৰাণীৰ ফালিকেনৰ তত্ত্বক প্ৰথমে অভিনৱ বুলি ভাবি পাছত ত্যাগ কৰাৰ কথা আগতে কোৱা হৈছে। চাৰ্লচ ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্ব আৰু আইনষ্টাইনৰ আপেক্ষিকতাবাদ হৈছে মনক আন্দোলিত কৰিব পৰা দুটি তত্ত্ব।

প্ৰাচীন শাস্ত্ৰৰ অধ্যয়নৰ লগত বহু কাল জড়িত হৈ থকাৰ বাবে এই শাস্ত্ৰত থকা মানৱতাবাদ, অহিংসা পৰম ধৰ্ম, মানুহৰ ভাল আৰু বেয়া গুণ দুয়োটা থাকেই ধৰণৰ ধাৰণাবোৰ প্ৰমাণিত তত্ত্বৰ ৰূপত নহ'লেও বিশ্বাসৰ ৰূপত মোৰ বাবে প্ৰিয়, এইবোৰে নিশ্চিতভাৱে জীৱনক প্ৰভাৱিত কৰে।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# দ° অমিয়া মহন্তৰ 'বৰপেইতা শব্দকোষ'

## অসমীয়া অভিধান চৰ্চালৈ এক বৃহৎ অৱদান

## 'বৰপে'ইতা'ৰ পাতে পাতে সৰল বানানৰ জয়জয়কাৰ!

# অসমীয়া জাতীয় অভিধানত অন্তৰ্ভুক্ত হ'ব প্ৰতিটো 'বৰপে'ইতা' শব্দ

## দ° দেৱব্ৰত শৰ্মা

জনপ্ৰিয় **(দৈনিক) অগ্ৰদূত কাকতে** ইয়াৰ ৰামধেনুবুলীয়া সোনালী জয়ন্তী উদযাপন কৰি থকা সময়তে আমাৰ হাতত পৰিছেহি এক আপুৰুগীয়া উপহাৰঃ দ° অমিয়া মহন্তৰ সবল সম্পাদনাত (সহযোগী-ঊষা দাস, দ° কৰবী মহন্ত) প্ৰকাশ পোৱা **'বৰপে'ইতা শব্দকোষ'**। যদিও এইখন ২০১৪ চনতেই প্ৰথম প্ৰকাশ পাইছিল, আমাৰেই দুৰ্ভাগ্য, আমি আঠ বছৰৰ পাচতহে এইখন পাব পাৰিলোঁ। শ্ৰীযুত বিপ্লৱ মহন্ত আৰু দ° বিৰিঞ্চি কুমাৰ দাসে শব্দকোষখনৰ দুটাকৈ কপি পঠাই আমাক ধৰুৱা কৰিলে।

**অসমীয়া জাতীয় অভিধানে** আৰম্ভনিৰে পৰাই কামৰূপী, গোৱালপৰীয়া, দৰঙীকে ধৰি অসমীয়া ভাষাৰ সকলো উপভাষাৰ শব্দৰাজি অন্তৰ্ভুক্ত কৰি আহিছে। সেয়েহে দ° অমিয়া মহন্তৰ শব্দকোষখনত অন্তৰ্ভুক্ত প্ৰায় ৬,০০০ বৰপে'ইতা কামৰূপী শব্দও আমাৰ পৰম আগ্ৰহৰ বিষয়। স্বীকাৰ কৰিবই লাগিব যে কম সময়ৰ ভিতৰত এই অসাধাৰণ কামটো কৰি দ° মহন্ত আৰু তেখেতৰ সহযোগী সকলে কেৱল বৰপে'ইতা-কামৰূপীকে নহয়, অসমীয়া ভাষাকেই সুসমৃদ্ধ কৰিছে। কিন্তু আমি অবাক বিস্ময়েৰে লক্ষ্য কৰিছোঁ যে এই অসাধাৰণ গুৰুত্বপূৰ্ণ কামটোৱে অসম সাহিত্য সভাৰ মজিয়াত যথোচিত গুৰুত্ব নাপালে।

বি.এইচ.বি. মহাবিদ্যালয়ৰ প্ৰাঃউপাধ্যক্ষা তথা অসমীয়া বিভাগৰ মুৰব্বি বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাঃ সভানেত্ৰী দ° মহন্তৰ কথাত ঃ

"বৰপেটা জিলা সাহিত্য সভাই এনে প্ৰচেষ্টা প্ৰয়াত কৰুণা দত্ত (প্ৰাক্তন সম্পাদক)ৰ দিনতে চলাইছিল। তাৰ পাছতো দুবাৰ এনে প্ৰচেষ্টা লৈ বাতৰিকাকতযোগে শব্দ প্ৰেৰণৰ আহ্বান জনাইছিল। কিন্তু সঁহাৰিৰ অভাৱতে সেই কাম হৈ নুঠিল। অৱশেষত ২০১২ চনৰ ১৩ মাৰ্চ তাৰিখে বৰপেটা প্ৰেছ ক্লাব ভৱনত বহা সভাই সেই বছৰ বৰপেটাৰোডত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত প্ৰকাশ কৰিব পৰাকৈ শব্দকোষ প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি এখন সমিতি গঠন কৰে আৰু মোক সম্পাদকৰ দায়িত্ব দিয়ে।"....


..."**তেনেকৈয়ে আমি শব্দকোষ প্ৰস্তুত কৰিলোঁ। কিন্তু বৰপেটাৰোড অধিৱেশনৰ সময়ত ধনৰ অভাৱত এইখন প্ৰস্তুত নহৈ ছপাশালৰ পৰা উভতি আহিল। জিলা সাহিত্য সভাৰো ধনৰ অভাৱ। সেয়ে ২০১৩ চনৰ ২৭ ডিচেম্বৰত গ্ৰন্থখন প্ৰকাশৰ প্ৰস্তাৱ লৈ পুনৰ অসম সাহিত্য সভাৰ ওচৰ চাপি শব্দকোষ জমা দিয়া হৈছিল। কিন্তু এবছৰে তেওঁলোকৰ পৰাও ধনৰ অভাৱৰ বাহিৰে একো ইতিবাচক উত্তৰ নাপালোঁ।** অৱশেষত শ্ৰমখিনিক অথলে যাবলৈ নিদি নিজা প্ৰচেষ্টাৰে ছপা কৰাৰ সিদ্ধান্ত ল'লো।"

সম্পাদক গৰাকীয়ে নিজেই কৈছে, এইখন অভিধান নহয়, শব্দকোষহে। কিন্তু তাতোকৈ তাৎপৰ্যপূৰ্ণ কথা এই শব্দকোষখন সম্পূৰ্ণৰূপে উচ্চাৰণভিত্তিক। তাকে কৰিবলৈ গৈ সম্পাদক গৰাকীয়ে অসমীয়া অভিধান চৰ্চাৰ ইতিহাসত এক বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰিছে। আমিও **অসমীয়া জাতীয় অভিধানৰ** সুবৃহৎ চাৰিটা খণ্ডত ২,০০,০০০ শব্দ অন্তৰ্ভুক্ত কৰোঁতে প্ৰতিটো প্ৰৱিষ্টি শব্দৰ পাচফালে বন্ধনীৰ ভিতৰত প্ৰস্তাৱিত সৰল বানান ব্যৱহাৰ কৰিছোঁ। কিন্তু আমি মূল প্ৰৱিষ্টি শব্দত প্ৰচলিত বানানেই ব্যৱহাৰ কৰিছোঁ। সেইফালৰ পৰা দ° অমিয়া মহন্তৰ **'বৰপে'ইতা শব্দকোষ** আমাতকৈও বেছি বৈপ্লৱিক। কাৰণ ই আগৰ পৰা গুৰিলৈকে উচ্চাৰণভিত্তিক কৰিবলৈ গৈ সম্পূৰ্ণ সৰল বানান ব্যৱহাৰ কৰিছে। অৰ্থাৎ ইয়াত ঈ, ঊ, ছ, ঋ, ট, ঠ, ড, ঢ, ণ, শ, ষ আদিৰে আৰম্ভ হোৱা কোনো প্ৰৱিষ্টি শব্দ নায়েই। প্ৰৱিষ্টি শব্দটোৰ প্ৰথম আখৰটোৱেই কেৱল নহয়, পাচতো ঘাইকৈ সৰল বানানহে ব্যৱহাৰ কৰা হৈছে। সেয়েহে প্ৰৱিষ্টি শব্দতে উচ্চাৰণভিত্তিক সৰল বানানহে ব্যৱহাৰ কৰা এইখন অসমৰ প্ৰথম শব্দকোষ। দ° অমিয়া মহন্ত আৰু তেখেতৰ সহকৰ্মীসকলে আমাৰ আন্তৰিক অভিনন্দন গ্ৰহণ কৰক! আপোনালোকে আমাৰ কাম বহু সহজ-সুগম কৰি দিলে!

ইয়াত নমুনা মাত্ৰ দিছোঁ।

এইবাৰ শব্দকোষখনৰ শব্দসম্ভাৰত চকু ফুৰাও আহক!

১য অকলিকাদায অকালিকান্দা (বিঃ)— পৰ্যাপ্তকৈ খোৱা; ওকালি অহাকৈ খোৱা। ২য অ'চিনা (বিঃ) — পানীপোতা।৩য অজঙ্গল (বিঃ)— কাৰো বুজনি মানিব নোখোজা।৪য অজ্জুন'ৰ্ঘাই (বিঃ)— সকলো দোষৰ মূল। ৫য অনচুপি (বিঃ)— আগে-পিচে; এই বছৰৰ আগৰ যিকোনো এটা বছৰ।৬য অব্লাঅ'তি (বিঃ)— যথেষ্ট।৭য অবিল্‌বিলা (বিঃ)— অপৰ্যাপ্ত।৮য অভঙ্‌ভাত্‌ৰা (বিঃ)— নিজৰ মতত অটল থকা লোক।৯য অৰ্‌হন (অব্যঃ)— ওৰণি।১০য অহিন্‌কনা (বিঃ)— ভিতৰুৱা ঠাই।১১য আঁঅপাইকাযআঁঅপেইকা (ণিঃ)— কম পাক থকা ৰঙী বা জৰী।১২য আইতা (বিঃ)— খেতিপথাৰ বা বাৰীৰ সীমাত দিয়া মাটিৰ ঢিপ্‌।১৩য আইদেইৰা বিণঃ)— যাৰ পৰা সহায় বা লাভ হয় (যেনে ঃ আইদেইৰা কামলা)।১৪য



আইনা (বিঃ)— ছোৱালীক মৰমেৰে কৰা সম্বোধন।১৫য আইল' (ধাঃ)— ছেদেলি-ভেদেলি কৰ।১৬য আউফা (বিণঃ)— মূল্যহীন; উপৰুৱা।১৭য আকা উকা (বিঃ)— বুজি নোপোৱা।১৮য আখা লাগ্‌ (ধাঃ)— খোৱাৰ সময়ত পৰা আনৰ কুদৃষ্টি।১৯য আগিল (বিঃ)— আগতীয়াকৈ। ২১য আঙ্‌ৰণি (বিঃ)— খণ্ডত মুখেৰে মৰা চিঞৰ।২২য আচ্‌কাই (ক্ৰিঃ বিণঃ)— অনুমানত।২৩য আচাঙ্‌-ইচিঙ্‌ (বিঃ)— অসহজ; উগুল-থুগুল।২৪য আজাল্‌ বিজাল্‌ (বিঃ)— পেঘেনিয়াই থকা।২৫য আদো (বিঃ)— মৰমেৰে কৰা সম্বোধন।২৬য আধা পুইতা (বিঃ)— আধা সিজা (ভাত)।২৭য আধা লেল্‌লেইৰা (বিঃ)— আধাতে কাম সামৰা কাৰ্য।২৮য আপ্‌ৰহ্‌ (বিঃ)— গাৰ বিষ বা পোৰণি।২৯য আভজেনিযআভনি (বিঃ)— অপচয়।৩০য আম্‌দেদ্‌ৰা (বিঃ)— আমৰ আঠা লাগি হোৱা ঘাঁ। ৩১য আৰকাল্‌ (বিঃ)— হুলস্থুল। ৩২য আলা (বিঃ)— ঘৃণা; অগুচি ভাব।৩৩য আলি কৰ্‌ (ধাঃ)— বিশৃংখল কৰ্‌। ৩৪য আলে জাব্‌ৰা (বিঃ)— একো নজনা।৩৫য ইচতা (বিঃ)— এইটো, এই কাম।৩৬য উক্‌দাৰা (বিঃ)— উৎপাত।৩৭য উচ্‌না (বিঃ)— চুৱাপাতনি।৩৮য উজ্‌কাৰ দি (ধাঃ)— কাৰোবাক কৰা উপকাৰ সময়ত সোঁৱৰাই দে।৩৯য উজ্‌ৰ'যউজ্‌ৰে দি (ধাঃ)— ভয় খুৱাই খেদি দে।৪০য উদেতাৰা (বিঃ)— সময়মতে উপস্থিত হোৱা তিৰোতা।৪১য উধুল নুধুলকে থাক্‌ (খঃবাঃ)— কাম বন নকৰি ঘূৰি ফুৰ্‌।৪২য উনিত দুনি ভৰা (খঃ বাঃ)— খৰচ কৰিব নলগা ঠাইত খৰচ কৰা।৪৩য উপাৰ্‌হাথা (বিণঃ)— নিজেই বেছি জনা ভাব লৈ কোনো কামত আগভাগ লোৱা। ৪৪য এক্‌জলে (বিঃ)— এবেগেত ৪৫য এক্‌জাপুৰ্‌ (বিণঃ)— এজাক (বৰষুণ)।৪৬য ঐৰচ্‌ নহ (খঃ বাঃ)— চম্ভালোঁতা নথকা। ৪৭য ক'ইআ (বিঃ)— আমৰ গুটি।৪৮য ক'ইথা (বিঃ)— বাঁহৰ দৈৰে তৈয়াৰ কৰা বেৰ। ৪৯য ক'চু (বিঃ)— ইচ্ছা; ধাউ।৫০য কথ'ইলা (বিঃ)— বাঁহৰ চুঙাত তৈয়াৰ কৰা দৈ।৫১য কদ্‌দেসেইৰা (বিঃ)— কৰ্দৈৰ দৰে সিৰ থকা।৫২য কাইতাল্‌ দম্‌হি (বিঃ)— কাতি বিহু। ৫৩য কাইন্‌ধা কুচ্‌লা (বিঃ)— ওচৰ-চুবুৰীয়া।৫৪য কান্‌জাক্‌দি (বিঃ)— পেটত কাণ দি কৰা চিকিৎসা পদ্ধতি। ৫৫য কাপুৰ্‌ দিয়া (বিঃ)— জেউৰা; গৰ্ভৱতী নাৰীক পঞ্চামৃত খুওৱা অনুষ্ঠান।৫৬য কাল্‌ধুমা (বিঃ)— এবিধ কাল্পনিক ভূত। ৫৭য কাল্‌লাযকাল্‌লি (বিঃ)— গৰুৰ পোৱালি।৫৮য কিৰাধাৰি (বিঃ) — যিজনে মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া কৰে। ৫৯য কুআঙ্‌ (বিঃ)— অতি কৃপণ লোক। ৬০য কুথা (বিণঃ)— দোষমুক্ত।৬১য কুমিত্তাযকুমুইত্তা (বিণঃ)— কুন্ধচ; দেখিবলৈ আপচু।৬২য কুলুঙা (বিঃ)—পইতাচোৰা। ৬৩য কেজাঙ্‌ (বিঃ)— কাজিয়া।৬৪য খখ'উৰা (বিঃ)— চাউলটো পূৰ্ণ হ'বলৈ নোপোৱা ধান।৬৫য খলিত্‌ নাজ (বিঃ)— খণ্ডন নোযোৱা। ৬৬য খাইমল্‌ (বিঃ)— খকুৱা লোক।৬৭য খাগ্‌ (বিঃ)— গড়ৰ খড়গ। ৬৮য খালি (বিঃ)— শ্ৰাদ্ধ আদিত দিয়া কলৰ পটুৱাৰ সৈতে চাউল, প্ৰসাদ আদি।৬৯য খিচা গিদ (বিঃ)— জোৱা নাম। ৭০য খেতা (বিঃ)— ফটা-চিতা কাপোৰ।৭১য খেদেলি (বিণঃ)— লেতেৰা তিৰোতা।৭২য খেপাত্‌ পাৰা (ধাঃ)— সুবিধামতে পা। ৭৩য গন্‌ (বিঃ)— গোন্ধ; দৌল আদি কোনো উৎসৱৰ আগদিনাৰ অধিবাস।৭৪য গাইনা (বিঃ)— খেৰৰ মুঠা। ৭৫য গাউতা (বিঃ)— এন্দুৰ।৭৬য গাউল্‌লা (বিঃ)— মহিলাই গাত লোৱা চাদৰ।৭৭য গা এন্‌যগাহিন (বিঃ)— উৰালৰ খুন্দনা মাৰি। ৭৮য গাজৰু (বিঃ)— গাজা খোৱা লোক; সাজি কথা কোৱা লোক।৭৯য গাথি খাযগাথি লাগ্‌ (ধাঃ)— চৰ্চৰণি। ৮০য গাৰ্‌হদ্‌ যা (ধাঃ)— ৰক্তস্ৰাৱ। ৮১য গাৰিসুৱাৰ (বিণঃ)— এলেহুৱা।৮২য গুইনাল্‌ (বিঃ)— আমলখি।৮৩য ঘইজ্‌জা (বিঃ)— ঘৰজোঁৱাই; বিয়া কৰাই ছোৱালীৰ ঘৰতে থকা লোক। ৮৪য ঘাউৰা (বিঃ)— খেলি-মেলি; কেনা লগা। ৮৫য ঘাচি লাগ (ধাঃ)— সৰু ল'ৰা-ছোৱালীয়ে কোনো বস্তুৰ বাবে আপত্তি কৰি কান্দি থাক। ৮৬য ঘাদ্‌দনা (বিঃ)— কান্ধ। ৮৭য ঘুইতা (বিণঃ)— চতুৰ। ৮৮য ঘুমে গাইৰা (বিণঃ)— এলেহুৱা। ৮৯য ঘেন্‌তেপাযঘেন্‌তেপ্‌ৰা (বিঃ)— নিচেই সৰু। ৯০য ঘেচ্‌ত' (ধাঃ)— ঘঁহ; গা ঘঁহি ফুৰ। ৯১য চ'ইলা (বিণঃ)— ল'ৰামতীয়া।

৯২য চক'মালা (বিঃ)— ধুনপেচ মাৰা মহিলা। ৯৩য চখোমালি (বিঃ)— চখত মৰা। ৯৪য চভতে (ক্ৰিঃ বিণঃ)— যিহেতু। ৯৫য চমি আহযচমিক্‌কে আহ (ধাঃ)— তৎক্ষণাৎ আহ। ৯৬য চাএনা (বিঃ)— পোৱালি। ৯৭য চাকাদুবা (বিঃ)— সন্ধিয়া হোৱা। ৯৮য চাঙ্‌গোলি (বিঃ)— গৰু, ছাগলী ৰাখিবলৈ ওপৰত চাং থকা গোহালি। ৯৯য চাচি বাতাহ (বিঃ)— ধুমুহা। ১০০য চাবেক (বিণঃ)— স্থায়ী। (আগলৈ)

*লেখক অসমীয়া জাতীয় অভিধান তথা জাতীয় ইতিহাসৰ মুখ্য সম্পাদক;*

***ফোন ঃ ৯৪৩৫৩৫১২৫৫***



ভীম ইউপিআই অহাৰ পাছৰে পৰা ইয়াক লেনদেনৰ অন্যতম নিৰাপদ মাধ্যম হিচাপে বাছি লৈছে ভাৰতীয়সকলে। কিন্তু তাৰ মাজতো প্ৰৱঞ্চকসকলে যিহেতুকে অহৰহ নতুন নতুন পন্থা গ্ৰহণ কৰি ডিজিটেল লেনদেনকাৰীক লুটাৰ চেষ্টা চলায়েই আছে গতিকে এনে অৱস্থাত ইউপিআই পেমেণ্ট কৰাৰ সময়ত সাৱধান হোৱাটো অতি প্ৰয়োজনীয়। বহুক্ষেত্ৰত আকৌ ইউপিআই কৰি থাকোতে একাউন্টৰ পৰা টকাখিনি কৰ্তন কৰা হয় কিন্তু ধন পৰিশোধ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈ নাহে।

**একাউণ্টৰ পৰা টকা কৰ্তন কৰাৰ পাছতো লেনদেন সম্পূৰ্ণ নহ'লে অভিযোগ কৰক এইদৰে**

# কিমান সুৰক্ষিত ইউপিআই লেনদেন?

**দেশত** ব্যাপক হাৰত বৃদ্ধি পাইছে ডিজিটেল লেনদেন। বিশেষকৈ কৰ'নাৰ পাছৰে পৰা বেছিভাগ ভাৰতীয়ই কম বেছি পৰিমাণে ডিজিটেল লেনদেনত অভ্যস্ত হৈ পৰিছে। এই পৰিস্থিতিত ইউনাইটেড পেমেণ্ট ইন্টাৰফেচ অৰ্থাৎ ইউপিআইৰ ব্যৱহাৰো ব্যাপকভাৱে বৃদ্ধি পাইছে। মূলতঃ ভীম ইউপিআই প্ৰৱৰ্তনৰ পাছৰে পৰা ইউপিআই পেমেণ্ট কৰা লোকৰ সংখ্যা দ্ৰুত গতিত ওপৰলৈ উঠিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে সদৰী কৰা মতে, ভীম ইউপিআই অহাৰ পাছৰে পৰা ইয়াক লেনদেনৰ অন্যতম নিৰাপদ মাধ্যম হিচাপে বাছি লৈছে ভাৰতীয়সকলে। কিন্তু তাৰ মাজতো প্ৰৱঞ্চকসকলে যিহেতুকে অহৰহ নতুন নতুন পন্থা গ্ৰহণ কৰি ডিজিটেল লেনদেনকাৰীক লুটাৰ চেষ্টা চলায়েই আছে গতিকে এনে অৱস্থাত ইউপিআই পেমেণ্ট কৰাৰ সময়ত সাৱধান হোৱাটো অতি প্ৰয়োজনীয়। বহুক্ষেত্ৰত আকৌ ইউপিআই কৰি থাকোতে একাউন্টৰ পৰা টকাখিনি কৰ্তন কৰা হয় কিন্তু ধন পৰিশোধ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈ নাহে। বেছিভাগ সময়তে প্ৰযুক্তি বা নেটৱৰ্কৰ সমস্যাৰ বাবে এনে পেমেণ্ট বাৰে বাৰে বিফল হ'ব পাৰে। এনে পৰিস্থিতিত পৰিলে কি কৰা উচিত বাৰু গ্ৰাহকজনে? এনপিচিআই নামৰ সংস্থাটো যিয়ে ইউপিআই পেমেণ্টসমূহ পৰিচালনা কৰে, মানুহক সময়ে সময়ে এই বিষয়ে সজাগ কৰি আহিছে আৰু নতুন নতুন আপডেটৰ বিষয়েও তথ্য প্ৰদান কৰি আহিছে। একাউণ্টৰ পৰা টকা কৰ্তন কৰাৰ পাছতো লেনদেন সম্পূৰ্ণ নহ'লে বিশেষকৈ কাক অভিযোগ কৰিব লাগিব আৰু কেতিয়া আপোনাৰ একাউণ্টলৈ ধন উভতি আহিব, এই সকলোবোৰ তথ্য আজিৰ প্ৰতিবেদনত আলোকপাত কৰা হৈছে—

ইউপিআই লেনদেনৰ সময়ত ম'বাইল ফোনটোৰে আপোনাৰ ভাৰ্চুৱেল মানি ৱালেটৰ দৰে কাম কৰে। ফলত কে'বাটাও কথাত বিশেষ ধ্যান দিয়াৰ প্ৰয়োজন আছে। পকেটত থকা মানিবেগটো যিদৰে সুৰক্ষিত কৰা হয়, সেইদৰে ম'বাইল ফোনটোও সুৰক্ষিত কৰিব লাগে বুলি কয় বিত্তীয় পৰামৰ্শদাতাসকলে।

**স্ক্ৰীণ শ্বেয়াৰিঙৰ পৰা সাৱধান হওক**

আজিকালি এনেকুৱা কিছুমান এপ ওলাইছে যিবোৰে অতি সহজে ম'বাইল স্ক্ৰীণ শ্বেয়াৰিং কৰিব পাৰে। সেয়েহে ইউপিআই ব্যৱহাৰ কৰাৰ সময়ত এই কথাটো মনত ৰাখিব লাগে। স্ক্ৰীণ শ্বেয়াৰিং এপসমূহক ইউপিআই এপসমূহত ভুলতো প্ৰৱেশ কৰিবলৈ নিদিব। যদি কেনেবাকৈ এনে কোনো এপক ইউপিআই এপ্লিকেছন একচেছ দিয়া হয় তেন্তে অতি কম সময়ৰ ভিতৰতে ডাটা লিক হ'ব পাৰে। আপোনাৰ পাছৱৰ্ড আৰু অ'টিপিৰ দৰে গুৰুত্বপূৰ্ণ সুৰক্ষা বৈশিষ্ট্যসমূহ সহজে চুৰি কৰিব পাৰে এইধৰণৰ এপে। গতিকে ম'বাইল ফোনত যদি এনে কোনো ধৰণৰ স্ক্ৰীণ শ্বেয়াৰিং এপ থাকে তেন্তে প্ৰথমে বন্ধ কৰি ল'ব লাগিব। তাৰ পাছতহে ইউপিআই এপ খোলা উচিত।

**ইউপিআইআইডি পৰীক্ষা কৰিব লাগিব**

যেতিয়া কোনো ব্যক্তিলৈ ইউপিআইৰ মাধ্যমেদি আপুনি টকা পঠিয়াই, তেতিয়া তেওঁৰ ম'বাইল নম্বৰ বা কিউআৰ কোড স্কেন কৰাৰ সময়ত মবাইলৰ স্ক্ৰীণত তথ্য প্ৰদৰ্শিত হয় নে নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। কিয়নো ভুলবশতঃ যদি অন্য একাউন্টলৈ টকা পঠিযাই দিয়ে তেন্তে সেই ধন ঘূৰাই দিয়া নহয়।

**ইউপিআইক সুৰক্ষিত কৰি ৰখাটো অতি গুৰুত্বপূৰ্ণ**

যদি কোনোবাই আপোনালৈ টকা পঠিয়াব বিচাৰে তেন্তে কেৱল ম'বাইল নম্বৰ বা ইউপিআইৰ তথ্য শ্বেয়াৰ কৰক। আন কোনো তথ্য নিদিব। কেৱল সেয়াই নহয়, ফোন বা ইউপিআই পেমেণ্ট সদায় স্ক্ৰীণ লক পাছৱৰ্ড বা পিনৰ সহায়ত লক কৰি ৰাখিব লাগে। ভুলতেও প্ৰৱঞ্চনা কলক উৎসাহিত নকৰিব। ফোনটো বিভিন্ন সময়ত বিভিন্ন অফাৰৰ স'তে আহে। এই ক্ষেত্ৰত সতৰ্ক আৰু সাৱধান হওক। কোনো লিংক বা তথ্যত ক্লিক নকৰিব।

**এপ আপডেট কৰি থাকিব লাগিব**

যদি আপুনি ডিজিটেল পেমেণ্টৰ বাবে ইউপিআই এপৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰে, তেন্তে আপুনি আপোনাৰ ফোনত ইনষ্টল কৰা ইউপিআই এপটো নিয়মিতভাৱে আপডেট কৰি থাকিব লাগিব। কিয়নো এই এপৰ শেহতীয়া আপডেটসমূহে বিত্তীয় লেনদেনক অধিক সুৰক্ষিত কৰি তুলিব। লগতে মানি ট্ৰেন্সফাৰত কিবা সমস্যা হ'লে তৎক্ষণাত এপ কোম্পানীটোৰ স'তে যোগাযোগ কৰা উচিত।

**একাউণ্টৰ পৰা টকা কৰ্তন কৰাৰ পাছতো লেনদেন সম্পূৰ্ণ নহ'লে কি হ'ব?**

সাধাৰণতে ইউপিআই ব্যৱস্থাত পেমেণ্ট প্ৰত্যাখ্যান কৰাৰ প্ৰায় লগে লগেই ইয়াক পুনৰ গ্ৰাহকৰ একাউণ্টত জমা কৰি দিয়া হয়। কিন্তু কেতিয়াবা কিছু সময় লাগিব পাৰে। যদিহে এঘণ্টাৰ ভিতৰত টকাখিনি একাউণ্টত নোসোমায়, তেন্তে আপুনি আপোনাৰ বেংকৰ স'তে যোগাযোগ কৰিব পাৰে। যদি এমাহৰ ভিতৰতো তেওঁলোকৰ পৰা কোনো সঁহাৰি নাপায় তেন্তে আৰবিআইৰ অম্বাডছমেন স্কিম অৱ ডিজিটেল লেনদেন, ২০১৯ (Ombudsman Scheme of Digital Transactions, 2019)ৰ অধীনত এজাহাৰ দাখিল কৰিব পাৰিব।

**ইউপিআই লেনদেন সংক্ৰান্তীয় অভিযোগ ক'ত কৰিব?**

অন্য ক'ৰবালৈ যোৱাৰ প্ৰয়োজনেই নাই, ইউ পি আই এপৰ জৰিয়তেই আপুনি আপোনাৰ লেনদেন সংক্ৰান্তীয় যিকোনো অভিযোগ দাখিল কৰিব পাৰে। এই এপটোত অভিযোগ দাখিল কৰাৰ পাছত কি ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে সেই বিষয়েও সময়ে সময়ে তথ্য পাই থাকিব আপুনি। যদি লেনদেনত পেণ্ডিং দেখুওৱা হৈছে আৰু কৰ্তনৰ পাছত ৰিফাণ্ড ক্ৰেডিট কৰা হোৱা নাই তেন্তে তাৰ বাবে দুটা বিশেষ দিশলৈ মন কৰক। যদি ৰিপ'ৰ্টত পেমেণ্ট কৰাৰ পাছতো 'Pending' দেখা যায় তেন্তে পেমেণ্টটো সফল হোৱা বুলি বুজিব লাগিব। বেংকৰ বহু সমস্যাৰ বাবে কেতিয়াবা এনেদৰে পেমেণ্ট পেণ্ডিং দেখাব পাৰে। ৪৮ ঘণ্টাৰ ভিতৰতো যদি আপুনি পঠিওৱা ধন যালৈ পঠিয়াইছে তেওঁ লাভ নকৰে বা আপোনাৰ একাউন্টলৈ ঘূৰিও নাহে তেন্তে আপুনি অভিযোগ দাখিল কৰিব লাগিব। এনে কৰিলে বেংকে আপোনাৰ সমস্যা সমাধান কৰাৰ পাছত ইয়াক স্বয়ংক্ৰিয়ভাৱে আপডেট কৰা হ'ব।

## আপোনাৰ একাউণ্টৰ বিষয়ে ইউপিআই প্লেটফৰ্মে কি কি তথ্য পায়?

ইউপিআই পেমেণ্ট ব্যৱস্থাটো এনপিচি আইৰ দ্বাৰা ডিজাইন কৰা হৈছে আৰু আৰবিআইৰ নিয়ম অনুসৰি নিয়ন্ত্ৰিত কৰা হৈছে। ইউপিআই প্লেটফৰ্মৰ যিকোনো তথ্য আপোনাৰ ম'বাইল নম্বৰত উপলব্ধ। কিন্তু ইউপিআয়ে গ্ৰাহকৰ একাউণ্টৰ সকলো তথ্য সংগ্ৰহ কৰিব নোৱাৰে। বেংক আৰু ইউপিআই প্লেটফৰ্মৰ মাজত এই তথ্য বিনিময় সুৰক্ষিত বেংকিং নেটৱৰ্কৰ জৰিয়তে হয়। এনপিচিআইৰ ফালৰ পৰাও কোনো তথ্য সংৰক্ষণ বা ব্যৱহাৰ কৰা নহয়।

# ক্ৰমশঃ নিয়ন্ত্ৰণৰ দিশে মুদ্ৰাস্ফীতি

## পাইকাৰী মূল্যবৃদ্ধিৰ হাৰ হ্ৰাস



**ভাৰতীয়** ৰিজাৰ্ভ বেংক চমুকৈ আৰবিআইৰ দ্বাৰা নিৰ্ধাৰিত সহনসীমাৰ ওপৰত থাকিলেও দেশৰ খুচুৰা বজাৰত মুদ্ৰাস্ফীতিৰ হাৰ যোৱা জুলাইত সামান্য হ্ৰাস পাই ৬.৭১ শতাংশলৈ নামিছে। শেহতীয়াকৈ বজাৰত খাদ্য শস্য আৰু অন্যান্য উৎপাদিত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ হাৰ হ্ৰাস পোৱাৰ ফলত এইবাৰ পাইকাৰী মুদ্ৰাস্ফীতিও ১৩.৯৩ শতাংশলৈ নামিছে। স্বস্তিৰ বিষয়টো এই যে, পাইকাৰী মুদ্ৰাস্ফীতি হাৰ একেৰাহে দুমাহ ধৰি নিম্নগামী হৈছে আৰু জুলাইত এই হাৰ বিগত পাঁচ মাহৰ নিম্নতম হৈছে। স্মৰ্তব্য, যোৱা বছৰৰ এপ্ৰিলৰ পৰা একেৰাহে ১৬ মাহ ধৰি বৃদ্ধি পাই আছিল পাইকাৰী মুদ্ৰাস্ফীতি হাৰ। আৰবিআইৰ নীতি নিৰ্ধাৰকসকল আশাবাদী যে অহা কেইমাহমানৰ ভিতৰত খুচুৰা আৰু পাইকাৰী উভয় বজাৰতে মূল্যবৃদ্ধি ক্ৰমান্বয়ে নিয়ন্ত্ৰণত আহিব। ইফালে, ভাৰতীয় ষ্টেট বেংকৰ অধ্যক্ষ দীনেশ খাৰাৰ মতে, অহা ছেপ্টেম্বৰৰ শেষৰ ফালে এই মুদ্ৰাস্ফীতিৰ বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণলৈ আনিব পৰা যাব। তেওঁ কয়, 'খুচুৰা মূল্যবৃদ্ধি ইতিমধ্যেহ ৬.৭১ শতাংশলৈ নামি আহিছে। যোগান শৃংখলৰ সমস্যা সমাধানৰ বাবেও যৎপৰোনাস্তি চেষ্টা চলাই থকা হৈছে। গতিকে অনাগত দিনত পৰিস্থিতিৰ উন্নতি হ'ব বুলি মই আশাবাদী।' অধ্যক্ষ দীনেশ খাৰাৰ মতে, মূল্যবৃদ্ধিৰ ক্ষেত্ৰত খাৰুৱা তেলৰ মূল্য হৈছে এক গুৰুত্বপূৰ্ণ সূচক যি সম্প্ৰতি ভালেখিনি কমিছে। যদিহে বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাসৰ এই প্ৰক্ৰিয়া একেদৰেই অব্যাহত থাকে তেন্তে সামগ্ৰিকভাৱে মুদ্ৰাস্ফীতি হাৰ আৰু তললৈ নমাব পৰা যাব।

কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত তথ্য অনুসৰি, যোৱা মাহত খাদ্যশস্যৰ মূল্য বৃদ্ধি ১৪.৩৯ শতাংশৰ পৰা ১০.৭৭ শতাংশলৈ হ্ৰাস পাইছে। চাউল, দাইল, মাকৈ, ঘেঁহু আদিৰ মূল্যবৃদ্ধিৰ হাৰ ৫৬.৭৫ শতাংশৰ পৰা ১৮.২৫ শতাংশলৈ হ্ৰাস পাইছে। ইন্ধনৰ ক্ষেত্ৰত অৱশ্যে এই হাৰ ৪০.৩৮ শতাংশৰ পৰা ৪৩.৭৫ শতাংশলৈ বৃদ্ধি পাইছে।

# ভাৰতীয় বজাৰত সৰ্বাধিক বিক্ৰী হোৱা মটৰ চাইকেল

**ভাৰত** হৈছে বিশ্বৰ সৰ্ববৃহৎ দুচকীয়া বাহনৰ বজাৰসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া বজাৰ। হিৰো স্প্লেণ্ডাৰ নামৰ মডেলখন এতিয়া এই বজাৰৰ এক নম্বৰ মটৰ চাইকেল হিচাপে পৰিগণিত হৈছে। আপুনি জানি আচৰিত হ'ব যে হিৰো স্প্লেণ্ডাৰ প্লাছে প্ৰতিমাহে ২-৪ লাখ ইউনিট বিক্ৰী কৰি আছে।



শেহতীয়া এক সমীক্ষাত প্ৰকাশ পোৱা মতে, ভাৰতৰ শীৰ্ষ ১০ খন সৰ্বাধিক বিক্ৰী হোৱা মটৰ চাইকেলৰ ভিতৰত হিৰো স্প্লেণ্ডাৰে শীৰ্ষতম স্থান দখল কৰিছে। যোৱা জুনত মুঠ ২,৭০,৯২৩ ইউনিট বিক্ৰী হৈছে এই মডেলখনৰ। অৰ্থাৎ হিৰো স্প্লেণ্ডাৰৰ বিক্ৰী হাৰ বাঢ়িছে প্ৰায় ২.৬২ শতাংশ। বিপৰীতে, হোণ্ডা চিবি শ্বাইন নামৰ মডেলখন দ্বিতীয় সৰ্বাধিক বিক্ৰী হোৱা মটৰ চাইকেল মডেল হিচাপে পৰিগণিত হৈছে। যোৱা জুনত মুঠ ১,২৫,৯৪৭ ইউনিট বিক্ৰী হয় হোণ্ডা চিবি শ্বাইনৰ।

ইফালে,আলোচ্য সময়ছোৱাত হিৰো এইছএফ ডিলাক্সে ১,১৩,১৫৫ ইউনিট বিক্ৰী কৰি তালিকাৰ তৃতীয় স্থান দখল কৰিছে। একেদৰে বাজাজ পাছাৰে মুঠ ৮৩,৭২৩ ইউনিট, হিৰো গ্লেমাৰে মুঠ ৩০,১০৫ ইউনিট বিক্ৰী কৰি ক্ৰমে চতুৰ্থ আৰু পঞ্চম স্থান লাভ কৰিছে।

ভাৰতত সৰ্বাধিক বিক্ৰী হোৱা মটৰ চাইকেলৰ এই তালিকাত বাজাজ প্লাটিনা ষষ্ঠ স্থানত আছে। এই জনপ্ৰিয় বাজেট মটৰ চাইকেলখনৰ মুঠ ২৭,৭৩২ ইউনিট বিক্ৰী কৰা হৈছে উক্ত সময়ছোৱাত। তাৰ ঠিক পাছতে আছে ৰয়েল এনফিল্ডৰ ক্লাছিক ৩৫০ নামৰ বিলাসী মটৰ চাইকেলখন।

একেদৰে য়ামাহা এফজেড তালিকাৰ অষ্টম স্থানত আছে। যোৱা জুনত মুঠ ১৯,৩০৫ ইউনিট বিক্ৰী হয় এই বাহনখনৰ। তালিকাৰ নৱম আৰু দশম স্থান দখল কৰিছে ক্ৰমে হিৰো পেছন আৰু টিভিএছ আপাচিয়ে।



দামী গহনাৰ লগতে অন্যান্য বিভিন্ন মূল্যৱান সামগ্ৰী কেতিয়াবা আমি নিৰাপত্তাৰ কথা ভাবিয়েই বেংকৰ লকাৰত ৰাখো, নহয়নে বাৰু? কিন্তু বেংকৰ পৰাও যদি লকাৰটো চুৰি হয় বা কোনো কাৰণত নষ্ট হৈ যায়, তেন্তে তাত থকা বস্তুবোৰ ঘূৰাই পোৱাটো গ্ৰাহকজনৰ বাবে কঠিন হৈ পৰে।

# বেংকৰ লকাৰত থোৱা ধন-সোণ, জৰুৰী নথিপত্ৰৰো কৰিব পাৰি বীমা

**মাটি** আৰু ঘৰৰ দলিল, দামী গহনাৰ লগতে অন্যান্য বিভিন্ন মূল্যৱান সামগ্ৰী কেতিয়াবা আমি নিৰাপত্তাৰ কথা ভাবিয়েই বেংকৰ লকাৰত ৰাখো, নহয়নে বাৰু? কিন্তু বেংকৰ পৰাও যদি লকাৰটো চুৰি হয় বা কোনো কাৰণত নষ্ট হৈ যায়, তেন্তে তাত থকা বস্তুবোৰ ঘূৰাই পোৱাটো গ্ৰাহকজনৰ বাবে কঠিন হৈ পৰে। প্ৰায়েই দেখা যায়,এনে ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হ'লে গ্ৰাহক আৰু বেংক কৰ্তৃপক্ষই ইজনে সিজনক দোষাৰোপ কৰিবলৈ আৰম্ভ কৰে। এই সমস্যা সমাধানৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংক চমুকৈ আৰবিআয়ে চলিত বৰ্ষৰ আৰম্ভণিৰে পৰা কাৰ্যকৰী হোৱাকৈ এক নিৰ্দেশনা জাৰি কৰিছে য'ত স্পষ্টকৈ কোৱা হৈছে যে লকাৰত থকা মূল্যৱান সামগ্ৰীৰ নিৰাপত্তাৰ দায়িত্বৰ এটা অংশ বেংকে বাধ্যতামূলকভাৱে পালন কৰিব লাগিব।



**বীমাৰো বিকল্প আছে**

মূল্যৱান সামগ্ৰী সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে আজিকালি বেংকৰ গ্ৰাহকে নিজ লকাৰৰ বীমাও কৰাই থ'ব পাৰে। যিকোনো সাধাৰণ বীমা কোম্পানীয়ে এই ধৰণৰ লকাৰৰ বীমা পলিচী বিক্ৰী কৰে। ইয়াৰ ভিতৰত অন্যতম এক উদাহৰণ হৈছে আইএফচিঅ' টকিঅ' জেনেৰেল ইঞ্চুৰেন্স নামৰ কোম্পানীটোৰ স্বতন্ত্ৰ বেংক লকাৰ পলিচি নামৰ আঁচনিটো। এই আঁচনিয়ে বীমাকাৰী লকাৰৰ গৰাকীক গহনা আৰু অন্যান্য মূল্যৱান সামগ্ৰীৰ বীমাৰ আৱৰণ প্ৰদান কৰে। জুই, ভূমিকম্প আৰু অন্যান্য প্ৰাকৃতিক আৰু মানৱসৃষ্ট দুৰ্যোগৰ বাহিৰে যিকোনো দুৰ্যোগ বা বিপৰ্যয়ত গ্ৰাহকক বীমাৰ সুবিধা প্ৰদান কৰে এই আঁচনিয়ে।

বজাৰত এই ধৰণৰ আৰু বিভিন্ন আঁচনি উপলব্ধ যদিও বেছিভাগ বিত্তীয় পৰামৰ্শদাতাই লকাৰ কভাৰৰ পৰিৱৰ্তে গহনা বীমাৰহে পৰামৰ্শ দিয়ে। কাৰণ বেংকৰ লকাৰত গহনা হেৰুওৱাৰ সম্ভাৱনা শূন্য নহ'লেও অতি কম। তদুপৰি, যদি লকাৰটো চুৰি হয় আৰু গ্ৰাহকে যদি এফআইআৰ দাখিলো কৰে তেন্তে বেংকে দাখিল কৰা এফআইআৰৰ ভিত্তিতহে বীমা কোম্পানীয়ে কাম কৰিব, গ্ৰাহকৰ এফআইআৰৰ ভিত্তিত নহয়। কিয়নো বেংকহে হৈছে লকাৰটোৰ প্ৰকৃত মালিক। ফলত হেৰোৱা বস্তু উদ্ধাৰৰ বাবে অপেক্ষাৰ সময় বেছি হ'ব পাৰে।

**আৰবিআয়ে দিয়া চৰ্তসমূহঃ**

প্ৰাকৃতিক দুৰ্যোগ বা গ্ৰাহকৰ গাফিলতিৰ বাবে লকাৰত থকা মূল্যৱান সামগ্ৰী হেৰুৱালে ইয়াৰ বাবে বেংক দায়ী নহ'ব।

এই নিয়মসমূহ ২০২২ৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হৈছে আৰু নতুন লকাৰ একাউণ্টধাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য। যদি গ্ৰাহকজন ২০২২ৰ পহিলা জানুৱাৰীৰ আগৰ পৰাই লকাৰ একাউণ্টধাৰী হয় তেন্তে নতুন আঁচনিত অন্তৰ্ভুক্ত হ'বৰ বাবে বেংকৰ স'তে নতুন লকাৰ চুক্তিত স্বাক্ষৰ কৰিব লাগিব। অহা ২০২৩ৰ পহিলা জানুৱাৰীৰ ভিতৰত পুৰণি গ্ৰাহকৰ স'তে লকাৰ চুক্তি নবীকৰণ কৰাৰ অনুমতি লাভ কৰিছে বেংকসমূহে।

আৰবিআইৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুসৰি, প্ৰতিবাৰ লকাৰ খুলিলেই বেংকে গ্ৰাহকলৈ ই-মেইল আৰু এছএমএছ এলাৰ্ট প্ৰেৰণ কৰিব। গ্ৰাহকে অনুমোদন নকৰিলে ই সতৰ্ক কৰি দিব।

নতুন লকাৰ আবণ্টনৰ প্ৰক্ৰিয়া অধিক স্বচ্ছ কৰাৰ বাবে বেংকসমূহক নিজৰ তালিকা ৰাজহুৱাকৈ ঘোষণা কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

নিয়ম অনুসৰি, বেংকসমূহে লকাৰ ৰুমৰ চাৰিওফালে কটকটীয়া নিৰাপত্তা নিশ্চিত কৰিব লাগে। লগতে লকাৰসমূহক চিচিটিভিৰ নিৰীক্ষণতো ৰাখিব লাগে। চিচিটিভিৰ ফুটেজৰ ৰেকৰ্ডিং কমেও ১৮০ দিনৰ বাবে সংৰক্ষণ কৰাটো বাধ্যতামূলক। আনহাতে, যদি গ্ৰাহকৰ নিজৰ লকাৰক লৈ কোনো অভিযোগ থাকে, তেন্তে বিবাদ নিষ্পত্তি নোহোৱালৈকে বেংক কৰ্তৃপক্ষই চিচিটিভিৰ ফুটেজ সংৰক্ষণ কৰিব লাগে।

যিকোনো ব্যক্তিয়ে ডাকঘৰত সাধাৰণ জমা একাউন্ট, ৰেকাৰিং ডিপ'জিট একাউন্ট , ৰাজহুৱা ভৱিষ্য নিধি (পিপিএফ), মাহিলি আয় আঁচনি আদিৰ আওতাত একাউন্ট খুলিব পাৰে।



# ডাকঘৰৰ এইসমূহ আঁচনিৰ বিষয়ে জানেনে?

## বিনিয়োগ কৰিলেই পাব দুগুণ লাভ!

**বিনিয়োগ** কৰাৰ বাবে ডাকঘৰত বিভিন্ন ধৰণৰ লাভজনক আঁচনি আছে তাৰ ভিতৰত এনে কেতবোৰ জমা আঁচনিও আছে য'ত বেংকৰ তুলনাত অধিক পৰিমাণৰ সুত উপাৰ্জন কৰিব পাৰি। যিকোনো ব্যক্তিয়ে ডাকঘৰত সাধাৰণ জমা একাউন্ট, ৰেকাৰিং ডিপ'জিট একাউন্ট , ৰাজহুৱা ভৱিষ্য নিধি (পিপিএফ), মাহিলি আয় আঁচনি আদিৰ আওতাত একাউন্ট খুলিব পাৰে। পিছে আজিৰ লেখাটোত এনে কেইখনমান আঁচনিৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো, যিসমূহত বিনিয়োগ কৰিলে দুগুণ ৰিটাৰ্ণ ঘূৰি অহাটো একপ্ৰকাৰে নিশ্চিত বুলি ধৰি ল'ব পাৰে।

**কিষাণ বিকাশ পত্ৰ (কেভিপি),** কিষাণ বিকাশ পত্ৰ ভাৰত চৰকাৰৰ এক বিশেষ এককালীন বিনিয়োগ আঁচনি। এই আঁচনিৰ আওতাত এক নিৰ্দিষ্ট সময়ৰ বাবে টকা জমা ৰাখিলে সেই টকা দুগুণ হৈ গ্ৰাহকৰ হাতলৈ আহে। কেভিপি আঁচনি দেশৰ সকলো ডাকঘৰ আৰু বেংক শাখাতে উপলব্ধ। ইয়াৰ মেচিউৰিটী পিৰিয়ড বা ম্যাদ হৈছে ১২৪ মাহ। ন্যূনতম মাত্ৰ ১০০০ টকাৰ পৰা বিনিয়োগ আৰম্ভ কৰিব পৰা আঁচনিখনত জমা ৰখা টকাৰ পৰিমাণৰ কোনো ঊৰ্ধ্বসীমা নাই। কেভিপিত চলিত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰিমাসিকৰ বাবে ৬.৯ শতাংশকৈ সুতৰ হাৰ নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ সকলোতকৈ ডাঙৰ সুবিধাটো এই যে ইয়াত ১২৪ মাহৰ অন্তত বিনিয়োগৰ পৰিমাণৰ দুগুণ বেছি ৰিটাৰ্ণ পোৱাৰ নিশ্চয়তা থাকে। অৰ্থাৎ, আপুনি যদি বিনিয়োগ কৰিছিল এক লক্ষ টকা, ১২৪ মাহৰ ম্যাদ পূৰ হোৱাৰ অন্তত পাব দুই লক্ষ টকা।

**ডাকঘৰৰ টাইম ডিপ'জিট (POTD) ঃ** ডাকঘৰৰ টাইম ডিপ'জিট প্ৰকল্পক চমুকৈ পিওটিডি বুলি জনা যায়। এই আঁচনিত বিনিয়োগ কৰাটো এই সময়ৰ বিভিন্ন বিনিয়োগ ক্ষেত্ৰসমূহৰ ভিতৰত তুলনামূলকভাৱে লাভজনক বিকল্প হ'ব পাৰে। পিওটিডিৰ আওতাত এক, দুই, তিনি আৰু পাঁচ বছৰৰ বাবে বিভিন্ন ম্যাদত বিনিয়োগৰ সুবিধা থাকে। একৰ পৰা তিনি বছৰৰ বাবে কৰা টাইম ডিপ'জিটত গ্ৰাহকে ৫.৫ শতাংশ পৰ্যন্ত সুত পাব পাৰে। বিপৰীতে, পাঁচ বছৰৰ বাবে বিনিয়োগ কৰিলে ৬.৭ শতাংশ হাৰত সুত পাব পৰা যায়। আনহাতে, ম্যাদ পূৰ হোৱাৰ পূৰ্বেই যদি কোনো গ্ৰাহকে টাইম ডিপ'জিট একাউন্ট ভাঙি টকাখিনি উলিয়াই নিব খোজে তেন্তে ডাকঘৰৰ জমা একাউন্টৰ হিচাপত সুত লাভ কৰিব। উল্লেখ্য যে পাঁচ বছৰৰ বাবে কৰা টাইম ডিপ'জিটত আয়কৰ আইনৰ ৮০চি ধাৰা অনুযায়ী কৰ ৰেহাইৰো সুবিধা আছে।



**নেছনেল ছেভিংছ চাৰ্টিফিকেট (NSC) ঃ** ডাকঘৰৰ এই আঁচনিয়ে বিনিয়োগকাৰীক প্ৰতিবছৰে আশাব্যঞ্জক ৰিটাৰ্ণ দি আহিছে। ৰিটাৰ্ণৰ নিশ্চয়তাৰ লগতে এই আঁচনিত বিনিয়োগৰ দ্বাৰা আয়কৰো ৰাহি কৰিব পাৰি। আয়কৰ আইনৰ ৮০চি ধাৰা অনুযায়ী নেছনেল ছেভিংছ চাৰ্টিফিকেট (NSC)ত বিনিয়োগ কৰিলে আয়কৰ ৰেহাই দিয়াৰ ব্যৱস্থা আছে। সৰ্বাধিক ১.৫ লক্ষ টকা পৰ্যন্ত আয়কৰ ৰাহি কৰিব পাৰি ইয়াৰ দ্বাৰা। উল্লেখ্য যে এই আঁচনিৰ বাৰ্ষিক ৰিটাৰ্ণ লাভৰ হাৰ হৈছে ৬.৮ শতাংশ ।

# জমা একাউন্টৰ দ্বাৰা আয়কৰ ৰাহি কৰাৰ উপায়

**ভাৰতত** কৰদাতাসকলে বিভিন্ন ধৰণেৰে কৰ ৰেহাই পাবলৈ চেষ্টা কৰে। আয়কৰ বিভাগেও কৰদাতাসকলক আয়কৰ আইনৰ বিভিন্ন ধাৰাৰ মাধ্যমেদি কে'বা ধৰণৰ কৰ ৰেহাইৰ সুবিধা প্ৰদান কৰি আহিছে। কিন্তু, আমাৰ মাজৰ বহুতেই আয়কৰ আইনে প্ৰদান কৰি থকা এই ধৰণৰ কৰ ৰেহাই লাভৰ সুবিধাসমূহৰ বিষয়ে বৰ বিশেষ একো নাজানো। কৰদাতাৰ বাবে এই বিষয়ে জনাটো দৰাচলতে অতি গুৰুত্বপূৰ্ণ । আয়কৰ আইনে ৬০ বছৰৰ তলৰ কৰদাতাসকলৰ বাবে বিশেষ কেতবোৰ সুবিধা প্ৰদান কৰি থৈছে যাৰ বিষয়ে বহুতেই নাজানে। এনে এক বিষয় হ'ল- জমা একাউন্টৰ দ্বাৰা আয়কৰ ৰাহি কৰাৰ উপায়। এই বিষয়ে কিছু কথা জানো আহকচোন...



যিসকল লোকৰ বয়স ৬০ বছৰতকৈ কম, তেওঁলোকে আয়কৰ আইনৰ ধাৰা ৮০ টিটিএৰ অধীনত ১০ হেজাৰ টকা কৰ্তনৰ বাবে আবেদন কৰিব পাৰে। বেংকৰ জমা একাউণ্টৰ জমা ধনৰ ওপৰত আদায় কৰা সুতৰ ওপৰত এই কৰ ৰেহাই প্ৰযোজ্য হয়। কিন্তু এই কৰ ৰেহাইৰ সুবিধা ফিক্সড্ ডিপ'জিটৰ ওপৰত আদায় কৰা সুতৰ ওপৰত পোৱা নাযায়।

**এই কৰ ৰেহাই কেনেকৈ পাব পাৰি চাওঁ আহক**

কৰদাতাসকলে প্ৰথমে আয়কৰ ৰিটাৰ্ণ ফাইলত জমা কৰা ধনৰ ওপৰত আদায় কৰা সম্পূৰ্ণ সুতৰ পৰিমাণ দেখুৱাব লাগিব। এনে আয় আন উৎসৰ পৰা পোৱা আয়ৰ অধীনত দাখিল কৰিব লাগিব।

এটা বিত্তীয় বৰ্ষত কিমান সুত জমা একাউন্টত সোমাল সেই পৰিমাণ আন উৎসৰ পৰা পোৱা মুঠ আয়ৰ স'তে যোগ কৰাৰ পাছত ধাৰা ৮০ টিটিএৰ অধীনত সুতৰ ওপৰত ৰেহাইৰ বাবে আবেদন কৰিব পাৰিব।

মনত ৰাখিব, কৰদাতাসকলে এটা বিত্তীয় বৰ্ষত সুতৰ ওপৰত তেওঁলোকৰ সমস্ত আয় আয়কৰ ৰিটাৰ্ণত দাখিল নকৰিলে জৰিমনা ভৰিব লগা হ'ব পাৰে।

আনহাতে, ৬০ বছৰৰ ওপৰৰ কৰদাতাসকলে জমা একাউণ্টৰ মাধ্যমেদি উপাৰ্জন কৰা সুতৰ ওপৰত ৫০ হেজাৰ টকাৰ কৰ ৰেহাইৰ সুবিধা লাভ কৰিব পাৰে। জ্যেষ্ঠ নাগৰিকসকলে বেংক বা ডাকঘৰ উভয়তে থকা জমা একাউণ্টত ফিক্সড্ ডিপ'জিট কৰিলেও এই সুবিধা লাভ কৰিব পাৰে।

ভাৰতত বাস কৰা সকলো কৰদাতা আৰু হিন্দু সংযুক্ত পৰিয়ালে এই কৰ ৰেহাইৰ সুবিধা ল'ব পাৰিব। প্ৰবাসীসকলে এই ৮০ টিটিএ ধাৰাৰ জৰিয়তে প্ৰবাসী ভাৰতীয় জমা একাউণ্টত এই সুবিধা লাভ কৰিব পাৰিব।

দেওবৰীয়া দৈনিক অগ্ৰদূত

অসম চৰকাৰে বিভিন্ন বিভাগত খালী হোৱা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ ৩০ হেজাৰ পদ পূৰণৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ প্ৰশ্নকাকত হিন্দী ভাষাত প্ৰকাশ কৰাক লৈ ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি হৈছে। এই বিষয়টোক লৈ আজিৰ প্ৰতিবেদন।

*শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ।*

*সহযোগিতাত— হেমেন কুমাৰ দাস, অৰূপ কলিতা, কিশোৰ কুমাৰ কলিতা আৰু ছাহিন আহমেদ।*

# অসমৰ চাকৰিত হিন্দী প্ৰশ্নকাকত

## চাকৰিৰ ক্ষেত্ৰত অসমীয়া ভাষাক অগ্ৰাধিকাৰ দিব লাগিব



■ **জয়ন্ত বৰা,** সাংবাদিক, নগাঁও

শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন বিভাগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে লিখিত পৰীক্ষাৰ ক্ষেত্ৰত অসমীয়া, ইংৰাজী, বড়ো, বাংলা ভাষাৰ লগতে হিন্দী ভাষাতো প্ৰশ্নকাকত প্ৰস্তুতকৰণৰ প্ৰসংগই বিশেষ চৰ্চা লাভ কৰিছে। বিগত কেইটামান দিনৰ ভিতৰত অসমত তৃতীয় শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত ৰাজ্য চৰকাৰে বিজ্ঞান আৰু গণিত বিষয় দুটা ইংৰাজী ভাষাত পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ বিচৰা প্ৰসংগক কেন্দ্ৰ কৰি সৰ্বত্ৰে মিশ্ৰিত প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এইবাৰ চাকৰিৰ ক্ষেত্ৰত হিন্দী বিষয়টোকো চৰকাৰে প্ৰাধান্য দিয়াক সহজভাৱে ল'ব পৰা নাই ৰাজ্যৰ অধিকাংশ লোকে।

বিষয়টোৰ সপক্ষে বা বিপক্ষে বহু যুক্তি দিব পৰা যায়। কিন্তু এটা কথা স্পষ্ট যে অসমত যিহেতু ৰাজ্যভাষা 'অসমীয়া' অধিক প্ৰচলন হয় সেয়ে চাকৰিৰ ক্ষেত্ৰত অসমীয়া ভাষাক প্ৰধানকৈ অগ্ৰাধিকাৰ দিবই লাগিব। ইয়াৰ লগতে অসমৰ খিলঞ্জীয়া জনগণৰ বসতিপ্ৰধান বিটিএডি অঞ্চলত বড়ো আৰু বৰাক উপত্যকাত বাংলা ভাষা প্ৰধানকৈ প্ৰচলিত হোৱা হেতুকে সেই দুই ভাষাও চাকৰিৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাত আপত্তি কৰাৰ থল কাৰো থাকিব নালাগে। এই তিনিটা ভাষাৰ উপৰি ইংৰাজী ভাষাটো ইংৰাজে দি থৈ যোৱাৰ পাছৰে পৰা দেশত সংযোগী ভাষা হিচাপে বা দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো চৰকাৰী বাবে চৰকাৰী খণ্ডত বহুলভাৱে প্ৰচলিত হৈ অহা বাবে এতিয়া আৰু বিৰোধীতা কৰাৰ যুক্তি নোহোৱা হৈছে।

কিন্তু হিন্দী ভাষাটো যদিওবা ৰাষ্ট্ৰ ভাষা তথাপি অসমত সেই ভাষা বহুলভাৱে প্ৰচলন নহয়, মাথোঁ বহিঃৰাজ্যৰ পৰা ব্যৱসায় সূত্ৰে আহি অসমত স্থায়ী বা অস্থায়ীভাৱে বসতি কৰা মাত্ৰ কিছুসংখ্যক লোকৰ মাজতহে ব্যৱহাৰ হৈ আছে। অথচ এইখিনি হিন্দী ভাষীয়ে ইংৰাজী ভাষাটো ভালকৈয়ে হয়তো আয়ত্ব কৰি লৈছে। যদিহে সীমিত সংখ্যক হিন্দীভাষী লোকৰ সুবিধাৰ বাবেই অসমত চাকৰিৰ ক্ষেত্ৰত হিন্দী ভাষাক প্ৰাধান্য দিয়া হৈছে তেনেহ'লে ভাৰতৰ অন্যান্য স্বীকৃতিপ্ৰাপ্ত ভাষা ব্যৱহাৰ কৰা লোকো নিশ্চয়কৈ কম-বেছি পৰিমাণে অসমত আছে, সেই সকলৰ কথা চৰকাৰে কি দৰে চিন্তা কৰিব? হিন্দীভাষীখিনিয়ে অসমত চাকৰিৰ সুবিধাৰ্থে হিন্দী ভাষাটো প্ৰশ্নকাকতত স্থান দিয়াৰ দাবী জনাইছে নেকি, যি কাৰণত চৰকাৰে হঠাতে এনে চিন্তা কৰিব লগা হ'ল।

অসমৰ বাহিৰৰ ৰাজ্যতো বহু অসমীয়া লোকে স্থায়ীভাৱে বসবাস কৰি আছে, সেইসকলৰ সুবিধাৰ্থে কোনখন ৰাজ্যই এনেদৰে চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষা ব্যৱহাৰ কৰিছে? ৰাজনীতিৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে আমি একেবাৰেই অপৰিপ, একেদৰে সীমিত জ্ঞান-বিচাৰ-বুদ্ধিৰে বহু কথা অনুভৱ কৰিব নোৱাৰাৰ বাবে এনেবোৰ প্ৰসংগই আমাক সততে জুমুৰি দি ধৰিছে।

## চৰকাৰে এই সিদ্ধান্ত পৰিহাৰ কৰক



■ **গীতা চহৰীয়া,** কবি

অসম চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ২৬ হেজাৰ পদৰ প্ৰাৰ্থী নিযুক্তি পৰীক্ষাৰ প্ৰশ্নকাকত অসমীয়া, বড়ো ভাষাৰ লগতে অসম চৰকাৰে হিন্দী ভাষাতো প্ৰস্তুত কৰাত এগৰাকী অসমৰ সন্তান হিচাপে তীব্ৰ প্ৰতিবাদ কৰিছো। অসমৰ লাখ লাখ নিবনুৱাই কৰ্মসংস্থাপন বিচাৰি হাবাথুৰি খাই থকাৰ সময়তে হিন্দী ভাষাত প্ৰশ্নকাকত প্ৰস্তুত কৰাৰ ৰহস্য কি? অসমৰ নিবনুৱাৰ পেটত গোৰ মাৰি অন্য ৰাজ্যৰ নিবনুৱাসকলক ৰঙা দলিচা পাৰি দিয়াৰ এক সুব্যৱস্থা নহয়তো? সন্দেহ হৈছে আমাৰ মুখ্যমন্ত্ৰীয়ে অসমীয়াৰ স্বাৰ্থ পৰিহাৰ কৰি নাগপুৰৰ নেতাসকলক ভালৰি বোলাৰ বাবে আৰু নিজৰ উচ্চাকাংক্ষা পূৰণৰ বাবেই এনে হঠকাৰী সিদ্ধান্ত লৈছে। কেন্দ্ৰীয় চৰকাৰৰ চাকৰিৰ কথা অৱশ্যে সুকীয়া। কিন্তু ৰাজ্য চৰকাৰৰ অধীনৰ চৰকাৰী চাকৰি ৰাজ্যখনৰ নিবনুৱাই লাভ কৰিবই লাগিব। ইয়াত অন্য কথা নাই। আনহাতে, এই চৰকাৰখনে কিছুদিন আগতে সিদ্ধান্ত লৈছিল গণিত আৰু বিজ্ঞান বিষয় অধ্যয়নৰ ক্ষেত্ৰত মাতৃভাষাৰ মাধ্যম বাদ দি ইংৰাজী ভাষাত অধ্যয়ন কৰিব লাগিব। আমি ভাবিবলৈ বাধ্য হৈছো এয়া চৰকাৰৰ অসমীয়া তথা মাতৃভাষাৰ ওপৰত পূৰ্ব পৰিকল্পিত আক্ৰমণ হ'ব পাৰে। পুনৰ কৈছো অসমৰ ৰাইজৰ স্বাৰ্থত চৰকাৰে লোৱা অসমবিৰোধী সিদ্ধান্ত পৰিহাৰ কৰক।

## বাহিৰা প্ৰাৰ্থীক পৰীক্ষাতে বহিবলৈ দিব নালাগে



■ **প্ৰশান্ত দাস,** সমাজসেৱক

ৰাজ্যত তৃতীয়-চতুৰ্থ বৰ্গৰ ৩০ হেজাৰ পদত নিযুক্তিৰ পৰীক্ষাত হিন্দী ভাষাৰ প্ৰশ্নকাকতৰ যি ব্যৱস্থা চৰকাৰে কৰিছে সেয়া ৰাজ্যৰ নিবনুৱাৰ মুখৰ ভাত কাঢ়ি বহিঃৰাজ্যৰ প্ৰাৰ্থীক গতাই দিয়াৰ এক ব্যৱস্থাৰ দৰেই হৈছে। দেশৰ আন ৰাজ্যৰ চৰকাৰে তেওঁলোকৰ ৰাজ্যৰ বা ৰাজ্যখনৰ থলুৱাসকলৰ স্বাৰ্থত বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। চাকৰিৰ সংৰক্ষণকে ধৰি গ্ৰহণ কৰা থলুৱা স্বাৰ্থ সুৰক্ষিত কৰা সিদ্ধান্তৰ বিপৰীতে অসমত আকৌ সম্পূৰ্ণ ওলোটা ছবিহে দেখা গৈছে। সম্প্ৰতি তৃতীয়-চতুৰ্থ বৰ্গৰ পদত ৰাজ্য চৰকাৰে বহিঃৰাজ্যৰ প্ৰাৰ্থীক চাকৰি দিয়াৰ ব্যৱস্থা কৰিছে হিন্দী প্ৰশ্নকাকতৰ জৰিয়তে। এয়া অসমৰ নিবনুৱাৰ ওপৰত আকৌ চৰকাৰৰ মাধমাৰৰ দৰে ব্যৱস্থা কৰিছে। বহিঃৰাজ্যত অসমৰ নিবনুৱাই চাকৰিৰ বাবে পৰীক্ষা দিবলৈ গ'লে অসমীয়া পৰীক্ষাৰ্থীক অসমীয়া ভাষাত প্ৰশ্নকাকত দিয়াৰ কোনো নজিৰ নাই আৰু নিদিয়ে। গতিকে অসমত যি ৩০ হেজাৰ চাকৰি দিবলৈ ওলাইছে সেই ৩০ হেজাৰ চাকৰি কেৱল অসমৰ নিবনুৱাক দিবলৈ চৰকাৰক অনুৰোধ জনালো, হিন্দীত প্ৰশ্নকাকত দিয়াটো বাদেই বহিঃৰাজ্যৰ প্ৰাৰ্থীক পৰীক্ষাত বহিবলৈয়ে দিব নালাগে।

## ভাষাৰ জ্ঞান নহ'লে সকলো অসাৰ



■ **গৌৰী প্ৰসাদ শৰ্মা,** লেখক, নগাঁও

যিকোনো ঠাইত চাকৰি কৰিবলগীয়া হ'লে সেই ঠাইৰ আঞ্চলিক ভাষাৰ স'তে পুংখানুপুংখ জ্ঞান থকাটো দৰকাৰী। কিয়নো এটা ভাষাই এটা জাতিক প্ৰতিনিধিত্ব কৰে আৰু সেই আঞ্চলিক বা ৰাজ্যিক ভাষাটোৰ মাধ্যমেৰে সাহিত্য তথা সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটে। কিন্তু অসমত হ'বলগীয়া তৃতীয় তথা চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে একাংশ বহিঃৰাজ্যৰ পৰীক্ষাৰ্থীৰ বাবে হিন্দীত প্ৰশ্নকাকত যুগুত কৰাটো গ্ৰহণীয় নহয়। গ্ৰহণীয় এইবাবেই নহয় যে অসমীয়া ভাষাৰ সম্যক ধাৰণাই নথকা একাংশই অসমত থাকি, অসমৰ ভাষাই নুবুজি, অসমৰ মেটমৰা সাহিত্য-সংস্কৃতি তথা ইয়াৰ পাৰিপাৰ্শ্বিক পৰিৱেশৰ লগত নিজকে ৰজিতা খুৱাই কিদৰে কাম কৰিব সেয়া সহজেই অনুমেয়। অসমতেই ভয়াৱহভাৱে বৃদ্ধি পাই আহিছে নিবনুৱাৰ সংখ্যা। ইয়াৰ পাছতো বহিৰাগতক মকৰল কৰোৱা ব্যৱস্থাই নিঃসন্দেহে অসমৰ শিক্ষিত নিবনুৱাক বঞ্চিত কৰিব। আনহাতে, অসমৰ পৰীক্ষা এটাত প্ৰশ্নকাকত হিন্দী ভাষাৰ মাধ্যমেৰে দিবলগীয়া হোৱা ব্যৱস্থাই অসমীয়া ভাষাকো কিছু পৰিমাণে বেকফুটলৈ ঠেলি দিব। এইক্ষেত্ৰত চৰকাৰে বিশেষ পদক্ষেপ ল'ব লাগিছিল বা সচেতন মহলেও নিজা স্থিতি গ্ৰহণ কৰিব লাগে। যদি ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষা হ'লহেঁতেন তেতিয়া প্ৰসংগটো উত্থাপনেই নহ'লহেঁতেন, কিন্তু এখন ৰাজ্যত আয়োজন কৰা পৰীক্ষাত হিন্দী বিষয়েৰে পৰীক্ষা এয়া নিশ্চয় সকলোৰে চিন্তাৰ পৰিপন্থী হ'ব।

## নিবনুৱাসকলৰ মনত নানা ধৰণৰ প্ৰশ্ন উত্থাপিত হৈছে



■ **আমীৰ হামজা,** নগাঁও

২১ আগষ্টত হ'ব লগা Assam Direct Recruitment পৰীক্ষা অনুষ্ঠিত হ'ব। আনবাৰৰ দৰে এইবাৰো বিভিন্ন মেধাৰী নিবনুৱা ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আগ্ৰহ দেখাইছে। কিন্তু মনকৰিবলগীয়া কথা এই যে এইবাৰ প্ৰশ্নকাকতখন অসমীয়া ভাষাৰ লগতে হিন্দী ভাষাতো তৈয়াৰ কৰা হৈছে।

অসমত এই পৰীক্ষাৰ উদ্দেশ্য হৈছে অসমৰ নিবনুৱা সমস্যা দূৰ কৰা। হিন্দী ভাষাতো প্ৰশ্নকাকত প্ৰস্তুত কৰা বাতৰিয়ে অসমীয়া নিবনুৱাসকলৰ মনত নানা ধৰণৰ প্ৰশ্ন উত্থাপিত হৈছে। অসমত হিন্দী ভাষাৰ প্ৰশ্নকাকতৰ কি প্ৰয়োজন।

এই প্ৰশ্নকাকতখন অসমৰ বাহিৰৰ মানুহৰ সংস্থাপনৰ সুযোগৰ পথ প্ৰশস্ত কৰিছে নেকি? এই প্ৰশ্নত সাধাৰণ ৰাইজ বাৰুকৈয়ে চিন্তিত হৈছে। সাধাৰণতে অফিচ-আদালতত স্বাধীনোত্তৰ কালৰ পৰাই ইংৰাজী ভাষাৰ ব্যৱহাৰ হৈ আহিছে। কিন্তু হিন্দী ভাষাৰ ব্যৱহাৰ হোৱা দেখা নাযায়। হিন্দী ভাষাক ৰাষ্ট্ৰীয় ভাষা হিচাপে গণ্য কৰা হয়। তাৰ অৰ্থ এইটো নহয় যে অসমত নিযুক্তি পৰীক্ষাত হিন্দী ভাষা প্ৰয়োগ হ'ব। আটাইতকৈ আচৰিত কথা এই যে অসমত প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাৰ লগতে হিন্দী ভাষা প্ৰয়োগ হ'ব।

নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বহুতো প্ৰতিশ্ৰুতিৰ মাজত অন্যতম আছিল অসমৰ এক লাখ নিবনুৱাক সংস্থাপন দিয়াৰ। যদিওবা চৰকাৰৰ সেই প্ৰতিশ্ৰুতি পূৰণ নহ'ল তথাপি প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ চৰকাৰখনে পদসমূহ পূৰণ কৰাৰ লক্ষ্য আগত ৰাখি ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচন আয়োগ গঠন কৰি তৃতীয়, চতুৰ্থবৰ্গৰ মুঠ ২৬ হেজাৰ চাৰিশ ৪১ টা পদৰ বাবে আবেদন প্ৰকাশ কৰিছিল। এই পৰীক্ষাৰ বাবে তৈয়াৰ কৰা প্ৰশ্নকাকতখনত অসমীয়া ভাষাৰ লগতে হিন্দী ভাষাৰ প্ৰয়োগে ৰাজ্যজুৰি ব্যাপক চৰ্চা চলিছে।

## চৰকাৰৰ এক পৰিকল্পিত ষড়যন্ত্ৰ

■ **কৌশিক বৰ্মন,** সাধাৰণ সম্পাদক, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতি



অসম চৰকাৰৰ পৰীক্ষাত হিন্দী প্ৰশ্নকাকত ব্যৱহাৰ কৰাটো এক পৰিকল্পিত ষড়যন্ত্ৰ। অসমৰ থলুৱা নিবনুৱা যুৱক-যুৱতীক বঞ্চিত কৰি বহিঃৰাজ্যৰ প্ৰাৰ্থীক সংস্থাপন প্ৰদান কৰাৰ স্বাৰ্থত এই ষড়যন্ত্ৰ কৰা হৈছে। সম্পূৰ্ণ ৰাজনৈতিক কাৰণত এই ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। বিজেপি দলৰ 'এক দেশ এক ভাষা' নীতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এটা অংশস্বৰূপে এই সিদ্ধান্ত লোৱা যেন অনুমান হয়। অসম চৰকাৰৰ পৰীক্ষাত হিন্দী ভাষা ব্যৱহাৰ কৰা কাৰ্যৰ জৰিয়তে অসমৰ লাখ লাখ শিক্ষিত নিবনুৱাক অন্যায় কৰিছে। আমি দেখিবলৈ পাইছো যে বাহিৰৰ বহুকেইখন ৰাজ্যই স্থানীয় প্ৰাৰ্থী নিযুক্তিৰ বাবে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিছে, কিন্তু অসম চৰকাৰে বহিৰাগত প্ৰাৰ্থীক অসম চৰকাৰৰ চাকৰিত নিযুক্তিৰ বাট মুকলি কৰি দিব বিচৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। বিগত সময়ত বৰ্তমানৰ চৰকাৰখনে গ্ৰহণ কৰা কিছু সিদ্ধান্তই চৰকাৰখন অসমীয়া বিদ্বেষী বুলি সন্দেহৰ চকুৰে চাবলৈ বাধ্য কৰাইছে। কাৰোবাৰ ৰাজনৈতিক উচ্চাকাংক্ষা আৰু লাভালাভৰ কাৰণে অসমৰ নিবনুৱা যুৱক-যুৱতীৰ ওপৰত প্ৰভাৱ পেলোৱা এই কাৰ্য উচিত হোৱা নাই। সেয়েহে অসম চৰকাৰৰ পৰীক্ষাত হিন্দী প্ৰশ্নকাকত ব্যৱহাৰ কৰা সিদ্ধান্ত বাতিল কৰিবলৈ আহ্বান জনালো।

## অসমীয়া ভাষাই সকলো ক্ষেত্ৰতে গভীৰ মান্যতা পাব লাগিব

■ **শৈলেন বৰকটকী,** নাট্যশিল্পী, জামুগুৰিহাট



**আজি** অসমীয়া জাতীয় জীৱনত বিশেষকৈ ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত এটা নৱ জাগৰণৰ সৃষ্টি হৈছে। এয়া জাতিটোৰ বাবে এটা শুভ লক্ষণ। এই জাতীয় জাগৰণৰ গভীৰ তাৎপৰ্য সকলোৰে উপলব্ধি কৰাৰ প্ৰয়োজন। এটা জাতিৰ ব্যাপকতৰ জীৱনৰ লগত যিহেতু ভাষা-সাহিত্য আৰু সংস্কৃতি অংগাগীভাৱে জড়িত। তেনে ক্ষেত্ৰত জাতিটোক আগুৱাই নিবলৈ হ'লে সেই জাতিটোৰ জাতীয় চেতনাক সুস্থ বিকাশৰ পথেদি আগুৱাই নিয়াৰো দায়িত্ব থাকিব। তেনে দৃষ্টিভংগীৰে অসমত অসমীয়া ভাষাই সকলো ক্ষেত্ৰতে গভীৰ মান্যতা পাব লাগিব। থলুৱা নিয়োগৰ ক্ষেত্ৰতো ইংৰাজী বা হিন্দী ভাষা নহয় অসমীয়া ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হওক। তাকে নকৰি যদি ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত লক্ষ্যহীনতা, দায়িত্বহীনতা আৰু জাতীয় চৰিত্ৰৰ স্খলনৰ লক্ষণবোৰ প্ৰকট হয় তেনেহ'লে সাধাৰণ মানুহবোৰে হাহাকাৰ নকৰিব কিয়?

## ভৱিষ্যতে চৰকাৰে এনে ধৰণৰ সিদ্ধান্তৰ পৰা আঁতৰি থকাটো ভাল

■ **ৰাজমণি ভূঞা,** সাংবাদিক, জামুগুৰিহাট



শেহতীয়াকৈ অসম চৰকাৰে ৰাজ্যৰ বিভিন্ন বিভাগত খালী হৈ থকা ২৬ হেজাৰ চাকৰিৰ বাবে হিন্দী ভাষাতো প্ৰশ্নকাকত ছপা কৰাৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে সেয়া মই ব্যক্তিগতভাৱে কেতিয়াও সমৰ্থন নকৰো। এই ব্যৱস্থাৰ দ্বাৰা আচলতে চৰকাৰখনে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহত বহিঃৰাজ্যৰ প্ৰাৰ্থীক চাকৰিত নিযুক্তি দিয়াৰ পথ বাছি লোৱা বুলি মোৰ ধাৰণা হয়। অসমৰ জ্বলন্ত নিবনুৱা সমস্যা সমাধানৰ স্বাৰ্থত চৰকাৰে অদূৰ ভৱিষ্যতে এনে ধৰণৰ সিদ্ধান্ত গ্ৰহণৰ পৰা আঁতৰি থকাটোৱেই কাম্য।

## হিন্দী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব



■ **গৌৰী দেৱী,** অধ্যাপিকা

বৰ্তমানৰ চৰকাৰখনে বহুতো বিষয় তড়িৎ গতিত ত্বৰান্বিত কৰিব খুজিছে ,যিটো ৰাজ্যখনৰ প্ৰগতিৰ বাবে অত্যন্ত জৰুৰী বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিন্তু বেলেগ এটা ভাষাক আনি মাতৃভাষাৰ বা খিলঞ্জীয়া ভাষাসমূহৰ লগত সমান্তৰালভাৱে থিয় কৰোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে। লগতে যদি এইটো স্পষ্ট হৈ থাকে যে সেই বিশেষ ভাষাটোৰ ব্যৱহাৰে এটা বিশেষ বলয়ৰ লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰে তেতিয়া এইটো আৰু যুক্তিসংগত হ'ব নোৱাৰে। ২১ আগষ্টৰ পৰা অনুষ্ঠিত হ'বলগীয়া তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাসমূহৰ প্ৰশ্নকাকত চৰকাৰে অসমীয়া, ইংৰাজী, বড়োৰ লগতে হিন্দী ভাষাতো প্ৰস্তুত কৰিছে। হিন্দী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীসকল এইক্ষেত্ৰত নিঃসন্দেহে উপকৃত হ'ব কিন্তু খিলঞ্জীয়াসকল বঞ্চিত হোৱাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি। হিন্দী বলয়ৰ স্বাৰ্থক অগ্ৰাধিকাৰ প্ৰদানে অসম আৰু অসমীয়াৰ নিবনুৱাসকলৰ স্বাৰ্থত যে মোক্ষম আঘাত হানিব ই ধুৰুপ। নিবনুৱাৰ হেঁচাত থৰথৰকৈ কঁপি থকা ৰাজ্য এখনত বহিঃৰাজ্যৰ প্ৰাৰ্থীৰ সুবিধাৰ্থে অতি কৌশলীভাৱে হিন্দী ভাষাত প্ৰশ্নকাকত চপা কৰাটোৱে এটা চক্ৰৰ অসমবিৰোধী মনোভাৱৰেই উমান দিয়ে। এইটো লৈ সচেতন বৌদ্ধিক মহল গভীৰভাৱে সচেতন হোৱাটো উচিত বুলি মই ভাবো। চৰকাৰে হিন্দী ভাষাত প্ৰশ্নকাকত চপা কৰাক লৈ নিজৰ স্থিতি স্পষ্ট কৰাটো নিতান্তই প্ৰয়োজনীয় বৰ্তমানৰ প্ৰেক্ষাপটত। অন্যথা মই ভাবো আৰু এটা বিদ্ৰোহৰ সূচনা হৈ ঐক্য- শান্তি বাধাগ্ৰস্ত হোৱাৰ দৰে পৰিৱেশৰ সূচনা হ'ব।

## অসমীয়া ভাষা নিঃশেষ কৰাৰ নিমিত্তে অন্য এপাট শৰ

■ **ৰিয়াজউদ্দিন আহমেদ,**
কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদৌ অসম ছাত্ৰ সন্থা



অসম মূলতঃ অসমীয়া ভাষাৰ ভিত্তিত গঠিত এখন ৰাজ্য। কিন্তু অসমীয়া ভাষাটোৱে ভিন্ন সময়ত অসমৰ অসমীয়াসকলৰ দ্বাৰাই অৱহেলিত হৈ অহাটো অতি পৰিতাপৰ বিষয়। অসমৰ ৰাজ্যিক ভাষা হিচাপে অসমীয়া ভাষাক স্বীকৃতি দিয়া হৈছে যদিও আজিও অসমৰ ভিন্ন চৰকাৰী কাৰ্যালয়ত ইয়াৰ ব্যৱহাৰৰ পৰিধি অতি গৌণ। শেহতীয়াভাৱে অসম চৰকাৰে অসমৰ বিভিন্ন বিভাগত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদসমূহ পূৰণাৰ্থে বিজ্ঞাপন দিয়াৰ লগে লগে লাখ লাখ নিবনুৱাৰে ঠাহ খাই থকা অসমৰ শিক্ষিত নিবনুৱাসকলে গাঠিৰ ধন ভাঙি প্ৰ-পত্ৰ পূৰণ কৰিছে। ইতিমধ্যে পৰীক্ষাও সমাগত। অসমৰ ২৫ খন জিলাত অনুষ্ঠিত হ'বলগীয়া উক্ত পৰীক্ষাত ১৪ লাখ ৩০ হেজাৰ ৩৩৭ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হ'ব। কিন্তু অসম চৰকাৰৰ তৰফৰ পৰা পৰীক্ষাৰ নিয়ম সম্বলিত যি এছঅ'পি ওলাইছে তাত হিন্দী প্ৰশ্নকাকতৰ নতুন সংযোজন কৰি অসমৰ বিশেষকৈ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাত কাহানিও নেদেখা এক অবান্তৰ দৃষ্টান্ত দাঙি ধৰিব বিচাৰিছে। এয়া অসম চৰকাৰৰ এক হঠকাৰী সিদ্ধান্ত বুলি আমি অনুভৱ কৰো। পৰীক্ষাৰ প্ৰশ্নকাকতৰ এনে নমুনাই অসমৰ থলুৱা খিলঞ্জীয়া পৰীক্ষাৰ্থীসকলক নিযুক্তি লাভৰ পৰা বঞ্চিত কৰাটো নিশ্চিত। প্ৰশ্ন কাকত হিন্দী হোৱাৰ মূলতেই অসম চৰকাৰে যে খালী হৈ থকা পদসমূহত বহিঃৰাজ্যৰ প্ৰাৰ্থীক চাকৰিত মকৰল কৰিব বিচাৰিছে সেয়া স্পষ্ট হৈছে। আনহাতে, যদিহে ৰাজ্যখনৰ ভিন্ন বিভাগত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত বহিঃৰাজ্যৰ হিন্দী ভাষী প্ৰাৰ্থীক চাকৰিত মকৰল কৰা হয় তেন্তে অসম চৰকাৰে অসমীয়া ভাষাক যে নিঃশেষ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে সেয়া ধুৰুপ। চৰকাৰলৈ আমাৰ এক মুকলি প্ৰশ্ন- নাগপুৰৰ ওচৰত সদায় তোষামোদী আচৰণ প্ৰদৰ্শন কৰি অহা অসম চৰকাৰখনে ভাৰতবৰ্ষৰ হিন্দী বলয়ৰ ৰাজ্যসমূহ যেনে বিহাৰ, দিল্লী, হাৰিয়ানা, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ আদি ৰাজ্যসমূহত যেতিয়া এনে ধৰণৰ পদসমূহৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰে তেতিয়া অসমকে আদি কৰি অন্য ৰাজ্যৰ পৰীক্ষাৰ্থীসমূহৰ বাবে কি বিকল্প ব্যৱস্থা গ্ৰহণ কৰে। যদিহে কোনো বিকল্প ব্যৱস্থা নাথাকে, তেন্তে অসম চৰকাৰে অসমৰ অসমীয়া ভাষাটোক নিঃশেষ কৰি আৰএছএছৰ এক ভাষাৰ নীতিৰে কাম কৰিছে বুলি ক'ব লাগিব। দৰাচলতে, অসমীয়া জনসাধাৰণৰ সৰলতাৰ সুযোগ লৈ কেৱল মাত্ৰ ক্ষমতাৰ ৰাগিত চৰকাৰখনে অসমৰ ভাষা, সংস্কৃতি আৰু জাতিটোক থান-বান কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। প্ৰাথমিক বিদ্যালয়ত বহিঃৰাজ্যৰ হিন্দীভাষী শিক্ষকক নিযুক্তি দিয়াৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতে আকৌ যদি অসমৰ ভিন্ন বিভাগত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত বহিঃৰাজ্যৰ ব্যক্তিক নিযুক্তি দিয়া হয় তেন্তে অদূৰ ভৱিষ্যতে অসমত অসমীয়া ভাষা আৰু জাতিৰ কি দশা হ'ব সেয়া সময়ত ওলাই পৰিব।

## প্ৰশ্নকাকতসমূহ অসমীয়া ভাষাৰ লগতে হিন্দীত থাকিলে আপত্তি কৰিব লগা নাই

■ **জিতেন্দ্ৰ কুমাৰ জৈন,** অধ্যক্ষ, বিদ্যাঞ্চল দ্যা স্কুল, নলবাৰী



প্ৰশ্নকাকতসমূহ অসমীয়া ভাষাৰ লগতে ইংৰাজী, বাংলা আৰু বড়ো ভাষাৰ উপৰি হিন্দীত থাকিলে এনে কাৰো আপত্তি কৰিব লগা একো নাই। কিন্তু চৰকাৰৰ মানসিকতা বা কি? ইংৰাজী আৰু অসমীয়া ভাষাৰ লগতে বৰাক উপত্যকাত থকাসকলৰ বাবে বাংলা ভাষাত দিয়া কথাটো বুজিব পাৰি। কিন্তু হিন্দী ভাষাত দিয়াৰ যুক্তি বা কি? হিন্দী ভাষাক লৈ এনে আমাৰ আপত্তি কৰিব লগা একো নাই। কিন্তু হিন্দী ভাষাৰ কথা কৈ ৰাষ্ট্ৰীয়বাদৰ প্ৰসংগ আনিব খোজে। কথা নাই, বাৰ্তা নাই, বৰ্তমান চৰকাৰে ৰাষ্ট্ৰ প্ৰেমৰ দোহাই দি মানুহক আবেগিক কৰে। হিন্দী ভাষাক হিন্দু ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত এক সাঁকোৰূপে ধৰি ৰাষ্ট্ৰ প্ৰেমৰ এক ভুৱা নাটক ৰচনা কৰিব খোজে। বিশেষকৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাগপুৰস্থিত কাৰ্যালয়ৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি সুবিধা আদায় কৰিব খোজে। সেয়েহে আমি ক'ব খোজো যে অহেতুক প্ৰীতি দেখুওৱা কথাটো মুঠেই ভাল নহয়। সময়ে সময়ে চৰকাৰে এনে নাটক ৰচনা কৰি ৰাজনৈতিক মুনাফা আদায় কৰিব খোজা কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে। অসমত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে প্ৰশ্নকাকতসমূহ হিন্দীত দিয়াৰ বিশেষ কাৰণ আমি ধৰিব পৰা নাই। অসমত হিন্দী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যাও নিচেই কম। হাইস্কুল শিক্ষান্ত পৰীক্ষাত হিন্দী মাধ্যমৰ পৰা অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজীত দিয়া প্ৰশ্নকাকতৰ সহায় লয়। তেনেহ'লে কি কাৰণত এই চাকৰিৰ বাবে যুগুত কৰা প্ৰশ্নকাকত হিন্দীত দিয়াৰ কথা চিন্তা কৰিছে? আমি এযাৰ কথা মন কৰিছো যে চৰকাৰৰ এনে ধৰণৰ হুৰমূৰীয়া সিদ্ধান্তৰ বাবে গোটেই ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি হয়। এচাম অন্ধ ভক্তসকলে যুক্তি তৰ্ক পৰিহাৰ কৰি হয়ভৰ দি থকাৰ ফলত চৰকাৰৰ এনে ভূমিকা দেখা যায়। কোনো শিক্ষাবিদ বা ভাষাবিদৰ লগত আলাপ-আলোচনা নকৰি মাজে সময়ে চৰকাৰৰ এনে স্বেচ্ছাচাৰী মনোভাৱে সচেতন মহলক সচকিত কৰি আহিছে। আমি ভাবো চৰকাৰে একপক্ষীয়ভাৱে কেবিনেটত এনে কোনো সিদ্ধান্ত ল'ব নালাগে যি সিদ্ধান্তই অসমৰ বৌদ্ধিক বিকাশত বাধা হয়।

## অসমৰ শত্ৰু নে অসমীয়াৰ শত্ৰু

■ **মুকুল গোস্বামী,** লেখক

**আমি** কলেজ-বিশ্ববিদ্যালয়ত পঢ়ি থাকোতে বিভিন্ন সংস্থা, অনুষ্ঠানে কোৱা কথাবোৰে আমাৰ মনলৈ ভাব আনিছিল যে অসমৰ বাহিৰৰ বহু শক্তিয়ে অসমৰ বিৰুদ্ধে অহৰহ শত্ৰুতা কৰি থাকে। কিন্তু লাহে লাহে বুজিবলৈ ধৰিলো যে অসমত প্ৰতিশত্ৰুতাতকৈ অসমীয়াৰ প্ৰতিহে শত্ৰুতা প্ৰবল। এইক্ষেত্ৰত যোৱা চাৰিটা দশকত শত্ৰুতা প্ৰবল হ'ল। আটাইতকৈ ডাঙৰ কথা অসমীয়াৰ প্ৰতি শত্ৰুতাৰ ক্ষেত্ৰত জ্ঞাতে অজ্ঞাতে খোদ অসমীয়াৰ ভূমিকাহে যে বেছি সেয়া লাহে লাহে স্পষ্ট হ'বলৈ ধৰিছে। সৌ সিদিনা বিদ্যালয়ৰ বিশেষ শ্ৰেণীত অসমীয়া ভাষা আঁতৰোৱাৰ কথা হ'ল। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমীয়া প্ৰশ্নকাকত এলাগী হ'ল। এনেকুৱা ভয়ানক কথাত সমগ্ৰ অসমৰ সাহিত্যিক, বুদ্ধিজীৱী, জাতীয় অনুষ্ঠান এক হৈ এক প্ৰতিৰোধ গঢ়িব লাগিছিল সেয়া নহ'ল। কিয় সকলো গুজৰি নুঠিল।



সম্প্ৰতি অসমৰ চাকৰিৰ পৰীক্ষাত হিন্দী প্ৰশ্নকাকত অন্তৰ্ভুক্ত হোৱাৰ কথা বহুলভাৱে প্ৰচাৰিত হৈছে। ভাৰতবৰ্ষৰ কোনখন ৰাজ্যৰ নিজা পৰীক্ষাত হিন্দী প্ৰশ্নকাকত সন্নিবিষ্ট হৈছে? আছেনে উদাহৰণ? দক্ষিণ ভাৰতৰ কোনোবা ৰাজ্যত এনে কথা সম্ভৱ হ'বনে? কলকাতাত সম্ভৱ হ'বনে? কোন দ্ৰোহীৰ মনত প্ৰথমে এনে জাতিদ্ৰোহী কথা মনলৈ আহিল। এটা অযুগুত আৰু অপৰাধ সদৃশ কথাত যদি অসমীয়া বুদ্ধিজীৱী, সাহিত্যিক, জাতীয় অনুষ্ঠান গৰজি নুঠে তেনেহ'লে অসমীয়া জাতিৰ বিপদ কালত শতৰুৰ লগত তেওঁলোক জড়িত বুলি প্ৰমাণ হ'ব। এটা কথা আমি লক্ষ্য কৰিছো যে এনেধৰণৰ বিপৰ্যয়ৰ বেলাত প্ৰতিবাদ-প্ৰতিৰোধৰ ক্ষেত্ৰ অসমৰ চিনাকি অনুষ্ঠান একগোট নহয়। এই কথাটো অসমীয়া বিৰোধী শক্তিয়ে লক্ষ্য কৰিছে। অসমৰ চৰকাৰী পৰীক্ষাত হিন্দী প্ৰশ্নকাকত অন্তৰ্ভুক্ত হোৱা মানে অসমৰ বাহিৰৰ মানুহক মাতি অনা। তেওঁলোকক চাকৰি দিম বুলি আহ্বান কৰা। অসমৰ স্থানীয় বড়ো, কাৰ্বি, তিৱা, মিচিংসহ অসমীয়া সকলোকে পৰীক্ষা মণ্ডলৰ পৰা আঁতৰাই ৰখা। সমগ্ৰ সিদ্ধান্তটো অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ পৰিপন্থী। সমগ্ৰ অসমে বিৰোধ কৰি বিহ পুলি উঘালি পেলাব লাগে। যদিহে এই ব্যৱস্থাই লক্ষ লক্ষ অসমীয়া বা তিৱা-বড়ো-কাৰ্বি ল'ৰাক চাকৰি পোৱাৰ পৰা বঞ্চিত কৰে, তেনে অসমত দাবানল জ্বলিব। সংশ্লিষ্ট সকলো সাৱধান হওক। অসমৰ চাকৰিত হিন্দী প্ৰশ্নকাকতৰ কথাটোৱে এক ষড়যন্ত্ৰ। ৰাইজে প্ৰতিৰোধ গঢ়ক।

## স্থানীয় যুৱক-যুৱতীৰ মুখৰ ভাত কাঢ়ি নিব

■ **দুলাল নাথ,** সাহিত্যকৰ্মী, ঠেলামৰা



স্বাধীনতাৰ পাছত ভাষাৰ ভিত্তিক আমাৰ প্ৰদেশবোৰ গঠন হৈছিল। মহামানৱ মহাত্মা গান্ধীৰ সৱল নেতৃত্বত হিন্দী আমাৰ ৰাষ্ট্ৰভাষা হৈছিল যদিও দক্ষিণ ভাৰতত ইয়াৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদ হৈছিল। সঁচা অৰ্থত ক'বলৈ হ'লে দক্ষিণ ভাৰতত আজিও হিন্দী কোৱা লোকৰ সংখ্যা নিচেই তাকৰ আৰু সেইসমূহ ঠাইত স্থানীয় ভাষা আৰু ইংৰাজী ভাষাৰ প্ৰচলনেই সৰ্বাধিক। হিন্দী ভাষাটো তেওঁলোকে ব্যৱহাৰিক দিশত বিশেষ গুৰুত্ব নিদিয়াৰ বাবে দক্ষিণ ভাৰতত আজিও স্থানীয় ভাষাৰ মান-মৰ্যাদা শিখৰত তুলি ধৰি ৰাখিব পাৰিছে। এই বাবেই দক্ষিণ ভাৰতক আন ৰাজ্যৰ লোকসকলে নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি সচেষ্ট হোৱাৰ বাবে শ্ৰদ্ধা কৰে। তদ্ৰূপ ধৰণে আমি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰেক্ষাপটলৈ যদি লক্ষ্য কৰো তেন্তে প্ৰতিখন ৰাজ্যতেই নিজৰ নিজৰ স্থানীয় ভাষাৰ উপৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিশেষভাৱে সমাদৃত হৈছিল। বিশেষকৈ অৰুণাচলত অসমীয়া মানুহে কে'বাদিন খোজকাঢ়ি দুৰ্গম অঞ্চলত বিদ্যালয়ৰ প্ৰতিষ্ঠা কৰি অসমীয়া ভাষাৰে অৰুণাচলীসকলক শিক্ষিত কৰি তুলিছিল। কালক্ৰমত হিন্দী ভাষাৰ আগ্ৰাসনে অৰুণাচলত অসমীয়া ভাষা বৰ্তমানে একপ্ৰকাৰে বিতাড়িত হৈছে বুলি ক'লেও ভুল কোৱা নহয়। হিন্দী ভাষাৰ আগ্ৰাসনে এতিয়া অৰুণাচলত অসমীয়া ভাষাৰ কথা বাদেই দিলো স্থানীয় ভাষাও নিশ্চিহ্ন হোৱাৰ পথত। ইয়াৰ ইয়াৰ উপৰি অসমৰ যিবোৰ অঞ্চলত বিশেষকৈ সামৰিক ঘাটি বা অৰ্ধসামৰিক অঞ্চল আছে সেই অঞ্চলত যোগাযোগৰ বাবে হিন্দী ভাষাক প্ৰাধান্য দিয়া হয়। কালক্ৰমত সেই অঞ্চলসমূহত হিন্দী ভাষা ইমানকৈ শিপাইছে যে স্থানীয় লোকসকলে নিজৰ ভাষা এৰি হিন্দী ক'বলৈ আৰম্ভ কৰি যাৰ ফলস্বৰূপে আমাৰ স্থানীয় ভাষাবোৰ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰি মাধ্যমিক স্তৰত বিদ্যালয়সমূহত ঐচ্ছিক বিষয়ত পূৰ্বতে ঐচ্ছিক অসমীয়া, আৰবী, সংস্কৃত, ঐচ্ছিক অংক পাঠদান হৈছিল। কিন্তু বৰ্তমানে মাধ্যমিক স্তৰৰ এই বিদ্যালয়সমূহত ঐচ্ছিক ভাষাৰ ক্ষেত্ৰতো ভয়াবহতাৰ দিশে আগবাঢ়িছে কিয়নো ঐচ্ছিক বিষয় হিন্দীৰ পৰিৱৰ্তে আন বিষয়বোৰ গ্ৰহণ নকৰাৰ বাবে বাকী বিষয়বোৰ বন্ধ হোৱাৰ উপক্ৰম হৈছে। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত হিন্দী ভাষা আমাক লাগিব কিন্তু ৰাজ্যিক ক্ষেত্ৰত অসমত বিশেষকৈ অসমীয়াকে ধৰি আন স্থানীয় ভাষাৰ গভীৰ সংকটৰ দিশে আগবাঢ়িছে বুলি মই বিশ্বাস কৰো। ৰাজনৈতিক দিশৰ ক্ষেত্ৰতো একেই। হিন্দী বলয়ৰ ৰাজনীতিয়ে আমাৰ আঞ্চলিক ৰাজনীতিক সমূলঞ্চে ধ্বংস কৰিছে ই সৰ্বজন বিদিত। কিছুদিন পূৰ্বে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানাৰ হিন্দীভাষী শিক্ষকক নিযুক্তি প্ৰাথমিক বিদ্যালয়ত দি এক অৰাজকতাৰ পৰিৱেশৰ সৃষ্টি হৈছিল। বৰ্তমানেও অসমত চাকৰিত হিন্দী প্ৰশ্ন এই বিষয়টোৰ অন্তৰালত গভীৰ ষড়যন্ত আছে যে মোৰ মনে ধৰে। হিন্দী প্ৰশ্নকাকতে বহিৰাগত প্ৰাৰ্থীয়ে বেছি প্ৰাধান্য লাভ কৰিব যাৰ বাবে আমাৰ স্থানীয় অসমত বসবাস কৰা প্ৰাৰ্থী কিছু কিছু ক্ষেত্ৰত বঞ্চিত হ'ব আৰু এই ব্যৱস্থাই অদূৰ ভৱিষ্যতলৈ অসমীয়া ভাষাৰ প্ৰতি প্ৰত্যাহ্বান সন্মুখীন হোৱাৰ লগতে স্থানীয় যুৱক- যুৱতীৰো মুখৰ ভাত কাঢ়ি নিয়াৰ এক প্ৰৱণতা গঢ়ি উঠিব।

# স্বৰ্গদেউ চাওল্যুং ছ্যুকাফা চিকিৎসালয়ৰ উদ্যোগত ডিমৌ প্ৰেছ ক্লাবৰ সহযোগত স্বাস্থ্য সজাগতা সভা



অগ্ৰদূত বাৰ্তা
**ডিমৌ, ২০ আগষ্ট ঃ** ডিমৌত আজি তথা ডিমৌ সমীপৰ নিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰজাবাৰীস্থিত স্বৰ্গদেউ চাওল্যুং ছ্যুকাফা চিকিৎসালয়ৰ উদ্যোগত আৰু ডিমৌ প্ৰেছ ক্লাবৰ সহযোগত এখন স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত কৰা হয়। ডিমৌ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক শেখৰজ্যোতি দুৱৰীয়ে আঁত ধৰা এই স্বাস্থ্য সজাগতা সভাত বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বাস্থ্য সজাগতা অৰ্থে ৰজাবাৰীস্থিত স্বৰ্গদেউ চাওল্যুং ছ্যুকাফা চিকিৎসালয়ৰ হৈ সুপ্ৰিয়া দত্ত দাস আৰু প্ৰসূতি বিভাগৰ চিকিৎসক আনন্দা ঘটক, নাৰ্ছ প্ৰণামী কোঁৱৰ আৰু নাৰ্ছ ৰশ্মিপ্ৰিয়া গগৈয়ে সভাত উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক স্বাস্থ্যৰ প্ৰতি কেনেকৈ যতন ল'ব লাগে আৰু স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ইয়াৰ উপৰি স্বাস্থ্য সজাগতা সভাত বিদ্যালয়খনৰ অধ্যক্ষ বীৰেন বৰুৱা, মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপক তথা ডিমৌ প্ৰেছ ক্লাবৰ সভাপতি অজয় কুমাৰ গগৈ, পৰিচালনা সমিতিৰ সভাপতি মুনিন দিহিংগীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক ফুলেশ্বৰ সন্দিকৈয়ে ছাত্ৰ-ছাত্ৰীসকলক স্বাস্থ্য সম্পৰ্কীয় মতামত দাঙি ধৰে। ইপিনে, পৰৱৰ্তী সময়ত স্বৰ্গদেউ চাওল্যুং ছ্যুকাফা চিকিৎসালয়ৰ কৰ্তৃপক্ষই আন কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত কৰিব বুলিও সদৰী কৰে।

**জালিয়াতি গাপ ঃ ৰঙাপৰাত অনিয়ম**

# জল জীৱন আঁচনি ৰূপায়ণত শোণিতপুৰত লেহেমীয়া গতি

স্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২০ আগষ্ট ঃ** জলজীৱন আঁচনিৰ ৰূপায়ণৰ নামত একাংশ ঠিকাদাৰৰ মইমতালি চলি অহাৰ সময়তে শোণিতপুৰত জলজীৱন আঁচনিৰ একাংশ ৰূপায়ণৰ ক্ষেত্ৰত হোৱা বিসংগতিৰ প্ৰতি কোনো গুৰুত্ব নাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ। উল্লেখ্য যে ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰজুলি চাহ বাগিচাৰ চাৰি নম্বৰ লাইনত জলজীৱন অভিযানৰ এক আঁচনি ৰূপায়ণত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ হোৱা অভিযোগ উত্থাপন হোৱাই নহয়, ইয়াকে লৈ স্থানীয় ৰাইজ ক্ষুব্ধ হৈ পৰা সত্ত্বেও বিভাগে ঠিকাদাৰৰ প্ৰতি সদয় হৈ তেনে কামতেই সহযোগিতা আগবঢ়ালে। অভিযোগ অনুসৰি, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তেজপুৰ সংমণ্ডলৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনিৰ কামত অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰা হৈছে। পানীৰ টেংকিকে ধৰি আঁচনিৰ চৌহদৰ পকী দেৱাল তথা পাম্প গৃহ আদিৰে ৮০ লাখৰ পৰা কোটিৰ অধিক টকা ব্যয় হোৱা এই আঁচনিত ব্যৱহৃত ইটাসমূহৰ কোনো মান নাই বুলি অভিযোগ উঠিছিল। পেলোৱাৰ সময়ত খণ্ড-বিখণ্ড হোৱা এই ইটাসমূহৰ বাবে ঠিকাদাৰক একাংশ লোকে আপত্তি জনোৱা সত্ত্বেও ঠিকাদাৰে গুৰুত্বই নিদিলে। আনকি ৰাইজে উত্থাপন কৰা এনে অভিযোগৰ পৰা কোনো লাভ নহ'ব বুলিও ঠিকাদাৰে উপলুঙা কৰিছিল বুলি অভিযোগ উঠিছিল আৰু বাস্তৱতো সেয়াই সম্ভৱ হৈছে। বিভাগীয়ভাৱে এই নিম্নমানৰ কামৰ কোনো তদন্তই নহ'ল আৰু সেই মানহীন ইটাৰেই প্ৰয়োজনীয় নিৰ্মাণ কাৰ্য সম্পন্ন কৰে ঠিকাদাৰে। উল্লেখ্য যে শোণিতপুৰৰ বিভিন্ন স্থানত জলজীৱন মিছনৰ আঁচনিৰ ৰূপায়ণত বিসংগতি পোহৰলৈ আহিছিল। ইয়াৰ পূৰ্বে তেজপুৰৰ আমোলাপামত এটা টেংকি নিৰ্মাণৰ পাছতে ভাঙি পৰিছিল। আনহাতে, কুন্দাৰবাৰীৰ এটা প্ৰকল্প প্ৰকৃত ঠিকাদৰৰ পৰিৱৰ্তে আন ঠিকাদাৰে ৰূপায়ণ কৰা বুলি তেজপুৰস্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগতে কৰ্মৰত এজন কৰ্মচাৰীয়ে জলিয়াতিৰে প্ৰমাণপত্ৰ দিছিল যদিও এই বিষয়ে সকলো জনা সত্ত্বেও এইজন কৰ্মচাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ইয়াৰ বিপৰীতে বিভাগীয়ভাৱে এই জালিয়াতি গাপ দিয়াৰহে চেষ্টা চলিল। উল্লেখ্য যে সমগ্ৰ জিলাখনতে জলজীৱন আঁচনিৰ অৰ্ধশতাধিক আঁচনিৰ কাম অতি লেহেমীয়া গতিত চলি আছে। একোখন আঁচনি ঠিকাদাৰে তিনিমাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগে। যদিও বিভাগীয়ভাৱে সোপাটিলা স্থিতিৰ সুযোগ লৈ বহু সংখ্যক ঠিকাদাৰে এনে আঁচনিৰ কাম দীৰ্ঘদিন পেলাই থোৱাৰ পাছত বৰ্তমান এনে একাংশ ঠিকাদাৰক বিভাগীয়ভাৱে কৈফিয়ৎ তলৰ কৰিবলগীয়া হৈছে। ৰঙাপৰাৰ বৰজুলি চাহ বাগিচাৰ চাৰি নম্বৰ লাইনৰ আঁচনিত ব্যৱহৃত ইটাকে ধৰি কেতবোৰ সামগ্ৰীৰ মান পৰীক্ষা তথা তদন্তৰ দাবী উঠিছিল যদিও আঁচনিৰ কাম খৰতকীয়া কৰাৰ অছিলা লৈয়েই বিভাগীয় অনুগ্ৰহত সেইসকলো বিষয়েই ইচ্ছাকৃতভাৱে তল পেলোৱা হ'ল। কেৱল এইটো আঁচনিয়েই নহয়, ৰঙাপৰাত জলজীৱন মিছনৰ আৰু ভালেসংখ্যক আঁচনি ৰূপায়ণৰ কাম অতি লেহেমীয়া গতিত চলিছে। নিৰ্ধাৰিত সময়তকৈ যথেষ্ট পলমকৈ আৰম্ভ কৰা এই আঁচনিৰ বহুকেইটাৰ কামতে উপযুক্ত মানৰ ইটা-বালি ব্যৱহাৰ নকৰাৰ অভিযোগ উঠিছে যদিও এইবোৰৰ প্ৰতি মন-কাণ দিয়াৰ বাবে সময় নাই বিভাগীয় কৰ্তৃপক্ষ। কেৱল সিমানেই নহয়, জলজীৱন আঁচনি ৰূপায়ণ কৰাৰ বাবে ৰঙাপৰাত স্থানীয় লোকৰ মূল্যৱান মাটি লোৱাৰ পাছত তেনে লোকক প্ৰৱঞ্চনা কৰাৰো গুৰুতৰ অভিযোগ উঠিছে। তেজপুৰতো বহুকেইখন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত কোনো কামেই আগবঢ়া নাই।

**উপযুক্ত চিকিৎসা নাপালে হেৰুৱাব লাগিব এখন ভৰি**

# জটিল ৰোগত আক্ৰান্ত নগাঁৱৰ খালৈগাঁৱৰ ছাত্ৰী



অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ২০ আগষ্ট ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ হাতীচোং মৌজাৰ খালৈগাঁৱৰ এগৰাকী ছাত্ৰী এক জটিল ৰোগত আক্ৰান্ত হৈছে। বটদ্ৰৱা বিধানসভা সমষ্টিৰ কাকমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত খালৈগাঁৱৰ ছোৱালীজনীৰ নাম গীতাশ্ৰী লাহন। ২০২১ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ হাতীচোং মহাবিদ্যালয়ৰ স্নাতক শাখাত নামভৰ্তি কৰিছিল ছাত্ৰীগৰাকীয়ে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে বহু আশা থকা ছাত্ৰীগৰাকীয়ে ৰোগৰ বাবে বৰ্তমানলৈকে যাব পৰা নাই মহাবিদ্যালয়লৈ। দুখীয়া পৰিয়ালৰ এই ছাত্ৰীগৰাকীৰ ভৰিত দেখা দিছে এক জটিল ৰোগে। ছমাহমান পূৰ্বে ভৰিত মোচোকা খোৱাৰ পাছতেই আৰম্ভ হয় এই ৰোগটো। নগাঁও চহৰৰ চিকিৎসালয়ত ৰোগটো ধৰা নপৰাৰ বাবে গুৱাহাটীলৈ লৈ যোৱা হৈছিল ছাত্ৰীগৰাকীক। গুৱাহাটীৰ চিকিৎসালয়ত ভৰিত টিউমাৰ হৈছে বুলি চিকিৎসকে জানিবলৈ দিয়ে। পৰিয়ালৰ লোকে এবাৰ অস্ত্ৰোপচাৰৰ পদক্ষেপ লয় যদিও বৰ্তমানলৈকে ভাল হোৱা নাই ৰোগটো। খেতি-বাতি কৰি কোনো মতে ভৰণ-পোষণ দি অহা ছোৱালীগৰাকীৰ পিতৃ প্ৰদীপ লাহনৰো ছমাহমান পূৰ্বে মৃত্যু হয়। মাতৃৰ স'তে বৰ্তমান সাতজনীয়া পৰিয়ালটোৰ জ্যেষ্ঠ কন্যা মণিকা লাহনে এটা ব্যক্তিগত খণ্ডত চাকৰি কৰি ভনীয়েকৰ চিকিৎসাৰ নামত বহু টকা ব্যয় কৰি উপায়ান্তৰ হৈ পৰিছে। গুৱাহাটীৰ চিকিৎসালয়ৰ চিকিৎসকৰ মতে ভৰিখন কাটি দিলেহে ছাত্ৰীগৰাকী এই জটিল ৰোগৰ পৰা মুক্ত হ'ব। অন্যথা এই ৰোগবিধ সমগ্ৰ শৰীৰলৈ বিয়পিব। ভৰিখন নকটাকৈ অস্ত্ৰোপচাৰ কৰিবলৈয়ো বহু টকাৰ প্ৰয়োজন। গাঁওখনৰ কণ কণ ল'ৰা-ছোৱালীয়ে কেইটামানে ওচৰ-চুবুৰীয়াৰ ঘৰে ঘৰে গৈ ছাত্ৰীগৰাকীৰ চিকিৎসাৰ বাবে অৰ্থ সংগ্ৰহ কৰিছে। উপায়ান্তৰ হৈ পৰিয়ালটোৱে এতিয়া ৰাজ্য চৰকাৰৰ লগতে ৰাইজ তথা হৃদয়বান লোকৰ সহায় বিচাৰিছে। কোনো লোকে যদি সহায় কৰিব বিচাৰে ছাত্ৰীগৰাকীৰ তলত উল্লিখিত মাতৃৰ একাউণ্টত সহায় কৰিব পাৰে। (বিনীতা লাহন, এছ বি আই একাউণ্ট নম্বৰ ৩৬৩৬৪০৭৫৮৯৫, আইএফচি, এছ বি আই এন ০০০২১০৩)।

**এজন মানুহক স্মৃতিৰ পটলৈ অনা হয় মানুহজনৰ যেতিয়া সমাজত প্ৰচুৰ অৱদান থাকে**

# সোণকুৰিহাত নাট্যকাৰ কুমুদ চন্দ্ৰ শৰ্মাৰ স্মৃতিচাৰণ



অগ্ৰদূত বাৰ্তা
**নলবাৰী/বাহাৰঘাট, ২০ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰভাগৰ মৌৰা গাঁও নিবাসী নাট্যকাৰ, পৰিচালক, সমাজ সংগঠক, সমাজকৰ্মী কুমুদ চন্দ্ৰ শৰ্মাৰ আজি প্ৰথম মৃত্যু বাৰ্ষিকীত প্ৰদীপ চক্ৰৱৰ্তী সম্পাদিত শৰ্মাৰ জীৱন আৰু কৃতীৰ আধাৰত ৰচিত 'নাট্যসিন্ধু' গ্ৰন্থখন উন্মোচন কৰাৰ লগতে স্মৃতিচাৰণ কৰা হয়। গ্ৰন্থ উন্মোচন কৰি নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি, নাট্যকাৰ-সাংবাদিক ধ্ৰুৱজ্যোতি শৰ্মাই কয় যে এজন মানুহ স্মৃতিৰ পটলৈ অনা হয় যেতিয়া মানুহজনৰ সমাজত প্ৰচুৰ অতুলনীয় অৱদান থাকে। তেওঁ আৰু কয় যে শক্তি আৰু ভক্তি নাথাকিলে কোনো মানুহে শ্ৰেষ্ঠত্ব লাভ কৰিব নোৱাৰে। তেওঁ কুমুদ চন্দ্ৰ শৰ্মাৰ নাট্যশৈলী নৱ প্ৰজন্মক জীয়াই ৰাখিবলৈ আহ্বান জনায় কাৰণ নাটকে এখন সমাজ গঢ় দিয়াত যথেষ্ট সহায় কৰে। তেওঁ আৰু কয় যে গ্ৰন্থত সমকালীন প্ৰতিচ্ছবি থাকিলে গ্ৰন্থ যুগৰ পৰা যুগলৈ বৰ্তি থাকে। সোণকুৰিহা যুৱকজ্যোতি সংঘৰ উদ্যোগত সংঘৰ প্ৰেক্ষাগৃহত সংঘৰ কাৰ্যকৰী সভাপতি ফণীন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত নাট্যকাৰ ধীৰেন ভট্টাচাৰ্য, দ্বীপেন শৰ্মা, ভূপেন তালুকদাৰ, ডাঃ বিপিন চন্দ্ৰ কলিতা, যোগেন্দ্ৰ গোস্বামী আদি কৰি কে'বাজনো ব্যক্তিয়ে শৰ্মাৰ ব্যক্তিত্বৰ স্মৃতি চাৰণ কৰে। অশ্বিনী ভট্টই উদ্দেশ্য ব্যাখ্যা কৰা সভাখন উদ্বোধন কৰে চিকিৎসক ভূপেশ চন্দ্ৰ শৰ্মাই। সভাৰ পূৰ্বে কুমুদ চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সহধৰ্মিণী প্ৰতিভা শৰ্মা আৰু সোণকুৰিহা যুৱকজ্যোতি সংঘৰ উপ-সভাপতি সুৰেন্দ্ৰ নাথ শৰ্মাই। সভাত কে'বাগৰাকী নবীন-প্ৰবীণ শিল্পীয়ে গীত পৰিবেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# শান্তিপুৰত পূব কাৰ্বি আংলং জিলা গোৰ্খা সন্মিলনৰ অধিবেশন আৰম্ভ

অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ২০ আগষ্ট ঃ** অসমীয়া গোৰ্খাসকলক একত্ৰিত কৰি বলিষ্ঠ নেতৃত্ব প্ৰদান কৰি অহা অসম গোৰ্খা সন্মিলনৰ উল্লেখযোগ্য এখন জিলা সমিতি হৈছে পূব কাৰ্বিআংলং জিলা। প্ৰতিষ্ঠাকালৰ সময়ৰে পৰা কাৰ্বি আংলঙৰ গোৰ্খাসকলক সামাজিকভাৱে প্ৰতিষ্ঠা কৰাৰ লগতে ন্যায্যপ্ৰাপ্য আদায়ৰ ক্ষেত্ৰতো পূব কাৰ্বি আংলং জিলা সমিতিয়ে বিশেষ গুৰুত্ব সহকাৰে কাম কৰি আহিছে। এই পূব কাৰ্বি আংলং জিলা অসম গোৰ্খা সন্মিলনৰ সমিতিখনে ইতিমধ্যে তিনিবছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰাত অধিবেশনযোগে পুনৰ নতুন সমিতি গঠনৰ যো-জা চলোৱা হৈছে। সেই উপলক্ষে অসম গোৰ্খা সন্মিলন পূব কাৰ্বি আংলং জিলাৰ অষ্টম ত্ৰি-বাৰ্ষিক অধিবেশন আজিৰে পৰা বৰ্ণাঢ্য দুদিনীয়া কাৰ্যসূচীৰে শান্তিপুৰ-খাকৰাজানত অনুষ্ঠিত হৈছে। ৩১ সংখ্যক নেপালী ভাষা মান্যতা দিৱসৰ স'তে সংগতি ৰাখি আয়োজিত এই অধিবেশনৰ কাৰ্যসূচী অনুসৰি, পুৱা জিলা গোৰ্খা সন্মিলনৰ সভাপতি কেশৰ ছেত্ৰীয়ে পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰিব আদৰণি সমিতিৰ সভাপতি টেগ বাহাদুৰ ছেত্ৰীয়ে। ইয়াৰ পাছত প্ৰতিনিধি পঞ্জীয়ন তথা প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব বিশিষ্ট সাহিত্যিক ছবিলাল চুব্বাই। ইপিনে, কাইলৈৰ কাৰ্যসূচী অনুসৰি, পুৱা বৃক্ষৰোপণ কৰিব জিলা গোৰ্খা সন্মিলনৰ সম্পাদক তীৰ্থ ছেত্ৰীয়ে। তদুপৰি, চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, মহিলাসকলৰ মাজত 'দুনা-টপৰা' (বিশেষ ধৰণৰ পাতেৰে তৈয়াৰী পাত্ৰ) প্ৰস্তুতৰ প্ৰতিযোগিতা, জলপান প্ৰস্তুতৰ প্ৰতিযোগিতা, বাটি প্ৰস্তুতৰ প্ৰতিযোগিতাকে ধৰি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। বিয়লি বহুভাষিক কবি সন্মিলন শান্তিপুৰৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী নিৰ্মল সিঙৰ সঞ্চালনাত অনুষ্ঠিত হ'ব। আবেলি পূব কাৰ্বি আংলং জিলা গোৰ্খা সন্মিলনৰ সভাপতি কেশৰ ছেত্ৰীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। সভাত আদৰণি সমিতিৰ সভাপতি ছেত্ৰীয়ে আদৰণি ভাষণ প্ৰদান কৰিব। সভাত মুখ্য আকৰ্ষণৰূপে উপস্থিত থাকিব 'ভইচ অৱ কাৰ্বি আংলং' অনুপমা খাতী। অতিথিৰূপে অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নুমল ম'মিন, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, মুখ্য অতিথিৰূপে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সভাপতি কৃষ্ণ ভূজেল, নিৰ্দিষ্ট বক্তাৰূপে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সাধাৰণ সম্পাদক লক্ষ্মী সেঁডাই, বিশিষ্ট অতিথিৰূপে অসম গোৰ্খা সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি প্ৰেম শৰ্মা, সাধাৰণ সম্পাদক জগদীশ খনাল, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সদস্য সূৰ্য ৰংফাৰ, ৰিচাৰ্ড টক্‌বি, মাধুৰ্য ঢেকিয়াল ফুকন, প্ৰাক্তন উপাধ্যক্ষ লোকনাৰায়ণ চুব্বা, সদস্য কৃষ্ণ বাহাদুৰ ভট্টৰাই আদি কৰি অনেক লোকে অংশগ্ৰহণ কৰিব।

# দেৱবালা দত্তৰ স্মৃতিচাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা
**গৌৰীসাগৰ, ২০ আগষ্ট ঃ** আমগুৰি সমষ্টিৰ একালৰ কংগ্ৰেছৰ প্ৰয়াত বিধায়ক কীৰ্তি দত্তৰ পত্নী তথা উদ্যোগী মহিলা দেৱবালা দত্তৰ আজি পৱিত্ৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নিজ বাসগৃহত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই উপলক্ষে পৰিয়ালবৰ্গই প্ৰস্তুত কৰি উলিওৱা স্মৃতি পত্ৰিকাখন উন্মোচন কৰে চাৰিং শশীধৰ ফুকন বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অন্নদা দত্তই। আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী ভূপেন নাথে দেৱবালা দত্তৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে। শিক্ষক উৎপল ভৰালীয়ে আঁত ধৰা অনুষ্ঠানত দিখৌমুখ মহাবিদ্যালয়ৰ উপাধ্যক্ষ পৱিত্ৰ কুমাৰ দত্ত, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক তথা বেচৰকাৰী অনুষ্ঠান কৃষক ন্যাসৰ সভাপতি ড° অৰুণ চাংকাকতি, গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক মনজিৎ ফুকন, সুলেখক, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক প্ৰশান্ত কুমাৰ নেওগ আৰু গৌৰীসাগৰ সিংখাপ মহিলা সমিতিৰ সভানেত্ৰী ৰুণুমী বৰাই দেৱবালা দত্তৰ জীৱন আৰু কৰ্মৰ এক চমু আলোকপাত কৰাৰ লগতে অতি সৰলমনা এইগৰাকী সমাজসেৱিকাৰ মৃত্যুৱে বৃহত্তৰ গৌৰীসাগৰ অঞ্চলটোত এক শূন্যতাৰ সৃষ্টি কৰিলে বুলি বক্তাসকলে মন্তব্য কৰে। ইয়াৰ পূৰ্বে জ্যেষ্ঠ পুত্ৰ তথা চাৰিং দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰাঞ্জল দত্তই উপস্থিত সকলোকে সাদৰ সম্ভাষণ জনায়। অনুষ্ঠানত ডজকাইচুক মৌজা কোচ ৰাজবংশী সন্মিলনী, গৌৰীসাগৰ বৈদিক বৈষ্ণৱ সমাজ, গৌৰীসাগৰ বৰনামঘৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলকে ধৰি একাধিক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ চাৰিদিনীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী আৰম্ভ



অগ্ৰদূত বাৰ্তা
**আজাৰা, ২০ আগষ্ট ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ কাঁহিকুছিস্থিত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ কালিৰে পৰা আৰম্ভ হোৱা বছৰজোৰা সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনা পুৱা পতাকা উত্তোলন কৰে সমিতিৰ সভাপতি ধীৰেন্দ্ৰ নাথ চৌধুৰীয়ে। কৃষি বিজ্ঞান কেন্দ্ৰ, কামৰূপৰ মুখ্য বিজ্ঞানী ড° ধীৰেন্দ্ৰ নাথ কলিতাই উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত সত্ৰীয়া নৃত্য বিহু, কাৰ্বি আদি কৰি নৃত্যৰ দলে অংশগ্ৰহণেৰে আকৰ্ষণীয় কৰি তোলে। দুপৰীয়া থিয় নাম পৰিবেশন আৰু সন্ধিয়া ভাগৱত পাঠ কৰা হয়। ইয়াৰ পূৰ্বে কালি পুৱা সামূহিক চাফাই, বৃক্ষৰোপণৰ পাছত সন্ধিয়া সুচেন্দ্ৰ নাথ ডেকাই বন্তি প্ৰজ্বলন কৰে আৰু নিশা নাম-প্ৰসংগ অনুষ্ঠিত হয়। কাইলৈ আবেলি অনুষ্ঠিত হ'ব লগা মুকলি সভাতেই স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব বুলি উদ্যোক্তাসকলে সদৰী কৰিছে।

# অসম সাহিত্য সভাৰ ষষ্ঠসপ্ততিতম নাৰায়ণপুৰ অধিবেশনৰ জনজাগৰণ সভা



অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ২০ আগষ্ট ঃ** অহা বৰ্ষৰ ৩১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে নাৰায়ণপুৰৰ খামতী পথাৰৰ মণিকাঞ্চন সংযোগ ক্ষেত্ৰত অনুষ্ঠিত হ'ব লগা অসম সাহিত্য সভাৰ ষষ্ঠসপ্ততিতম নাৰায়ণপুৰ অধিবেশন সফল কৰি তুলিবৰ বাবে আজি বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষকসকলক লৈ এখন জনজাগৰণ সভা অনুষ্ঠিত হয়। বিহপুৰীয়া কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিয়লি অনুষ্ঠিত জনজাগৰণ সভাত সভাপতিত্ব কৰে উত্তৰ লখিমপুৰ মহকুমা মজলীয়া বিদ্যালয় শিক্ষক সন্থাৰ উপ-সভাপতি ৰোমেশ্বৰ দত্তই। শিক্ষক চন্দ্ৰ চাংমায়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু শিক্ষক জয়ন্ত সোণোৱালে আঁত ধৰা সভাত বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ সহকাৰী পৰিদৰ্শক তথা অধিবেশনৰ বিত্ত উপ-সমিতিৰ উপ-সভাপতি আব্দুৰ ৰাজ্জাকে বিহপুৰীয়া শিক্ষা খণ্ডৰ অন্তৰ্ভুক্ত শিক্ষক-কৰ্মচাৰীসকলক সাহিত্য সভাৰ অধিবেশনত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা কৰিবৰ বাবে আহ্বান জনায়। সভাত অধিবেশন অতি কম সময়ৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ লোৱা বুলি উল্লেখ কৰে। ছয় কোটি ৪০শ লাখ টকা বাজেট নিৰ্ধাৰণ কৰা অধিবেশনখন সফলতাৰে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিহপুৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষক-কৰ্মচাৰীসকলৰ সহায়-সহযোগিতা কামনা কৰে। সভাত পৌৰপতি দীপশিখা বৰা, আদৰণি সমিতিৰ উপ-সভাপতি যোগেন শইকীয়া আৰু গ্ৰন্থ প্ৰকাশন সমিতিৰ সম্পাদক কুমুদ শইকীয়াই সকলোৰে সহযোগিতাইহে নাৰায়ণপুৰ অধিবেশন সৰ্বাংগ সুন্দৰ কৰি তুলিব বুলি মন্তব্য কৰে। জাগৰণ সভাত উপস্থিত শিক্ষকসকলৰ হৈ শিক্ষয়িত্ৰী দিপ্তী চেতিয়াই আগন্তুক অধিবেশন সফল কৰি তুলিবৰ বাবে পাৰ্যমানে সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত আদৰণি সমিতিৰ যুটিয়া সম্পাদক উপেন হাজৰিকা, কোষাধ্যক্ষ ৰবীন গোস্বামী, সহকাৰী সম্পাদক গৌতম কুমাৰ ভূঞা, খাদ্য উপ-সমিতিৰ সম্পাদক দেৱজিত হাজৰিকা, বিহপুৰীয়া শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি পংকজ গোস্বামী, বিহপুৰীয়া কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা বৰ্ণালী শইকীয়াৰ লগতে বহুসংখ্যক সাহিত্যানুৰাগী উপস্থিত থাকে।

# বুঢ়ীদিহিং নদীত সলিল সমাধি টেঙাখাতৰ কিশোৰী ছাত্ৰীৰ

অগ্ৰদূত বাৰ্তা
**টেঙাখাত, ২০ আগষ্ট ঃ** শলকণী মজুলিৰ বুঢ়ীদিহিং নদীত কালি সন্ধিয়া সলিল সমাধি ঘটে এগৰাকী কিশোৰী ছাত্ৰীৰ। টেঙাখাত কপহুৱা গাঁৱৰ যজ্ঞেশ্বৰ সোণোৱালৰ কন্যা তথা টেঙাখাত জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী জুপিতৰা সোণোৱালে (১৪) ঘৰৰ পৰা প্ৰায় দুই কিলোমিটাৰ দূৰত থকা বুঢ়ীদিহিং নদীৰ সৌন্দৰ্য উপভোগ কৰিবলৈ সন্ধিয়া প্ৰায় চাৰি বজাত ভ্ৰাতৃৰ স'তে ঘৰৰ পৰা ওলাই যায়। ছাত্ৰীগৰাকীয়ে ভ্ৰাতৃক পাৰত ৰাখি নদীৰ তললৈ নামি যাওঁতে পিছল খাই নদীৰ পানীৰ সোঁতত পৰি যোৱাৰ ফলতে ঘটনাটো সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। ছাত্ৰীগৰাকীয়ে পানীত ককবকাই বছোৱা বছোৱা বুলি চিঞৰাত ভায়েক নিৰুপায় হৈ দূৰত থকা এজন লোকক জনাবলৈ যায়। দুয়ো ঘূৰি আহি পাইমানে কিশোৰীগৰাকী নদীৰ বুকুত ইতিমধ্যে সন্ধানহীন হৈ পৰে। পাছত চাচনী আৰক্ষী চকীত খবৰ দিয়াত আৰক্ষী আহি ঘটনাৰ সবিশেষ বুজ লয়। সেই সময়ত নিশাৰ আন্ধাৰ হৈ পৰাত পাছদিনাৰ পুৱাই ছাত্ৰীগৰাকীৰ সন্ধান চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আজি পুৱাৰ পৰাই এন ডি আৰ এফৰ অভিযানকাৰী দলে সন্ধান চলাই যদিও বাতৰি লিখা পৰলৈকে ছাত্ৰীগৰাকীৰ সন্ধান উলিওৱাবলৈ সক্ষম হোৱা নাই। এতিয়া অঞ্চলটোৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি নদীৰ পাৰত থিয় হৈ উদ্ধাৰ কাৰ্য প্ৰত্যক্ষ কৰাৰ লগতে ছাত্ৰীগৰাকীৰ সন্ধান পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই। টেঙাখাত জাতীয় বিদ্যালয়, আঞ্চলিক ছাত্ৰ সন্থাই ঘটনাত মৰ্মাহত হৈ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। নৱম শ্ৰেণীৰ ছাত্ৰী জুপিতৰাৰ সলিল সমাধি ঘটাত টেঙাখাত জাতীয় বিদ্যালয় কৰ্তৃপক্ষ মৰ্মাহত হোৱাৰ লগতে আজি বিদ্যালয় বন্ধ ঘোষণা কৰে।

# অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**টিহু, ২০ আগষ্ট ঃ** টিহু-বৰমা শিক্ষাখণ্ডৰ অন্তৰ্গত ২০৭/১ নম্বৰ নাথকুছি প্ৰাথমিক বিদ্যালয়ত দীৰ্ঘদিন শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা সহকাৰী শিক্ষকদ্বয় গুণেশ্বৰ পাঠক আৰু কৃষ্ণকান্ত দাসক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি সৰজু হালৈৰ সভাপতিত্বত অনুষ্ঠিত আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক মাধৱ দাসে আঁত ধৰা বিদায় সভাত অৱসৰপ্ৰাপ্ত শিক্ষক চফেদ আলী, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এ'ছচিয়েছনৰ সম্পাদক কুমুদ বৰ্মন, শিক্ষয়িত্ৰীদ্বয় মঞ্জু কলিতা আৰু চন্দনা দাসে বক্তব্য ৰখাৰ উপৰি বিদায়ী শিক্ষক পাঠক আৰু দাসে বিগত কৰ্মজীৱনৰ অভিজ্ঞতা ব্যক্ত কৰি আবেগিক হৈ পৰে। সভাত বিদায়ী শিক্ষক দুজনক গামোচা, মানপত্ৰ, শৰাই ধৰ্মগ্ৰন্থ, কলম আদিৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে কৃষ্ণকান্ত দাসে যোৱা ২৮ ফেব্ৰুৱাৰীত আৰু গুণেশ্বৰ পাঠকে যোৱা ৩১ মে'ত এই বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে।

# প্ৰাক্তন ছাত্ৰ সন্মিলন গঠন

অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২০ আগষ্ট ঃ** ১৯৮৭ত স্থাপন হোৱা বঙাইগাঁও জিলাৰ গেৰুকাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ আজি প্ৰাক্তন ছাত্ৰ সন্মিলন গঠন কৰা হয়। অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিপুল কুমাৰ নাথৰ আহ্বানত অনুষ্ঠিত সাধাৰণ সভা পৰিচালনা কৰে বিদ্যালয় পৰিচালনা সমিতি আৰু উন্নয়ন সমিতিৰ সভাপতি তথা প্ৰাক্তন ছাত্ৰ কুঞ্জেমোহন ৰায়ে। অৰ্ধশতাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা সভাত সৰ্বসন্মতি ক্ৰমে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কুঞ্জমোহন ৰায়ক সভাপতি, মুকুল ৰায়, প্ৰিয়ংকা মজুমদাৰক উপ-সভাপতি, জেহেৰুল ইছলামক সাধাৰণ সম্পাদক, জগন্নাথ ৰায় আৰু ধৰিত্ৰী ৰায়ক সহকাৰী সাধাৰণ সম্পাদক, মহেন্দ্ৰ ৰায়ক কোষাধ্যক্ষৰূপে লৈ ২১জনীয়া সদস্যৰে গেৰুকাবাৰী প্ৰাক্তন ছাত্ৰ সন্মিলন গঠন কৰা হয়।

**দিহানামৰ সম্ৰাট কমলা গগৈৰ দিহানামত আপ্লুত ইন্দ্ৰপুৰৰ ৰাইজ**

# মেৰাপানীৰ ইন্দ্ৰপুৰ বৰ নামঘৰত দিহানাম-ভাগৱত ব্যাখ্যাৰ সামৰণি



অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ২০ আগষ্ট ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ শ্ৰীশ্ৰীইন্দ্ৰপুৰ নামঘৰৰ সৌজন্যত ইন্দ্ৰপুৰ নামঘৰৰ যুৱ সমিতি আৰু তৰাণি ক'লাজান আঞ্চলিকৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে দিহানাম আৰু ভাগৱত ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত হয়। উত্তম শাস্ত্ৰ ভাগৱতৰ মত উপদেশৰ আৰ্হিৰে পাৰিবাৰিক জীৱন বা জীৱনৰ পংকিলতা দূৰ কৰি ঈশ্বৰ প্ৰাপ্তি হোৱাৰ উদ্দেশ্যেই সাম্প্ৰতিক সময়ত ধৰ্মীয় দিক্‌দৰ্শন আৰু আধ্যাত্মিকতাৰ প্ৰতি যুৱ সমাজক অনুপ্ৰাণিত কৰাৰ মানসেৰে আজি এই কাৰ্যসূচী অনুষ্ঠিত কৰে। কাৰ্যসূচীত মুখ্য আলোচকৰূপে উপস্থিত থাকে অসমৰ জনসাধাৰণে স্বীকৃতি দিয়া দিহানামৰ সম্ৰাট কমলা গগৈ। মেৰাপানীৰ দৈয়াং হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, শিক্ষাবিদ, দৈয়াং সাহিত্য সভাৰ সভাপতি তথা দৈয়াং ৰত্ন মহেন বৰুৱাই সঞ্চালনা কৰা এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে তৰাণি অঞ্চলৰ সমাজ প্ৰিয় ব্যক্তি তথা ১৬ নম্বৰ তৰাণি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নোমল বৰাই। যুৱ সমাজৰ আকৰ্ষিত হোৱাকৈ অনুষ্ঠিত কৰা এই আধ্যাত্মিকতাৰ অনুষ্ঠানত দিহানামৰ সম্ৰাট কমলা গগৈৰে ভাগৱতৰ বহু দিশ ব্যাখ্যা কৰাৰ লগতে তেওঁৰ দিহানামৰ ধ্বনিৰে ইন্দ্ৰপুৰ নামঘৰৰ লগতে তৰাণি অঞ্চলৰ আকাশ-বতাহ কঁপাই তোলে। উল্লেখ্য যে আজি অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী হিচাপে পুৱা সমূহীয়া চাফাই, বৃক্ষৰোপণ, ধৰ্ম ধ্বজা উত্তোলন, নাম-প্ৰসংগ, দিহানাম আৰু ভাগৱত ব্যাখ্যা আৰম্ভ হয়। বিয়লি প্ৰসাদ বিতৰণ কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰে। সহস্ৰাধিক ভক্তই অংশগ্ৰহণ কৰা অনুষ্ঠানত দিহানামৰ সম্ৰাট কমলা গগৈৰ দিহানামে সকলোকে আধ্যাত্মিক ভাব জগাই তোলাৰ লগতে আপ্লুত কৰে।

# টিহু হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক খগেন কলিতাৰ মৃত্যুত অঞ্চলজুৰি শোক



অগ্ৰদূত বাৰ্তা
**টিহু, ২০ আগষ্ট ঃ** টিহু হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা শিয়ালমাৰী নিবাসী সমাজপ্ৰাণ ব্যক্তি খগেন কলিতা (৬৭)ৰ আজি মৃত্যু হোৱাত সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে কলিতা যকৃত আৰু বৃক্কৰ ৰোগত আক্ৰান্ত হৈ কিছুদিন চেন্নাইত চিকিৎসাধীন হৈ আছিল যদিও কালি মৃত্যু হয়। আজি নশ্বৰদেহ শিয়ালমাৰীস্থিত নিজ বাসগৃহ আহি পোৱাত লোকে লোকাৰণ্য হৈ পৰে তেওঁৰ ঘৰ-চোতাল। পাছত নশ্বৰদেহ শিয়ালমাৰী ৰাজহুৱা নামঘৰ প্ৰাংগণলৈ আনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি প্ৰদান কৰাৰ পাছত অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। বিএ বিএড, হিন্দীৰ প্ৰবীণ ডিগ্ৰীধাৰী কলিতাই প্ৰথমে গাৰো পাহাৰত কিছু মাহ শিক্ষকতা কৰি পাছত বাগ্‌সা লক্ষীপুৰ হাইস্কুলত কে'বাবছৰ শিক্ষকতা কৰে। শেষত টিহু হাইস্কুলত শিক্ষকতা কৰি ২০১৬ত অৱসৰ গ্ৰহণ কৰে। অগপৰ আঞ্চলিক পৰ্যায়ৰ নেতা কলিতাই নলবাৰী জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সহকাৰী সম্পাদক-উপ-সভাপতি হোৱাৰ উপৰি টিহু মাধ্যমিক বিদ্যালয় পৰীক্ষা পৰিষদৰ কে'বাটাও কাৰ্যকালৰ সম্পাদক আছিল। তেওঁ শিয়ালমাৰীৰ বিষ্ণু মিলন সভাৰ কে'বাটাও কাৰ্যাকালৰ সম্পাদক হোৱাৰ লগতে কৃষ্ণপুৰী প্ৰবোধ আশ্ৰম, মাল্টিপাৰপাছ জনকল্যাণ সংঘৰ লগত বিশেষভাৱে জড়িত আছিল। কলিতাৰ মৃত্যুত শিয়ালমাৰী গাঁও উন্নয়ন সমিতি, শিয়ালমাৰী ৰাজহুৱা নামঘৰ সমিতি, নলবাৰী জিলা মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু মাধ্যমিক বিদ্যালয় পৰীক্ষা পৰিষদ, টিহু আঞ্চলিক কৰ্মচাৰী পৰিষদ, টিহু হাইস্কুল, শিয়ালমাৰী বিষ্ণু মিলন সভা মহোৎসৱ, কৃষ্ণাপুৰী প্ৰবোধ আশ্ৰম, মাল্টিপাৰপাছ জনকল্যাণ সংঘ, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু সাহিত্য সভা আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে তিনি পুত্ৰ আৰু অজস্ৰ গুণমুগ্ধক এৰি যায়।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ২১ আগষ্ট, দেওবাৰ, ২০২২ পৃষ্ঠা ১১

# চিনাকি গছৰ অচিনাকি গুণ



■ নন্দিনী শৰ্মা

গছ-গছনিৰে সমৃদ্ধ অসমৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম। অসমত উপলব্ধ প্ৰত্যেকজোপা গছৰে এটা নহয় এটা ঔষধি গুণ আছে। কিছুমান গছ কোনো প্ৰতিপালন নোহোৱাকৈ নিজে নিজে গজি উঠে। এইবোৰ গছৰ বিস্তৃতভাৱে খেতি কৰিলে বহুত ধৰণৰ সুফল পোৱা যাব। গুণাগুণৰ সঠিক তথ্য নজনাৰ বাবে বনৰীয়া গছক গুৰুত্ব নিদিয়াত এই গছবোৰে নিজৰ ঔষধি গুণেৰে কাৰো উপকাৰ কৰিব পৰা নাই। এইবোৰ কথা উপলব্ধি কৰি বহুত বিজ্ঞানী আৰু গৱেষকে বিজ্ঞানসন্মতভাৱে দেখুৱাব খুজিছে যে এনেদৰে সহজলভ্য গছৰ মূল্য বহুত বেছি।

অসমীয়া খাদ্য ভাণ্ডাৰ চহকী কৰা ধনীয়া গছত (Coriandrum Sativum) ভিটামিন 'চি', প্ৰ'টিন, কেলছিয়াম, পটাছিয়াম আৰু ফছফৰাছ আছে। এইবিধ শাক চকুৰ বেমাৰ, মুখৰ ঘা, ব্লাড ছুগাৰ কমোৱাত অতি সহায়ক।

নৰসিংহ গছ (Murraya Koenigii)ৰ পাতৰ সুগন্ধি। সকলোৰে পৰিচিত। কাৰ্ব'হাইড্ৰেট, প্ৰ'টিন, কেলছিয়াম, আইৰণ, ভিটামিন 'এ', ভিটামিন 'বি', ভিটামিন 'চি', ভিটামিন 'ই'ৰে সমৃদ্ধ এই পাত। গ্ৰহণী, আঘাতপ্ৰাপ্ত হোৱা, বমি ভাব নিৰাময় কৰাত এই পাতে সহায় কৰে। পেটৰ কামোৰণি, বহুমূত্ৰ ৰোগত এই নৰসিংহ পাতে ঘৰুৱা ঔষধৰ ভূমিকা গ্ৰহণ কৰে।

পদিনা পাতত ভিটামিন এ, আইৰণ, ভিটামিন 'বি$_9$', মেংগানিজ থাকে। ফলত মগজুৰ উৎকৰ্ষ সাধনত, হজম শক্তি বঢ়োৱাত এই শাকৰ মূল্য অধিক। ভোক বঢ়ায়, শৰীৰৰ পৰা দূষিত পদাৰ্থ বাহিৰ কৰে। পদিনা শাকৰ বৈজ্ঞানিক নাম হৈছে Mentha Arvensis।

তুলসী পাতত ভিটামিন এ, চি, আৰু কে থাকে। প্ৰ'টিন, কেলছিয়াম, মেগনেছিয়াম, ফছফৰাছ, আইৰণ, পটাছিয়ামেৰে সমৃদ্ধ এই গছৰ পাত কাহ হ'লে মৌৰ লগত মানুহে খায়, বদহজম, মূৰৰ বিষ, উচ্চ ৰক্তচাপৰ কাৰণে উত্তম। Ocimum tensuiflorum হৈছে তুলসী গছৰ বৈজ্ঞানিক নাম।

লাই শাক (Brassica Juncea) জাৰকালি উভৈনদী। এই শাকত ভিটামিন এ, কে আৰু চি যথেষ্ট পৰিমাণত থাকে। ফলত এই শাক খালে চকু ভালে থাকে, হাড় সহজে নাভাগে, মগজু সক্ৰিয় হৈ থাকে। লাই



শাকৰ আৰু ঔষধি গুণ হৈছে— ভোক বঢ়ায়, ছাল আৰু চুলি সুস্থ কৰে, কৃমি, মধুমেহ ৰোগ দূৰ কৰে।

পালেং শাকৰ বৈজ্ঞানিক নাম Spinacia oleracea বুলি জনা যায়। পালেং শাকত যথেষ্ট পৰিমাণে আইৰণ থাকে, সেইবাবে ৰক্তহীনতাত ভোগা লোকক চিকিৎসকে এই শাক খাবলৈ পৰামৰ্শ দিয়ে। এই শাকত থকা ভিটামিন চিয়ে উচ্চ ৰক্তচাপ কমায়, কেলছিয়াম, মেগনেছিয়ামেৰে পৰিপুষ্ট এই শাকবিধ। পালেং শাকে ছালৰ উজ্জ্বলতা আনে, কেন্সাৰ বেমাৰ প্ৰতিৰোধ কৰে আৰু চকুও ভালে ৰাখে।

মেথি শাকৰ বৈজ্ঞানিক নাম Trigonella foenum-graecum। এই শাকত ভিটামিন এ, ভিটামিন বি কমপ্লেক্স, বি$_9$ বা ফলেট (Folate) বি$_{12}$ বা ৰাইবফ্লেভিন (Riboflavin), বি$_6$ অৰ্থাৎ পাইৰড'ক্সিন থাকে। এই শাকৰ দ্বাৰা দেহত প্ৰ'টিনৰ মাত্ৰা বাঢ়ে, চুলিৰ উজ্জ্বলতা বাঢ়ে, চুলি সৰা বন্ধ হয়, শাকবিধে গাৰ বিষ, গাঁঠিৰ বিষ কমায়।

আপোনা আপুনি জেকা ঠাইত গজি উঠা পানী মাটিকাডুৰী অৰ্থাৎ Alternanthera philoxeroidesৰ বহুত ঔষধি গুণ আছে। আইৰণ, লেড, জিংক, প্ৰ'টিন, কাৰ্ব'হাইড্ৰেটযুক্ত এইবিধ শাক। মেংগানিজ, কেডমিয়ামো এই গছত থাকে। এই গছৰ শিপাত আটাইতকৈ বেছি ঔষধি গুণ থাকে। কুকুৰীকণা, মেলেৰিয়া, গ্ৰহণী, বমি ভাব গুচোৱাত এই শাকৰ অৱদান যথেষ্ট। মহিলাসকলৰ পেটৰ বিভিন্ন বেমাৰ এই গছে নিৰাময় কৰে। মাৰ্চ-এপ্ৰিলত গজি উঠা এই গছ নৱেম্বৰ-ডিচেম্বৰ পৰ্যন্ত থাকে।

উদ্ভিদ বিজ্ঞানীসকলে পৰীক্ষা কৰি দেখুৱাইছে যে, ব্ৰাহ্মীশাকে প্ৰ'টিন, কাৰ্বহাইড্ৰেট, আইৰণ, কেলছিয়াম, ফছফৰাছ বহন কৰে। সকলোৰে মাজত পৰিচিত এই শাকবিধে ছাত্ৰ-ছাত্ৰীৰ স্মৃতিশক্তি বঢ়ায় আৰু বৃদ্ধলোকৰ স্মৃতি হ্ৰাস হ'বলৈ নিদিয়ে। সেয়েহে ব্ৰাহ্মীশাকক 'মগজুৰ টনিক' বুলি অভিহিত কৰা হৈছে। স্নায়ুৰ বাবে উত্তম এই ব্ৰাহ্মীশাকে উচ্চ ৰক্তচাপ কমায়, হৃদপিণ্ড, প্ৰস্ৰাৱৰ দোষ, কিডনিৰ অসুখ, ছালৰ অসুখ, চুলিসৰা বন্ধ কৰাতো যথেষ্ট অৰিহণা যোগায়। এই শাকৰ বৈজ্ঞানিক নাম—Bacopa monnieri.

ভেদাইলতা (Paederia foetida) শাকে ভিটামিন চি আৰু কেৰটিন বহন কৰে। এই শাকৰ এটা অকটা গোন্ধ আছে যদিও ই শক্তিবৰ্ধক, গ্ৰহণী ৰোগৰ ঔষধ, আঁঠুৰ বিষ, বাতবিষ, কফ, তেজৰ যিকোনো ৰোগ নিৰাময় কৰাত এই শাকে সহায় কৰে।

জেতুকা গছ বহুডালযুক্ত এজোপা সৰু উদ্ভিদ। এই গছৰ বৈজ্ঞানিক নাম Lawsonia inermis. এই গছৰ পাতত ভিটামিন ই, প্ৰ'টিন, কাৰ্ব'হাইড্ৰেট অধিক মাত্ৰাত থাকে। এই গছৰ পাতে চুলি নিমজ আৰু সুস্থ কৰে। জ্বৰ কমাবলৈ জেতুকা পাত উত্তম। আঘাতপ্ৰাপ্ত ঠাইত এই গছৰ পাত লগালে সোনকালে উপশম পায়। অসমীয়া মানুহে বিশ্বাস কৰে ব'হাগ বিহুৰ সময়ত এই গছৰ পাত পিহি ভৰি আৰু হাতত লগালে সাপে নোখোঁটে।

নয়নতৰা গছজোপা Catharanthus roseus নামেৰে জনাজাত। অতি সহজে এই গছজোপাৰ বৃদ্ধি হয়। গছজোপাত ভিটামিন বি$_{12}$, আইৰণ, কেলছিয়াম, প্ৰ'টিন পোৱা যায়। এইবোৰ উপাদান থকা বাবে এই গছজোপা চকুৰ বেমাৰ, ছালৰ বেমাৰ, কফ, পোক-পৰুৱাই কামোৰা, কেণ্ঢাৰ, উচ্চ ৰক্তচাপ, মধুমেহ জাতীয় ৰোগৰ উপশম হিচাপে ব্যৱহৃত হয়।

নিমগছ (Azadirachta indica) ঔষধি গুণেৰে ভৰপূৰ এজোপা ডাঙৰ গছ। এই গছ অসমীয়া মানুহৰ চোতালত প্ৰায়ে দেখা যায়। এই গছৰ সৃষ্টি এই ভাৰতবৰ্ষতে হৈছিল। নিমগছৰ বাকলি, শিপা, ফুল, ফল অৰ্থাৎ প্ৰতিটো অংগৰে ঔষধি গুণাগুণ আছে। সেইবাবে এই গছক 'Doctor tree' বুলিও জনা যায়। কেলছিয়াম, আইৰণ, ভিটামিন ই, মেগনেছিয়াম, কাৰ্ব'হাইড্ৰেট, প্ৰ'টিন সমৃদ্ধ এই গছৰ পাত খাবলৈ অতি তিতা যদিও গ্ৰহণী, কৃমি, মেলেৰিয়া, কফ, যক্ষ্মা, দাঁতৰ বিভিন্ন ৰোগৰ বাবে উত্তম। নিমপাত মুখত তিতা যদিও পেটত মিঠা অৰ্থাৎ খুব উপকাৰী। নিমপাতে বায়ু বিশুদ্ধ কৰে বুলি এক বিশ্বাস প্ৰচলিত।

মানিমুনি শাকক অলপো যত্ন নালাগে। মাটিতেই সহজতে বগাই যায়। এই শাকৰ প্ৰকাৰ দুটা—বৰ মানিমুনি বা Centella asiatica আৰু সৰু মানিমুনি Hydrocotyle sibthorpioides।বৰ মানিমুনিতকৈ সৰু মানিমুনি বেছি উপকাৰী। ছালৰ অসুখ, গাৰ বিষ, কিডনিৰ অসুখ, পেটৰ বিভিন্ন ৰোগ যেনে— পেটৰ বিষ, গ্ৰহণী, গেছ, পেট কামোৰণিৰ পৰা উপশম পাবলৈ এই শাক খোৱা হয়। মহিলাসকলৰ বিভিন্ন ধৰণৰ ৰোগক বৰ মানিমুনিয়েহে বেছি সুফল দিয়ে।

বৈজ্ঞানিক দৃষ্টিভংগীৰে এই সহজলভ্য গছবোৰৰ উপকাৰিতা চালে ভৱিষ্যৎ প্ৰজন্ম অতি লাভৱান হ'ব। গছবোৰৰ গুণাগুণৰ বিষয়ে অৱগত হ'লে অসমীয়া মানুহখিনিয়ে বনৰীয়া গছবোৰক নিজৰ বাৰীতে ৰুবলৈ ল'ব। গছবোৰৰ উন্নতমানৰ খেতি আধুনিক পদ্ধতিৰে বিস্তৃতভাৱে কৰিলে অসম প্ৰাকৃতিকভাৱে আৰু অৰ্থনৈতিকভাৱে আগুৱাই যাব পাৰিব। সকলোৱে সৰ্তকতা আৰু শৃংখলাবদ্ধভাৱে এই ঔষধি গুণযুক্ত গছবোৰক সংৰক্ষণ কৰাটো জৰুৰী।

*ফোন ঃ ৬০০১৫২৯১০৫*
*ই-মেইল sharmanandini79@yahoo.co.in*



সাধাৰণতে কিছুমান ভাইৰাছ বা বেক্টেৰিয়াৰ স্নায়ুত আঘাত কৰিলে স্নায়ুবোৰ দুৰ্বল হৈ পৰে। ফলত শিশুৰ শাৰীৰিক-মানসিক বিকাশত ব্যাঘাত জন্মিব পাৰে। সেইবাবে সৰুৰে পৰাই যদিহে শিশুটিৰ কোনো স্নায়ুজনিত সমস্যাই দেখা দিছে তেতিয়া হ'লে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। ৰুবেলা, ছিকিলিছ, টক্স'প্লাজম'ছিছ, ছাইট'মেগালো ভাইৰাছ আদিৰ দ্বাৰা যদি মাতৃ আক্ৰান্ত হয় তেতিয়াহ'লে সেই জীৱাণু প্ৰৱেশ কৰি ভ্ৰূণৰ স্বাভাৱিক বিকাশত বাধা জন্মায়।

# স্নায়ু ৰোগত শাৰীৰিক-মানসিক বিকাশত ব্যাঘাত

**শিশুৰ** শাৰীৰিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত স্নায়ুতন্ত্ৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। বহুতে এই বিষয়ে জ্ঞাত নহয়। সাধাৰণতে কিছুমান ভাইৰাছ বা বেক্টেৰিয়াৰ স্নায়ুত আঘাত কৰিলে স্নায়ুবোৰ দুৰ্বল হৈ পৰে। ফলত শিশুৰ শাৰীৰিক-মানসিক বিকাশত ব্যাঘাত জন্মিব পাৰে। সেইবাবে সৰুৰে পৰাই যদিহে শিশুটিৰ কোনো স্নায়ুজনিত সমস্যাই দেখা দিছে তেতিয়া হ'লে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। ৰুবেলা, ছিকিলিছ, টক্স'প্লাজম'ছিছ, ছাইট'মেগালো ভাইৰাছ আদিৰ দ্বাৰা যদি মাতৃ আক্ৰান্ত হয় তেতিয়াহ'লে সেই জীৱাণু প্ৰৱেশ কৰি ভ্ৰূণৰ স্বাভাৱিক বিকাশত বাধা জন্মায়। শিশুক প্ৰথম পাঁচ বছৰৰ ভিতৰত বেছিকৈ হাৰত হোৱা বিভিন্ন ধৰণৰ ৰোগে আক্ৰমণ কৰাৰ আশংকা থাকে। কাৰণ এই সময়ত পুষ্টিহীনতাই গা কৰি উঠাৰ উপৰি ৰক্তাল্পতা বা এনিমিয়া, পেটৰ অসুখ, পেলু, শ্বাসতন্ত্ৰৰ ৰোগ বেছিকৈ আক্ৰমণ কৰে। শিশুটিক যদি ভালদৰে পুষ্টিৰ যোগান ধৰা নহয় তেতিয়াহ'লে ইয়াৰ শাৰীৰিক-মানসিক বিকাশত ব্যাঘাত জন্মে। পৃথিৱীৰ বিভিন্ন দেশত পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যা অধিক। বিশেষকৈ অনুন্নত বা দুখীয়া দেশসমূহত এনে শিশুৰ সংখ্যা তুলনামূলকভাৱে অধিক।

যিসকল শিশু এই ৰোগসমূহত বেছিকৈ আক্ৰান্ত হয় তেওঁলোক প্ৰতিবন্ধী হোৱাৰ আশংকা বৃদ্ধি পায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে শৰীৰৰ সকলো অংগ-প্ৰত্যংগ জীৱকোষৰ দ্বাৰা গঠিত। জীৱকোষৰ আকাৰ আৰু সংখ্যাৰ বৃদ্ধি হৈ থাকিলে শাৰীৰিক বৃদ্ধি আৰু বিভিন্ন অংগৰ কাৰ্যক্ষমতা পৈণত হোৱা প্ৰক্ৰিয়াই হৈছে বিকাশ। মানুহৰ কাৰ্যক্ষমতা পৈণত হোৱাটো নিৰ্ভৰ কৰে শৰীৰৰ স্নায়ুকোষ আৰু গোটেই শৰীৰত বিস্তৃতভাৱে থকা স্নায়ুৰ বিকাশৰ ওপৰত। সবাতোকৈ গুৰুত্বপূৰ্ণ অংগ মস্তিষ্কৰ বৃদ্ধি আৰু বিকাশ গৰ্ভাৱস্থাৰ শেষত তিনিমাহত আৰম্ভ হ'বলৈ ধৰে। সেইবাবে এই সময়ত মাতৃৰ শৰীৰত বিভিন্ন ৰোগে আক্ৰমণ কৰিলে ভৱিষ্যতে শিশুটি প্ৰতিবন্ধী হোৱাৰ আশংকা বৃদ্ধি পাবলৈ ধৰে।

সাধাৰণতে প্ৰতিবন্ধী বুলিলে আমি শাৰীৰিক আৰু মানসিক দুয়োটাকে বুজো। অৱশ্যে এটা কথা ঠিক যে এগৰাকী ব্যক্তি শাৰীৰিকভাৱে প্ৰতিবন্ধী হ'লে যে মানসিকভাৱেও আক্ৰান্ত হ'ব তেনে নহয়। আনহাতে, মানসিকভাৱে আক্ৰান্ত হ'লে যে শাৰীৰিকভাৱে আক্ৰান্ত নহ'বও পাৰে। শিশু অৱস্থাত হোৱা প্ৰতিবন্ধী, যৌৱনকালত হোৱা প্ৰতিবন্ধী আৰু পৈণত বয়সত হোৱা প্ৰতিবন্ধীৰ প্ৰকাৰ বেলেগ বেলেগ হোৱা দেখা যায়। ইয়াৰ কাৰণো ভিন্ন ভিন্ন। তাৰ ভিতৰত সচৰাচৰ বংশগত কাৰণ, জন্মগত কাৰণ, মগজুত হোৱা ৰক্তক্ষৰণ, দুৰ্ঘটনাৰ বাবে হোৱা কাৰণ, সংক্ৰমণৰ বাবে হোৱা কাৰণ তথা পলিঅ'ৰ বাবে হোৱা কাৰণেই উল্লেখ্য। প্ৰতিটো কাৰণৰ বাবে সমান ধৰণেৰে আক্ৰান্ত হয়। শিশু আৰু প্ৰাপ্তবয়স্ক অৱস্থাত হোৱা কাৰণসমূহ এনেদৰে ব্যাখ্যা কৰিব পাৰি।

## বংশগত কাৰণ

বংশগত কাৰণত হোৱা প্ৰতিবন্ধীসকলৰ সমস্যা জন্মৰ পিছৰে পৰাই আৰম্ভ হয়। জন্মগত কাৰণৰ বাবে শাৰীৰিক আৰু মানসিক দুয়োধৰণেৰে আক্ৰান্ত হ'ব পাৰে। কিছুমান ৰোগ বংশগতভাৱে হোৱা দেখা যায়। এই ৰোগসমূহে কেতিয়াবা পিতৃ-মাতৃৰ অজ্ঞাতে গা কৰি উঠে। বংশগত কাৰণত শিশুৰ শাৰীৰিক-মানসিক বিকাশৰ বাধাগ্ৰস্ত কৰা ৰোগসমূহৰ ভিতৰত লিঅ'কোডিষ্ট্ৰ'ফি, স্পাইনো চেৰিবেলাৰ ডিজেনেৰেচন অন্যতম। লিঅ'কোডিষ্ট্ৰ'ফি ৰোগত আক্ৰান্ত হ'লে প্ৰতিবন্ধী ব্যক্তিগৰাকীৰ মূৰটো ডাঙৰ হয়। হাত-ভৰিৰ পেৰালাইছিছ পৰ্যন্তও হ'ব পাৰে। হাত-ভৰি আদিৰ লগতে সৰ্বশৰীৰ কঁপি থকাৰ দৰেও হয়। এনে সমস্যাত আক্ৰান্ত হ'লে ব্যক্তিগৰাকী বংশগত ৰোগৰ বাবে প্ৰতিবন্ধী হোৱা বুলি গণ্য কৰা হয়। আনহাতে, স্পাইনো চেৰিবেলাৰ ডিজেনেৰেচন ৰোগৰ বাবে প্ৰতিবন্ধী হ'লে হাত-ভৰি আদিৰ পেৰালাইছিছ হয়, তেওঁ শৰীৰৰ ভাৰসাম্যতা ৰক্ষা কৰিব নোৱাৰে অৰ্থাৎ থিয় হ'লেও ভালদৰে খোজ কাঢ়িব নোৱাৰে, কাম কৰিলেও হাতৰ ভাৰসাম্যতা ৰক্ষা কৰাত অপাৰগতা প্ৰকাশ পায়। হাত-ভৰি খীণ হয়। দৃষ্টিশক্তিও হ্ৰাস পাব পাৰে। ইয়াৰ উপৰি কথা-বতৰা হওঁতে অসুবিধা হোৱা দেখা যায়।

## সংক্ৰমণ ঘটিলে

জন্মৰ সময়ত বা পাছত কেতিয়াবা কিছুমান সংক্ৰমণ হ'লে প্ৰতিবন্ধী শিশুৰ সৃষ্টি হ'ব পাৰে। জন্মৰ পিছতেই এনেকেফেলাইটিছত আক্ৰান্ত হোৱা শিশু প্ৰতিবন্ধী হোৱাৰ শংকা অধিক বুলি কোৱা হয়। এই ৰোগবিধ সাধাৰণতে বেক্টেৰিয়া অথবা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হয়। যদিহে শিশুটোক যথাসময়ত উপযুক্তভাৱে চিকিৎসা কৰা নহয়, তেন্তে মস্তিষ্ক শুকাই যোৱাৰ আশংকা বৃদ্ধি পায়। মস্তিষ্কৰ স্বাভাৱিক বিকাশ নহ'লে সহজে প্ৰতিবন্ধী হয়।

## মৃগীৰোগত আক্ৰান্ত হ'লেও হ'ব পাৰে প্ৰতিবন্ধী

মৃগী ৰোগত আক্ৰান্ত লোকৰ সংখ্যাও আমাৰ দেশত কম নহ'ব। বিভিন্ন কাৰণত মৃগীৰোগ হ'ব পাৰে। যদিহে ৰোগীক প্ৰাথমিক অৱস্থাতে চিকিৎসা কৰা নহয়, তেতিয়াহ'লে ই পৰৱৰ্তী সময়ত প্ৰতিবন্ধীৰ অন্যতম কাৰণ হ'ব পাৰে। মৃগী ৰোগ হ'লে কেৱল শাৰীৰিকভাৱেই যে ক্ষতিগ্ৰস্ত হ'ব, তেনে নহয়। মানসিকভাৱেও ক্ষতি হোৱা দেখা যায়। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো বহুতে মৃগী ৰোগ সম্পৰ্কে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ আছে। এনে ধাৰণাৰ বশৱৰ্তী হোৱাতকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিলেহে সুফল পোৱা যায়।

## প্ৰাপ্তবয়স্ক ব্যক্তি হোৱাৰ কাৰণ

সাধাৰণতে প্ৰাপ্তবয়স্ক লোকৰ প্ৰতিবন্ধী হোৱাৰ কাৰণ শিশুতকৈ পৃথক। যিবোৰ কাৰণত এজন ব্যক্তি প্ৰতিবন্ধী হ'ব পাৰে সেইবোৰৰ ভিতৰত অন্যতম হ'ল ষ্ট্ৰোক, ৰক্তক্ষৰণ, দুঘৰ্টনা, ব্ৰেইন টিউমাৰ, সংক্ৰমণ ইত্যাদি। আজি-কালি এইবোৰ ৰোগৰ প্ৰকোপ বৃদ্ধি পাবলৈ ধৰিছে। তদুপৰি দুৰ্ঘটনাত পতিত হোৱাৰ সংখ্যাও বৃদ্ধি পাইছে।

## ষ্ট্ৰোকত আক্ৰান্ত হ'লে

সাধাৰণতে যিকোনো ব্যক্তিক যিবোৰ ৰোগে আক্ৰমণ কৰে সেইবোৰৰ ভিতৰত অকস্মাৎ হোৱা ৰোগ হ'ল ষ্ট্ৰোক। ইস্কেমিক ষ্ট্ৰোকত মগজুৰ এটা বিশেষ অংশত তেজ চলাচল বন্ধ হৈ পৰে। যেতিয়া মগজুলৈ তেজৰ চলাচল বন্ধ হয়, তেতিয়া মগজুৰ সেই অংশটোৰ কোষবোৰ ধ্বংস হয়। ফলত স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰিলে অংশটো অকামিলা হ'বলৈ ধৰে। ষ্ট্ৰোক মূলতঃ দুই ধৰণৰ হয়— ইস্কিমিক আৰু হেমাৰেজিক বা ৰক্তক্ষৰণজনিত। ইস্কিমিক ষ্ট্ৰোক হোৱাৰ আঁৰত থাকে তেজৰ সৰবৰাহত ব্যাঘাত জন্মা প্ৰক্ৰিয়া। ইস্কিমিক ষ্ট্ৰোক হ'লে মস্তিষ্কলৈ তেজ আৰু অক্সিজেনৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। যেতিয়া অক্সিজেন আৰু তেজৰ সৰবৰাহ নহয়, তেতিয়া মস্তিষ্কৰ কিছুমান অংশৰ টিছ্যু বা কলা ধ্বংস হ'বলৈ আৰম্ভ কৰে। এনে হোৱাৰ ক্ষেত্ৰত চাৰিটা কাৰণ থাকে আৰু এই কেইটা হ'ল— থ্ৰম্ব'ছিছ, ইমব'লিজম, ছিষ্টেমেটিক হাইপ'পাৰডিউছন আৰু ভেনাছ থ্ৰম্ব'ছিছ। যেতিয়া পুনৰাই মস্তিষ্কলৈ ৰক্ত সঞ্চালন হয়, তেতিয়া কোষসমূহে স্বাভাৱিকভাৱে কাৰ্য আৰম্ভ হোৱাটোৱে হ'ল থ্ৰম্ব'ছিছ ইমব'লিজম হ'লে শৰীৰৰ আন ঠাইত ধমনীত তেজ চলাচলত ব্যাঘাত জন্মে। ইস্কিমিক ষ্ট্ৰোকত আক্ৰান্ত হ'লে ৰোগীৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে।



আনহাতে, হেমাৰেজিক ষ্ট্ৰোক হ'লে মস্তিষ্কৰ যিকোনো স্থানত ৰক্তক্ষৰণ হৈ তেজ জমা হয়। সহজ অৰ্থত ক'বলৈ হ'লে লাওখোলাৰ ভিতৰত বিভিন্ন অংশত ৰক্তক্ষৰণ হৈ তেজ জমা হোৱাটোৱেই হ'ল হেমাৰেজিক ষ্ট্ৰোক। কেতিয়াবা কোনো আঘাত নোহোৱাকৈ মস্তিষ্কৰ সৰু সৰু সিৰা ফাটি যায়। এনেদৰে সৰু সিৰা ফাটি যোৱাৰ ফলত তেজ জমা হয়। সাধাৰণতে সাৰে থকা অৱস্থাত অথবা কাম কৰি থাকোতে নতুবা অত্যধিক উত্তেজনাৰ বাবে এনে ধৰণৰ ষ্ট্ৰোক হোৱা পৰিলক্ষিত হয়। মস্তিষ্কৰ ধমনীত এক ধৰণৰ টেমুনাৰ সৃষ্টি হৈ নিজে ফাটি যোৱাৰ ফলত ছাব এৰাকনইড নামৰ ঠাইডোখৰত ৰক্তক্ষৰণ হ'ব পাৰে। সচৰাচৰ মস্তিষ্কৰ আঘাত পালে ছাবডিউৰেল, এপিডিউৰেল আদি ঠাইত ৰক্তক্ষৰণ হোৱা দেখা যায়। সহজ অৰ্থৎ ক'বলৈ হ'লে হেমাৰেজিক ষ্ট্ৰোকত সিৰাসমূহ ফাটি গৈ প্ৰচুৰ পৰিমাণে মস্তিষ্কত ৰক্তক্ষৰণ হয়। ইয়াৰ ফলত পক্ষাঘাত হোৱাৰ লগতে চকুৰে নেদেখা পৰ্যন্ত হ'ব পাৰে।

সাধাৰণতে বিদেশত ইস্কিমিক ষ্ট্ৰোকত ৮০ শতাংশ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ ২০ শতাংশ লোকৰহে হেমাৰেজিক ষ্ট্ৰোক হোৱা দেখা যায়। আনহাতে, ভাৰতত ইয়াৰ ওলোটা প্ৰতিচ্ছবি দেখা পোৱা যায়। ভাৰতত দুয়োটা ৰোগতে আক্ৰান্তৰ সংখ্যা ৫০ শতাংশ।

## ৰক্তক্ষৰণ হ'লে

কেতিয়াবা বয়সৰ হেতুকে বয়স্ক লোকৰ ৰক্তক্ষৰণ হোৱাৰ আশংকা থাকে আৰু কেতিয়াবা কিছুমান বেমাৰৰ বাবে ৰক্তবাহী নলীবোৰ দুৰ্বল হৈ পৰে। ফলত এই দুৰ্বল নলীবোৰ ফাটি মগজুৰ ভিতৰত ৰক্তক্ষৰণ হয়। ষ্ট্ৰোক আদিৰ বাবে ৰক্তক্ষৰণ হ'লে আক্ৰান্ত অংশটো সম্পূৰ্ণৰূপে অথবা আংশিকভাৱে পেৰালাইছিছ হ'ব পাৰে। কেতিয়াবা আক্ৰান্ত ব্যক্তিগৰাকীৰ কথা-বতৰা বুজি পোৱাত অসুবিধা হয়।

## দুৰ্ঘটনাত পতিত হ'লে

যান-বাহনৰ দুৰ্ঘটনা হ'লে সচৰাচৰ যিকোনো ব্যক্তিয়ে মগজুত বেছিকৈ আঘাত পায়। দুৰ্ঘটনাৰ বাবে লাওখোলাৰ হাড় ভাঙিব পাৰে। মগজু ফুলি যোৱাও দেখা যায়। আক্ৰান্ত ব্যক্তিয়ে পৰৱৰ্তী সময়ত পূৰ্বৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি নাহিলে তেওঁলোকক প্ৰতিবন্ধী হিচাপেই গণ্য কৰা হয়।

## সংক্ৰমণৰ ফলত

শিশুকালত হোৱা সংক্ৰমণ আৰু বয়স্ক লোকৰ সংক্ৰমণৰ ক্ষেত্ৰত কাৰণ বেলেগ বেলেগ হোৱাটো স্বাভাৱিক। সাধাৰণতে চেৰিব্ৰেল মেলেৰীয়া, হাৰ্পিছ, এনকেফেলাইটিছ আদিৰ দ্বাৰা আক্ৰান্ত হ'লে শাৰীৰিক আৰু মানসিকভাৱে প্ৰতিবন্ধী হোৱা শংকা বৃদ্ধি পায়।

## ব্ৰেইন টিউমাৰো কাৰণ

যদিহে মগজুত হোৱা টিউমাৰৰ লক্ষণ সহজে ধৰা নপৰে অথবা উপযুক্ত সময়ত ফলপ্ৰসু চিকিৎসাকৰা নহয় তেতিয়াহ'লে পৰৱৰ্তী সময়ত হাত-ভৰি আদি দুৰ্বল হৈ বিকল হ'ব পাৰে। ইয়াৰ বাবে মৃগী ৰোগো হোৱাৰ আশংকা বৃদ্ধি পায়।

# অৰ্শৰোগত হোমিঅ'পেথী চিকিৎসা



অৰ্শ প্ৰধানকৈ দুই প্ৰকাৰৰ, অন্তৰ্বলি আৰু বহিৰ্বলি। ইয়াৰ উপৰি আন এক প্ৰকাৰৰ অৰ্শক কোৱা হয় মিশ্ৰবলি, যিটো বাহিৰ-ভিতৰ উভয় স্থানতে থাকে। ৩০ৰ পৰা ৬০ বছৰ বয়সৰ ভিতৰত এই ৰোগৰ প্ৰকোপ সবাতোকৈ বেছি। ২০ বছৰ বয়সৰ তলত পাইল্‌ছ বা অৰ্শ বৰ বেছি দেখা নাযায়। অৰ্শ চিনাক্ত কৰা বৰ সহজ কাম নহয়। এজন অভিজ্ঞ চিকিৎসকে কেৱল যন্ত্ৰৰ সহায়ত পৰীক্ষা কৰিহে অৰ্শ চিনাক্ত কৰিব পাৰে। কেতিয়াবা শৌচালয়ত বহুৱাই জোৰ দিয়াই পৰীক্ষা কৰা হয়। বহু চিকিৎসকে জনায় যে ৰোগীতে সততে আহি তেওঁৰ পাইল্‌ছ হোৱা বুলি কয়। চিকিৎসকে ৰোগীৰ লক্ষণ পৰীক্ষা কৰিহে নিৰ্ণয় কৰে সেয়া আচলতে এনাল ফিশ্বাৰ, পলিপ বা ফিষ্টুলা।

**পাইল্‌ছ** বা অৰ্শৰোগৰ স'তে অধিকাংশ লোকেই পৰিচিত। ই একপ্ৰকাৰ ধাতুগত পীড়া। মলদ্বাৰৰ ভিতৰত বা বাহিৰৰ চৌপাশৰ সিৰাবোৰ ফুলি মটৰমাহৰ দৰে গুটি অথবা আঙুৰৰ দৰে বা ছাগলীৰ লাদৰ দৰে সৰু সৰু গলি বা টিউমাৰ হ'লে তাক অৰ্শ বা হেমোৰয়েড বুলি কোৱা হয়।

অৰ্শ প্ৰধানকৈ দুই প্ৰকাৰৰ, অন্তৰ্বলি আৰু বহিৰ্বলি। ইয়াৰ উপৰি আন এক প্ৰকাৰৰ অৰ্শক কোৱা হয় মিশ্ৰবলি, যিটো বাহিৰ-ভিতৰ উভয় স্থানতে থাকে। ৩০ৰ পৰা ৬০ বছৰ বয়সৰ ভিতৰত এই ৰোগৰ প্ৰকোপ সবাতোকৈ বেছি। ২০ বছৰ বয়সৰ তলত পাইল্‌ছ বা অৰ্শ বৰ বেছি দেখা নাযায়। অৰ্শ চিনাক্ত কৰা বৰ সহজ কাম নহয়। এজন অভিজ্ঞ চিকিৎসকে কেৱল যন্ত্ৰৰ সহায়ত পৰীক্ষা কৰিহে অৰ্শ চিনাক্ত কৰিব পাৰে। কেতিয়াবা শৌচালয়ত বহুৱাই জোৰ দিয়াই পৰীক্ষা কৰা হয়। বহু চিকিৎসকে জনায় যে ৰোগীতে সততে আহি তেওঁৰ পাইল্‌ছ হোৱা বুলি কয়। চিকিৎসকে ৰোগীৰ লক্ষণ পৰীক্ষা কৰিহে নিৰ্ণয় কৰে সেয়া আচলতে এনাল ফিশ্বাৰ, পলিপ বা ফিষ্টুলা। অৰ্থাৎ মলদ্বাৰৰ যিকোনো ৰোগকে সকলোৱে অৰ্শ বুলিয়ে ভাবে। কিন্তু মলদ্বাৰত বিভিন্ন ধৰণৰ ৰোগ হয়। এই ৰোগ মহিলাৰ তুলনাত পুৰুষৰ বেছিকৈ হয়।

**কাৰণ**

অৰ্শ নানা কাৰণত হ'ব পাৰে। প্ৰধান কাৰণ হৈছে যকৃতৰ ভিতৰত আৰু ধমনীত ৰক্তৰ আধিক্য হ'লে অৰ্শ হয়। ইয়াৰ উপৰি অলস প্ৰকৃতিৰ লোকৰ দিনৰ দিনটো বহি সময় কটোৱা, ঘিঁত ভজা বা অধিক মছলাযুক্ত খাদ্য খোৱা, অধিক জোৰ দি পায়খানা কৰিলে, ঘনাই তৰল ঔষধ সেৱন কৰিলে, মলদ্বাৰৰ ক্ৰিমিৰ অত্যাচাৰত সঘনাই খজুৱাই থাকিলে, যৌন উত্তেজনাৰ কাৰণে আৰু পিতৃ-মাতৃৰ এই ৰোগ থাকিলেও সন্তানৰ অৰ্শ হয়।

**লক্ষণ**

সময়ে সময়ে এইবোৰে খজুৱায়। অসহ্যকৰ যন্ত্ৰণা আৰু জ্বলা-পোৰা কৰে। কটা-ছিঙাৰ দৰে বিষায় আৰু কঁকালৰ বিষ। মলত্যাগৰ সময়ত তেজ ওলোৱা। কেতিয়াবা তেজ নোলায়।



**আনুসংগিক চিকিৎসা**

তিনিটা বিষয়ত লক্ষ্য ৰাখিব লাগিব— ক) আহাৰ আৰু ভ্ৰমণ সম্পৰ্কত নিয়ম পালন; খ) নিয়ামিতৰূপে পায়খানা পৰিষ্কাৰ হোৱাৰ ব্যৱস্থা; গ) অৰ্শৰ স্থানক ভালদৰে পৰিষ্কাৰ কৰি ৰখা।


**এল'পেথিক চিকিৎসা**

অৰ্শৰ কোনো সু-চিকিৎসা নাই। অস্ত্ৰোপচাৰ অবিহনে কোনো গতি নাই। কিন্তু তেতিয়াও ৰোগ সম্পূৰ্ণৰূপে নিৰ্মূল নহয়। সেয়ে প্ৰথমৰ পৰাই অৰ্গানন অনুসৰণকাৰী হোমিঅ'পেথীৰ চিকিৎসা কৰোৱাই বুদ্ধিমানৰ কাম।

পুৰাতন ৰোগৰ বীজে ৰোগীৰ দেহত বৰ্তমানেও থাকি এই ৰোগৰ সৃষ্টি কৰিছে, সেই ধাতুগত দোষ দূৰীকৰণৰ বাবে উপযুক্ত ঔষধ সেৱন নকৰিলে কেৱল অস্ত্ৰোপচাৰ বা এল'পেথী ঔষধ সেৱন কৰিলে কোনো লাভ নহ'ব।

**হোমিঅ' প্ৰতিবিধান**

ৰোগ নহয়, ৰোগীকহে চিকিৎসা কৰা হয়। আকৌ অনেকে নিজকে অৰ্শ-ভগন্দৰ আদিৰ চিকিৎসক বুলি দাবী কৰি থাকে। তেনে চিকিৎসকে ৰোগীক বেজিৰ মাধ্যমেৰে চিকিৎসা কৰে। আকৌ মলম বা ক্ৰিম সানিবলৈ ৰোগীক প্ৰতিবিধান দিয়ে। অথচ সেইবোৰ সাময়িক। কিন্তু পাছত ই জটিলৰূপ ধাৰণ কৰে। অৱশ্যে ৰোগৰ সঠিক লক্ষণ নিৰ্ধাৰণ কৰিব পাৰিলে হোমিঅ' চিকিৎসাৰে অৰ্শৰোগ নিৰ্মূল সম্ভৱ। প্ৰাথমিকভাৱে অভিজ্ঞ হোমিঅ' চিকিৎসকসকলে যিবোৰ মেডিচিন নিৰ্বাচন কৰে, যেনে- এলুমিনা, এলো, আৰ্চেনিক এল, এণ্টিম ক্ৰোড, এমন কাৰ্ব, নাৰ্কছ ভোম, ছালফাৰ, ইস্কিউৰ্লাছ হিপ, কলিন ছোনিয়া, এচিডি নাইট্ৰেকাম আদিৰ লগতে আন বহু ঔষধে লক্ষণবোৰ দূৰ কৰিব পাৰে। এইবোৰ ঔষধ বিশেষজ্ঞ হোমিঅ' চিকিৎসক অবিহনে নিজে নিজে ব্যৱহাৰ কৰিলে ৰোগে অধিক জটিল ৰূপ ধাৰণ কৰিব পাৰে।



# হাৰ্ট এটেকৰ আগতীয়া লক্ষণ

যেতিয়া হৃৎপিণ্ডৰ কোনো সিৰাত তেজ গোট বান্ধি হৃৎপিণ্ডলৈ ৰক্ত প্ৰবাহত বাধাৰ সৃষ্টি কৰে, তেতিয়াই হাৰ্ট এটেক হয়। বয়স, উচ্চ ৰক্তচাপৰ সমস্যা, উচ্চ ক'লেষ্টেৰলৰ সমস্যা, অতিৰিক্ত মেদ, অস্বাস্থ্যকৰ খাদ্যাভ্যাস, মদ্যপান, মানসিক চাপ — এইবোৰেই প্ৰধানকৈ হাৰ্ট এটেকৰ কাৰণ। কেতিয়াবা হাৰ্ট এটেক হ'লেও সঠিকভাৱে বুজা সম্ভৱ নহয়। সমস্যাটো হৈছে কেতিয়াবা বুকুত কোনো ধৰণৰ যন্ত্ৰণা অবিহনেই হাৰ্ট এটেক হ'ব পাৰে, ফলত হাৰ্ট এটেক হৈছে নেকি সেয়া ভালদৰে বুজিব নোৱাৰি। গতিকে জানি লওক হাৰ্ট এটেকৰ অন্যান্য লক্ষণবোৰৰ বিষয়ে।

⇨ হৃদৰোগ বিশেষজ্ঞৰ মতে, হাৰ্ট এটেকৰ প্ৰায় এমাহৰ আগৰে পৰাই দুৰ্বলতা আৰু ঘনাই শ্বাস-প্ৰশ্বাসৰ সমস্যা আৰম্ভ হয়। কোনো কাৰণ অবিহনেই শাৰীৰিক দুৰ্বলতা আৰু সামান্য পৰিশ্ৰমতে ফোপনি উঠি ঘন ঘন শ্বাস লোৱাৰ সমস্যা আৰম্ভণিৰ ক্ষেত্ৰত সতৰ্ক হৈ থাকিব। এই ধৰণৰ শাৰীৰিক দুৰ্বলতা আৰু শ্বাস-প্ৰশ্বাসৰ সমস্যা হ'লে বুজিব যে আপোনাৰ হৃৎপিণ্ডক বিশ্ৰামৰ প্ৰয়োজন।

⇨ হঠাৎ মাত্ৰাধিক ঘাম হোৱাৰ সমস্যা আৰম্ভ হ'লে তাক অৱহেলা নকৰিব। কিয়নো ইও হাৰ্ট এটেকৰ এক লক্ষণ। যেতিয়া হাৰ্ট ব্লক হয়, তেতিয়া ৰক্ত সঞ্চালনৰ ক্ষেত্ৰত হৃৎপিণ্ডই বহু বেছি কাম কৰিবলগীয়া হয়। এই অতিৰিক্ত পৰিশ্ৰমৰ ফলতে ঘামৰ সৃষ্টি হয় আৰু এই ঘাম সচৰাচৰ অনেক ঠাণ্ডা হয়। এই ধৰণৰ সমস্যাক আওকাণ নকৰি ততালিকে চিকিৎসকৰ শৰণাপন্ন হোৱাই বুদ্ধিমানৰ কাম।

⇨ একাধিক গৱেষণাত দেখা গৈছে যে হাৰ্ট এটেকৰ আগৰে পৰাই অধিকাংশ আক্ৰান্তৰে বদহজমৰ সমস্যা আৰু গেষ্ট্ৰোইনটেষ্টিনেল সমস্যাই দেখা দিয়ে। ইয়াৰ উপৰি বুকু জ্বলা, যাক বহুতে সততে স্বাভাৱিক বদহজমৰ সমস্যা বুলি ভুল কৰে, সেয়াও হ'ব পাৰে হাৰ্ট এটেকৰ ইংগিত। ইয়াৰ সমান্তৰালকৈ কোনো কাৰণ অবিহনেই মূৰ ঘূৰোৱা, বমি বমি ভাব আৰু বমি হোৱাৰ বিষয়বোৰ কেতিয়াও অৱহেলা নকৰিব।

⇨ প্ৰায়ে হাৰ্ট এটেকৰ সময়ত বুকুত বিষ অনুভৱ নহয়। এই ক্ষেত্ৰত বুকুত অস্বস্তিকৰ অনুভূতি আৰু বুকুত হেচা দিয়াৰ দৰে ভাব অনুভৱ কৰাৰ বিষয়টোৰ প্ৰতি দৃষ্টি ৰাখিব। এইবোৰ বিষয় চকুত পৰিলে ততালিকে চিকিৎসকৰ শৰণাপন্ন হোৱা উচিত।

⇨ কেৱল বুকুৰ বিষেই নহয়, শৰীৰৰ অন্যান্য বিশেষ কিছু অংগত যন্ত্ৰণা অনুভৱ হোৱাও হাৰ্ট এটেকৰ লক্ষণ হ'ব পাৰে। পেটৰ ওপৰৰ অংশ, কান্ধ, পিঠি, ডিঙি, দাঁত আৰু থুঁতৰি তথা বাঁও বাহুত হঠাৎ মাত্ৰাধিক বিষ হোৱা বা চাপ অনুভৱ অথবা আড়ষ্টতা অনুভৱ কৰাও হ'ব পাৰে হাৰ্ট এটেকৰ লক্ষণ। সেয়ে এই বিষয়বোৰক কেতিয়াও অৱহেলা নকৰিব।

# গোৱালপাৰাত চিপিআইএমৰ ধৰ্ণা

## ■ ১০ দফীয়া দাবীৰে মুখ্যমন্ত্ৰীক স্মাৰক প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২০ আগষ্ট ঃ** নৃত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীকে ধৰি সকলো বয়বস্তুৰ মূল্যবৃদ্ধি ৰোধৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীৰে আজি গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত চিপিআইএমে অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। সংগঠনটোৰ প্ৰায় অৰ্ধশতাধিক সদস্যই দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালনৰ জৰিয়তে ১০ দফীয়া দাবীৰে জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বামপন্থী নেতা ননী দাস আৰু পাৰভেজ আলী স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লিখিত দাবীসমূহ হ'ল ক্ৰমে পেট্ৰ'ল-ডিজেল-ৰন্ধন গেছ আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰা, সকলোকে চাউল, আটা, দাইল, মিঠাতেল, চেনি, নিমখ আদি সস্তা দামত যোগান ধৰা, ডিজিটেল ৰেছন কাৰ্ডৰ নামত হাৰাশাস্তি বন্ধ কৰা আৰু বৰ্ধিত বিদ্যুৎ মাচুল হ্ৰাস কৰা, বানপীড়িতৰ বাবে যথোপযুক্ত সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা, অসমৰ বানপানীৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দি স্থায়ী সমাধানৰ ব্যৱস্থা কৰা আৰু খহনীয়া ৰোধ কৰা, ৰাজ্যখনৰ মাটি জৰীপ কৰি দীৰ্ঘদিন ধৰি ভোগ দখল কৰি থকা সকলক মাটিৰ পট্টা দিয়া, চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ সকলো খালী পদ স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে শীঘ্ৰে পূৰণ কৰা, সকলো পঞ্চায়তত চৰকাৰী দামত ধান সংগ্ৰহ কেন্দ্ৰ স্থাপন কৰা, খেতিয়কৰ উৎপাদিত ফচলৰ ন্যায্য দাম সুনিশ্চিত কৰা, সাৰ, কীটনাশক, বীজ আদিৰ চোৰাং ব্যৱসায় বন্ধ কৰি সুলভ মূল্যত খেতিয়কক যোগান ধৰা, আঁচনিভুক্ত কৰ্মচাৰীসকলক চৰকাৰী কৰ্মচাৰীৰূপে স্বীকৃত দি যথাযথ দৰমহা আদি আদায় দিয়া, পেঞ্চনৰ বাবে এনপিএছ আঁচনি বাতিল কৰি পূৰ্বৰ আঁচনি বাহাল ৰখা, চাহ শ্ৰমিকসকলক দৈনিক ন্যূনতম ৩৫১ টকা আদায় দিয়া, অসংগঠিত খণ্ডৰ শ্ৰমিকৰ সামাজিক নিৰাপত্তা নিশ্চিত কৰা, এমজিএনৰেগাৰ দৈনিক মজুৰি ৬০০ টকা আদায় দিয়া, গোৱালপাৰাত বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা ৰাইজক ৰক্ষা কৰাৰ ব্যৱস্থা কৰা আৰু বনৰীয়া হাতীৰ আক্ৰমণত নিহত, আহত আৰু ক্ষতিগ্ৰস্ত হোৱা লোকসকলক পৰ্যাপ্ত সাহায্য আৰু ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা, গোৱালপাৰা জিলাৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰী নিযুক্তি দিয়াৰ লগতে পৰ্যাপ্ত সা-সঁজুলি যোগানৰ ব্যৱস্থা কৰা, গোৱালপাৰা অসামৰিক চিকিৎসালয়ত সকলো ধৰণৰ অপাৰেচন আৰু চিকিৎসাৰ ব্যৱস্থা কৰা, চিকিৎসালয়ৰ পুৰণি ঘৰবোৰ মেৰামতিৰ ব্যৱস্থা কৰা আৰু চিকিৎসা মহাবিদ্যালয়ৰ কাম অতি সোনকালে আৰম্ভ কৰা।

## বৰপথাৰত অগ্নিকাণ্ডৰ পৰা কথমপি ৰক্ষা বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়


**বৰপথাৰ, ২০ আগষ্ট ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰ নগৰত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। তথ্য মতে, বৰপথাৰ আৰক্ষী থানাৰ সমীপত তথা বৰপথাৰ নগৰৰ মাজমজিয়াত থকা মহকুমাটোৰ অতি পুৰণি ঐতিহ্যমণ্ডিত একমাত্ৰ শিক্ষানুষ্ঠান বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ড। বিদ্যালয় চাফাই কৰোতে ওলোৱা জাবৰৰ দ'মত জুই জ্বলাওতে বিদ্যালয়খনৰ ৰান্ধনী ঘৰৰ কাষতে থকা পানী টেংকীৰ প্লাষ্টিক ড্ৰামত জুই লগাৰ ফলত সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ড। ইফালে, অগ্নিকাণ্ডৰ ফলত বিদ্যালয়খনৰ ক্ষয়-ক্ষতি হোৱা নাই বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে যদিও এক ভয়ংকৰ অগ্নিকাণ্ডৰ পৰা কথমপি ৰক্ষা পৰে শতবৰ্ষ গৰকা বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খন। আনহাতে, স্থানীয় ৰাইজে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিছিল যদিও ৰাইজৰ সন্মিলিত প্ৰচেষ্টাত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

# হোজাইত ১২ কোটি ১৩ লাখ ৭১,১০০ টকাৰ সাহায্য বিতৰণ

## হোজাইত বান বিধ্বস্ত পৰিয়ালৰ মাজত এককালীন সাহায্য বিতৰণ মন্ত্ৰী মহন্তৰ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২০ আগষ্ট ঃ** শেহতীয়া বানে বিধ্বস্ত কৰি যোৱা হোজাই জিলাৰ তিনিটা ৰাজহ চক্ৰ ক্ৰমে ডবকা, হোজাই আৰু লংকাৰ বান বিধ্বস্ত পৰিয়ালৰ মাজত আজি চৰকাৰে এককালীন সাহায্য বিতৰণ কৰে। বান বিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰি জিলা প্ৰশাসনে প্ৰস্তুত কৰা এখন তালিকাৰ ভিত্তিত আজি বানপীড়িত লোকসকলৰ মাজত সাহায্য ধনৰাশি বিতৰণ কৰা হয়। এই উপলক্ষে আজি হোজাই জিলাৰ শংকৰদেৱ নগৰস্থিত কছাৰী ময়দানত এখন সভাৰ আয়োজন কৰা হয়। সভাখনত উপস্থিত থাকে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণমন্ত্ৰী কেশৱ মহন্ত। মন্ত্ৰীজনৰ হাতেৰেই ছগৰাকী হিতাধিকাৰীৰ প্ৰত্যেকগৰাকীক ৯৫,১০০ টকাৰ এখনকৈ এছবিআই বেংকৰ প্ৰতীকী চেক মন্ত্ৰীজনে প্ৰদান কৰে। বাতৰি অনুসৰি, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ পৰা ৰাজ্যিকভিত্তিক বান ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ বাবে ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা আৰু অৰুণোদয় মাহ আৰম্ভ কৰাৰ পাছতেই আজি হোজাই জিলাৰ শংকৰদেৱ নগৰস্থিত কছাৰী ময়দানত বান ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ বাবে ক্ষতিপূৰণ প্ৰদানৰ আৰম্ভ কৰা হয়। হোজাই জিলাৰ হোজাই, লংকা আৰু ডবকা তিনিটা ৰাজহ চক্ৰতে ক্ষতিগ্ৰস্ত হোৱা মুঠ ৫৫৭৩ টা বাসগৃহৰ বাবে ৫,২৪,২০,১০০ টকাৰ ধনৰাশি পোনপটীয়াকৈ হিতাধিকাৰীৰ বেংক একাউন্টলৈ হস্তান্তৰ কৰা হয়। কাপোৰ অথবা অন্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয়ৰ বাবে সৰ্বমুঠ ১৮,১৪৫ টা পৰিয়ালক প্ৰত্যেককে এককালীনভাৱে ৩৮০০ টকাকৈ মুঠ ৬,৮৯,৫১,০০০ টকাৰ হস্তান্তৰ কৰা হয়। হোজাই জিলাৰ বাবে মুঠ ১২ কোটি ১৩ লাখ ৭১,১০০ টকাৰ পুঁজি ধাৰ্য কৰা হৈছে। আজিৰ এই বিশেষ অনুষ্ঠানতে অসম চৰকাৰৰ জনহিতৈষী আঁচনি অৰুণোদয় আঁচনিখন ফলপ্ৰসূ ৰূপায়ণৰ বাবে অৰুণোদয় মাহৰো আৰম্ভ কৰে মন্ত্ৰী মহন্তই। এই আঁচনিখনৰ পৰা কোনো যোগ্য ব্যক্তি যাতে বঞ্চিত নহয় অথবা অৰ্থনৈতিকভাৱে স্বচ্ছল কোনো ব্যক্তি অন্তৰ্ভুক্ত নহয়, সেই ক্ষেত্ৰত দৃষ্টি ৰাখি তত্ত্বাৱধায়কৰ নেতৃত্বত ২০ আগষ্টৰ পৰা ২০ ছেপ্টেম্বৰলৈকে নিয়োগ কৰা এটা দলে পুনৰীক্ষণ কৰিব। পুনৰীক্ষণৰ অন্তত প্ৰস্তুত হোৱা শুদ্ধ তালিকাৰ পৰা হিতাধিকাৰীসকলে নিৰ্ধাৰিত পুঁজি লাভ কৰিব বুলিও মন্ত্ৰীজনে কয়। আজিৰ এই অনুষ্ঠানত হোজাই আৰু লামডিং সমষ্টিৰ বিধায়কদ্বয় ক্ৰমে ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰ, উপায়ুক্ত অনুপম চৌধুৰী, হোজাই জিলা পৰিষদৰ সভানেত্ৰী ৰমাবালা দেৱী, বিজেপি হোজাই জিলা সমিতিৰ সভাপতি অনুপ দেৱ, অগপ হোজাই জিলা সমিতিৰ সভাপতি ৰেজাউল কৰিম চৌধুৰী, পুনৰ সংস্থাপনৰ সাহায্যপ্ৰাপ্ত ব্যক্তিসকল, অৰুণোদয় আঁচনিৰ পুনৰীক্ষণকাৰী আৰু হিতাধিকাৰীসকল উপস্থিত থাকে।

# বঙাইগাঁৱত মন্ত্ৰী দাসৰ চেক বিতৰণ ঃ অৰুণোদয় মাহৰ আৰম্ভণি



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২০ আগষ্ট ঃ** অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা তথা সাধাৰণ প্ৰশাসন বিভাগ আৰু বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বঙাইগাঁৱৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এক সভাত উপস্থিত থাকে। চলিত বৰ্ষত হৈ যোৱা বানপানীত যিসকল ব্যক্তিয়ে নিজৰ ঘৰ-দুৱাৰ আদিকৰি সৰ্বস্ব হেৰুৱাইছিল তেওঁলোকৰ পুনৰ সংস্থাপন সাহায্য হিচাপে যি ধন এছডিআৰএফৰ নিয়ম অনুসৰি, চৰকাৰে আগবঢ়াইছে তাৰ ডেম' চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে মন্ত্ৰী দাসে। প্ৰকৃতাৰ্থত ধনখিনি বেংক একাউন্টযোগে হিতাধিকাৰীসকলক প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে চৰকাৰে। আজি সেই ধনৰেই ডেম' চেক বিতৰণ কৰে মন্ত্ৰী দাসে। জিলাখনৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ দুজন, মাণিকপুৰ ৰাজহ চক্ৰৰ দুজন আৰু বইটামাৰী ৰাজহ চক্ৰৰ এজন ধৰি মুঠ পাঁচজন হিতাধিকাৰীক মন্ত্ৰীজনে ডেম' চেক প্ৰদান কৰে। মন্ত্ৰী দাসে ভাষণ প্ৰসংগত কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কথা দিছিল যে আগষ্টৰ ভিতৰতেই বানত ক্ষতিগ্ৰস্ত লোকক পুনৰ সংস্থাপন সাহায্য প্ৰদান কৰিব আৰু সেইমৰ্মেই ধনখিনি বেংক একাউন্টযোগে দিয়াৰ ব্যৱস্থা কৰিছে। বঙাইগাঁও জিলাৰ হিতাধিকাৰী মুঠ ৪৮১ গৰাকী। এই পুনৰ সংস্থাপন সাহায্যৰ ভিতৰত পকীঘৰ বা কেঁচাঘৰ সম্পূৰ্ণকৈ নষ্ট হোৱা লোকে ৯৫,১০০ টকা, পকীঘৰ আংশিকভাৱে নষ্ট হোৱা লোকে ৫,২০০ টকা, কেঁচাঘৰ আংশিকভাৱে নষ্ট হোৱা লোকে ৩,২০০ টকা আৰু জুপুৰি ঘৰ নষ্ট হোৱা লোকে ৪,১০০ টকা বেংক একাউন্টযোগে লাভ কৰিব। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে যিসকলে জন-ধন যোজনাৰ বেংক একাউন্ট খুলিছিল সেই একাউন্টযোগেই হিতাধিকাৰীসকলে পুনৰ সংস্থাপন সাহায্যখিনি পাব। আজিৰ অনুষ্ঠানতেই মন্ত্ৰী দাসে অৰুণোদয় মাহৰ কামৰো পতাকা জোকাৰি আৰম্ভণি কৰে। অৰুণোদয় আঁচনিৰ অধীনত যিসকল আবেদনকাৰী পোৱা গৈছে তেওঁলোক প্ৰকৃতাৰ্থত সাহায্য পাবৰ বাবে যোগ্য হয় নে নহয় সেয়া পুনৰীক্ষণ কৰাৰ বাবে স্কুল-কলেজৰ ১৭৫ গৰাকী ছাত্ৰ-ছাত্ৰী নিয়োগ কৰা হৈছে আৰু সেই কামৰ আজি আৰম্ভণি কৰে মন্ত্ৰীজনে। ছাত্ৰ-ছাত্ৰীসকলে ঘৰে ঘৰে গৈ নিৰীক্ষণ কৰি হিতাধিকাৰী বাছনি কৰিব। সভাত অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰেও বক্তব্য ৰাখে। জিলা উপায়ুক্ত নবদ্বীপ পাঠকে আজিৰ সভাত আদৰণি ভাষণ দিয়ে। জিলা উন্নয়ন আয়ুক্ত ভাস্কৰ দাসে অৰুণোদয় মাহৰ সম্পৰ্কত বক্তব্য ৰাখে।

# চিৰাঙৰ হাশ্ৰাউবাৰীৰ পদ্মপুৰ ভিচিডিচিৰ সদস্যৰ বিৰুদ্ধে ব্যাপক দুনীতিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২০ আগষ্ট ঃ** দুনীতিমুক্ত বিটিচি গঢ়াৰ সপোন দেখুৱাই শাসনলৈ অহা প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচিৰ ভিচিডিচি সমূহত সংঘটিত হৈছে ব্যাপক দুৰ্নীতি। চিৰাঙৰ পদ্মপুৰ ভিচিডিচিৰ অন্তৰ্গত হাশ্ৰাউবাৰীত পোহৰলৈ আহিছে ব্যাপক দুৰ্নীতিৰ তথ্য। ভিচিডিচিৰ সদস্য অমূল্য বৰ্মনৰ বিৰুদ্ধে উত্থাপিত হৈছে এই দুৰ্নীতিৰ অভিযোগ। অভিযোগ অনুসৰি, প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ নিৰ্মাণত হিতাধিকাৰীক ধন আৱন্টনত সদস্য বৰ্মনে সংঘটিত কৰিছে এই দুৰ্নীতি। অভিযোগ অনুসৰি, হাশ্ৰাউবাৰী গাঁৱৰ জহৰ আলী নামৰ লোকজনৰ নামত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহৰ মঞ্জুৰি হয়। তেওঁ গৃহ নিৰ্মাণৰ বাবদ এক লাখ ৩০ হেজাৰ টকা লাভ কৰে? তাৰে ঘৰ নিৰ্মাণ কৰে যদিও অৰ্ধনিৰ্মিত হৈ থাকে। জবকাৰ্ডৰ জৰিয়তে ২০ হেজাৰ টকা পাবলগীয়া যদিও সেই টকা ভিচিডিচিৰ সদস্য বৰ্মনে হিতাধিকাৰীৰ অজ্ঞাতেই গাঁৱৰ মাইনুদ্দিন হুছেইন আৰু শাহিদা খাতুনৰ জবকাৰ্ডত টকা ভৰাই পাছত উঠাই লোৱা বুলি অভিযোগ উত্থাপন হৈছে। ইপিনে, হিতাধিকাৰী আলীয়ে ভিচিডিচি সদস্য বৰ্মনৰ ওচৰলৈ গ'লে কয় যে আপোনালোকৰ সেই টকা আৰু নাপায়। পাছত আলীয়ে চিদলী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জবকাৰ্ডৰ টকা বিচাৰি যোৱাতহে টকা উঠাই নিয়াৰ যাৱতীয় তথ্য পোহৰলৈ আহে। তদুপৰি একেধৰণে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহৰ জবকাৰ্ডৰ টকা উঠাই দিয়াৰ নামত একে গাঁৱৰ আমিৰ হামজা, আয়েশা খাতুনকে আদি কৰি কে'বাজনৰ পৰা তিনিৰ পৰা সাত হেজাৰকৈ টকা সংগ্ৰহ কৰিছে যদিও জবকাৰ্ডৰ টকা নিদি অইন জবকাৰ্ডৰ জৰিয়তে টকা উঠাই লোৱাৰ অভিযোগ উত্থাপন হৈছে। হিতাধিকাৰীসকলক সময়ে সময়ে অভিযুক্ত বৰ্মনে দাবী-ধমকি দিয়াৰো অভিযোগ কৰে হিতাধিকাৰীসকলে। অতিকে দৰিদ্ৰ শ্ৰমজীৱি এইসকলৰ ধন আত্মসাৎ কৰা ভিচিডিচিৰ সদস্য বৰ্মনৰ দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে হিতাধিকাৰী তথা গাঁওবাসীয়ে।

ইপিনে, হাশ্ৰাউবাৰী গাঁৱৰ আধা অংশ ভিৰানগাঁও ভিচিডিচিৰ অন্তৰ্গত। হাশ্ৰাউবাৰী শ্মশানৰ উন্নয়নৰ বাবদ তিনি লাখ টকাৰ মঞ্জুৰি লাভ কৰাৰ পাছত জবকাৰ্ডৰ শ্ৰমিকৰ জৰিয়তে তিনিদিন নামমাত্ৰ কাম কৰিয়ে তিনি লাখ টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে।

# নগাঁও জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**বিশেষ সংবাদদাতা**
**নগাঁও, ২০ আগষ্ট ঃ** নগাঁও জিলা সাহিত্য সভাৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি জিলা সাহিত্য সভাৰ কমলা দেৱী টোডি ভৱনত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনৰে প্ৰতিষ্ঠা দিৱসৰ আৰম্ভ কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাক জাতিটোক সুৰক্ষিত কৰাৰ স্বাৰ্থত অধিক গতিশীল কৰি তুলিবলৈ আহ্বান জনায়। জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই আঁতধৰা অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি কবি তথা নগাঁও জিলা অগপৰ সভাপতি মনিমাধৱ মহন্তই অসম সাহিত্য সভাৰ মজিয়ালৈ নৱ প্ৰজন্মৰ প্ৰতিনিধিক আকৰ্ষিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সভাক আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী, ৰতিমোহন নাথ, নগাঁও কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকা, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য আবুল খায়েৰ আহমেদ, হোজাই জিলা সাহিত্য সভাৰ সম্পাদক অনুপ বৰঠাকুৰ, নগাঁও জিলা সাহিত্য সভাৰ বিষয়ববীয়াকে ধৰি ভালে সংখ্যক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কে'বাগৰাকী যুৱ প্ৰজন্মই 'যুৱ প্ৰজন্মৰ দৃষ্টিত সাহিত্য সভা' শীৰ্ষক আলোচনাত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাক জনমুখী আৰু গতিশীল কৰাৰ বাবে কে'বাটাও পৰামৰ্শ আগবঢ়ায়। সভাতেই ১১ খন গ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচন কৰা গ্ৰন্থকেইখন হ'ল ক্ৰমে ৰতিমোহন নাথৰ ঐতিহ্যসন্ধানী, ডঃ সূৰ্য হাজৰিকা, দীপিকা নাথৰ যৌগিক আৰু প্ৰাকৃতিক চিকিৎসা, দীপা বৰুৱাৰ মদাহি জনগোষ্ঠী, কাবেৰী মহন্তৰ ৰম্য যাত্ৰাৰ এপলক, অমিয়া গোস্বামীৰ প্ৰবন্ধৰ সুৰংগৰে, পূবালী বৰুৱা শৰ্মাৰ ধোঁৱাৰ চৰাই হৈ সময়, দীপা পণ্ডিতৰ ল'ৰাকণৰ গৰমৰ বন্ধ আৰু অকণিলৈ আখৰৰ উপদেশ, ৰাতুল শৰ্মাৰ আশাৰ কাৰেং, দেৱযানী পাঠক শৰ্মাৰ কলঙে মাতে ৰিঙিয়াই, দুলুমণি শইকীয়াৰ বৈ থকা মানে নদী নহয়।

### ১১ খন গ্ৰন্থ উন্মোচন

# 'কা' আন্দোলনৰ তীব্ৰ বিৰোধিতা প্ৰদীপ দত্ত ৰায়ৰ

**শিলচৰ, ২০ আগষ্ট ঃ** সংশোধিত নাগৰিকত্ব আইন (কা) আন্দোলনৰ বিৰোধিতা কৰিছে প্ৰদীপ দত্ত ৰায়ে। এক বিবৃতিত তেওঁ কয় যে আছুকে ধৰি অসমীয়া জাতীয়তাবাদী সংগঠনসমূহে 'কা' বিৰোধী আন্দোলনৰ মূল উদ্দেশ্য হৈছে বিগত কেইটামান দশক ধৰি অসমত বাঙালী হিন্দুসকলৰ ওপৰত নিপীড়িত হৈ থকাৰ বাবে যথাৰ্থ অৱস্থা বোজাই ৰখা। বাঙালী হিন্দুসকলক অনৈতিক 'ডি' ভোটাৰৰ জাননী জাৰি কৰি বা বন্দী কৰি ৰখাৰ সময়ত মৌন হৈ থাকে। সেয়েহে এইবোৰ শীঘ্ৰে বন্ধ নকৰিলে অসমক পুনৰ দ্বিখণ্ডিত কৰা হ'ব। বিবৃতিটোত ৮০ৰ দশকৰ 'বাঙালী খেদা' আন্দোলনৰ আৰু বৰ্তমানৰ 'কা' আন্দোলনে মুছলমান নিৰ্বিশেষে বাংলা ভাষী হিন্দুসকলক লক্ষ্য কৰি লৈছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে এই উগ্ৰজাতীয়তাবাদী সংগঠনসমূহক নিজৰ স্বাৰ্থৰ বাবে পৃষ্ঠপোষকতা কৰি থকাটো দুৰ্ভাগ্যজনক। তিনি বছৰ পূৰ্বে সংসদৰ দুয়োখন সদনত গৃহত হোৱাৰ পাছতো আইনখন আজিলৈকে কিয় সম্পূৰ্ণ হোৱা নাই তেওঁ প্ৰশ্ন কৰে। বিবৃতিটোত তেওঁ এই পক্ষপাতপুষ্ট ভূমিকা শীঘ্ৰে বন্ধ কৰিবলৈ আহ্বান জনায়।

# শিক্ষক নুৰুল ইছলামৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**কচুৱা, ২০ আগষ্ট ঃ** কালি পুৱতি নিশা কচুৱাৰ লংজাপ চানখোলা এম ই স্কুলৰ সহকাৰী শিক্ষক নুৰুল ইছলাম (৫৪)ৰ গুৱাহাটী মহানগৰস্থিত ৰহমান হাস্পতালত মৃত্যু হয়। শিক্ষকজনে যোৱা ১৭ আগষ্টৰ নিশা নিজ বাসভৱনতেই উচ্চৰক্তচাপত আক্ৰান্ত হোৱাত ততাতৈয়াকৈ কচুৱা মডেল হাস্পতালত ভৰ্তি কৰায় যদিও সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ কৰে। তাত দুদিন চিকিৎসা সেৱা আগবঢ়োৱাৰ পাছতো শিক্ষকজন আজি মৃত্যুক সাবটি লয়। শিক্ষকজনে ইহসংসাৰত দুই কন্যা আৰু এজন পুত্ৰসহ পত্নীৰ লগতে বহু আত্মীয়-স্বজন এৰি যায়। শিক্ষকজনৰ মৃত্যুত অঞ্চলটোত এক শোকৰ ছাঁ পৰিছে।

# ধুবুৰীত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ জন্মজয়ন্তী উদ্‌যাপন




**ধুবুৰী, ২০ আগষ্ট ঃ** আজি ধুবুৰীৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ ৭৯ তম জন্মজয়ন্তী উদ্‌যাপন কৰে। প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ প্ৰতিচ্ছবিত ধুবুৰী জিলা কংগ্ৰেছ কমিটীৰ সভাপতি ছামছুল ইছলামে মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে দলীয় কৰ্মকৰ্তাসকলেও পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে। জিলা কংগ্ৰেছ কমিটীৰ সভাপতি ছামছুল ইছলামে কয় যে আজিৰ এই জন্মজয়ন্তীৰ চেগতে ভাৰতবৰ্ষৰ সকলো লোকে যাতে কংগ্ৰেছত যোগদান কৰে আৰু দলটোক অধিক শক্তিশালী কৰে তাৰবাবে সকলোকে আহ্বান জনায়।

# বিজনীত পৌৰসভাৰ উদ্যোগত অনুষ্ঠিত

১২ পৃষ্ঠাৰ পৰা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে ৰজা বিজিত নাৰায়ণৰ নামকৰণেৰে বিজনী নগৰখনৰ ৱাৰ্ডৰ সংখ্যা বৃদ্ধি কৰাৰ পোষকতা কৰে আৰু জনসংখ্যা বৃদ্ধিৰ জৰিয়তে চৰকাৰে উন্নয়নৰ পুঁজি দিব বুলি উল্লেখ কৰি পৌৰসভাৰ ৱাৰ্ড বৃদ্ধিৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৌৰসভাৰ কৰ্তৃপক্ষক আহ্বান জনায়। সভাত বিটিচিৰ সুভাইঝাৰ সমষ্টিৰ পৰিষদীয় সদস্য প্ৰভাত বসুমতাৰীসহ পৌৰসভাৰ উপ-সভাপতি, ৱাৰ্ড সদস্যসকলৰ লগতে নাগৰিকসকল আৰু দল-সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

# নগাঁও জিলাত 'অসম মিলেট মিছন'ৰ

১২ পৃষ্ঠাৰ পৰা সজাগতা আৰু কাৰিকৰী জ্ঞান কৃষকসকলৰ মাজত উপলব্ধ কৰাৰ উদ্দেশ্যে নগাঁও জিলা কৃষি বিভাগে কে'বাটাও কৃষক প্ৰশিক্ষণৰ আয়োজন কৰিছে। আজি জিলাখনৰ বঢ়হমপুৰ বিধানসভা সমষ্টিৰ দৰংডিয়াল গাঁৱত অনুষ্ঠিত কৰা কৃষক প্ৰশিক্ষণত উপস্থিত থাকি জিলা কৃষি বিষয়া তৰুণ হাজৰিকাই ৰাগী খেতিৰ উপকাৰিতাৰ ওপৰত আলোকপাত কৰাৰ লগতে নতুন শস্যবিধ বিজ্ঞানসন্মতভাৱে কৰিবৰ বাবে কৃষকসকলক আহ্বান জনায়। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহকুমা কৃষি বিষয়া অমিয় কুমাৰ সিন্‌হা, চিলঙনী আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী বিনোদ কলিতা, কৃষি উন্নয়ন বিষয়া কল্যাণ গোস্বামী, কৃষি পৰিদৰ্শক দীপক শইকীয়াৰ লগতে অঞ্চলটোৰ প্ৰায় ৩০ জন হিতাধিকাৰী কৃষকে উক্ত প্ৰশিক্ষণত অংশগ্ৰহণ কৰে।

# নিউ বঙাইগাঁৱত তেল চোৰ গ্ৰেপ্তাৰ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২০ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ নিউ বঙাইগাঁও ৰেল আৰক্ষীয়ে এক অভিযান চলাই এজন তেল চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযানত গ্ৰেপ্তাৰ কৰে ইয়াৰ আলী নামৰ এজন তেল চোৰ মাফিয়াক। দীৰ্ঘদিনৰ পৰা বঙাইগাঁও শোধনাগাৰৰ পৰা ৰেলযোগে বাহিৰলৈ ওলোৱা ৰেলৰ পৰা চুৰি তেল ক্ৰয় কৰি আছিল আলীয়। এক গোপন তথ্যৰ ভিত্তিত নিউ বঙাইগাঁও জিআৰপিয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰে আলীক। আলীৰ ঘৰ বঙাইগাঁও আৰু বৰপেটা জিলাৰ সীমামূৰীয়া অঞ্চল লাংলাত। লাংলাৰ আলীৰ ঘৰত ৰেল আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে ১৯ টা পেট্ৰ'লসহ তেল ভৰ্তি ড্ৰাম আৰু ১৭ টা খালী ড্ৰাম।

# দৰংগিৰিত অজ্ঞাত বাহনৰ খুন্দাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২০ আগষ্ট ঃ** ৰংজুলি থানাৰ অন্তৰ্গত দৰংগিৰিৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত যোৱা নিশা সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। দৰংগিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত অজ্ঞাত বাহনে খুন্দিয়াই থৈ যায় এগৰাকী মহিলাক। ৭-৩০ মান বজাত সংঘটিত পথ দুৰ্ঘটনাত থিতাতে মৃত্যু হয় মহিলাগৰাকীৰ। ঘটনাৰ খবৰ পোৱাৰ লগে লগে দৰংগিৰিৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে যদিও এতিয়ালৈ মহিলাগৰাকীৰ পৰিচয় উদ্ধাৰ হোৱা নাই। আজি অচিনাক্ত মহিলাগৰাকীৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত ৭২ ঘণ্টাৰ বাবে মৰ্গত ৰাখিব আৰক্ষীয়ে।

# শোণিতপুৰত বেচৰকাৰী সংগঠনৰ জিলা সমিতি গঠন

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২০ আগষ্ট ঃ** এক স্বচ্ছতাৰ প্ৰতিশ্ৰুতিৰে সামাজিক, অৰ্থনৈতিক শৈক্ষিক তথা বৌদ্ধিক উদ্দেশ্যৰে ঝলঝলা নামৰ বেচৰকাৰী সংগঠনটোৰ জিলা শাখাৰ সমিতিখন কালি গঠন কৰা হয়। সমিতি গঠন সভা কাৰ্যসূচীত সদৌ অসম ঝলাঝলা বেচৰকাৰী সন্থাৰ স্থায়ী সভাপতি অৰজিৎ ৰায় প্ৰধানী, সম্পাদিকা বকুল ৰয় উপস্থিত থাকি এই সংগঠনটোৰ ভৱিষ্যৎ দিনৰ উদ্দেশ্য উল্লেখ কৰে। তদুপৰি তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেৱেন বৰুৱাই উদ্দেশ্য, লক্ষ্য, কাৰ্যপ্ৰণালী, সবিস্তাৰে উপস্থিত সকলোৰে আগত দাঙি ধৰে। ইপিনে, সভাত তেজপুৰ বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিজয় শইকীয়া, দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰামচৰণ ডেকাক, উপদেষ্টা হিচাপে লৈ মধুস্মিতা নেওগক সভাপতি, দীপক তেলীক সম্পাদক নিৰ্বাচিত কৰি সাতজনীয়া এখন জিলা সমিতি গঠন কৰে।

# মাধৱদেৱ ছেমিনাৰী উচ্চ মাধ্যমিক

১২ পৃষ্ঠাৰ পৰা কাৰ্যালয়ে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। কিন্তু আজি বিদ্যালয়খনৰ চৰজমিন তদন্ত কৰিবলৈ যোৱা দণ্ডাধীশ ৰাজা বৈশ্যই সন্দেহযুক্ত বিষয়সমূহৰ কোনো নথিপত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল যদিও বিদ্যালয়ৰ এটেনডেন্স ৰেজিষ্টাৰ পৰীক্ষা কৰি প্ৰধান শিক্ষকগৰাকীৰ অন্য এটা কুকীৰ্তি ধৰা পেলায়। বিদ্যালয়খনত কাৰ্যালয় সহায়কৰূপে নিযুক্ত সত্যেন বুঢ়াগোহাঁইয়ে বছৰ বছৰ ধৰি বিদ্যালয়ত অনুপস্থিত যদিও এই বিষয়ত প্ৰধান শিক্ষকগৰাকীয়ে কোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা নাছিল। বৰঞ্চ প্ৰতিমাহে কাৰ্যালয়ৰ সহায়ক গৰাকীক নিয়মিতভাৱে দৰমহা লাভ কৰা বিলত প্ৰধানগৰাকীয়ে স্বাক্ষৰ কৰি আহিছিল। অভিযোগ অনুসৰি বিদ্যালয়ৰ পৰিদৰ্শকৰ আশিসধন্য প্ৰধান শিক্ষকগৰাকী লুণ্ঠনৰ জালখন যাতে কোনেও ধৰা পেলাব নোৱাৰে তাৰ বাবে কাৰ্যালয় সহায়কৰ বিৰুদ্ধেও বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণৰ পৰা নিৰাপদ দূৰত্বতহে অৱস্থান গ্ৰহণ কৰি আহিছিল। দণ্ডাধীশ পৰ্যায়ৰ প্ৰাথমিক তদন্ততে প্ৰধান শিক্ষকৰ ভয়ংকৰ জালিয়াতি পোহৰলৈ অহাত দীপেন বৰুৱাৰ মৌখিক নিৰ্দেশত ভাৰপ্ৰাপ্ত প্ৰধানৰ দায়িত্ব লৈ থকা অজিত বৰুৱাক অহা সোমবাৰে বিদ্যালয়ৰ সকলো নথিপত্ৰসহ মহকুমাধিপতিৰ কাৰ্যালয়ত উপস্থিত হ'বলৈ নিৰ্দেশ দিছে। এখন বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ উপৰি অসম গণ পৰিষদৰ তিতাবৰ বিধান পৰিষদৰ উপসভাপতিৰ পদতো কাৰ্যনিৰ্বাহ কৰি থকা দীপেন বৰুৱাই বিদ্যালয় পৰিচালনা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মহেন্দ্ৰ শইকীয়াৰ চহী জাল কৰা বুলি পাঁচ আগষ্টত তিতাবৰ আৰক্ষী থানাত এজাহাৰো দাখিল কৰিছিল। কিন্তু চৰকাৰী পক্ষৰ ৰাজনৈতিক ব্যক্তিক হাত লগাবলৈ সাহস নকৰা তিতাবৰ আৰক্ষীয়ে ১৫ দিন উকলি যোৱাৰ পাছতো মহেন্দ্ৰ শইকীয়াই দাখিল কৰা এজাহাৰখনৰ ওপৰত ব্যৱস্থা লোৱাতো দূৰৰে কথা এজাহাৰখনেই পঞ্জীয়ন নকৰিলে বুলি পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলে ক্ষোভ উজাৰিছে। লিখিত অভিযোগৰ পাছতো প্ৰধান শিক্ষকৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰা বিষয়ত তিতাবৰ আৰক্ষী বিভাগৰো ভূমিকা সন্দেহজনক বুলি অভিযোগ উঠিছে। শেহতীয়াকৈ জিলা উপায়ুক্ত কাৰ্যালয়ৰ নিৰ্দেশত আজিৰে পৰা আৰম্ভ হোৱা দণ্ডাধীশ পৰ্যায়ৰ তদন্তই সমগ্ৰ বিষয়টোৰ নেপথ্যত থকা ৰৌ-বৰালিবিলাকৰ কুকীৰ্তি ৰাজহুৱাকৈ পোহৰলৈ অনাৰ সন্দেহ ঘনীভূত হৈছে।

# পিএম কিষাণৰ হিতাধিকাৰীক ৩০ আগষ্টৰ ভিতৰত যাৱতীয় নথি জমা দিবলৈ জিলা কৃষি বিষয়াৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২০ আগষ্ট ঃ** ৰাজ্যৰ পিএম কিষাণ আঁচনিৰ অধীনত প্ৰকৃত কৃষকে যাতে হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত হয় তাৰ বাবে চৰকাৰে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আজি এই সংক্ৰান্তত বাগ্‌সা জিলা কৃষি বিষয়া দুলাল দাসে এক বিজ্ঞপ্তিযোগে যোগ্য হিতাধিকাৰী কৃষকসকলক তেওঁলোকৰ মাটিৰ তথ্যসমূহ প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধিৰ তালিকাত সংযুক্ত কৰিবলৈ আহ্বান জনায়। চৰকাৰৰ এই নিৰ্দেশক কাৰ্যকৰী কৰাৰ বাবে বাগ্‌সা জিলা কৃষি বিভাগেও তৎপৰতা গ্ৰহণ কৰাৰ কথা প্ৰকাশ কৰে জিলা কৃষি বিষয়াই। বিষয়াজনে অহা ৩০ আগষ্টৰ ভিতৰত বাগ্‌সা জিলাৰ পিএম কিষাণ আঁচনিৰ অধীনৰ উপযুক্ত হিতাধিকাৰীক শেহতীয়াকৈ উলিওৱা মাটিৰ জমাবন্দী, পিএম কিষাণৰ পঞ্জীয়ন নম্বৰ, আধাৰ কাৰ্ডৰ ফটোকপি আৰু বেংকৰ একাউণ্ট বহীৰ ফটোকপি নিজ নিজ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জমা দিবলৈ আহ্বান জনাইছে।

# ছয়গাঁও শাৰদীয় দুৰ্গা পূজা পৰিচালনা কমিটী গঠন

**ছয়গাঁও, ২০ আগষ্ট ঃ** ছয়গাঁও সমষ্টিৰ অন্যতম এখন দুৰ্গা পূজা হৈছে ছয়গাঁও শাৰদীয় দুৰ্গা পূজা। বিগত বছৰৰ দৰে ছয়গাঁও ৰাস ক্ষেত্ৰত এইবেলিও উলহ-মালহেৰে পূজা উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছে। ইতিমধ্যে ১১ সংখ্যক শাৰদীয় দুৰ্গা পূজাখন সাফল্যমণ্ডিত কৰি তুলিবলৈ সত্য ঠাকুৰীয়াক সভাপতি আৰু দিপক কলিতাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী কমিটী গঠন কৰা হৈছে। অহা একৰ পৰা পাঁচ অক্টোবৰলৈ চলিবলগীয়া এই দুৰ্গা পূজাৰ লগত সংগতি ৰাখি প্ৰতিদিনে নাম-কীৰ্তন, সাংস্কৃতিক কাৰ্যসূচী আৰু যাত্ৰাভিনয় চলিব।

# দুই ছেপ্টেম্বৰত মুক্তি নতুন অসমীয়া ছবি ‘কস্তুৰী’ৰ



অহা দুই ছেপ্টম্বৰত অসমৰ ছবিগৃহত মুক্তি লাভ কৰিব নতুন অসমীয়া চিনেমা ‘কস্তুৰী’ । চিনেমাখনৰ কাহিনী, পৰিচালনা আৰু প্ৰযোজনা ইন্দ্ৰজিৎ কাকতিৰ। চিনেমাখনৰ মূল চৰিত্ৰত ইন্দ্ৰজিৎ কাকতি আৰু অৰুন্ধতী শৰ্মাই অভিনয় কৰাৰ লগতে আন আন চৰিত্ৰত অভিলেখা দাস, মুন কুমাৰ শইকীয়া, কল্পনা গগৈ শিশুশিল্পী সান্‌ভি পাঠক আদিয়ে অভিনয় কৰিছে।

চিনেমাখনৰ মুখ্য সহকাৰী পৰিচালক ডিম্পি ডেকা। সহ পৰিচালক ৰোজ আৰু দৰ্শন ভট্টাচাৰ্য। কস্তুৰীৰ সম্পাদনা কৰিছে খ্যাতিমান ছবি পৰিচালক কৃপাল কলিতাই। চিনেমেট’গ্ৰাফাৰ ৰিপুঞ্জয় নিৰ্মলীয়া আৰু ড্ৰোন কেমেৰাৰ কাম দীপাংকৰৰ। ৰূপসজ্জাত আছে কমোলিকা, গুলচন আৰু ঋতু কুমাৰ। প্ৰযোজনা নিয়ন্ত্ৰণক বুধিন খনিকৰ। গ্ৰাফিক্স আৰু ভিএফএক্সৰ কাম কৰিছে দীপাংকৰ চহৰিয়াই। ‘কস্তুৰী’ৰ ডি আই কালাৰিষ্ট মানসকাশ্যপ আৰহ সংগীত ডি.বিটিজেদৰ। ফলি আৰু এফ এক্স - ভৰালী ষ্টুডিঅ’ৰ। শব্দ সংমিশ্ৰণ অভিজিৎ বৰ্মনৰ আৰু চিনেমাখনৰ পোষ্টাৰ ডিজাইন কৰিছে অভিজিৎ শৰ্মাই। কস্তুৰীত গীত গাইছে জুবিন গাৰ্গ, স্বাগতা গোস্বামী দাস, সেউজ, সংগীতা কাশ্যপ, ইয়ান বৰুৱা আৰু নিতুমণি কলিতাই।

## নতুন অসমীয়া ছবি

# দ্য গৱৰ্ণমেণ্ট ছাৰ্ভেণ্টৰ চেন্সৰ সম্পন্ন



যোৱা ১৭ আগষ্টত নতুন অসমীয়া ছবি ‘দ্য গৱৰ্ণমেণ্ট ছাৰ্ভেণ্ট’ লৈ চেন্সৰ ব’ৰ্ডে প্ৰমাণপত্ৰ আগবঢ়ায় আৰু এতিয়া ছবিখন চিত্ৰগৃহত মুক্তিৰ বাবে সাজু হৈ উঠিছে।

‘মায়ঙলৈ আহিলে যাওঁতে টিকাত পীৰাখন লাগি আহে—’ উল্লেখ্য যে ছবিৰ পটভূমি হ’ল অসমৰ যাদুৰ দেশ হিচাপে পৰিচিত মায়ং অঞ্চল। য’ত এগৰাকী চৰকাৰী বিষয়াৰ নতুনকৈ পোষ্টিং হয় আৰু তাৰ পাছতে বিচিত্ৰ অভিজ্ঞতাৰ সন্মুখীন হয়। সেই অভিজ্ঞতা তেওঁ হৃদয়ত চিৰদিন লৈ ফুৰে। ছবিখনৰ কাহিনী সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত জয়ন্ত মাধৱ বৰাৰ পৰিচালনা প্ৰদ্যুৎ কুমাৰ ডেকাৰ আৰু প্ৰযোজনা দেৱাশীষ গোস্বামী আৰু লিপিকা শৰ্মা মেধিৰ। মায়ং অঞ্চলক কেন্দ্ৰ কৰি এইখনে প্ৰথম পূৰ্ণ দৈৰ্ঘৰ ছবি, য’ত চৰকাৰী বিষয়াজনে সকলো কথাকে বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চাব বিচাৰে, সকলো প্ৰচলিত জনবিশ্বাসক বিজ্ঞানৰ ভিত্তিত প্ৰতিষ্ঠা কৰিব বিচাৰে। কিন্তু সেয়া সম্ভৱ হয়নে? বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে কপিল বৰা, হিৰণ্য ডেকা, নিকুমণি বৰুৱা, উপকূল বৰদলৈ, দুৰ্গাশ্ৰী বৰা, দেৱাশ্ৰী দাস, হেমন্ত দেৱনাথ, দ্বীপজ্যোতি কাকতি, হিমাংশু শৰ্মা আদি। চিত্ৰগ্ৰহণ মিনাক্ষী ভাগৱতীৰ, সংগীত দেৱাশীষ গোস্বামীৰ, কণ্ঠশিল্পী ৰূপম ভূঞা, গীতৰ কথা কুকীল প্ৰতিমৰ, সম্পাদনা ৰতন শীল শৰ্মাৰ, ছাউণ্ড ডিজাইন দীপক দত্ত আৰু বাবুল দাসৰ, ৰূপসজ্জা জোনালী বৰুৱাৰ, সাজসজ্জা ৰ’জি বৰাৰ, ভিএফএক্স জিতেন দাস আৰু হীৰক ডেকাৰ, প্ৰচাৰ প্ৰান্তিক ডেকাৰ, স্থিৰচিত্ৰ পল্লৱ মহন্তৰ।

# বহুত উপাৰ্জন কৰিলে, এতিয়া বহি থাকক একাংশৰ ৰোষত পৰিল শ্বাহৰুখৰ ‘পাঠান’

সম্প্ৰতি সামাজিক মাধ্যমত এটা ট্ৰেণ্ড চলিছে। ‘বলিউদ বয়কট’; আন একাংশই আকৌ ‘তিনি খান’ক বৰ্জনৰ আহ্বান জনাইছে। শ্বাহৰুখ, আমিৰ, ছলমান— এই তিনি খানক বাৰু এতিয়া দেশৰ একাংশই সহ্য কৰিব নোৱৰা হৈ পৰিছে নেকি? আমিৰৰ ‘লাল সিং চাড্ডা’, অক্ষয় কুমাৰৰ ‘ৰক্ষা বন্ধন’ৰ পাছত এই ডোবাৰ আশংকা সৃষ্টি হৈছে শ্বাহৰুখৰ ‘পাঠান’ ছবিও। ছবিখনে মুক্তি পাব আগন্তুক বৰ্ষত। তাৰ আগতেই ছবিখন বৰ্জনৰ আহ্বান জনালে একাংশই। শ্বাহৰুখৰ এটা পুৰণি মন্তব্যৰ ভিত্তিতে হেনো নতুনকৈ এই বিতৰ্কৰ সূত্ৰপাত ঘটিছে। একাংশ স্বাৰ্থান্বেষী লোকে সেই পুৰণি ভিডিঅ’টো সামাজিক মাধ্যমত ভাইৰেল কৰাৰ পাছতে বিতৰ্কই মূৰ দাঙি উঠিছে।

উল্লেখ্য যে কিছু বছৰৰ পূৰ্বে দেশত অসহিষ্ণুতা বৃদ্ধি পোৱা বুলি এক বিতৰ্কৰ সূচনা হৈছিল। সেই সময়তে দেশৰ ক্ৰমবৰ্ধমান অসহিষ্ণুতা সন্দৰ্ভত শ্বাহৰুখেও মুখ খুলিছিল। হিন্দী ছবিৰ মন্দা সন্দৰ্ভত এক সাক্ষাৎকাৰত বলিউদৰ কিং খানে কৈছিল, ‘দেশত অসহিষ্ণুতাৰ



ছবিখন অত্যধিক পৰিমাণে দেখা গৈছে। এয়া ক্ৰমাৎ বৃদ্ধি পাইছে।’ সেই সাক্ষাৎকাৰৰ ভিডিঅ’ নিমিষতে ভাইৰেল হোৱাত শ্বাহৰুখ সমালোচনাৰ সন্মুখীন হয়। তেতিয়াই এদল লোকে সামাজিক মাধ্যমত লিখিলে, ‘ইমানেই যদি অসহিষ্ণুতা, শ্বাহৰুখ খানে দেশ এৰি যোৱা নাই কিয়?’ সম্প্ৰতি উক্ত ভিডিঅ’ পুনৰ ভাইৰেল হোৱাত একাংশই শ্বাহৰুখৰ লগতে আন দুই খানকো আক্ৰমণ কৰিলে। এজনে লিখিছে, ‘খেলা শেষ। ছলমান, শ্বাহৰুখ, আমিৰ... তিনি খানেই যথেষ্ট উপাৰ্জন কৰিলে। এতিয়া বিশ্ৰাম লওক’। ইয়াৰ সমান্তৰালকৈ শ্বাহৰুখৰ আগন্তুক ছবি ‘পাঠান’ বৰ্জন কৰিবলৈকো আহ্বান জনাইছে একাংশই। অৱশ্যে এই ধৰণৰ নেতিবাচক মন্তব্যৰ বিৰুদ্ধে ফেপেৰি পাতিছে শ্বাহৰুখৰ অনুৰাগীসকলে। তেওঁলোকে অহেতুক নেতিবাচক প্ৰতিক্ৰিয়া নজনাবলৈ অনুৰোধ জনাইছে। এজন অনুৰাগীয়ে লিখিছে, ‘সমগ্ৰ ভাৰতে এতিয়া ‘পাঠান’ৰ বাবে অপেক্ষা কৰি আছে।’

# ‘বিগ বছ’ৰ পৰা এহেজাৰ কোটি পাৰিশ্ৰমিক বিচাৰিলে ছলমানে



ছবিৰ বজাৰ যিয়েই নহওক কিয়, সম্প্ৰতি নিজৰ দৰ অধিক বৃদ্ধি কৰিলে ছলমান খানে। বছৰৰ শেষভাগত চিত্ৰগৃহলৈ আহিব ভাইজানৰ নতুন ছবি ‘কভি ঈদ কভি দিৱালী’। তাৰ পূৰ্বে ‘বিগ বছ ১৬’ৰ সঞ্চালনাৰে নিজৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব খুজিছে নেকি ছলমানে? কাৰণ ‘বিগ বছ’ৰ পৰা তেওঁ বিচাৰিছে এহেজাৰ কোটি টকাৰ পাৰিশ্ৰমিক। যি শুনি এতিয়া বোলে ‘বিগ বছ’ৰ ব্যৱস্থাপকসকলে মূৰে-কপালে হাত দিছে। কাৰণ এই অংক ছলমানৰ আগৰ পাৰিশ্ৰমিকৰ তুলনাত তিনি গুণ বেছি। ফলত জনপ্ৰিয় ৰিয়েলিটী শ্ব’টোৰ নতুন ছিজনৰ আৰম্ভণিৰ দিন, প্ৰতিযোগী আদিৰ বিপৰীতে এতিয়া সঞ্চালকহে খবৰৰ শিৰোনামত উঠিছে।

উল্লেখ্য যে বিগত বৰ্ষৰ ‘বিগ বছ ১৫’ত সঞ্চালক ছলমানৰ পাৰিশ্ৰমিক আছিল ৩৫০ কোটি টকা। আগন্তুক অক্টোবৰৰ পৰা আৰম্ভ হ’ব ‘বিগ বছ ১৬’। ইয়াৰ বাবে ছলমানে কিয় গগনচুম্বী পাৰিশ্ৰমিক দাবী কৰিছে সেই সন্দৰ্ভত অৱশ্যে কোনো এটা পক্ষই আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা নাই।

# যৌনতা সন্দৰ্ভত অকপট সিদ্ধাৰ্থ



অভিনেত্ৰী কিয়াৰা আদৱানীৰ স’তে প্ৰেমৰ সম্পৰ্কক কেন্দ্ৰ কৰি দীৰ্ঘদিনৰ পৰা চৰ্চাত আছে যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ’ব সিদ্ধাৰ্থ মালহোত্ৰা। আনকি মাজতে দুয়োৰে বিচ্ছেদ হোৱা বুলিও ওলাইছিল। তাৰ পাছতে চৰ্চা হ’ল যে দুয়ো পুনৰ পৰস্পৰৰ কাষ চাপি আহিছে। যদিও প্ৰেম-বিচ্ছেদ-পুনৰ্মিলন আদি প্ৰসংগত তাৰকাদ্বয়ে এই পৰ্যন্ত মুখ খোলা নাই। অৱশ্যে এটা স্থানত সিদ্ধাৰ্থ বা কিয়াৰা কিয়, আন কোনো অভিনেতা-অভিনেত্ৰীয়েই নিজৰ গোপন তথ্য গোপন কৰি ৰাখিব নোৱাৰে। সেই স্থানেই হৈছে কৰণ জোহৰ শ্ব’। প্ৰেমৰ সম্পৰ্ক বা নিজৰ যৌন জীৱন সন্দৰ্ভত প্ৰায় সকলোৱেই মুখ খুলিবলৈ বাধ্য হয় কৰণৰ প্ৰশ্নবানত। সম্প্ৰতি কৰণৰ এক অনুষ্ঠানতে নিজৰ যৌন ইচ্ছাৰ সন্দৰ্ভত অকপটে মুখ খুলিলে সিদ্ধাৰ্থই।

সিদ্ধাৰ্থৰ স’তে ভিকি কৌশলে কৰণ জোহৰৰ উক্ত অনুষ্ঠানত উপস্থিত আছিল। তাতেই উত্থাপিত হ’ল নানা প্ৰসংগ। সিদ্ধাৰ্থক তেওঁৰ যৌন জীৱনৰ প্ৰসংগতো প্ৰশ্ন কৰে কৰণে। তেতিয়াই তৰুণ নায়কজনে কয়, ‘প্ৰেম থকাটো জৰুৰী। প্ৰেমবিহীন যৌনতা ভাল নালাগে।’ সিদ্ধাৰ্থৰ এই উত্তৰে কিন্তু তেওঁৰ অনুৰাগীসকলক সন্তুষ্ট কৰিছে। সামাজিক মাধ্যমত অকপট স্বীকাৰোক্তিৰ বাবে বহুতে তেওঁক প্ৰশংসা কৰিছে।

## পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ ‘সুকনান্নী সংগীতৰ দিন’ৰ অনুষ্ঠান

# ছিপাঝাৰৰ ৰাজেন্দ্ৰ নাথ ওজাক মুক্তাৰাম বৰুৱা ওজা সোঁৱৰণী সন্মান

অসমৰ প্ৰখ্যাত লোকশিল্পী, সুকনান্নী সংগীতাচাৰ্য, মোহন ভাইৰা বঁটা প্ৰাপক, দৰং গৌৰৱ তৌৰ্যত্ৰিক পাৰংগত মুক্তাৰাম বৰুৱা ওজাই ওৰেটো জীৱন কৃষ্টি-সংস্কৃতিৰ সাধনাত নিজকে উৎসৰ্গা কৰি যোৱা ২০১৪ ৰ ১৯ আগষ্টত পৰলোকপ্ৰাপ্তি হয়। ঐতিহাসিক পথৰুঘাটক সংস্কৃতিৰ কৃচ্ছ্ৰসাধনাৰে উজলাই তোলা এইজন কীৰ্তিমান পুৰুষৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু তেওঁৰ গৰিমাময় স্মৃতি জীৱন্ত কৰাৰ প্ৰয়াসেৰে মৃত্যু দিৱসৰ দিনটো পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটে ‘সুকনান্নী সংগীতৰ দিন’ হিচাপে পালন কৰি আহিছে। উক্ত দিৱসৰ লগত সংগতি ৰাখি যোৱা ২০২০ৰ পৰা এজন সুকনান্নী সংগীতৰ শিল্পীক মুক্তাৰাম বৰুৱা ওজা সন্মান প্ৰদান কৰি আহিছে। প্ৰথম বৰ্ষত দিপীলাৰ কান্তৰাম ডেকা ওজা, দ্বিতীয় বৰ্ষত সেনাপতি পাৰাৰ ৰমাকান্ত শৰ্মা ওজাই এই সন্মান লাভ কৰিছে। আজি পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ উদ্যোগত পাথৰিঘাট পৰিদৰ্শন ডাক বঙলাত অনুষ্ঠিত হোৱা ‘সুকনান্নী সংগীতৰ দিন’ৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ত্ৰৌৰ্যতিক পাৰংগত শিল্পী ‘মুক্তাৰাম বৰুৱা ওজা সোঁৱৰণী সন্মান ঃ ২০২২ প্ৰদান কৰে ছিপাঝাৰ নায়কপাৰাৰ সুকনান্নী সংগীতৰ শিল্পী ৰাজেন্দ্ৰ নাথ ওজাক। মুক্তাৰাম বৰুৱা ওজা সোঁৱৰণী সন্মান ২০২২ সন্মানত আছে ফুলাম গামোচা, জাপি, স্মাৰক, গ্ৰন্থৰ টোপোলা, প্ৰশস্তিপত্ৰ আৰু নগদ ধন। পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সম্পাদক মোস্তাক হুছেইনে আঁত ধৰা অনুষ্ঠানটোত এই সন্মান প্ৰদান কৰে অৰুণাচল প্ৰদেশৰ বিশিষ্ট নাগৰিক তথা অসমীয়া কথা সাহিত্যৰ এজন প্ৰথিতযশা সাহিত্যিক পদ্মশ্ৰী য়েচে দৰজে ঠংছিয়ে । অনুষ্ঠানৰ আৰম্ভণিতে মুক্তাৰাম বৰুৱা ওজাৰ প্ৰতিচ্ছবিৰ সন্মুখত মুখ্য বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰাৰ লগতে বক্তব্য প্ৰদান কৰে সাংস্কৃতিক সংগঠক তথা দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰনাথ ডেকাই । পথৰুঘাটৰ শিশু কণ্ঠশিল্পী ফাৰিহা আহমেদৰ দলে চিয়াগীত পৰিৱেশন কৰাৰ পাছতেই মুক্তাৰাম বৰুৱা ওজা স্মাৰক বক্তিতা প্ৰদান কৰে সাহিত্যিক তথা নান্দনিক সাহিত্য চ’ৰা, পথৰুঘাটৰ সম্পাদক কমলাকান্ত ডেকাই। ব্যক্তিগত ভ্ৰমণ সূচীৰে দৰং জিলালৈ অহা পদ্মশ্ৰী য়েচে দৰজে ঠংছি সুকনান্নী সংগীতৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি মুক্তাৰাম বৰুৱা ওজা সোঁৱৰণী সন্মান ঃ ২০২২ ৰাজেন্দ্ৰ নাথ ওজাক প্ৰদান কৰাৰ লগতে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত দিপীলা আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তা তথা পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ উপদেষ্টা অখিল ৰঞ্জন ভট্টই সন্মান প্ৰাপক ওজাৰ বিশেষ তথ্য সম্বলিত বক্তব্য প্ৰদান কৰে। সন্মান প্ৰাপক ৰাজেন্দ্ৰ নাথ ওজাই সহযোগী শিল্পীসকলৰ স’তে সুকনান্নী সংগীত পৰিৱেশন কৰি নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত দৰঙী কলা-কৃষ্টিৰ অন্যতম কৃষ্টি চেৰাঢেক পৰিৱেশন কৰে ক্ৰমে হাতিম আলী , ফৰিদ আলী, ইদ্ৰিছ আলী আৰু আব্দুল খালেকে। পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাটৰ সভাপতি দিবাকৰ বৰুৱা উপস্থিত থকা অনুষ্ঠানত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সম্পাদক নৱ কুমাৰ শইকীয়া, পথৰু সমন্বয় গোষ্ঠীৰ উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত কৃষি পৰিদৰ্শক যোগেন্দ্ৰ শৰ্মা, শিক্ষক চাহাবুদ্দিন আহমেদ, ইলতাফ আলী, ৰামৰাই পাৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত গাঁও প্ৰধান চামছুদ্দিন আহমেদ, সাংবাদিক ৰণজিৎ কুমাৰ নাথ, নিৰঞ্জন শৰ্মা, হেম চন্দন, পৰশ মণি হাজৰিকা আৰু জিতুমণি ভূঞা উপস্থিত থাকে। অনুষ্ঠানটো পৰিচালনাত সহযোগিতা আগবঢ়ায় পথৰু সমন্বয় গোষ্ঠীৰ সদস্য ক্ৰমে অমৃত দাস, আজমল হুছেইন, ইমৰান হুছেইন আৰু চেলিম ইলাহীয়ে। মুক্তাৰাম বৰুৱা ওজা সন্মান ঃ ২০২২ প্ৰাপক দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত নায়কপাৰাৰ ৰাজেন্দ্ৰ নাথ ওজা। তেওঁৰ পিতৃ অতি দুখীয়া ভূমিহীন খেতিয়ক প্ৰয়াত চেনীৰাম নাথ এজন সাধাৰণ কাঠ ফলা মিস্ত্ৰি। ১৯৫২ৰ মাৰ্চত দ্বিতীয় পত্নী প্ৰয়াত বোনেশ্বৰী নাথৰ গৰ্ভত ৰাজেন্দ্ৰ




নাথ ওজাৰ জন্ম হয়। প্ৰায় সাত বছৰ মান বয়সত নায়কপাৰা প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিয়ে। দুই তিনি বছৰ মান ক শ্ৰেণীতেই থাকি তাৰ পৰা ওলাই আহি এক নম্বৰ মাৰৈ গাঁৱৰ দুৱাহাটী স্কুলত নাম লগাই তাৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা শেষ কৰি পকাদলি এম ই স্কুলত নাম লগাই ১৯৭১ত হাইস্কুল শিক্ষান্ত পৰীক্ষা দি পৰীক্ষাত সফল হ’ব নোৱাৰি শিক্ষা জীৱনৰ সামৰণি মাৰে। সৰুকালিৰ পৰাই ওজাই নাগাৰা নাম, ওজা, ভাওৰীয়া, খেলা-ধূলা সকলোতে বৰ মন দিছিল। অষ্টম শ্ৰেণীৰ পৰাই পুথি পঢ়া, নাম ধৰা, ওজা চোৱা, খেলা চোৱা আদিত বৰ ৰাপ আছিল। সেয়ে নৱম শ্ৰেণীৰ পৰাই নাগাৰা নামৰ পাঠক হৈ জিলাৰ বিভিন্ন ঠাইত পালনাম গাইছিল, কিন্তু তেওঁৰ বেছি চখ বা ৰাপ আছিল মনসা পূজাত গোৱা সুকনান্নী ওজা হোৱাৰ। সেয়ে ১৯৭১ৰ পাছতে গাঁৱৰ কে’বাজনো মানুহৰ হেঁচাত সেই সুবিধাকণ লাভ কৰি গুৰু প্ৰয়াত চন্দ্ৰকান্ত নাথ ওজাৰ ওচৰত শিক্ষালাভ কৰি আজি প্ৰায় ৫০ বছৰ মান হ’ল অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ওজাপালি আৰু দেওধনী নৃত্য প্ৰদৰ্শন কৰি সকলোৰে মৰম স্নেহ লাভ কৰিবলৈ সক্ষম হৈছে। ২০০৭ৰ পৰা আকাশ বাণীৰ অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী হিচাপে সুকনান্নী সংগীত পৰিৱেশন কৰি আছে। ২০১১ ত অসম ৰাজ্যিক এইডছ্ নিয়ন্ত্ৰণ সমিতিৰ দ্বাৰা আয়োজিত কৰ্মশালাত যোগদান কৰি নতুন দিল্লীৰ পৰা প্ৰশিক্ষণ লৈ এতিয়ালৈকে তাৰ প্ৰচাৰ প্ৰসাৰ কৰি আছে। ২০১২তে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় বিদ্যালয়ত প্ৰথম বৰ্ষৰ ২৭ জন লৰা-ছোৱালীক গুৰু হিচাপে সুকনান্নী সংগীত অসমীয়া ভাষাত এমহীয়া প্ৰশিক্ষণ দিছে। ২০১৬-১৭ ত নতুন দিল্লীৰ পৰা দিয়া উত্তৰ-পূৰ্বাঞ্চলৰ ডিমাপুৰৰ সাংস্কৃতিক কেন্দ্ৰ জোনৰ সহযোগত গুৰু শিষ্যৰ পৰম্পৰা লাভ কৰি এবছৰীয়া প্ৰশিক্ষণ দি গুৰু উপাধি লাভ কৰাৰ লগতে ২০১৭ত অসম চৰকাৰৰ পৰা এককালীন শিল্পী সাহায্য লাভ কৰে। কিন্তু দুখৰ বিষয় ইমানখিনি পাবলৈ যাওঁতে জীৱনৰ বাটত তেওঁ বহুতো ঘাত-প্ৰতিঘাত পাৰ হৈ যাব লগা হৈছে কিয়নো ভূমিহীন কৃষকৰ সন্তান। নিতৌ দিন হাজিৰা কৰিব লাগে। চাৰিটা ল’ৰা-ছোৱালী আৰু মাতৃ, ভনী দুজনী, এই নজন পৰিয়ালক ভৰণ-পোষণ দিব লাগে। কেতিয়াবা ৰাতি আখৰা কৰি আহি লঘোনে থাকিব লাগে। তথাপি নিজৰ ৰুগীয়া শৰীৰটোক কষ্ট দি হ’লেও প্ৰায় ৭০ বছৰ বয়সলৈকে আজিও মনসা পূজা, দুৰ্গা পূজা, কালী পূজা আদি অনুষ্ঠান এতিয়াও ৰাইজৰ মাজত চলাই আছে। সংগীত নাটক একাডেমী, ঠাকুৰ বঁটা প্ৰাপক প্ৰয়াত ললিত নাথ, প্ৰয়াত মুক্তাৰাম বৰুৱা, প্ৰয়াত কিনাৰাম নাথ, দেবেন বড়া, সাংস্কৃতিক সঞ্চালক গিৰীজা প্ৰসাদ দাস আনন্দ মোহন ভাগৱতী, ডিম্বেশ্বৰ দাস, ব্যাস সংগীতৰ মহান ওজা স্বৰ্গীয় দুৰ্গেশ্বৰ নাথ, ধৰ্মেশ্বৰ নাথ, ভূপেন হাজৰিকা, প্ৰতিমা পাণ্ডে, খগেন মহন্ত আদি মহান শিল্পীসকলৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছে ।

# বাণ থিয়েটাৰত নটসূৰ্য ফণী শৰ্মা নাট সমাৰোহ



নটসূৰ্য ফণী শৰ্মাৰ ৫২ সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি ৩১ জুলাইৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে নাট সমাৰোহৰ মঞ্চস্থ হোৱা নাটকসমূহ আছিল—নাট্যকাৰ দীপক মহন্তৰ ‘গজপুৰীয়া’, প্ৰভাত গোস্বামীৰ ‘বাগ্ৰুকগিৰ বিষ্ণু ৰাভা’, লক্ষ্যধৰ চৌধুৰীৰ ‘ৰক্ষকুমাৰ’ আৰু মুনীন ভূঞাৰ ‘হাতী আৰু ফান্দী’।

এক আগষ্টৰ সন্ধিয়া মঞ্চস্থ হোৱা ‘গজপুৰীয়া’ নাটকখনৰ পৰিচালক আছিল বাণ থিয়েটাৰৰ সম্পাদক, বিশিষ্ট অভিনেতা জিতুমণি দেৱচৌধুৰীৰ। মননশীল আৰু ব্যংগাত্মক নাটক ‘গজপুৰীয়া’ ইতিমধ্যে অসমৰ বহু মঞ্চত প্ৰদৰ্শিত, অভিনীত হৈছে আৰু বহুলভাৱে সমাদৃত। গজপুৰীয়াৰ দৰে অসৎ প্ৰকৃতিৰ লোকে যুগে যুগে কেনেদৰে সমাজত আগস্থান দখল কৰি আছে, কেনেদৰে ক্ষমতা কুক্ষিগত কৰিছে সেই কথাকে নাট্যকাৰে নাটকীয়ভাৱে উপস্থাপন কৰিছে। নাটখন আগবঢ়াই নিওতে থলুৱা গীত-বাদ্য ব্যৱহাৰ কৰা হৈছে। নাটকখনত সংগীতৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বাণ থিয়েটাৰে প্ৰযোজনা কৰা নাটকখন সহঃ পৰিচালক মনোৰঞ্জন মহন্তৰ সহযোগত জিতুমণি দেৱচৌধুৰীয়ে সুন্দৰভাৱে সঞ্চালন কৰা জটিল নাটকখনৰ দৈৰ্ঘ্য প্ৰায় দুঘণ্টা। মূল চৰিত্ৰত অভিনয় কৰিছে তিলক নাথ আৰু মুন ডেকাই। ‘গজপুৰীয়া’ আৰু ‘গজপুৰীয়াণী’ৰ চৰিত্ৰত অশ্বিনী বৰাৰ অভিনয় প্ৰাণৱন্ত যদিও সংলাপ প্ৰক্ষেপণত কণ্ঠস্বৰৰ দুৰ্বলতাৰ বাবে কিছু অস্পষ্টতা ৰৈ গ’ল। কিশোৰ কুমাৰ শৰ্মা আৰু গুণেশ্বৰ বড়োৰ স’তে কোৰাছত অংশগ্ৰহণ কৰা পৰিচালক জিতুমণি দেৱচৌধুৰীৰ অভিনয় সাৱলীল আৰু মনোগ্ৰাহী। আন আন চৰিত্ৰত মৃগেন বৰা, প্ৰহ্লাদ তালুকদাৰ, শশাংক বৰা, নিতুমণি কলিতা, উজ্জ্বল শইকীয়া, ৰাজীৱ মহন্ত, অচ্যুত শৰ্মা, খনীন্দ্ৰ কুমাৰ ডেকা, কৃশাংগী শইকীয়াৰ অভিনয়ে নাটকখন উপভোগ্য কৰি তুলিছিল। অমিত বড়োৰ সংগীত ব্যৱস্থাপনা প্ৰশংসনীয় যদিও বাদ্যৰ শব্দ কিছু নিয়ন্ত্ৰিত হোৱা হ’লে আৰু শ্ৰুতিমধুৰ হ’লহেঁতেন। বিজয় শংকৰ শইকীয়াৰ আলোক পৰিকল্পনা নিখুঁত।



দ্বিতীয় সন্ধিয়া মঞ্চস্থ হোৱা ‘বাগ্ৰুকগিৰ বিষ্ণু ৰাভা’ নাটকখন প্ৰতিষ্ঠিত নাট্যকাৰ প্ৰভাত গোস্বামীয়ে কলাগুৰুৰ জীৱনৰ আধাৰত ৰচনা কৰিছে। ৰাভাই যাযাবৰী জীৱনত লগ পোৱা নিৰুপমাৰ স’তে কথোপকথনৰে নাটকৰ কাহিনী নাট্যকাৰে আগবঢ়াই নিছে। নাটকৰ প্ৰয়োজনত মাজে মাজে গীত-মাত, নৃত্য প্ৰদৰ্শিত হৈছে। ‘বাগ্ৰুকগিৰ’ অৰ্থাৎ যোদ্ধা বিষ্ণু ৰাভা নামৰ নাটকখনৰ জৰিয়তে নাট্যকাৰ গোস্বামীয়ে কলাগুৰুক শ্ৰদ্ধাঞ্জলি জনাবলৈ কৰা এই প্ৰয়াসৰ বাবেই দৰ্শকে এখন জীৱনীমূলক নাটক উপভোগ কৰাৰ সুবিধা পালে। মূল চৰিত্ৰ ৰূপায়ণ কৰে অসম চলচ্চিত্ৰ উন্নয়ন নিগমৰ উপাধ্যক্ষ ডাঃ

## ড° ভূপেন শইকীয়া

আলেখ্য বৰুৱাই। নিৰুপমা, কনকলতা আৰু মোহিনী ৰাভাৰ চৰিত্ৰত অভিনয় কৰে ক্ৰমে পপী মহন্ত, প্ৰীমৰোজ শইকীয়া আৰু চানভি বড়োৱে। পপী মহন্তৰ অভিনয় পুষ্ঠ। কনকলতাৰ চৰিত্ৰত প্ৰীমৰোজ শইকীয়াই দক্ষতাৰ পৰিচয় দিব পাৰিছে। ‘জগৰু’ৰ চৰিত্ৰত দৰ্শন ভট্টাচাৰ্য, নবীন মেধিৰ চৰিত্ৰত অনিল হালৈয়ে নাটকৰ কাহিনীয়ে দাবী কৰাৰ দৰে অভিনয় কৰিছে। নটসূৰ্যৰ চৰিত্ৰ ৰূপায়ণ কৰা নৱজ্যোতি কোঁৱৰ আৰু ৰূপকোঁৱৰৰ চৰিত্ৰ ৰূপায়ণ কৰা কৌশিক ভৰদ্বাজক বৰ সপ্ৰতিভ যেন দেখা নগ’ল। আন আন চৰিত্ৰত অপূৰ্ব গোস্বামী, সমৰ ভৰালী, উদ্দীপ্ত বৰগোহাঁই, কৌশিক কাশ্যপ, শিশু নিষ্ঠাজিতাৰ লগতে নৃত্যাংশত অংশী আৰু দ্বীজেন বৰ্মনে সাৱলীল অভিনয় কৰিছে। গুৱাহাটীৰ অপেছাদাৰী নাট্যদল ‘নাট্য বীথিকা’ প্ৰযোজনা কৰা নাটকখন পৰিচালনা কৰে স্মিতা বৰ্মনে।



তৃতীয় সন্ধিয়া লক্ষ্যধৰ চৌধুৰীৰ ৰচিত নাটক ‘ৰক্ষকুমাৰ’ মঞ্চস্থ কৰে নাট্য সন্মিলনৰ তেজপুৰ শাখাই পৰিচালনা গৌতম পাঠকৰ। একুৰিতকৈ অধিক চেমনীয়া আৰু শিশুৱে পৌৰাণিক নাটখনত অভিনয় কৰে। ৰামায়ণৰ সীতা হৰণ কাণ্ডৰ পটভূমিত ৰচিত নাটকখন গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় উপ-সভাপতি মৃগেন চন্দ্ৰ বড়াৰ তৎপৰতাত প্ৰশিক্ষিত হৈছিল। চৰিত্ৰসমূহ ৰূপায়ণ কৰিছিল আদিত্য অংকুৰ নাথ, নিষ্ঠা মহন্ত, অমৃত দাস, চান্দীপ কুমাৰ দাস, ৰুদাক্ষ বিভূষণ, মৃগাক্ষী মহন্ত, ৰাজদ্বীপ বৰা, কুলদ্বীপ সোণোৱাল, চৰ্চিকা চৌধুৰী, লক্ষী বৈশ্য, সৃষ্টি কাশ্যপ, অদিতি তালুকদাৰ, ঋষিকা বণিয়া, ভাস্কৰ বণিয়া, মৌনিতম শইকীয়া, অমিশা বৰা। জ্যোতিকা বৈশ্য, প্ৰাচুৰ্য বৰাই। নৃত্যাংশত অংশগ্ৰহণ কৰে সংগীতা বণিয়া, কাব্যশ্ৰী হাজৰিকা, মুদ্ধা কাশ্যপে। জিতুমণি কলিতা আৰু উজ্জ্বল শইকীয়াৰ আলোকপাত প্ৰশংসাৰ যোগ্য। কুলেন বৰাৰ দৃশ্যসজ্জা সুন্দৰ। বিজয় শংকৰ শইকীয়া, পীযুষ মহন্ত, গুণেশ্বৰ বড়ো আৰু সত্যদেৱ শৰ্মাৰ সংগীত ব্যৱস্থাপনাই নাটকখন উপভোগ্য কৰি তুলিব পাৰিছে।

নাট সমাৰোহৰ অন্তিমটো সন্ধিয়াও মঞ্চস্থ হয় জনপ্ৰিয় নাট্যকাৰ মুনীন ভূঞাৰ বহু সমাদৃত নাটক ‘হাতী আৰু ফান্দী’। নাটকখনৰ প্ৰযোজনা গুৱাহাটীৰ ‘নাট কথা’ৰ আৰু পৰিচালনা মাণিক আহমেদৰ। শোষক আৰু শোষিতৰ ৰূপক হিচাপে নাটখন উপস্থাপন কৰা হৈছে। নাটকখনত মহাজনে ফান্দী আৰু মাউতক কেনেকৈ ছল-চাতুৰীৰ শোষণ কৰি হাতী ধৰায় আৰু নিজৰ পেৰা শকত কৰে, কেনেকৈ মহাজনৰূপী শোষকৰ কথাত পতিয়ন গৈ নিজৰ জীৱনক চুলিৰ আগত লৈ হাতী ধৰে আৰু কেনেকৈ শেহত মৃত্যুৰ মুখত পৰে তাৰ কাহিনী কৰুণভাৱে বৰ্ণিত হৈছে। নাটকৰ অন্তিম মুহূৰ্তত মৃত মুহিৰামৰ বিধৱা পত্নীয়ে ৰণচণ্ডী মূৰ্তি ধৰি ঘৰৰ মহাজনক উলিয়াই পঠিয়ায়। পত্নী পমীৰ বলিষ্ঠ বক্তব্যৰ মাজেৰেই নাট্যকাৰে নাটকৰ মূল বক্তব্য প্ৰকাশ কৰিছে। খ্ৰীষ্টফাৰ কড্‌ৱেলে তেওঁৰ ‘উলিউছন এণ্ড ৰিয়েলিটি’ গ্ৰন্থত কোৱাৰ দৰে ‘অৰ্থনৈতিক উৎপাদন ব্যৱস্থাৰ পৰা সংস্কৃতিক পৃথককৈ যেনেদৰে চাব নোৱাৰি ঠিক একেদৰে নাটককো নিশ্চয় আঁতৰাই থ’ব নোৱাৰি। নাটকো সাহিত্য-সংস্কৃতিৰে অংগ। অৰ্থনৈতিক ব্যৱস্থাৰ মাজত থকা শোষক আৰু শোষিতৰ সম্পৰ্কটো নাট্যকাৰে সুন্দৰকৈ তুলি ধৰিছে।

পমীৰ চৰিত্ৰত বিশিষ্ট অভিনেত্ৰী বৰষা ৰাণী বিষয়াৰ অভিনয় অতি শক্তিশালী। ফান্দীৰ চৰিত্ৰত ৰূপম চেতিয়াৰ অভিনয় হৃদয়স্পৰ্শী। মহাজনৰ চৰিত্ৰ ৰূপায়ণ কৰা গুণাকাৰ দেৱগোস্বামীৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰে। আন চৰিত্ৰত সাৱলীলভাৱে অভিনয় কৰা অভিনেতাসকল আছিল ডাঃ মুনীন্দ্ৰ দাস, অমিতাভ ৰাজখোৱা, প্ৰতাপ শৰ্মা, লক্ষ্যজিৎ তামুলী ফুকন, চৈয়দ মচফিকা, ধ্ৰুৱজ্যোতি দত্ত, মুন কুমাৰ শইকীয়া, চন্দন মিশ্ৰ, বৈদুৰ্য চাংমাই, নৃপেন চন্দ্ৰ দাস আৰু যদুমণি দত্ত। একমাত্ৰ শিশুশিল্পী অভিনেতা আব্দুল মজিদৰ নাতি আকিব মজিদ। প্ৰতাপ শৰ্মাৰ মনোৰম সংগীত, দিলীপ গগৈৰ সুন্দৰ আলোকপাত, নুৰুদ্দিন আহমেদৰ কলা নিৰ্দেশনা নিখুঁত। এখন উপভোগ্য নাটক উপহাৰ দিয়া বাবে নাট্যকাৰ মুনীন ভূঞা আৰু পৰিচালক মাণিক আহমেদ ধন্যবাদৰ পাত্ৰ।

# বিনোদনৰ বাবেহে অভিনয় কৰে তাপসীয়ে



‘এণ্টাৰটেইনমেণ্ট’ এণ্টাৰটেইনমেণ্ট এণ্ড এণ্টাৰটেইনমেণ্ট’,। বিদ্যা বালনৰ এই সংলাপ নিশ্চয় বহুতৰ মনত আছে। যদিও বলিউদৰ এতিয়াৰ ট্ৰেণ্ড বহু সলনি হৈছে। এতিয়া ছবিৰ জৰিয়তে দৰ্শকলৈ সামাজিক বাৰ্তা প্ৰেৰণৰ উৎসাহ বৃদ্ধি পাইছে প্ৰযোজক-পৰিচালকৰ মাজত। অথচ প্ৰতিখন ছবি নিৰ্মাণৰ নেপথ্যত জানো এই উদ্দেশ্য থকাটো অত্যন্ত জৰুৰী? এই প্ৰশ্নই সম্প্ৰতি তুলিলে অভিনেত্ৰী তাপসী পান্নুৱে। ১১ আগষ্টত মুক্তি লাভ কৰিলে তাপসী অভিনীত ‘দোবাৰা’ নামৰ ছবিখনে। সম্পূৰ্ণৰূপে থ্ৰিলাৰেৰে ভৰা এই ছবিখনেও জানো কোনো সামাজিক বাৰ্তা দিব নেকি? ছবিখনৰ প্ৰচাৰৰ সময়তে তাপসী এই প্ৰশ্নৰ সন্মুখীন হ’ল। তেতিয়াই প্ৰতিভাৱান অভিনেত্ৰীগৰাকীৰ মুখত প্ৰতিবাদৰ সুৰ শুনা গ’ল। তেওঁ ক’লে, ‘মইতো এনজিঅ’ খোলা নাই! আমি ছবি নিৰ্মাণ কৰিছো, মানুহক মনোৰঞ্জন দিয়াৰ কাৰণে।’ ইয়াৰ পাছতে কে’বাখনো সফল ছবিৰ অভিনেত্ৰীগৰাকীয়ে কয়. ‘প্ৰতিখন ছবিতেই যে সমাজৰ উদ্দেশ্যে কোনো নহয় কোনো বাৰ্তা দিব লাগিব, সেয়া জৰুৰী নহয়। অৱশ্যে ঠিক যে এই ছবিখন চাবলৈ হ’লে মানুহে মগজু ব্যৱহাৰ কৰিব লাগিব। কেৱল বিনোদনেই যে আছে, এনে নহয়।’ উল্লেখ্য যে দক্ষিণ ভাৰতীয় ছবিৰ পৰা আজি বলিউদত থিতাপি লোৱা তাপসীয়ে পূৰ্বেও একাধিক সমাজলৈ বাৰ্তা থকা ছবিত অভিনয় কৰিছে। ইয়াৰ সমান্তৰালকৈ তেওঁ মনোৰঞ্জনধৰ্মী ছবিতো অভিনয় কৰিছে। যদিও নায়কৰ স’তে নাচ-গানত মত্ত হোৱা দেখা নাযায় তাপসীক। তাৰ পৰিৱৰ্তে তেওঁ সকলো সময়তে দৰ্শকৰ আগত নতুন ৰূপত ধৰা দিয়াৰ চেষ্টা কৰি আহিছে। ‘দোবাৰা’ৰ পাছত তাপসীক শ্বাহৰুখ খানৰ বিপৰীতে ‘ডাংকি’ ছবিত দেখা যাব।



দেওবৰীয়া দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি

গুৱাহাটী, ২১ আগষ্ট, ২০২২
দেওবাৰ, পৃষ্ঠা ১৫

### ৰাষ্ট্ৰীয় ছিৰিজত একক শাখাত চেম্পিয়ন হ'ল পাৰ্থিৰ ঃ আইটা চেম্পিয়নশ্বিপত অন্তৰীক্ষৰ দ্বিমুকুট অৰ্জন

# অসম টেনিছৰ গৌৰৱ, তিনি যুৱ তাৰকাৰ খিতাপ




## আন্তৰ্জাতিক টেনিছত ডাবলছ খিতাপ দখল কৰিলে পৰীক্ষিতে

**গুৱাহাটী, ২০ আগষ্ট ঃ** অসম টেনিছৰ বাবে আজি এটা গৌৰৱৰ দিন। ৰাজ্যৰ তিনিগৰাকী খেলুৱৈয়ে আজি ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত খিতাপ লাভ কৰি ৰাজ্যলৈ আনিছে গৌৰৱময় সফলতা। উল্লেখ্য যে অসমৰ পৰীক্ষিত সোমানীয়ে আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে জাকাৰ্টাত অনুষ্ঠিত হোৱা আই টি এফ টেনিছ প্ৰতিযোগিতাত ডাবলছ খিতাপ লাভ কৰিছে অসম সন্তান পৰীক্ষিতে প্ৰতিনিধিত্ব কৰা ভাৰতীয় দলে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই আজি এই বিষয়ে জানিবলৈ দিয়ে। স্মৰ্তব্য যে সতীৰ্থ মনীষ সুৰেশ কুমাৰৰ লগত যুটি বান্ধি কৰি অসমৰ পৰীক্ষিত সোমানীয়ে ১৫ শ ডলাৰ প্ৰাইজমানিৰ আই টি এফৰ ডাবলছ খিতাপ দখল কৰিবলৈ সক্ষম হয়। ফাইনেলত ভাৰতীয় যুটিটোৱে ৭-৬, ৬-৩ ৰ ব্যৱধানত পৰাস্ত কৰি জাপানৰ ওকামুৰা আই আৰু তাকেউচি কেক। উল্লেখ্য যে এয়া পৰীক্ষিত সোমানীৰ চলিত ছিজনত এইটো দ্বিতীয়টো আই টি এফ ডাবলছ খিতাপ। পৰীক্ষিতৰ এই সফলতাৰ বাবে সদৌ অসম টেনিছ সন্থাই তেওঁক অভিনন্দন জ্ঞাপন




কৰিছে। ইফালে, পঞ্জাৱৰ জলন্ধৰত সমাপ্ত হোৱা আই টি এ নেচনেল ছিৰিজ টেনিছ প্ৰতিযোগিতাত অসমৰ পাৰ্থিৱ কলিতাই একক শাখাৰ খিতাপ লাভ কৰিছে। ফাইনেলত উত্তৰ প্ৰদেশৰ শৌৰ্য ভৰদ্বাজক পোনপটীয়া ছেটত ৬-০, ৬-১ ব্যৱধানত পৰাস্ত কৰে পাৰ্থিৱে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ছিৰিজ টেনিছ প্ৰতিযোগিতাত খিতাপ দখল কৰিবলৈ সক্ষম হৈছে পাৰ্থিৱে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই পাৰ্থিৱক শুভেচ্ছা জনাইছে। ইফালে, বিহাৰৰ পাটনাত আজি সমাপ্ত হোৱা আই টি এ চেম্পিয়নশ্বিপ টেনিছ প্ৰতিযোগিতাৰ ১৮ বছৰ অনুৰ্ধৰ ল'ৰাৰ প্ৰতিযোগিতাত অসমৰ অন্তৰীক্ষ তামুলীয়ে দ্বিমুকুট অৰ্জন কৰিছে। একক শাখাৰ ফাইনেলত অন্তৰীক্ষে বিহাৰৰ কাৰ্তিকী আগাছিক তিনিটা ছেটৰ অন্তত ৬-৩, ৪-৬, ৬-৩ ত পৰাস্ত কৰি খিতাপ জয় কৰাৰ পাছত ডাবলছৰ ফাইনেলত অন্তৰীক্ষে বংগৰ আৰিত্ৰ' ঘোষৰ সৈতে যুটি বিহাৰৰ আৰিহন্ত পুঞ্জ আৰু ত্ৰিবিক্ৰম ৰাওক ৪-৬, ৬-১, ১০-৭ ত হৰুৱাই দ্বিমুকুট অৰ্জন কৰে। অন্তৰীক্ষকো অসম টেনিছ সন্থাই তেওঁক অভিনন্দন জ্ঞাপন কৰিছে।



### ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলত প্ৰথমটো অঘটন

## ৰাজস্থান ইউনাইটেডৰ বিৰুদ্ধে পৰাস্ত এ টি কে মোহন বাগান

**কলকাতা, ২০ আগষ্ট ঃ** এ টি কে মোহন বাগান দলে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত পৰাজয়ৰে নিজৰ অভিযান আৰম্ভ কৰিলে। আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত নৈশালোকত অনুষ্ঠিত হোৱা গ্ৰুপ 'বি'ৰ মেচখনত ৰাজস্থান ইউনাইটেডে এফ চিয়ে ৩-২ গ'লত এ টি কে মোহন বাগানক হৰুৱাই প্ৰতিযোগিতাত প্ৰথমটো অঘটন সৃষ্টি কৰিলে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ মেচখনত এ টি কে মোহন বাগানে খেলৰ ৪৩ মিনিটত কিয়ান নাছিৰি গিৰিৰ গ'লৰ জড়িয়তে প্ৰথমে অগ্ৰগতি লয় যদিও প্ৰথমাৰ্ধতে মেচত সমতা স্থাপন কৰে ৰাজস্থান ইউনাইটেডে। দলৰ হৈ খেলৰ ৪৫ মিনিটত গ'লটো কৰে আমনগেলডিভে। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাৰ লগে লগে মহম্মদ আছিফৰ (৪৬ মিনিট) গ'লেৰে মোহন বাগানে পুনৰ ২-১ ত অগ্ৰগতি লয়। কিন্তু ৬২ মিনিটত লালৰেমছাংগাই গ'ল কৰি মেচত পুনৰ সমতা স্থাপনৰে ৰাজস্থান দলক প্ৰত্যাৱৰ্তন কৰায়। ২-২ ত সমাপ্তিৰ দিশে আগবঢ়া মেচখনৰ ইঞ্জুৰী টাইমত ৰাজস্থানৰ হৈ নিকুমে নিৰ্ণায়ক গ'লটো কৰি দলক চমকপ্ৰদ বিজয় দিয়ে। উল্লেখ্য যে এ টি কে মোহন বাগান এফ চিয়ে নিজৰ দ্বিতীয়



মেচখন অহা ২৪ আগষ্টত মুম্বাই চিটী এফ চিৰ বিৰুদ্ধে খেলিব। মেচখন অনুষ্ঠিত হ'ব বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত। আনহাতে, ৰাজস্থান ইউনাইটেডে অহা ২৫ আগষ্টত পৰৱৰ্তী মেচত মুখামুখি হ'ব ইষ্ট বেংগল ক্লাবৰ। কিশোৰ ভাৰতী ক্ৰীড়াংগণত এই মেচখন অনুষ্ঠিত হ'ব।

### দ্বিতীয় এদিনীয়াতো পৰাজয়ৰ সন্মুখীন জিম্বাব'ৱে

## তিনিখনীয়া শৃংখলা ভাৰতৰ দখলত

**হাৰাৰে, ২০ আগষ্ট ঃ** ভাৰতে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত জয়লাভ কৰি ২-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছে। আজি দ্বিতীয়খন মেচত ভাৰতে পাঁচ উইকেটত পৰাস্ত কৰে ঘৰুৱা দলটোক। প্ৰথমে বেটিং কৰি জিম্বাব'ৱে পূৰ্বৰ দৰেই বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈ ৩৮.১ অভাৰতে মাত্ৰ ১৬১ ৰাণত ইনিংছ সামৰে। দলৰ হৈ উইলিয়ামছে ৪২ আৰু ৰিয়ানে ৩৯ ৰাণ কৰে। ভাৰতৰ হৈ শ্বাৰ্দুল ঠাকুৰে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতে ২৫.৪ অভাৰতে ১৬৭ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। শিখৰ ধৱনে ৩৩ আৰু শুভমন গিলে ৩৩ ৰাণ কৰাৰ লগতে অপৰাজিত ৪৩ ৰাণ কৰে সঞ্জু ছেমছনে। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ভাৰতে ১০ উইকেটত জয়লাভ কৰিছিল। মেচখনত পোনতে বেটিং কৰা ঘৰুৱা দলে ৪০.৩ অভাৰতে মাত্ৰ ১৮৯ ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ দীপক চাহাৰ, কৃষ্ণা আৰু অক্ষৰ পেটেলে তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতৰ দুই অপেনিং বেটছমেনৰ অপৰাজিত দৰ্শনীয় বেটিঙৰে ৩০.৫ অভাৰতে ১৯২ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। শিখৰ ধৱনে ৮১ ৰাণত আৰু শুভমন গিলে ৮২ ৰাণ কৰি অপৰাজিত থাকে।



## ধৰণীধৰ বসুমতাৰী ফুটবল

**অগ্ৰদূত বাৰ্তা, জালাহ, ২০ আগষ্ট ঃ** বাগসা জিলাৰ দাওধাৰাৰ শ্বহীদ থাওখ্ৰী গয়াৰী ষ্টেডিয়ামত চলি থকা ধৰণীধৰ বসুমতাৰী প্ৰাইজমানি ফুটবলত আজি চানজাৰাং ক্লাৱ আৰু বিৰছা মুণ্ডা এফ চিৰ মাজত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত চানজাৰাং ক্লাৱে বিৰছা মুণ্ডা এফ চিক ৪-১ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে।

## স্প'ৰ্টছক্ৰাফটৰ ক্ৰিকেট

**গুৱাহাটী, ২০ আগষ্ট ঃ** স্প'ৰ্টছক্ৰাফ্ট মেনেজমেণ্টে বেলতলাৰ এৰিনা ২৮ ত অহা ২৭ আগষ্টৰ পৰা আয়োজন কৰিছে কৰ্পোৰেট বক্স ক্ৰিকেট প্ৰতিযোগিতাৰ। গ্ৰুপ তথা নকআউট প্ৰতিযোগিতাখনত ২৪ টা দলক আঠটা গ্ৰুপত ভাগ কৰা হ'ব । এটা দলে ছজন ইন ফিল্ড আৰু এজন ছাবষ্টিটিউট খেলুৱৈ পঞ্জীয়ন কৰিব পাৰিব । মুঠ ৫০ হাজাৰ টকাৰ প্ৰাইজমানি থকা এই প্ৰতিযোগিতাত নাম পঞ্জীয়নৰ সময়ত কাৰ্যালয়ৰ পৰিচয়পত্ৰ জমা দিব লাগিব । আগ্ৰহী কৰ্পোৰেটসমূহে যোগদানৰ বাবে ৭০০২৫৭০৮৭০ বা ৭০০২২৮২৭৪৫ নম্বৰত যোগাযোগ কৰিব পাৰে।

### গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ডুৰাণ্ড কাপ ফুটবল

## আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ দ্বিতীয় মেচৰ প্ৰতিদ্বন্দ্বী আৰ্মি গ্ৰীণ

**গুৱাহাটী, ২০ আগষ্ট ঃ** গুৱাহাটীত চলি থকা ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কাইলৈ হ'ব লগা মেচত নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে খেলিব আৰ্মি গ্ৰীণ দলৰ বিৰুদ্ধে। গ্ৰুপ 'ডি' ৰ এই মেচখন দিনৰ তিনি বজাত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে নৰ্থ ইষ্ট ইউনাইটেডে প্ৰথম মেচত ওড়িছা এফ চিৰ বিৰুদ্ধে ৬-০ গ'লত পৰাস্ত হৈছিল। একপক্ষীয় খেলখনত প্ৰথমাৰ্ধতে তিনিটা গ'ল দিয়ে ওড়িছাই। ১৫ মিনিটত জেৰিয়ে ওড়িছাক ১-০ ৰ অগ্ৰগতি দিয়াৰ পাছত ২৬ মিনিটত দলৰ হৈ দ্বিতীয়টো গ'ল দিয়ে নন্দাই। আনহাতে, ৩৮ মিনিটত জেৰিৰ দ্বিতীয়টো গ'লেৰে বিৰতিলৈ ওড়িছা ৩-০ ত আগবাঢ়ি থাকে। দ্বিতীয়াৰ্ধতো বিপক্ষৰ আক্ৰমণত আত্মসমৰ্পন কৰে নৰ্থ ইষ্ট দলে। ৮১ মিনিটত ইছাকে, ৮৮ মিনিটত ডিয়োগোই আৰু ৯১ মিনিটত থৈবাই গ'ল কৰি ওড়িছা দলক চমকপ্ৰদ বিজয় দিয়ে। মেচৰ শ্ৰেষ্ঠ হয় দুটাকৈ গ'ল কৰা জেৰি। ইফালে, আৰ্মি গ্ৰীণ দলে কাইলৈ প্ৰতিযোগিতাত প্ৰথম মেচ খেলিব। ইফালে, কাইলৈ হ'বলগা দ্বিতীয় মেচখন নিশা ছয় বজাৰ পৰা কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত



অনুষ্ঠিত হ'ব। গ্ৰুপ 'এ'ৰ মেচখনত মহমেদান স্প'ৰ্টিং ক্লাবে খেলিব জামছেদপুৰ এফ চিৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰথম মেচত এফ চি গোৱাক পৰাস্ত কৰি চমকপ্ৰদ আৰম্ভণি কৰিছে মহমেদানে। বিপৰীতে জামছেদপুৰ প্ৰথম মেচত পৰাস্ত হৈছিল বাংগালুৰুৰ বিৰুদ্ধে।

## আৰ্মি ৰেডৰ লগত ড্ৰ খেলিলে চেন্নাইয়ান এফ চিয়ে

**কলকাতা, ২০ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিনটোৰ প্ৰথমখন ৰোমাঞ্চকৰ মেচত আই এছ এলৰ পূৰ্ব চেম্পিয়ন চেন্নাইয়ান এফ চিয়ে ২-২ গ'লত আৰ্মি ৰেড দলৰ স'তে ড্ৰ খেলি পইণ্ট ভগাই ল'বলৈ বাধ্য হয়। খেলৰ প্ৰথমাৰ্ধত মেচত কোনো গ'ল হোৱা নাছিল যদিও দ্বিতীয়াৰ্ধত চাৰিটাকৈ গ'ল হয় তথা উভয় দলে ইঞ্জুৰী টাইমত দুটা গ'ল কৰে। খেলৰ ৫৪ মিনিটত আৰ্মিৰ হৈ লেথাউলিন খোংছায়ে গ'ল কৰি দলক প্ৰথমে অগ্ৰগতি দিয়ে। কিন্তু নিৰ্ধাৰিত সময়ৰ মেচ সমাপ্ত হ'বলৈ এক মিনিট থকাত চেন্নাইয়ানৰ হৈ ১-১ ত সমতা স্থাপনৰ গ'লটো কৰে জাৰ্মানীৰ ভিনচেণ্ট ডুকাৰে। তেতিয়াই মেচত চাপ আৰু উত্তেজনা বৃদ্ধি পায়। খেলৰ ইঞ্জুৰী টাইমৰ চতুৰ্থ মিনিটত বানছপল হেনৰীৰ গ'লেৰে চেন্নাইয়ান দলে মেচত ২-১ ৰ অগ্ৰগতি লয়। কিন্তু দলৰ জয়ৰ আশাত পুনৰ চেচাপানী ঢালি দিয়ে আৰ্মি দলৰ লিটনে। অন্তিম ক্ষণত গ'ল কৰি দলৰ পৰাজয় ৰোধ কৰাৰ লগতে এক পইণ্টো দিয়ে লিটনে। উল্লেখ্য যে চেন্নাইয়ান এফ চিয়ে নিজৰ দ্বিতীয়খন মেচত অহা ২৬ আগষ্টত হায়দৰাবাদ এফ চিৰ মুখামুখি হোৱাৰ বিপৰীতে আৰ্মি ৰেড দলে অহা ২৪ আগষ্টত নেৰ'কা এফ চিৰ বিৰুদ্ধে পৰৱৰ্তী মেচখন খেলিব। উল্লেখ্য যে এই দুয়োখন মেচেই ইম্ফলৰ খুমান লাম্পক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।



## অসম হেণ্ডবল সন্থাৰ বিশেষ সাধাৰণ সভা

**যোৰহাট, ২০ আগষ্ট ঃ** অসম হেণ্ডবল সন্থাৰ এখন বিশেষ সাধাৰণ সভা যোৰহাটৰ শংকৰদেৱ কলাকৃষ্টি আৰু গৱেষণা কেন্দ্ৰত অনুষ্ঠিত হয়। এই সভাত ২৬ খন জিলাৰ অৰ্ধশতাধিক প্ৰতিনিধি উপস্থিত থাকে ।সভাৰ প্ৰস্তাৱ মৰ্মে ছিনিয়ৰ আন্তজিলা হেণ্ডবল টুৰ্নামেন্টখন শিৱসাগৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি নতুন জিলা সমিতিক স্বীকৃতি প্ৰদান আৰু দহ গৰাকী ক্ৰীড়া অনুৰাগী ব্যক্তিক সদস্যপদ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে এই দিশত অসম হেণ্ডবল সন্থাৰ সভাপতিয়ে ধন সংগ্ৰহৰ কৰাৰ মনোভাবে দেখুওৱা বুলি জিলা সদস্যসকলৰ মাজত চৰ্চা চলিছে। ধনৰ বিনিময়ত সদস্য পদ বিক্ৰি কৰিব অসম হেণ্ডবল সন্থাই। অসমৰ ক্ৰীড়াক্ষেত্ৰত পোন প্ৰথমবাৰৰ বাবে এই ঘটনা হ'ব।



### তেজপুৰৰ সভাত সিদ্ধান্ত ল'লে এ চি এ

## পুনৰ ছমাহলৈ বৃদ্ধি অসম ক্ৰিকেট সন্থাৰ কাৰ্যকাল

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ,২০ আগষ্ট ঃ** আজি তেজপুৰৰ বটামাৰীৰ কনভেনচন চেন্টাৰত অসম ক্ৰিকেট সন্থাৰ এখন বিশেষ সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখন অসম ক্ৰিকেটৰ সভাপতি ৰমেন দত্তই পৰিচালনা কৰে। উল্লেখ্য যে, বৰ্তমানৰ অসম ক্ৰিকেট সন্থাৰ কাৰ্যকাল অহা ছেপ্টেম্বৰত অন্ত পৰিব আৰু আজিৰ সভাত এই কাৰ্যকাল পুনৰ ছয়মাহ বৃদ্ধিৰ বাবে ক্ৰিকেট সন্থাৰ সদস্যসকলৰ অনুমতি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি এই গুৰুত্বপূৰ্ণ সভাখনতে আগন্তুক বৰ্ষত ৰাজ্যিক ক্ৰিকেট দল সমূহৰ প্ৰশিক্ষক নিয়োগ আৰু কাৰীকৰি বিষয়া নিৰ্বাচনৰ সন্দৰ্ভতো আলোচনা কৰা হয়। তদুপৰি অহা দুই অক্টোবৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টি-২০ খেলখনৰ বিষয়েও বিষদ আলোচনা কৰা হয়। আনহাতে এই সভাত অংশ লৈ শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াৰ হাতত ষ্টেডিয়াম নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ৩০ বিঘা মাটিৰ অনুমোদন পত্ৰ প্ৰদান কৰে। আজিৰ সভাত ৰাজ্যখনৰ প্ৰায়সংখ্যক জিলা ক্ৰিকেট সন্থাৰ বিষয়ববীয়াসকল উপস্থিত আছিল।

## হাৰিমুৰা এলাৰ্ট ইউনিয়ন চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ২০ আগষ্ট ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে গোৱালপাৰা চহৰৰ ফুটুৰীপাৰা সমন্বয় যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাত হাৰিমুৰা এলাৰ্ট ইউনিয়ন ক্লাৱ চেম্পিয়ন হৈছে। ফাইনেল খেলখনত হাৰিমূৰা এলাৰ্ট ইউনিয়ন ক্লাবে কুৰুৱাভাষা ফুটবল ক্লাবক টাইব্ৰেকাৰত ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখন পৰিচালনা কৰে লাচিত ৰাভাই। হাৰিমুৰা এলাৰ্ট ইউনিয়ন ক্লাৱৰ দিলদাৰ ৰাভাই প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু দলজিত ৰাভাই শ্ৰেষ্ঠ গলৰক্ষক হিচাপে সন্মান লাভ কৰাৰ বিপৰীতে কুৰুৱাভাষা ফুটবল দলৰ খেলুৱৈ শচীন ৰাভাই শ্ৰেষ্ঠ গ'লদাতাৰ সন্মান লাভ কৰে।



## বি ডিভিজন ফুটবলত টাউন এফ চি ফাইনেলত

**যোৰহাট, ২০ আগষ্ট ঃ** যোৰহাট বি ডিভিজন ফুটবল লীগৰ আজি হোৱা দ্বিতীয়খন ছেমিফাইনেলত টাউন এফ চি দলে ৰুৱাড ক্লাবক ৩-২ গ'লত পৰাভূত কৰি ফাইনেলত উপনীত হবলৈ সক্ষম হৈছে। আজিৰ খেলখনত প্ৰথমাৰ্ধৰ ১৩ মিনিটত ৰুৱাড ক্লাবৰ প্ৰনৱ পাতিৰৰ গ'লৰ দ্বাৰা ১-০ গলত অগ্ৰগতি লাভ কৰে যদিও ৩৭ মিনিটত টাউন এফ চি দলৰ বিপ্লৱ ওৰাঙে গল দি ১-১ ত সমতা স্থাপন কৰে। দ্বিতীয়াৰ্ধত টাউন এফ চি দলে সংঘৰ্ষবদ্ধ ভাবে খেলি ৫১ মিনিটত আৰু ৭৪ মিনিটত টাউনৰ ফৰৱাৰ্ড খেলুৱৈ আফ্ৰিদি ৰহমানে দুটাকৈ গল দি দলক ৩-১ ত অগ্ৰগতি প্ৰদান কৰে। ইয়াৰ পিছত অতিৰিক্ত সময়ত ৰুৱাড ক্লাবৰ প্ৰনৱ পাতিৰে গল দি ব্যৱধান ৩-২লৈ হ্ৰাস কৰে। আজি খেল পৰিচালনা কৰে বিমান সন্দিকৈ, লাইনত বিমান বুঢ়াগোহাঁই আৰু থানেশ্বৰ ৰেগন চতুৰ্থ বিনোজ গগৈ। ২২ আগষ্টত চূড়ান্ত খেলখনত অংশ গ্ৰহণ কৰিব টাউন এফ চি বনাম ৰঞ্জিত ক্লাবে।



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজ্য গুজৰাটত বিশ্বৰ বৃহত্তম চিৰিয়াখানা স্থাপন কৰিব মুকেশ আম্বানীৰ কোম্পানী ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজ লিমিটেডে। উচ্চতম ন্যায়ালয়ে আজি ৰিলায়েন্সক অনুমতি প্ৰদান কৰাৰ পাছত আৰু এই ক্ষেত্ৰত কোনো বাধা নাথাকিল। উচ্চতম ন্যায়ালয়ে আজি ৰিলায়েন্সক অনুমতি দিয়া সিদ্ধান্তকে বাহাল ৰাখিলে। এই বিষয়ত 'কেন্দ্ৰীয় চিৰিয়াখানা কৰ্তৃপক্ষ' (চেন্ট্ৰেল জু অথ'ৰিটী)ৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই দাখিল কৰা এক জনস্বাৰ্থ জড়িত গোচৰক খাৰিজ কৰিলে শীৰ্ষ আদালতে।

# বিশ্বৰ বৃহত্তম চিৰিয়াখানা গঢ়াত অনুমতি আম্বানীক

## জনস্বাৰ্থ জড়িত গোচৰ খাৰিজ কৰিলে উচ্চতম ন্যায়ালয়ে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজ্য গুজৰাটত বিশ্বৰ বৃহত্তম চিৰিয়াখানা স্থাপন কৰিব মুকেশ আম্বানীৰ কোম্পানী ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজ লিমিটেডে। উচ্চতম ন্যায়ালয়ে আজি ৰিলায়েন্সক অনুমতি প্ৰদান কৰাৰ পাছত আৰু এই ক্ষেত্ৰত কোনো বাধা নাথাকিল। উচ্চতম ন্যায়ালয়ে আজি ৰিলায়েন্সক অনুমতি দিয়া সিদ্ধান্তকে বাহাল ৰাখিলে। এই বিষয়ত 'কেন্দ্ৰীয় চিৰিয়াখানা কৰ্তৃপক্ষ' (চেন্ট্ৰেল জু অথ'ৰিটী)ৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই দাখিল কৰা এক জনস্বাৰ্থ জড়িত গোচৰক খাৰিজ কৰিলে শীৰ্ষ আদালতে।

উল্লেখ্য যে আম্বানীৰ পুত্ৰৰ চিৰিয়াখানা নিৰ্মাণক কেন্দ্ৰ কৰি ইতিমধ্যেই বহু বিতৰ্কৰ সৃষ্টি হৈছে। অসমকে ধৰি একাধিক বিজেপি শাসিত ৰাজ্যৰ পৰা হাতী, ঘোং, গঁড়, হৰিণ আদি বিভিন্ন বন্যপ্ৰাণী নিৰ্মীয়মান চিৰিয়াখানালৈ গোপনে ৰাজ্য চৰকাৰসমূহে সৰবৰাহ কৰাৰো অভিযোগ উঠিছিল। গুজৰাটৰ জামনগৰ ৰিলায়েন্সৰ তেল শোধনাগাৰৰ অদূৰত প্ৰায় ২৮০ একৰ ভূমিত বিশ্বৰ বৃহত্তম চিৰিয়াখানা গঢ়ি তোলাৰ বাবে কেন্দ্ৰীয় চিৰিয়াখানা কৰ্তৃপক্ষই প্ৰায় ডেৰ বছৰৰ পূৰ্বেই অনুমতি পত্ৰ প্ৰদান কৰিছিল। ইতিমধ্যে ইয়াৰ কামো অব্যাহত আছে। যদিও বিষয়টোত আপত্তি দৰ্শায় একাংশ পৰিৱেশপ্ৰেমীয়ে। বিধি ভাঙি কিয় এটা বেচৰকাৰী উদ্যোগ সংস্থাক চিৰিয়াখানা স্থাপন কৰিবলৈ আৰু বন্যপ্ৰাণী সংগ্ৰহৰ অনুমতি দিয়া হৈছে বুলি প্ৰশ্ন তুলি তেওঁলোকে জনস্বাৰ্থ জড়িত মামলা দাখিল কৰিছিল। আজি ন্যায়াধীশ দীনেশ মাহেশ্বৰী আৰু ন্যায়াধীশ কৃষ্ণা মুৰাৰিৰ খণ্ড বিচাৰপীঠে সেই আবেদন খাৰিজ কৰি দিয়ে। শীৰ্ষ আদালতৰ ৰায়ত কোৱা হৈছে যে আম্বানী গোষ্ঠীৰ প্ৰস্তাৱিত 'গ্ৰীণ্‌ছ জুলজিকেল ৰেস্কিউ এণ্ড ৰিহেবিলিটেছন চেণ্টাৰ'ৰূপে স্বীকৃত চিৰিয়াখানাৰ সমান্তৰালকৈ প্ৰাণী উদ্ধাৰ আৰু পুনৰ্বাসন কেন্দ্ৰৰ ভূমিকাও পালন কৰিব। ফলত এই ক্ষেত্ৰত বিৰোধিতা ভিত্তিহীন।

আবেদনকাৰী পক্ষৰ অধিবক্তাই আম্বানী গোষ্ঠীৰ চিৰিয়াখানাত বন্যপ্ৰাণীসমূহৰ চোৰা-চিতাৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ নথকাৰ আশংকাৰ কথা আদালতত উত্থাপন কৰিছিল। সমান্তৰালকৈ বন্যপ্ৰাণক লৈ ব্যৱসায়ৰ আশংকাও প্ৰকাশ কৰিছিল। সেই আশংকা নস্যাৎ কৰি দুই ন্যায়াধীশৰ বিচাৰপীঠে কয়, 'আবেদনকাৰী এই ক্ষেত্ৰত বিশেষজ্ঞ নহয়।'

প্ৰসংগক্ৰমে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ সূত্ৰৰ খবৰ অনুসৰি, জামনগৰৰ সেই চিৰিয়াখানাত থাকিব শতাধিক প্ৰজাতিৰ জীৱ-জন্তু, পক্ষী আৰু সৰীসৃপ। প্ৰকল্পটো ৰূপায়ণৰ দায়িত্বত আছে মুকেশ আম্বানীৰ কনিষ্ঠ পুত্ৰ অনন্ত আম্বানী।

২০২৩ৰ অন্তিমফালে 'গ্ৰীণ্‌ছ জুলজিকেল ৰেস্কিউ এণ্ড ৰিহেবিলিটেছন চেণ্টাৰ'ৰ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি ৰিলায়েন্স গোষ্ঠী আশাবাদী।




আকস্মিকভাৱে এটা বেংকৰ শাখাৰ পৰা অন্তৰ্ধান হ'ল ১১ কোটি টকা। অৱশ্যে সেয়া কোনো নোট বা সোণ নহয়, বৰঞ্চ হেৰাল ১১ কোটি টকাৰ মুদ্ৰা। এই ঘটনা সংঘটিত হৈছে ৰাজস্থানৰ কৰৌলি অঞ্চলৰ ভাৰতীয় ষ্টেট বেংকৰ এটা শাখাত। ইমান ওজনৰ মুদ্ৰা কেনেকৈ হৰলুকি হ'ল বা কোনে কঢ়িয়াই নিলে সেই প্ৰশ্নই সকলোকে আচৰিত কৰি তুলিছে।

# বেংকৰ পৰাই অন্তৰ্ধান ১১ কোটিৰ মুদ্ৰা

## ২৫টা স্থানত তালাচী চিবিআইৰ ঃ এতিয়াও নাই শুংসূত্ৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** আকস্মিকভাৱে এটা বেংকৰ শাখাৰ পৰা অন্তৰ্ধান হ'ল ১১ কোটি টকা। অৱশ্যে সেয়া কোনো নোট বা সোণ নহয়, বৰঞ্চ হেৰাল ১১ কোটি টকাৰ মুদ্ৰা। এই ঘটনা সংঘটিত হৈছে ৰাজস্থানৰ কৰৌলি অঞ্চলৰ ভাৰতীয় ষ্টেট বেংকৰ এটা শাখাত। ইমান ওজনৰ মুদ্ৰা কেনেকৈ হৰলুকি হ'ল বা কোনে কঢ়িয়াই নিলে সেই প্ৰশ্নই সকলোকে আচৰিত কৰি তুলিছে। এই হৰলুকি হোৱা মুদ্ৰাখিনিৰ সন্ধানত কালি চিবিআইৰ বিষয়াসকলে ২৫টা স্থানত তালাচী অভিযান চলায়।

সংবাদ সংস্থা পিটিআইৰ সূত্ৰই জনাইছে যে দিল্লী, জয়পুৰ, দৌছা, কৰৌলি, ছৱাই মাধোপুৰ, আলৱাৰ, উদয়পুৰ আৰু ভিলৱাড়াৰ মুঠ ২৫টা স্থানত তালাচী চলায় তদন্তকাৰী সংস্থাই। ইয়াৰ ভিতৰত ১৫জন প্ৰাক্তন বেংক বিষয়াৰ গৃহতো অভিযান চলোৱা হয় বুলি সূত্ৰই জনাইছে। উল্লেখ্য যে বিগত বৰ্ষৰ আগষ্টত বেংকৰ পৰা বিপুল সংখ্যক মুদ্ৰা অন্তৰ্ধান হোৱাৰ বিষয়টো পোহৰলৈ আহে। পাছত ৰাজস্থান উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত যোৱা ১৩ এপ্ৰিলত তদন্তৰ ভাৰ গ্ৰহণ কৰে চিবিআয়ে। অৱশ্যে এয়াই প্ৰথম নহয়, ইয়াৰ পূৰ্বেও বিভিন্ন ৰাজ্যৰ বেংকৰ পৰা বিপুল পৰিমাণৰ মুদ্ৰা অন্তৰ্ধান হৈছে। ২০১৬ত ভাৰতীয় ষ্টেট বেংকৰ এটা শাখাৰ পৰা চোৰৰ দলে এক লাখ টকাৰ মুদ্ৰা চুৰি কৰি নিছিল। উল্লেখ্য যে চলিত বছৰৰ জুনত কেন্দ্ৰীয় চৰকাৰে ৩৫ বছৰৰ পূৰ্বে অন্তৰ্ধান হোৱা ১২ কেজি ওজনৰ এটা স্বৰ্ণমুদ্ৰাৰ সন্ধান উলিওৱাৰ বাবে তৎপৰ হয়। উক্ত মুদ্ৰাটো হায়দৰাবাদৰ নিজামসকলৰ সম্পত্তি আছিল আৰু ইয়াক বিশ্বৰ সবাতোকৈ বৃহৎ আকাৰৰ মুদ্ৰা বুলিও কোৱা হয়।

# কলিয়াবৰত 'মূৰৰ পৰা গেলা' চৰকাৰী বিভাগৰ তাৰিখৰ পাছত তাৰিখ দিয়াৰ এক জীয়া ছবি

## পত্নীক কেৰিয়াৰত তুলি দৈনিক ৪০ কিলোমিটাৰ ৰ'দে-বৰষুণে চাইকেল চলাই বিচাৰিছে সদুত্তৰ

## ন বছৰে বৃদ্ধা পত্নীক চাইকেলৰ কেৰিয়াৰত তুলি পৈতৃক ভূমিৰ সমাধান বিচাৰিছে বৃদ্ধই



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২০ আগষ্ট ঃ** তাৰিখৰ পাছত তাৰিখ লৈ সপ্তাহটোত দুই-তিনিদিনকৈ বাটকুৰি বাইছো ইয়ালৈ। ন বছৰে কোনো সমাধান হোৱা নাই সমস্যাটোৰ। মাথোঁ আশা লৈ ঘূৰি গৈছো দিনৰ পাছত দিন।' মূৰৰ পৰা গেলা' বুলি অভিযোগ উঠা এটা চৰকাৰী বিভাগত সদুত্তৰ বিচাৰি কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ তাঁত- বাটি কঢ়া এক বৃদ্ধ দম্পতীৰ মুখৰ ভাষ্য এয়া। এখন চাইকেল, এটা ছাতি আৰু ৬০ৰ ঊৰ্দ্ধৰ এক দম্পতীৰ ছবিখন আজিৰ দিনটোত কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ আশ-পাশৰ এক চিনাকি ছবি। কাৰণ সুদীৰ্ঘ নটা বছৰে চাইকেল মাৰি মাৰি এটা ছাতিৰ তলতে এই চৰকাৰী কাৰ্যালয়লৈ তাঁত-বাটি কাঢ়িছে এই দম্পতীয়ে। আজিৰ দিনত এই দম্পতীৰ কাহিনীয়ে খলকনি তুলিছে কলিয়াবৰৰ ৰাজহ চক্ৰ কাৰ্যালয়ত। অৱশ্যে সুদীৰ্ঘ নটা বছৰৰ পাছতহে চৰকাৰী কাৰ্যালয়ৰ পৰা সমস্যাৰ সঠিক উত্তৰ পাইছে দম্পতীয়ে। প্ৰখৰ ৰ'দ অথবা দোপালপিটা বৰষুণকো নেওচি পত্নীক কেৰিয়াৰত বহুৱাই ৰাজপথত চাইকেলত উঠি অহা এই দম্পতী হৈছে কলিয়াবৰৰ লক্ষণাবন্ধাৰ ৬০ ঊৰ্দ্ধৰ জিতেন শৰ্মা আৰু সুমিত্ৰা দেৱী। পত্নীক চাইকেলৰ পাছফালৰ কেৰিয়াৰত বহুৱাই হাতেৰে ছাতি ধৰি ৰ'দ-বৰষুণ নেওচি তেওঁলোকৰ ন বছৰে প্ৰতিটো দিনৰ লক্ষ্যস্থান হৈছে কলিয়াবৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়। ২০১৩ৰ পৰা বৰ্তমান পৰ্যন্ত প্ৰায় ন বছৰে সপ্তাহত দুদিন-তিনিদিনকৈ এইদৰেই প্ৰায় ২০ কিলোমিটাৰ পথ চাইকেল মাৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ অহা-যোৱা কৰি আহিছে শৰ্মা দম্পতীয়ে। কামটো হৈছে উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ভূমিক নামজাৰি আৰু মাটিৰ বাটোৱাৰা। কিন্তু ন বছৰে তেওঁলোকে পোৱা নাছিল এই সমস্যাৰ সঠিক উত্তৰ। ফলত ৰ'দে-বৰষুণে এনেদৰেই চাইকেল লৈয়ে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ তাঁত-বাটি কাঢ়ি ইতিমধ্যে জুৰুলা হৈছে শৰ্মা দম্পতী। এই সময়ছোৱাতে কে'বাজনো ৰাজহ চক্ৰ বিষয়া বদলি হৈ গ'ল। অৱসৰ হ'ল গোচৰটোত জড়িত লাটমণ্ডলৰ। কিন্তু আজি পৰ্যন্ত নোলাল ইয়াৰ সমাধান সূত্ৰ। সকলোৰে চকুৰ চিনাকি হৈ পৰা এই চাইকেল দম্পতীৰ ছবিখন শেহতীয়াভাৱে খলকনি তুলিছে কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত। অৱশ্যে নতুনকৈ দায়িত্ব লোৱা ৰাজহ চক্ৰ বিষয়া নীতিশা বৰাৰ তৎপৰতাত সমাধানৰ দিশে আগবাঢ়িছে শৰ্মা দম্পতীৰ সমস্যা। কিন্তু উচ্চ ন্যায়ালয়ত বিচাৰাধীন এক গোচৰৰ বাবেহে এই কাম বৰ্তমানে থমকি ৰ'ব লগা হৈছে বুলি সদৰী কৰিছে কলিয়াবৰৰ বৰ্তমানৰ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে। উচ্চ ন্যায়ালয়ত বিচাৰাধীন গোচৰ নিষ্পত্তি হ'লেই জিতেন শৰ্মা দম্পতীৰ মাটিৰ কাম-কাজ সম্পন্ন কৰাৰ প্ৰতিশ্ৰুতি দিছে কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে। ইফালে, সমগ্ৰ বিষয়টোত অঞ্চলটোৰ এজন চৰকাৰী গাঁওবুঢ়াৰ জালিয়াতি জড়িত হৈ থকা বুলিও ফাদিল কৰে ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে। অৱশ্যে এই পৰ্যন্ত এই 'ধুৰন্ধৰ' গাঁওবুঢ়া বা গাঁওপ্ৰধানৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ বিষয়ে জানিব পৰা হোৱা নাই। সমগ্ৰ বিষয়টো ৰহস্যজনক কাৰণত এই বৃদ্ধ দম্পতীক বুজাই নিদিয়াকৈয়ে ইমান বছৰ পাৰ হৈ যোৱাটোৱেও সকলোকে আচৰিত কৰি তুলিছে। অভিযোগ অনুসৰি, এদিন-দুদিন কৰি পাৰ হৈ গ'ল নটাকৈ বছৰ। কামটো আজি হ'ব কালি হ'ব বুলি শৰ্মা দম্পতীক ভুৱা প্ৰতিশ্ৰুতিও দি থাকিল চৰকাৰী কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীয়ে। অৱশেষত ন বছৰৰ পাছতহে ৰাজহ চক্ৰ বিষয়াৰ পৰা সঠিক উত্তৰ লাভ কৰিলে চাইকেলেৰেই সংগ্ৰাম চলাই অহা এই দম্পতীৰে। এই ঘটনাই উদঙাই দিছে চৰকাৰী কাৰ্যালয়ৰ এখন জীয়া ছবি। অৱশ্যে বৰ্তমানৰ চক্ৰ বিষয়াগৰাকীৰ তৎপৰতাত এইবাৰ তেওঁলোকৰ এই কামৰ সমাধানসূত্ৰ ওলাব বুলি আশাবাদী এই বৃদ্ধ দম্পতী।

# প্ৰায় ৯১ দিনৰ পাছত মুকলি আকাশৰ তলত বিতোপন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ আগষ্ট ঃ** প্ৰায় ৯১ দিন পাছত মুকলি আকাশৰ তললৈ আহিল শিৱসাগৰ জিলাৰ আমগুৰি চামগুৰি জেহেঙীয়া বালিপথাৰ গাঁৱৰ যুৱক বিতোপন চাংমাই। কবিতা লিখি চৰকাৰ আৰু আৰক্ষীৰ ৰোষত পৰা মেধাৱী ছাত্ৰী বৰ্ষাশ্ৰী বুঢ়াগোহাঁইৰ স'তে যোগাযোগ থকাৰ অভিযোগত বিতোপনক গ্ৰেপ্তাৰ কৰা হৈছিল। উল্লেখ্য যে সংবাদ মাধ্যম, সামাজিক মাধ্যমত বৰ্ষাশ্ৰীৰ সমৰ্থনত প্ৰৱল জোৱাৰ উঠিছিল আৰু তাৰ পাছতেই ন্যায় পালে মেধাৱী ছাত্ৰীগৰাকীয়ে; কিন্তু বৰ্ষাশ্ৰীৰ গ্ৰেপ্তাৰৰ পাছৰ দিনটোতেই অৰ্থাৎ যোৱা ১৯ মে'ত গ্ৰেপ্তাৰ হৈছিল বালিপথাৰ গাঁৱৰ পুতুল চাংমাই আৰু ডেইজী চাংমাইৰ পুত্ৰ বিতোপন। পৰিয়ালৰ লোকে জনোৱা মতে, স্নাতক বিতোপন এজন মেধাৱী ছাত্ৰ। চামগুৰি তাই আহোম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি বিতোপনে ইতিমধ্যে বহুকেইটা চৰকাৰী চাকৰিৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰিছিল। কাৰাগাৰত থকাৰ বাবেই বৰ্তমানলৈকে তেওঁ কোনো চৰকাৰী চাকৰিৰ পৰীক্ষাত বহিব পৰা নাই। খেতিয়ক পিতৃয়ে জামিনৰ বাবে ধন গোটাব নোৱৰাৰ বাবেই যুৱকজনৰ মুক্তিৰ পথ স্তব্ধ হৈ পৰিছিল। প্ৰায় ৯১ দিনৰ পাছত অৱশেষত যোৱা ১৮ আগষ্টত শিৱসাগৰ সত্ৰ ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰাৰ পাছতে আজি তেওঁ শিৱসাগৰ জিলা কাৰাগাৰৰ পৰা মুকলি আকাশৰ তলতে আহে। জেলত থকা অৱস্থাত সহায় কৰা বাবে আটাছু আৰু সংবাদ মাধ্যমক ধন্যবাদ জনোৱাৰ লগতে জেললৈ পঠোৱাক লৈ আৰক্ষীৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰে যুৱকজনে।

# ডুবাইত জিলিকিল তেজপুৰৰ নৃত্য শিল্পীৰ দল



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২০ আগষ্ট ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ইন্টাৰনেছনেল কালচাৰেল কনক্লেভ নামৰ অনুষ্ঠানটিয়ে সুদূৰ ডুবাইত আয়োজন কৰা এক সাংস্কৃতিক সমাৰোহত তেজপুৰৰ দলে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ডুবাইৰ ম'ল অফ এমেৰিটাছত যোৱা ১৩ৰ পৰা ১৬ আগষ্টলৈ আয়োজিত এই সাংস্কৃতিক সমাৰোহত তেজপুৰৰ বিশিষ্ট নৃত্যশিল্পী ৰুবী বৰা বৰদলৈ আৰু কন্যা ভায়লিনা বৰদলৈয়ে নিমন্ত্ৰণ মৰ্মে নৃত্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি ৰুবী বৰদলৈৰ তত্ত্বাৱধানত অসমভেলী স্কুল আৰু নূপুৰ নৃত্যাংগনাৰ ছাত্ৰ-ছাত্ৰীয়ে শাস্ত্ৰীয়, আংশিক শাস্ত্ৰীয় আৰু লোক নৃত্য শাখাত কে'বাটাও পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। তেজপুৰৰ দলটিয়ে শাস্ত্ৰীয় নৃত্য প্ৰদৰ্শন কৰি চাৰিটাকৈ প্ৰথম পুৰস্কাৰ আৰু অসমৰ বিহু নৃত্যৰে এটা প্ৰথম পুৰস্কাৰৰ উপৰি আংশিক শাস্ত্ৰীয় নৃত্য প্ৰদৰ্শনেৰে প্ৰথম পুৰস্কাৰ লাভ কৰে। ৰুবী বৰদলৈয়ে অসমৰ শাস্ত্ৰীয় আৰু বিহু নৃত্যৰে বহুকেইটা আন্তঃৰাষ্ট্ৰীয় প্লেটফৰ্মত অনুষ্ঠান কৰিছে । ২০১৪ত থাইলেণ্ডত, ২০১৫ত কলম্বিয়াত, ২০১৬ত থাইলেণ্ডত আৰু ২০১৭ত ছিংগাপুৰত। তেওঁ ১৯৯০ৰ পৰাই শাস্ত্ৰীয় নৃত্যৰ লগত একনিষ্ঠভাৱে কাম কৰি বহুতো শিক্ষাৰ্থীক পাৰদৰ্শিতাৰে আগবঢ়াই আনিছে। তেওঁ বালিপৰাত থকা অসমভেলী স্কুলত ২০০৬ৰ পৰা এগৰাকী শাস্ত্ৰীয় নৃত্যৰ শিক্ষয়িত্ৰীৰূপে নিয়োজিত হৈ থাকি সামাজিক অনুষ্ঠানসমূহৰ লগত জড়িত হৈ আহিছে। উল্লেখ্য যে ৰুবী বৰা বৰদলৈ আৰু বিশিষ্ট কণ্ঠশিল্পী প্ৰয়াত পংকজ বৰদলৈৰ কন্যা ভায়'লিনা বৰদলৈয়ে ডুবাইত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানটোত অসমীয়াৰ গৌৰৱ এৰী কাপোৰেৰে তৈয়াৰ কৰা পোছাক পৰিধান কৰি কলম্বিয়ান নৃত্য শিল্পী আৰু মডেল অম্বিকা দেৱীৰ লগত ডিজাইনাৰ অনন্যা শৰ্মাৰ তত্ত্বাৱধানত ৰেম্প ওৱাক কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।

# হেজাৰ হেজাৰ বন্তিৰ পোহৰেৰে আলোকিত হ'ল জামুগুৰিহাটৰ পাতলৰচুক গাঁৱৰ নামঘৰ

## অনুষ্ঠিত হ'ল ২৬৭ বছৰীয়া গৌৰৱোজ্জ্বল বোকাখচা ভাওনা



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২০ আগষ্ট ঃ** ভগৱান শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে যোৱা নিশা হেজাৰ হেজাৰ বন্তিৰ পোহৰেৰে আলোকিত হৈ থাকিল জামুগুৰিহাটৰ পাতলৰচুক গাঁৱৰ নামঘৰ চৌহদ। দিনৰ ভাগত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজে শৰাই-শলিতা নৈবেদ্য আগবঢ়াই নিজৰ মনোবাঞ্ছা পূৰণাৰ্থে ভগৱানৰ আশিস লোৱাৰ পাছত সন্ধিয়া পাতলৰচুক গাঁৱৰ নামঘৰৰ লগতে নামঘৰ প্ৰাংগণত থকা বৃহৎ পুখুৰীৰ চৌদিশে গাঁওবাসী ৰাইজে হেজাৰ হেজাৰ বন্তি প্ৰজ্বলন কৰে। হেজাৰ হেজাৰ বন্তিৰ পোহৰেৰে নিশা ১২ বজা পৰ্যন্ত আলোকিত হৈ থাকিল নামঘৰ চৌহদ। নিশাৰ ভাগত শ্ৰীকৃষ্ণৰ জন্মযাত্ৰাৰ নাটভাগ মঞ্চস্থ হোৱাৰ পাছত আজি বিয়লি ভাগত অনুষ্ঠিত হয় নন্দোৎসৱ তথা বোকাখচা ভাওনা। বুঢ়া নন্দই পুত্ৰ লাভ কৰাৰ আনন্দত গকুলত যি আন্দোৎসৱৰ সৃষ্টি হয় সেই পৰিৱেশকে প্ৰতীকী অৰ্থত দেখুৱাবলৈ নামঘৰ চৌহদত আয়োজন কৰা নন্দোৎসৱ তথা বোকাখচা ভাওনা ধাৰাবাহিকভাৱে ২৬৭ বছৰ ধৰি জামুগুৰিহাটৰ পাতলৰচুক গাঁৱৰ ৰাইজে সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰি আহিছে। গাঁওবাসী ৰাইজে এইবাৰো আয়োজন কৰা এই ভাওনা চাবলৈ দূৰ-দূৰণিৰ পৰা যথেষ্ট লোকৰ সমাগম হয়। ৰাইজৰ বিশ্বাস— বোকাখচা ভাওনাৰ পংকৰ ফোঁট ল'লে মানুহৰ মনোবাঞ্ছা পূৰণ হয়। বোকাখচা ভাওনাক লৈ ইতিমধ্যে এসপ্তাহ পূৰ্বৰ পৰাই গাঁওখনত এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়।

## পৰম্পৰাগত বোকা খেল আদিৰে আনন্দত মতলীয়া অঞ্চলবাসী

# ভোগপাৰাত ১১৯ বছৰ গৰকা নন্দোৎসৱ



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২০ আগষ্ট ঃ** ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ পাছদিনা গোকুলত নন্দ ৰজাৰ ঘৰত উদ্‌যাপন হৈছিল আনন্দ উৎসৱ। গোকুলৰ পুৰুষ-মহিলা সমন্বিতে সকলোৰে একত্ৰিত হৈ ভাগ লৈছিল সেই আনন্দ-উল্লাসত। মহাভাৰতত বৰ্ণিত সেই আনন্দ-উৎসৱকে সাৰোগত কৰি শ্ৰীকৃষ্ণৰ জন্মৰ পাছদিনা বাগ্‌সাৰ মুছলপুৰৰ সমীপৱৰ্তী ভোগপাৰাতো বিগত ১১৯ বছৰে পৰম্পৰাগতভাৱে পালন কৰি আহিছে নন্দোৎসৱ। সেই উপলক্ষে আজি জিলাখনৰ এক নম্বৰ ভোগপাৰা দৌলগোবিন্দ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত নন্দোৎসৱ অনুষ্ঠানত গাঁওখনৰ ডেকা-বুঢ়া সকলোৰে অংশ লয় বোকা খেলত। পুৰাৰে পৰা গাঁওখনৰ বাসিন্দাসকলে উলহ-মালহেৰে অংশগ্ৰহণ কৰে পৰম্পৰাগত বোকা খেলত। বোকা খেলত অংশগ্ৰহণৰ উদ্দেশ্য ব্যাখ্যা কৰি নন্দোৎসৱ উদযাপন সমিতিৰ মুখ্য উপদেষ্টা খৰ্গেশ্বৰ দাসে সাংবাদিকক কয় যে ১৯০৩তে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ধৰণীধৰ বসুমতাৰীৰ পিতৃ লক্ষীৰাম মণ্ডলে প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰিছিল নন্দোৎসৱ। তেতিয়াৰ পৰাই মুছলপুৰৰ এই বিশেষ অঞ্চলটোত নন্দোৎসৱ উদ্‌যাপন কৰি আহিছে। অঞ্চলটোৰ বহুসংখ্যক যুৱক-যুৱতী, পুৰুষ-মহিলা, শিশু আদি সকলোৰে ভোগপাৰাৰ এই বোকা খেল অৰ্থাৎ নন্দোৎসৱত অংশগ্ৰহণ কৰে। এই বোকা খেলৰ মাজতে নাৰিকল আৰু ৰবাব টেঙা চুৰি কৰা খেলো অনুষ্ঠিত হয়। এই উৎসৱৰ জৰিয়তে বৃহৎ অঞ্চলটোত সম্প্ৰীতিৰ বান্ধোনো অধিক কটকটীয়া হয়।

# ৰঙাপৰাৰ চুৰিয়াবিলত সৌৰশক্তি তাঁৰত লাগি শিশু ছাত্ৰৰ মৃত্যু

## হাতী খেদিবলৈ কৃষকে সংযোগ কৰা তাঁৰত লাগি দুৰ্ঘটনা

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২০ আগষ্ট ঃ** শোণিতপুৰৰ ৰঙাপৰাত কালি সৌৰশক্তি তাঁৰত লাগি অকাল মৃত্যুক সাৱটি ল'লৈ এজন শিশু ছাত্ৰই। এই ঘটনা সংঘটিত হয় ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত চুৰিয়াবিলত। চুৰিয়াবিল গাঁৱৰ নিবাসী যোছেফ কাণ্ডুলনা নামৰ কৃষকজনে নিজৰ খেতিপথাৰত বনৰীয়া হাতীয়ে যাতে প্ৰৱেশ কৰিব নোৱাৰে, সেই উদ্দেশ্যৰে সৌৰশক্তি তাঁৰ স্থাপন কৰি থৈছিল। অভিযুক্ত লোকজনে সৌৰশক্তি তাঁৰত সংযোগ ঘটাই অন্য এডাল তাঁৰেৰে নদীত মাছ মাৰি আছিল। বিয়লিৰ ভাগত চুৰিয়াবিলত প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ জয়গুণ খেৰিয়াই সমনীয়াৰ স'তে গৰু চৰাই থকাৰ লগতে সৌৰশক্তি তাঁৰডালৰ কাষতে খেলি আছিল।

ঠিক সেই সময়তে হঠাৎ শিশুটিৰ ভৰিয়ে তাঁৰডালত স্পৰ্শ কৰে আৰু ঘটনাস্থলীতে মৃত্যুক সাৱটি লয়। দিনৰ ভাগত সৌৰশক্তি তাঁৰডালত বিদ্যুৎ পৰিবাহিত হৈ আছিল আৰু সেয়া ঘুণাক্ষৰেও শিশুজনে জনা নাছিল। ইতিমধ্যে ৰঙাপৰা আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com